# চেণ্ট্ৰেল ব’ৰ্ড অৱ এক্সাইজ এণ্ড কাষ্টম্‌ছ

(CENTRAL BOARD OF EXCISE & CUSTOMS)

নতুন দিল্লী

(NEW DELHI)

# সামগ্ৰী আৰু সেৱা কৰ (জি এছ টি)

# Goods and Services Tax (GST)

## সন্দৰ্ভত সঘনে মনলৈ অহা প্ৰশ্ন

## Frequently Asked Question) (FAQ)

দ্বিতীয় সংস্কৰণ। ৩১ মাৰ্চ, ২০১৭

# আগকথা

আবকাৰী আৰু সীমা শুল্কৰ কেন্দ্ৰীয় ব'ৰ্ড (চি বি ই চি), সীমা শুল্ক, আবকাৰী আৰু নাৰ্কটিকছৰ ৰাষ্ট্ৰীয় একাডেমী (এন এ চি ই এন)ৰ অধীনৰ শীৰ্ষ প্ৰশিক্ষণ প্ৰতিষ্ঠানে উপস্থাপন কৰা জি এছ টি সম্পৰ্কীয় সঘনে সোধা প্ৰশ্নাৱলী অত্যন্ত গ্ৰহণযোগ্য হৈছে। এই জি এছ টি সম্পৰ্কীয় সঘনে সোধা প্ৰশ্নাৱলী (FAQs) মাননীয় বিত্তমন্ত্ৰীৰ দ্বাৰা যোৱা ২১ ছেপ্টেম্বৰ, ২০১৬ত মুকলি কৰা হৈছিল আৰু ২০১৬ৰ জুন মাহৰ আৰ্হি জি এছ টিৰ ওপৰত ই আধাৰিত আছিল। এই জি এছ টি এফ এ কিউ সমগ্ৰ দেশত ব্যাপ্ত হোৱাটো নিশ্চিত কৰিবলৈ বিভিন্ন আঞ্চলিক ভাষালৈ ইয়াক অনুবাদ কৰা হয়।

প্ৰথম সংস্কৰণটো প্ৰকাশ হোৱাৰ পিছত কিছু গুৰুত্বপূৰ্ণ পৰিৱৰ্তন সংঘটিত হৈছে। সম্প্ৰতি জি এছ টি, এছ জি এছ টি, আই জি এছ টি, ইউ টি জি এছ টি আৰু কেতবোৰ নীতি-নিয়মসহকাৰে ক্ষতিপূৰণ বহিঃশুল্ক সন্দৰ্ভত জি এছ টি পৰিষদে কেতবোৰ অনুমোদন জনাইছে। সংসদত উত্থাপিত কেন্দ্ৰীয় বিধেয়কসমূহ; ৰাজ্যবিলাকৰ সৈতে সম্পৃক্ত সংশ্লিষ্ট ৰাজ্যিক বিধানসভাসমূহৰ দ্বাৰা অনুমোদিত হ'ব। প্ৰথম সংস্কৰণটো উত্থাপন কৰাৰ সময়ত যিদৰে প্ৰতিশ্ৰুতি প্ৰদান কৰা হৈছিল, তাৰ ভিত্তিতেই সংসদত উত্থাপিত পূৰ্বোল্লিখিত বিধেয়কৰ ভিত্তিত এন এ চি ই এনে সঘনে উত্থাপিত প্ৰশ্নাৱলীৰ (FAQs) এটা দ্বিতীয় সংস্কৰণ সংসদত উত্থাপন কৰে। এই কামৰ বাবে গ্ৰহণ কৰা তৎপৰতাৰ হেতু মই এন এ চি ই এনৰ ডিজি আৰু তেওঁৰ সমূহ কৰ্মকৰ্তাক অভিনন্দন জনাইছো আৰু মই নিশ্চিত যে কৰ বিষয়াবৰ্গ, বাণিজ্য আৰু জনসাধাৰণৰ মাজত জ্ঞান আৰু সজাগতা সম্প্ৰসাৰণৰ ক্ষেত্ৰত ই যথেষ্ট অগ্ৰগতি লাভ কৰিব।

স্বা/

**নজিব শ্বাহ**
**অধ্যক্ষ , চি বি ই চি**

# সূচী


১। সামগ্ৰী আৰু সেৱা কৰ (জি এছ টি) (GST)ৰ এক অৱলোকন...........৭
২। কৰৰ দেনা আৰু ৰেহাই......................................................................২৪
৩। পঞ্জীয়ন...........................................................................................৩২
৪। যোগানৰ অৰ্থ আৰু পৰিসৰ..............................................................৫১
৫। যোগানৰ সময়..................................................................................৫৯
৬। জি এছ টিত মূল্যায়ন..........................................................................৬৭
৭। কৰৰ জি এছ টি পৰিশোধ...................................................................৭২
৮। ইলেক্ট্ৰনিক কমাৰ্চ...............................................................................৮৩
৯। ঠিকা কাম..........................................................................................৮৮
১০। ইনপুট টেক্স ক্ৰেডিট...........................................................................৯৪
১১। জি এছ টিত 'ইনপুট ছাৰ্ভিচ ডিষ্ট্ৰিবিউটৰ'ৰ ধাৰণা..............................১০৫
১২। হিচাপৰ বিৱৰণৰ প্ৰক্ৰিয়া আৰু 'ইনপুট টেক্স ক্ৰেডিট'ৰ সাদৃশ্য..........১১১
১৩। নিৰ্ধাৰণ আৰু হিচাপ পৰিদৰ্শন........................................................১১৩
১৪। কৰ নিৰ্ধাৰণ আৰু হিচাপ-নিকাচ.......................................................১২২
১৫। পুনৰ পৰিশোধ বা ওৱাপোচ (Refund)...........................................১৩২
১৫। দাবী আৰু পুনৰুদ্ধাৰ..........................................................................১৪০
১৬। জি এছ টিত আবেদন, পুনৰীক্ষণ আৰু পুনৰ সংশোধন.....................১৪৯
১৭। আগতীয়া মীমাংসা...........................................................................১৫৯
১৮। নিষ্পত্তি আয়োগ (বাদদিয়া হৈছে)...................................................১৬৭
১৯। পৰিদৰ্শন, খানাতালাচ, জব্দ আৰু গ্ৰেপ্তাৰ.......................................১৬৮
২০। অপৰাধ আৰু অৰ্থদণ্ড, আইনগত ব্যৱস্থা আৰু মাতমিট .................১৯০
২১। আই জি এছ টি আইন সন্দৰ্ভত এক অৱলোকন..............................২০৬
২২। সামগ্ৰী আৰু সেৱাৰ যোগানৰ স্থান..................................................২১২
২৩। জি এছ টি এন আৰু জি এছ টি প'ৰ্টেলত সন্মুখৰ ব্যাৱসায়িক প্ৰক্ৰিয়া......২০৩
২৪। স্থানান্তৰণৰ বিধান ...........................................................................২৩৮

**প্ৰস্তুতকৰ্তা ঃ**

সমীৰ বাজাজ, অতিৰিক্ত সঞ্চালক, NACEN, মুম্বাইৰ তত্ত্বাৱধানত শ্ৰী দীপক মাতা, সহকাৰী সঞ্চালক, NACEN, মুম্বাই আৰু সঞ্জীৱ নায়াৰ, পৰীক্ষক, CESTAT, মুম্বাই

**পুনৰীক্ষক ঃ**

শ্ৰীপি কে মহান্টী, কনছালটেণ্ট, CBEC (অধ্যায়-১); শ্ৰীবিশাল প্ৰতাপ সিং, ডি চি (জি এছ টি), জি এছ টি পলিচী উইং, CBEC (অধ্যায়-২); ড° পি ডি ৰাঘেলা, CCT, গুজৰাট (অধ্যায়-৩ আৰু ৭); শ্ৰী ডি পি নগেন্দ্ৰ কুমাৰ, Pr, ADG, DGCEI, বেংগালুৰু (অধ্যায় ৪-৬); শ্ৰীউপেন্দৰ গুপ্ত, আয়ুক্ত, জি এছ টি, CBEC (অধ্যায় ৮-১১); শ্ৰীৰিত্বিক পাণ্ডে, CCT, কৰ্ণাটক (অধ্যায়-১২); শ্ৰী অৰুণ কুমাৰ মিশ্ৰ, যুটীয়া সচিব, CTD, বিহাৰ (অধ্যায়-১৩); শ্ৰীখালিদ আনোৱাৰ, Senior JCT, পশ্চিমবংগ (অধ্যায়-১৪-২৪); শ্ৰী অজয় জৈন, Pr. Commissioner of Customs, আহমেদাবাদ (অধ্যায়-১৫); শ্ৰী বি বি আগৰৱাল, Pr. Commissioner, হাইদৰাবাদ (অধ্যায়-১৬); শ্ৰী শশাংক প্ৰিয়, ADG, DG GST, CBEC (অধ্যায়-১৭-২০); শ্ৰী জি ডি লোহানি, CCE, ফৰিদাবাদ (অধ্যায়-২১ আৰু ২২) আৰু শ্ৰীপ্ৰকাশ কুমাৰ, CEO, GSTN (অধ্যায়-২৩)।

ফেক (FAQ) সন্দৰ্ভত মন্তব্য আৰু পৰামৰ্শ dg.nacen-cbec@nic.inলৈ প্ৰেৰণ কৰিব পাৰে

**দায়বদ্ধ নহয় ঃ**

NACENয়ে প্ৰস্তুত কৰি উলিওৱা আৰু মুখ্য/প্ৰাৰম্ভিক প্ৰশিক্ষাৰ্থীসকলে (Source Trainers) পৰীক্ষা কৰা জি এছ টি সম্পৰ্কীয় এই সঘনে মনলৈ অহা প্ৰশ্ন (Frequently Asked Question) ফেক (FAQ) ২০১৬ৰ জুনত ৰাজহুৱাকৈ প্ৰকাশিত খচৰা আৰ্হি জি এছ টি আইন (Model GST Law) (এম জি এল)ৰ ওপৰত আধাৰিত। এই ফেক (FAQ) কেৱল প্ৰশিক্ষণ আৰু শৈক্ষিক উদ্দেশ্যৰ বাবেহে।

এই পুস্তিকাত থকা তথ্যৰ একমাত্ৰ উদ্দেশ্য হৈছে এক সাধাৰণ অৱলোকন প্ৰদান কৰা আৰু ইয়াক বিধিগত পৰামৰ্শ বা মত হিচাপে গণ্য কৰিব নালাগিব। আৰু অধিক জানিবৰ বাবে আপোনালোকে চি জি এছ টি/ এছ জি এছ টি/ ইউ টি জি এছ টি/ আই জি এছ টি আইন চাব পাৰে।

চি জি এছ টি আইন আৰু এছ জি এছ টি আইন অনুসাৰে চি জি এছ টি/এছ জি এছ টিত উল্লিখিত চি জি এছ টি আৰু এছ জি এছ টি সম্পৰ্কীয় এই সঘনে সোধা প্ৰশ্নাৱলী ব্যৱস্থাৱলীৰ সৈতে সংগতিপূৰ্ণ। চি জি এছ টি আইন ইতিমধ্যে সংসদত অনুমোদিত হৈছে। সংশ্লিষ্ট ৰাজ্যিক বিধানসভাসমূহৰ দ্বাৰা এছ জি এছ টি আইন অনুমোদিত হ'ব। ৰাজ্যৰ বাবে কেতবোৰ ব্যৱস্থা নিৰ্দিষ্ট হ'ব পাৰে আৰু সেয়া চি জি এছ টি আইনত নাথাকিবও পাৰে।

**অনুবাদ ঃ**

জি এছ টি সম্পৰ্কীয় এই ফেক (FAQ)ৰ ইংৰাজীৰ পৰা অসমীয়ালৈ অনুবাদ কৰিছে শ্ৰীগিৰীন্দ্ৰ শইকীয়া, সাংবাদিক আৰু অসমীয়া অনুবাদক, গুৱাহাটী, অসম, ফোন ঃ +৯১ ৯৭০৬১৩৭৩৫৩

# সামগ্ৰী আৰু সেৱা কৰ
# (জি এছ্ টি/GST)ৰ অৱলোকন
# (Overview of Goods and Services Tax)

# ১। সামগ্ৰী আৰু সেৱা কৰ (জি এছ টি/GST)ৰ অৱলোকন

**প্ৰশ্ন ১। সামগ্ৰী আৰু সেৱা কৰ (জি এছ টি) কি?**

**উত্তৰ ঃ** ই হৈছে সামগ্ৰী আৰু সেৱা উপভোগৰ ওপৰত স্থানভিত্তিক কৰ। প্ৰস্তুতকৰণৰ পৰা সৰ্বশেষ উপভোগলৈকে পৰিমাণ অনুসৰি পৰ্যাপ্ত ৰূপত আগতীয়া পৰ্যায়সমূহত পৰিশোধ কৰা কৰৰ নিৰিখ হিচাপত ই সকলো পৰ্যায়তে ধাৰ্য হ'ব পাৰে। একোটা ফলাহাৰত (nutshel), কেৱল মূল্য সংযোজন কৰাৰোপিত হ'ব আৰু কৰৰ বোজা সৰ্বশেষ উপভোক্তাই বহন কৰিব লাগিব।

**প্ৰশ্ন ২। উপভোগত স্থানভিত্তিক (destination based) কৰ বুলিলে কি বুজায়?**

**উত্তৰ ঃ** যোগানৰ স্থান হিচাপেও অভিহিত উপভোগৰ স্থানৰ ওপৰত বিধিসন্মত কৰ্তৃত্ব থকা কৰাৰোপন কৰ্তৃপক্ষই এই কৰ লাভ কৰিব।

**প্ৰশ্ন ৩। জি এছ টিৰ অধীনত কোনবোৰ চলিত কৰ সামৰি লোৱা (subsume) হ'ব?**

**উত্তৰ ঃ** নিম্নোল্লিখিত কৰবিলাক জি এছ টিয়ে পুনৰ প্ৰয়োগ কৰিব ঃ

(১) কেন্দ্ৰই বৰ্তমান আৰোপ আৰু সংগ্ৰহ কৰা কৰবিলাক ঃ

ক। কেন্দ্ৰীয় আবকাৰী শুল্ক

খ। আবকাৰী শুল্ক (ঔষধী আৰু প্ৰসাধন প্ৰস্তুতি)

গ। আবকাৰীৰ অতিৰিক্ত শুল্ক (বিশেষ গুৰুত্ব থকা পণ্য সামগ্ৰী)

ঘ। আবকাৰীৰ অতিৰিক্ত শুল্ক (বস্ত্ৰ আৰু বস্ত্ৰ সামগ্ৰী)

ঙ। সীমা শুল্ক (custom)ৰ অতিৰিক্ত শুল্ক (সাধাৰণতে যাক CVD বুলি জনা যায়)

চ। সীমা শুল্কৰ বিশেষ অতিৰিক্ত শুল্ক (SAD)

ছ। সেৱা কৰ

জ। পণ্য সামগ্ৰী আৰু সেৱাৰ যোগানৰ সৈতে থকা সম্পৰ্ক অনুসৰি কেন্দ্ৰীয় অতিৰিক্ত মাচুল (surcharges) আৰু উপকৰ (cess)

(২) জিএছটিৰ অধীনত সামৰি ল'বলগীয়া (subsume) ৰাজ্যিক কৰবিলাক ঃ

ক। ৰাজ্যিক মূল্য সংযোজিত কৰ (VAT)

খ। কেন্দ্ৰীয় বিক্ৰী কৰ

গ। বিলাস কৰ

ঘ। প্ৰৱেশ কৰ (সকলো প্ৰকাৰৰ)

ঙ। মনোৰঞ্জন আৰু আমোদ কৰ (স্থানীয় সমিতিৰ দ্বাৰা কৰাৰোপিত নহ'লেহে)

চ। বিজ্ঞাপনৰ ওপৰত কৰ

ছ। ক্ৰয় কৰ

জ। লটাৰী, বাজী আৰু জুৱাৰ ওপৰত কৰ

ঝ। সামগ্ৰী আৰু সেৱাৰ যোগানৰ সৈতে থকা সম্পৰ্ক অনুসৰি ৰাজ্যিক অতিৰিক্ত মাচুল আৰু উপকৰ

কেন্দ্ৰ, ৰাজ্য আৰু স্থানীয় সমিতিসমূহে আৰোপ কৰা কৰ, উপকৰ আৰু অতিৰিক্ত মাচুলৰ ওপৰত জি এছ টি পৰিষদে কেন্দ্ৰ আৰু ৰাজ্যসমূহক পৰামৰ্শ দিব আৰু সেই মতে জি এছ টিত প্ৰযোজ্য হ'ব।

**প্ৰশ্ন ৪। জি এছ টিৰ অধীনত ওপৰত উল্লিখিত কৰসমূহ প্ৰযোজ্য কৰিবৰ বাবে কি নীতি গ্ৰহণ কৰা হৈছে?**

**উত্তৰ ঃ** জি এছ টিৰ অধীনত প্ৰযোজ্য হোৱাৰ সম্ভাৱনীয়তা চিনাক্ত কৰিবলৈ বিভিন্ন কেন্দ্ৰীয়, ৰাজ্যিক আৰু স্থানীয় নিৰিখবিলাক পৰীক্ষা কৰা হৈছে। চিনাক্ত কৰাৰ সময়ত নিম্নোল্লিখিত নীতিসমূহ মনত ৰখা হৈছিল ঃ

(১) সামৰি ল'বলগীয়া কৰ বা মাচুলসমূহ প্ৰাথমিকভাৱে হয় সামগ্ৰীৰ যোগান নহয় সেৱাৰ যোগানৰ ক্ষেত্ৰত পৰোক্ষ কৰ প্ৰকৃতিৰ হ'ব লাগিব।

(২) অন্তৰ্ভুক্ত হ'বলগীয়া কৰ বা মাচুল কাৰবাৰ বা লেনদেন শৃংখলা (transaction chain)ৰ অংশ হ'ব লাগিব, যি এফালে সামগ্ৰীৰ আমদানি/প্ৰস্তুতকৰণ/উৎপাদন বা সেৱাৰ ব্যৱস্থাপনা বুজায় আৰু আনফালে সামগ্ৰী আৰু সেৱাৰ উপভোগ বুজায়।

(৩) এই সামৰি লোৱা বা অন্তৰ্ভুক্তিকৰণ (subsumation)ৰ ফলত ৰাজ্যৰ আভ্যন্তৰীণ আৰু আন্তঃৰাজ্যিক স্তৰত কৰৰ নিৰিখৰ মুক্ত প্ৰবাহ হ'ব লাগে। সামগ্ৰী আৰু সেৱাৰ যোগানৰ সৈতে নিৰ্দিষ্টভাৱে সম্পৰ্ক নথকা কৰ, মাচুল আৰু নিৰিখবিলাক জি এছ টিৰ অধীনত অন্তৰ্ভুক্ত হ'ব নালাগে।

(৪) কেন্দ্ৰ আৰু ৰাজ্যসমূহে নিজস্বভাৱে উভয়ৰে বাবে ৰাজহৰ সুচলতা প্ৰতিষ্ঠাৰ লক্ষ্য আগত ৰাখিব লাগিব।

**প্ৰশ্ন ৫। জি এছ টিৰ পৰিসৰৰ বাহিৰত ৰাখিবলগীয়া পণ্যবিলাক কি কি?**

**উত্তৰ ঃ** ১০১তম সংবিধান সংশোধন আইন, ২০১৬ৰ দফা ৩৬৬ (১২এ) অনুসৰি মানুহে সেৱন কৰা মাদক দ্ৰব্যৰ বাহিৰে আন যিকোনো সামগ্ৰী অথবা সেৱা অথবা উভয়ৰে ওপৰত আৰোপিত সামগ্ৰী আৰু সেৱা কৰ (জি এছ টি) বুজায়। সেয়ে সংবিধানত উল্লিখিত জি এছ টিৰ সংজ্ঞাৰ পৰা মানুহে ব্যৱহাৰ কৰা মাদক দ্ৰব্য বাহিৰত ৰখা হৈছে। পাঁচবিধ পেট্ৰ'লজাত সামগ্ৰী যেনে পেট্ৰ'লজাত অপৰিশোধিত তেল, মটৰ স্পিৰিট (পেট্ৰ'ল), হাই স্পীড ডিজেল, প্ৰাকৃতিক গেছ আৰু এভিয়েচন টাৰবাইন ইন্ধন তথা বিদ্যুৎ বাহিৰত ৰখা হৈছে আৰু সেইবিলাক কেতিয়াৰ পৰা জি এছ টিত অন্তৰ্ভুক্ত কৰা হ'ব সেই কথা জি এছ টি পৰিষদে নিৰ্ধাৰণ কৰিব। তদুপৰি, বিদ্যুৎ সেৱাক জি এছ টিৰ পৰিসৰৰ বাহিৰত ৰখা হৈছে।

**প্ৰশ্ন ৬। জি এছ টি বলৱৎ হোৱাৰ পিছত ওপৰত উল্লেখ কৰা পণ্যবিলাকৰ কৰাৰোপনৰ ক্ষেত্ৰত কি ব্যৱস্থা হ'ব?**

**উত্তৰ ঃ** ওপৰত উল্লিখিত পণ্যবিলাকৰ ক্ষেত্ৰত চলিত কৰাৰোপন পদ্ধতি (মূল্য সংযোজিত কৰ-ভেট (VAT) আৰু কেন্দ্ৰীয় আবকাৰী শুল্ক) অব্যাহত থাকিব।

**প্ৰশ্ন ৭। জি এছ টিৰ অধীনত ধপাত আৰু ধপাত জাতীয় সামগ্ৰীৰ ব্যৱস্থা কি হ'ব?**

**উত্তৰ ঃ** ধপাত আৰু ধপাত জাতীয় সামগ্ৰীত জি এছ টি প্ৰযোজ্য হ'ব। তাৰ লগতে এই সামগ্ৰীবোৰৰ ওপৰত কেন্দ্ৰীয় আবকাৰী শুল্ক আৰোপ কৰাৰ ক্ষমতা কেন্দ্ৰৰ থাকিব।

**প্ৰশ্ন ৮। কেনেধৰণৰ জি এছ টি বলৱৎ কৰা হ'ব?**

**উত্তৰ ঃ** এক উমৈহতীয়া কৰৰ ভিত্তিত কেন্দ্ৰ আৰু ৰাজ্যসমূহে একে সময়তে কৰাৰোপন কৰাৰ লগতে ই হ'ব এক দ্বৈত জি এছ টি। ৰাজ্যৰ আভ্যন্তৰত পণ্য-সামগ্ৰী আৰু/অথবা সেৱাৰ যোগানত কেন্দ্ৰই আৰোপ কৰিবলগা জি এছ টিক কোৱা হ'ব কেন্দ্ৰীয় জি এছ টি (CGST) আৰু ৰাজ্যসমূহে আৰোপ কৰিবলগীয়া জি এছ টিক কোৱা হ'ব ৰাজ্যিক জি এছ টি (SGST)। একেদৰে, প্ৰতিটো আন্তঃৰাজ্যিক পণ্য সামগ্ৰী আৰু সেৱাৰ যোগানত কেন্দ্ৰই সমন্বিত জি এছ টি (Integrated GST) আৰোপ কৰিব।

**প্ৰশ্ন ৯। দ্বৈত জি এছ টি কিয় লাগে?**

**উত্তৰ ঃ** ভাৰত এখন সংযুক্ত শাসন থকা দেশ, য'ত যথোচিত বিধিৰ জৰিয়তে কৰ আৰোপ আৰু সংগ্ৰহৰ ক্ষমতা কেন্দ্ৰ আৰু ৰাজ্যসমূহ উভয়ে লাভ কৰিছে। সংবিধানত উল্লিখিত ক্ষমতাৰ বিভাজন অনুসৰি কাৰ্য সম্পাদন কৰিবৰ বাবে উভয় স্তৰৰ চৰকাৰৰ স্পষ্ট দায়বদ্ধতা আছে, যাৰ বাবে তেওঁলোকে সম্পদৰ উন্নতি সাধন কৰিবলগীয়া হয়। সেয়ে একোটা দ্বৈত জি এছ টিয়ে বিত্তীয় সংযুক্ত শাসনতন্ত্ৰৰ সাংবিধানিক আৱশ্যকতা পূৰণ কৰে।

**প্ৰশ্ন ১০। জি এছ টি কোন কৰ্তৃপক্ষই আৰোপ আৰু পৰিচালনা কৰিব?**

**উত্তৰ ঃ** কেন্দ্ৰই চি জি এছ টি আৰু আই জি এছ টি আৰোপ আৰু পৰিচালনা কৰাৰ বিপৰীতে সংশ্লিষ্ট ৰাজ্যসমূহে এছ জি এছ টি /ইউ টি জি এছ টি আৰোপ আৰু পৰিচালনা কৰিব।

**প্ৰশ্ন ১১। জি এছ টিৰ পৰিপ্ৰেক্ষিতত শেহতীয়াকৈ ভাৰতৰ সংবিধানখন কিয় সংশোধন কৰা হ'ল?**

**উত্তৰ ঃ** বৰ্তমান কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজৰ বিত্তীয় ক্ষমতাৱলী সংবিধানত স্পষ্টভাৱে চিহ্নিত কৰা আছে, য'ত সংশ্লিষ্ট শাসনতন্ত্ৰৰ প্ৰায় ওপৰা-উপৰি নাই। সামগ্ৰীৰ প্ৰস্তুতকৰণ (মানুহে সেৱন কৰা নিচাজাতীয় পানীয়, কানি, টোপনি অহোৱা দৰৱ ইত্যাদিৰ বাহিৰে)ৰ ওপৰত কৰাৰোপনৰ ক্ষমতা কেন্দ্ৰৰ থকাৰ বিপৰীতে পণ্য সামগ্ৰীৰ বিক্ৰীৰ ওপৰত কৰাৰোপনৰ ক্ষমতা ৰাজ্যসমূহৰ আছে। আন্তঃৰাজ্যিক বিক্ৰয়ৰ ক্ষেত্ৰত একোটা (কেন্দ্ৰীয় বিক্ৰী কৰ) আৰোপ কৰাৰ ক্ষমতা কেন্দ্ৰৰ আছে যদিও সেই কৰ ৰাজ্যসমূহে সামগ্ৰিকভাৱে সংগ্ৰহ আৰু সংৰক্ষণ কৰে। সেৱাৰ ক্ষেত্ৰত, কেৱল কেন্দ্ৰইহে সেৱা কৰ আৰোপ কৰিব পাৰে।

জি এছ টিৰ প্ৰৱৰ্তনৰ বাবে সংবিধান সংশোধন কৰিবলগীয়া হ'ল যাতে কেন্দ্ৰ আৰু ৰাজ্যসমূহে এই কৰ একে সময়তে আৰোপ আৰু সংগ্ৰহ কৰাৰ ক্ষমতা লাভ কৰে। এই উদ্দেশ্যে অলপতে সংবিধান (এশ একতম সংশোধন) আইন, ২০১৬ৰ জৰিয়তে ভাৰতৰ সংবিধানখন সংশোধিত কৰা হয়। সংবিধানৰ অনুচ্ছেদ ২৪৬ এত কেন্দ্ৰ আৰু ৰাজ্যসমূহক জি এছ টি আৰোপ আৰু সংগ্ৰহ কৰিবলৈ ক্ষমতা প্ৰদান কৰা হৈছে।

**প্ৰশ্ন ১২। কেন্দ্ৰীয় জি এছ টি (CGST) আৰু ৰাজ্যিক জি এছ টি (SGST)ৰ অধীনত সামগ্ৰী আৰু সেৱাৰ একোটা নিৰ্দিষ্ট লেনদেনৰ ওপৰত কেনেদৰে একে সময়তে কৰাৰোপ কৰা হ'ব?**

**উত্তৰ ঃ** আওতাৰ পৰা বাহিৰত ৰখা পণ্য সামগ্ৰী আৰু সেৱা, জি এছ টিৰ পৰিসৰৰ পণ্য সামগ্ৰী আৰু নিৰ্ধাৰিত পৰিসীমাৰ তলৰ লেনদেনবিলাকক বাদ দি বাকী প্ৰতিটো পণ্য সামগ্ৰী আৰু সেৱাৰ যোগানৰ লেনদেনত কেন্দ্ৰীয় জি এছ টি আৰু ৰাজ্যিক জি এছ টি একে সময়তে আৰোপিত হ'ব। পৰৱৰ্তী পৰ্যায়ত উভয়ৰে ক্ষেত্ৰত একে দামৰ ওপৰত বা কেন্দ্ৰীয় ভেট (CENVAT) অন্তৰ্ভুক্ত পণ্য সামগ্ৰীৰ মূল্যৰ ওপৰত আৰোপিত ৰাজ্যিক VATৰ পৃথকে কৰাৰোপিত হ'ব। যোগনীয়াৰ আৰু গ্ৰহণ কৰোতাৰ স্থান দেশৰ ভিতৰতে হ'লে চি জি এছ টি আৰোপৰ আৰশ্যক নহয়, যোগনীয়াৰ আৰু গ্ৰহণ কৰোতা উভয়ে ৰাজ্যৰ ভিতৰৰ হ'লেহে এছ জি এছ টি প্ৰযোজ্য হ'ব।

**ব্যাখ্যা ১ ঃ** ধৰি লোৱা হ'ল যে চি জি এছ টিৰ নিৰিখ ১০ শতাংশ আৰু সেইদৰে এছ জি এছ টি ১০ শতাংশ। যদি উত্তৰ প্ৰদেশৰ এজন ষ্টীলৰ পাইকাৰী ব্যৱসায়ীয়ে একেখন ৰাজ্যতে থকা এটা নিৰ্মাণ কোম্পানীক ১০০ টকাৰ ষ্টীল বাৰ আৰু ৰডৰ যোগান ধৰে, তেতিয়া পণ্য সামগ্ৰীৰ মৌলিক দামৰ (basic price) অতিৰিক্তভাৱে পাইকাৰী ব্যৱসায়ীজনে ১০ টকাৰ চি জি এছ টি আৰু ১০ টকাৰ এছ জি এছ টি আদায় দিব লাগিব। তেওঁ চি জি এছ টিৰ নিৰিখ এটা কেন্দ্ৰীয় চৰকাৰৰ একাউণ্টত জমা দিয়াৰ বিপৰীতে এছ জি এছ টিৰ অংশখিনি সংশ্লিষ্ট ৰাজ্য চৰকাৰৰ একাউণ্টত জমা দিব লাগিব। নিশ্চিতভাৱে যিহেতু তেওঁ তেওঁৰ এই ক্ৰয়ত (ধৰি লোৱা হ'ল, input) চি জি এছ টি বা এছ জি এছ টিৰ বিপৰীতে এই দেনাৰ পৰিমাণৰ বাবে দায়বদ্ধ হ'ব, সেয়ে তেওঁ ২০ টকা (১০ টকা + ১০ টকা) নগদ পৰিশোধ কৰিব নালাগে। কিন্তু চি জি এছ টি বা এছ জি এছ টি পৰিশোধ কৰা বাবে, ক্ৰয়ৰ ক্ষেত্ৰত তেওঁক পৰিশোধ কৰা চি জি এছ টিৰ পৰিমাণ ব্যৱহাৰৰহে অনুমতি দিয়া হ'ব আৰু একেদৰে পৰিশোধ কৰা এছ জি এছ টিৰ বাবে তেওঁ কেৱল এছ জি এছ টিৰ দেনাহে ব্যৱহাৰ কৰিব পাৰিব। আন কথাত ক'বলৈ গ'লে চি জি এছ টিৰ দেনা, সাধাৰণতে এছ জি এছ টিৰ পৰিশোধৰ বাবে ব্যৱহাৰ কৰিব নোৱাৰে। এছ জি এছ টিৰ দেনাও

সেইদৰে চি জি এছ টিৰ পৰিশোধৰ বাবে ব্যৱহাৰ  কৰিব নোৱাৰে।

**ব্যাখ্যা ২ ঃ** আকৌ ধৰি লোৱা হ'ল যে চি জি এছ টিৰ নিৰিখ ১০ শতাংশ আৰু একেদৰে এছ জি এছ টি ১০ শতাংশ। যদি মুম্বাইস্থিত এটা বিজ্ঞাপন কোম্পানীয়ে মহাৰাষ্ট্ৰ ৰাজ্যতে থকা চাবোন প্ৰস্তুতকৰ্তা এটা কোম্পানীক ১০০ টকাৰ বিজ্ঞাপন সেৱাৰ যোগান ধৰে, তেতিয়া বিজ্ঞাপন কোম্পানীটোৱে সেই সেৱাৰ প্ৰাথমিক মূল্যৰ লগতে চি জি এছ টি ১০ টকা আৰু এছ জি এছ টি ১০ টকা ভৰিব লাগিব। তেওঁ কেন্দ্ৰীয় চৰকাৰৰ এটা  একাউণ্টত চি জি এছ টিৰ ধন জমা দিব লাগিব আৰু এছ জি এছ টিৰ অংশ সংশ্লিষ্ট ৰাজ্য চৰকাৰৰ একাউণ্টত জমা দিব লাগিব। নিশ্চিতভাৱে তেওঁ যিহেতু তেওঁৰ এই ক্ৰয়ত (ধৰা হ'ল, input যেনে লিখা-মেলা, কাৰ্যালয়ৰ আহিলা, একোজন শিল্পীৰ সেৱা ইত্যাদি) চি জি এছ টি বা এছ জি এছ টিৰ বিপৰীতে এই দেনাৰ বাবে দায়বদ্ধ হ'ব। সেয়ে তেওঁ ২০ টকা (১০ টকা + ১০ টকা) নগদ পৰিশোধ কৰিব নালাগে। কিন্তু চি জি এছ টি পৰিশোধ কৰা বাবে ক্ৰয়ৰ ক্ষেত্ৰত তেওঁক পৰিশোধ কৰা চি জি এছ টিৰ পৰিমাণ ব্যৱহাৰৰহে অনুমতি দিয়া হ'ব আৰু একেদৰে পৰিশোধ কৰা  এছ জি এছ টিৰ বাবে তেওঁ কেৱল এছ জি এছ টিৰ দেনাহে ব্যৱহাৰ কৰিব পাৰিব। আন কথাত ক'বলৈ গ'লে, চি জি এছ টিৰ দেনা, সাধাৰণতে, এছ জি এছ টিৰ পৰিশোধৰ বাবে ব্যৱহাৰ কৰিব নোৱাৰে। এছ জি এছ টিৰ দেনাও সেইদৰে চি জি এছ টিৰ পৰিশোধৰ বাবে ব্যৱহাৰ কৰিব নোৱাৰে।

**প্ৰশ্ন ১৩। জি এছ টিৰ পৰা দেশে কি কি মুনাফা অৰ্জন কৰিব ?**

**উত্তৰ ঃ** ভাৰতত পৰোক্ষ কৰ সংস্কাৰৰ ক্ষেত্ৰখনত জি এছ টি প্ৰৱৰ্তন এক অত্যন্ত অৰ্থপূৰ্ণ পদক্ষেপ হ'ব। এটা একক কৰ ব্যৱস্থাত এক বৃহৎসংখ্যক কেন্দ্ৰীয় আৰু ৰাজ্যিক কৰ একত্ৰীকৰণ কৰা আৰু পূৰ্ব-পৰ্যায়ৰ কৰবিলাক অব্যাহত ৰখাৰ ফলত নিৰ্গমনৰ (cascading) কুফল হ্ৰাস পাব আৰু এখন উমৈহতীয়া ৰাষ্ট্ৰীয় বজাৰৰ পথ প্ৰশস্ত হ'ব। উপভোক্তাৰ বাবে সৰ্ববৃহৎ প্ৰাপ্তি হ'ব পণ্য সামগ্ৰীৰ ওপৰত সামগ্ৰিক

কৰৰ বোজা হ্রাস, যিটো বৰ্তমান হিচাপ মতে ২৫-৩০ শতাংশ। জি এছ টিৰ প্ৰৱৰ্তনে ঘৰুৱা আৰু আন্তৰ্জাতিক বজাৰত আমাৰ সামগ্ৰীসমূহ প্ৰতিযোগিতামূলকো কৰিব। অধ্যয়নে দেখুৱাইছে যে ই তাৎক্ষণিকভাৱে অৰ্থনৈতিক বিকাশ ত্বৰান্বিত কৰিব। কৰৰ ভিত্তি প্ৰসাৰিত হোৱাৰ ফলত কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ বাবে ৰাজহ প্ৰাপ্তিও ঘটিব, বাণিজ্যৰ পৰিসৰ বৃদ্ধি পাব আৰু কৰ প্ৰদানৰ সন্মতি উন্নত হ'ব। ইয়াৰ স্বচ্ছ চৰিত্ৰৰ কাৰণে, এই কৰ, সৰ্বশেষ অথচ সামান্য নহয়, ই তুলনামূলকভাৱে হ'ব সহজসাধ্য।

**প্ৰশ্ন ১৪। আই জি এছ টি কি?**

**উত্তৰ ঃ** জি এছ টি প্ৰৱৰ্তনৰ অধীনত, সামগ্ৰী আৰু সেৱাৰ আন্তঃৰাজ্যিক যোগানৰ ওপৰত কেন্দ্ৰই এক সমন্বিত জি এছ টি (Integrated GST/IGST) আৰোপ আৰু সংগ্ৰহ কৰিব। সংবিধানৰ ২৬ নং এ অনুচ্ছেদৰ অধীনত আন্তঃৰাজ্যিক বাণিজ্যৰ ক্ষেত্ৰত যোগানৰ ওপৰত জি এছ টি ভাৰত চৰকাৰে আৰোপ আৰু সংগ্ৰহ কৰিব আৰু সামগ্ৰী আৰু সেৱা কৰ পৰিষদ (GSTC)ৰ পৰামৰ্শ অনুসৰি সংসদে আইনৰ জৰিয়তে কৰা ব্যৱস্থা অনুসৰি এনে কৰ কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত ভাগ-বাটোৱাৰা হ'ব।

**প্ৰশ্ন ১৫। জি এছ টিৰ নিৰিখ কোনে ধাৰ্য কৰিব?**

**উত্তৰ ঃ** কেন্দ্ৰ আৰু ৰাজ্যসমূহে চি জি এছ টি আৰু এছ জি এছ টিৰ নিৰিখ যুটীয়াভাৱে নিৰ্ধাৰণ কৰিব। জি এছ টি পৰিষদৰ পৰামৰ্শাৱলী সন্দৰ্ভত নিৰিখবিলাক সন্দৰ্ভত জাননী জাৰি কৰা হ'ব।

**প্ৰশ্ন ১৬। জি এছ টি পৰিষদৰ ভূমিকা কি হ'ব?**

**উত্তৰ ঃ** কেন্দ্ৰীয় বিত্ত মন্ত্ৰী (যি পৰিষদৰ অধ্যক্ষ হ'ব), ৰাজ্য মন্ত্ৰী (ৰাজহ) আৰু ৰাজ্যিক বিত্ত/ কৰাৰোপন মন্ত্ৰীবৰ্গক লৈ এখন জি এছ টি পৰিষদ গঠিত হ'ব আৰু এই পৰিষদে নিম্নোল্লিখিত বিষয় সন্দৰ্ভত কেন্দ্ৰ আৰু ৰাজ্যসমূহক পৰামৰ্শাৱলী প্ৰদান কৰিব—

(১) জি এছ টিৰ অধীনত সামৰি ল'ব পৰা, কেন্দ্ৰ, ৰাজ্যসমূহ আৰু স্থানীয় সমিতিসমূহে আৰোপ কৰা কৰ, উপকৰ আৰু অতিৰিক্ত মাচুলসমূহ;

(২) জি এছ টিত অন্তৰ্ভুক্ত আৰু বহিৰ্ভূত হ'ব পৰা সামগ্ৰী আৰু সেৱাৰাজি

(৩) পেট্ৰ'লজাত অপৰিশোধিত তেল, হাই স্পীড ডিজেল, মটৰ স্পিৰিট (সাধাৰণতে যাক পেট্ৰ'ল বুলি জনা যায়), প্ৰাকৃতিক গেছ আৰু এভিয়েচন টাৰ্বাইন ফুৱেলৰ ওপৰত জি এছ টি আৰোপৰ তাৰিখ;

(৪) আৰ্হি জি এছ টি আইন, কৰাৰোপণৰ নীতি, আই জি এছ টিৰ নিয়োগ আৰু যোগানৰ স্থান নিৰ্ণয় কৰা নীতিসমূহ;

(৫) প্ৰতিদানৰ (turnover) শেষ সীমা যাৰ তলত সামগ্ৰী আৰু সেৱা জি এছ টিৰ পৰা বহিৰ্ভূত হ'ব পাৰে;

(৬) জি এছ টিৰ বান্ধোনসহ বজাৰ দৰ (floor rate)কে ধৰি বিভিন্ন দাম;

(৭) যিকোনো প্ৰাকৃতিক দুৰ্যোগৰ সময়ত অতিৰিক্ত সম্পদ আহৰণৰ বাবে এছোৱা নিৰ্দিষ্ট সময়ৰ বাবে যিকোনো বিশেষ দাম;

(৮) উত্তৰ-পূবৰ ৰাজ্যসমূহ, জম্মু আৰু কাশ্মীৰ, হিমাচল প্ৰদেশ আৰু উত্তৰাখণ্ডৰ ক্ষেত্ৰত বিশেষ ব্যৱস্থাৱলী; আৰু

(৯) পৰিষদে ধাৰ্য কৰা মতে, জি এছ টিৰ সৈতে সম্পৰ্কযুক্ত আন যিকোনো বিষয়।

**প্ৰশ্ন ১৭। জি এছ টি পৰিষদৰ কাৰ্য পদ্ধতিৰ পৰামৰ্শমূলক নীতি কি?**

**উত্তৰ ঃ** জি এছ টি পৰিষদৰ কাৰ্যপদ্ধতিয়ে কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত, সমান্তৰালভাৱে ৰাজ্য আৰু ৰাজ্যৰ মাজত জি এছ টিৰ বিভিন্ন দিশত সমন্বয় সাধন কৰিব। সংবিধানৰ (এশ একতম সংশোধন) আইন, ২০১৬ত কোৱা হৈছে যে জি এছ টি পৰিষদে ইয়াৰ বিভিন্ন কাৰ্যাৱলী সম্পাদন কৰোতে জি এছ টিৰ এটা সমন্বিত গাঁথনি আৰু পণ্য সামগ্ৰী তথা সেৱাৰ বাবে এখন উমৈহতীয়া ৰাষ্ট্ৰীয় বজাৰৰ বিকাশৰ

আৰশ্যকতাৰ লক্ষ্য আগত ৰাখি কাম কৰিব।

**প্ৰশ্ন ১৮। জি এছ টি পৰিষদে কেনেকৈ সিদ্ধান্ত গ্ৰহণ কৰিব?**

**উত্তৰ ঃ** সংবিধান (এশ একতম সংশোধন) আইন, ২০১৬ত কোৱা হৈছে যে জি এছ টি পৰিষদৰ প্ৰতিটো সিদ্ধান্ত উপস্থিত সদস্যৰ কমেও তিনি চতুৰ্থাংশৰ ওজনযুক্ত ভোটৰ সংখ্যাগৰিষ্ঠতাৰে একোখন বৈঠকত গ্ৰহণ কৰা হ'ব। কেন্দ্ৰীয় চৰকাৰৰ ভোটৰ ওজন সংগৃহীত ভোটৰ এক তৃতীয়াংশ হ'ব আৰু সকলো ৰাজ্যিক চৰকাৰৰ একত্ৰিত ভোটৰ ওজন হ'ব সেই বৈঠকত সংগৃহীত সৰ্বমুঠ ভোটৰ দুই-তৃতীয়াংশ। ইয়াৰ বৈঠকত জি এছ টি পৰিষদৰ সৰ্বমুঠ সদস্যৰ আধা সংখ্যক উপস্থিত থাকিলে কোৰাম বা থূল হ'ব।

**প্ৰশ্ন ১৯। প্ৰস্তাৱিত জি এছ টি প্ৰৱৰ্তনৰ কালত কোনে জি এছ টি পৰিশোধ কৰিব লাগিব?**

**উত্তৰ ঃ** জি এছ টি প্ৰৱৰ্তনৰ কালত, সামগ্ৰী আৰু /অথবা সেৱাৰ যোগানৰ বাবত কৰাৰোপিত ব্যক্তিয়ে কৰ পৰিশোধ কৰিব লাগিব। কৰাৰোপনৰ যোগ্য ব্যক্তিয়ে যেতিয়া শেষ সীমা (threshold) অতিক্ৰম কৰে, যেনে ১০ লাখ টকা (উত্তৰ-পূব ৰাজ্যসমূহৰ বাবে ৫ লাখ টকা), তেতিয়াই কৰ পৰিশোধ কৰিবলগা হয়, ইয়াৰ বাহিৰে কিছুমান নিৰ্দিষ্ট ক্ষেত্ৰত কৰাৰোপনৰ যোগ্য ব্যক্তিয়ে অন্তিম সীমা অতিক্ৰম নকৰিলেও জি এছ টি পৰিশোধ কৰিব লাগিব। ৰাজ্যৰ আভ্যন্তৰীণ (intra-state) সকলো সামগ্ৰী আৰু/অথবা সেৱাৰ যোগানৰ ক্ষেত্ৰত চি জি এছ টি/এছ জি এছ টি পৰিশোধযোগ্য আৰু সামগ্ৰী আৰু/অথবা সেৱাৰ সকলো আন্তঃৰাজ্যিক যোগানৰ ক্ষেত্ৰত আই জি এছ টি পৰিশোধযোগ্য। সংশ্লিষ্ট আইনবিলাকৰ সূচীত নিৰ্দিষ্ট কৰি দিয়া নিৰিখত চি জি এছ টি/এছ জি এছ টি আৰু আই জি এছ টি পৰিশোধযোগ্য।

**প্ৰশ্ন ২০। জি এছ টি প্ৰৱৰ্তনৰ কালত ক্ষুদ্ৰ কৰ পৰিশোধকাৰীৰ মুনাফা কি?**

**উত্তৰ ঃ** একোটা বিত্তীয় বৰ্ষত ১০ লাখ টকালৈকে সৰ্বমুঠ উপাৰ্জন থকা কৰ

পৰিশোধকাৰী কৰৰ পৰা বহিৰ্ভূত হ'ব। (সৰ্বমুঠ উপাৰ্জন সকলো কৰযোগ্য আৰু কৰ-বহিৰ্ভূত যোগানৰ সৰ্বমুঠ মূল্যৰ অন্তৰ্ভুক্ত হ'ব, পণ্য সামগ্ৰী আৰু/অথবা সেৱাৰ যোগান আৰু ৰপ্তানি ইয়াৰ বহিৰ্ভূত হ'ব আৰু জি এছ টি অৰ্থাৎ কৰ নালাগিব।) সৰ্বভাৰতীয় পৰ্যায়ত সৰ্বমুঠ উপাৰ্জন গণনা কৰা হ'ব। উত্তৰ-পূবৰ ৰাজ্যসমূহৰ আৰু ছিকিমৰ ক্ষেত্ৰত বহিৰ্ভূত কৰণৰ অন্তিম সীমা হ'ব ৫ লাখ টকা। অন্তিম সীমাৰ বহিৰ্ভূত কৰণৰ বাবে যোগ্য সকলো কৰদাতাই অৰ্জন কৰৰ নিৰিখ (Input Tax Credit/ ITC) অনুসৰি কৰ পৰিশোধ কৰাৰ সুযোগ লাভ কৰিব। আন্তঃৰাজ্যিক যোগান সম্পন্ন কৰা কৰদাতা বা ওলোটা মাচুলৰ ভিত্তিত (reverse charge basis) কৰ পৰিশোধ কৰা কৰদাতা অন্তিম সীমা বহিৰ্ভূত কৰণৰ (threshold exemption) বাবে যোগ্য নহ'ব।

**প্ৰশ্ন ২১। জি এছ টি প্ৰৱৰ্তনৰ কালত সামগ্ৰী আৰু সেৱা কেনেকৈ শ্ৰেণী বিভক্ত কৰা হ'ব?**

**উত্তৰ ঃ** জি এছ টি প্ৰৱৰ্তন কালত সামগ্ৰী শ্ৰেণী বিভক্ত কৰিবৰ বাবে HSN (Harmonised System of Nomenclature) সংকেত ব্যৱহাৰ কৰা হ'ব। যিসকল কৰদাতাৰ উপাৰ্জন ১.৫ কোটি টকাৰ অধিক কিন্তু ৫ কোটি টকাৰ কম, তেওঁলোকে ২টা অংকৰ সংকেত ব্যৱহাৰ কৰিব আৰু যিসকল কৰদাতাৰ উপাৰ্জন ৫ কোটি টকা আৰু ততোধিক, তেওঁলোকে ৪ টা অংকৰ সংকেত ব্যৱহাৰ কৰিব। ১.৫ কোটি টকাৰ কম উপাৰ্জনৰ কৰদাতাসকলে তেওঁলোকে চালান (invoice)ত HSN সংকেত উল্লেখ কৰিব নালাগে।

ছাৰ্ভিচেজ একাউণ্টিং ক'ড (SAC)ৰ নিয়মানুসৰি সেৱাসমূহ শ্ৰেণী বিভক্ত কৰা হ'ব।

**প্ৰশ্ন ২২। জি এছ টিৰ অধীনত আমদানিৰ ওপৰত কেনেদৰে কৰাৰোপ কৰা হ'ব?**

**উত্তৰ ঃ** সামগ্ৰী আৰু সেৱাৰ আমদানিক আন্তঃৰাজ্যিক যোগান হিচাপে গণ্য কৰা

হ'ব আৰু দেশলৈ আমদানি হোৱা সামগ্ৰী আৰু সেৱাৰ ওপৰত আই জি এছ টি আৰোপিত হ'ব। কৰাৰোপনৰ ব্যৱস্থাত স্থান নীতি (destination principle) অনুসৰণ কৰা হ'ব আৰু এছ জি এছ টিৰ ক্ষেত্ৰত কৰ ৰাজহ সেই ৰাজ্যই লাভ কৰিব, য'ত আমদানিকৃত সামগ্ৰী আৰু সেৱা উপভোগ কৰা হয়। সামগ্ৰী আৰু সেৱাৰ আমদানিত জি এছ টি পৰিশোধ কৰোতে সম্পূৰ্ণ ব্যৱস্থা উপলব্ধ হ'ব।

**প্ৰশ্ন ২৩। জি এছ টিৰ অধীনত ৰপ্তানিক কেনেদৰে গণ্য কৰা হ'ব?**

**উত্তৰ ঃ** ৰপ্তানিক শূণ্য নিৰিখৰ (zero rated) যোগান হিচাপে গণ্য কৰা হ'ব। সামগ্ৰী আৰু সেৱাৰ ৰপ্তানিত কোনো কৰ দিব নালাগে, অৱশ্যে আহৰণ কৰ নিৰিখ বা Input Tax Credit পৰ্যাপ্ত হ'ব আৰু ৰপ্তানিকাৰীৰ পুনঃপ্ৰাপ্তি (refund) হিচাপে ই পৰ্যাপ্ত হ'ব। ৰপ্তানিকাৰীয়ে উপাৰ্জন (output)ৰ ওপৰত কৰ পৰিশোধ কৰিবও পাৰিব অথবা আই জি এছ টি পৰিশোধ নকৰাকৈ ব'ণ্ডৰ অধীনত ৰপ্তানি কৰিব পাৰিব আৰু ইনপুট টেক্স ক্ৰেডিট (আই টি চি) দাবী কৰিব পাৰিব।

**প্ৰশ্ন ২৪। জি এছ টিৰ অধীনত সংযোগ আঁচনি (composition scheme)ৰ পৰিসৰ কেনে হ'ব?**

**উত্তৰ ঃ** একোটা বিত্তীয় বৰ্ষত ৫০ লাখ টকালৈকে সৰ্বমুঠ উপাৰ্জন থকা কৰদাতাই সংযোগ মাচুল (composition levy) দিব লাগিব। এই আঁচনিৰ অধীনত একোজন কৰদাতাই ITCৰ মুনাফা নোহোৱাকৈ বছৰটোত হোৱা তেওঁৰ উপাৰ্জনৰ এটা শতাংশ হিচাপে কৰ পৰিশোধ কৰিব। চি জি এছ টি আৰু এছ জি এছ টিৰ বাবে কৰৰ মূল নিৰিখ (floor rate) ১ শতাংশতকৈ কম নহ'ব। সংযোগ মাচুল দিব খোজা কৰদাতাই তেওঁৰ গ্ৰাহকৰ পৰা কোনো কৰ সংগ্ৰহ কৰিব নোৱাৰিব। আন্তঃৰাজ্যিক যোগান সম্পন্ন কৰা বা বিপৰীত মাচুল ভিত্তিত কৰ পৰিশোধ কৰি থকা কৰদাতা সংযোগ আঁচনিৰ বাবে যোগ্য নহ'ব।

**প্ৰশ্ন ২৫। সংযোগ আঁচনি ঐচ্ছিক নে বাধ্যতামূলক হ'ব?**

**উত্তৰ ঃ** ঐচ্ছিক।

**প্ৰশ্ন ২৬। জি এছ টি এন কি আৰু জি এছ টি প্ৰৱৰ্তন কালত ইয়াৰ ভূমিকা কি?**

**উত্তৰ ঃ** জি এছ টি এনৰ সম্পূৰ্ণ ৰূপ হৈছে Goods and Service Tax Network অৰ্থাৎ সামগ্ৰী আৰু সেৱা কৰ নেটৱৰ্ক। জি এছ টিৰ আৱশ্যকতাসমূহ পূৰণ কৰিবলৈ জি এছ টি এন নামৰ এক বিশেষ উদ্দেশ্যধৰ্মী বাহন (Special Purpose Vehicle) প্ৰতিষ্ঠা কৰা হৈছে। জি এছ টি এনে জি এছ টি প্ৰযোজ্য কৰিবৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰসমূহক, কৰদাতা আৰু অন্য অংশীদাৰসকলক এক অংশযুক্ত (shared) আই টি আন্তঃগাঁথনি আৰু সেৱা আগবঢ়াব। জি এছ টি এনৰ কাম হ'ব আন্তঃসম্পৰ্ক ৰক্ষা কৰা, ইয়াত অন্তৰ্ভুক্ত থাকিব ঃ (১) পঞ্জীয়ন কৰা; (২) কেন্দ্ৰীয় আৰু ৰাজ্যিক কৰ্তৃপক্ষলৈ প্ৰতিদানবিলাক প্ৰেৰণ কৰা; (৩) আই জি এছ টিৰ হিচাপ আৰু নিষ্পত্তি কৰা; (৪) বেংক সেৱাৰ সৈতে কৰ পৰিশোধৰ সবিশেষ মিলাই চোৱা; (৫) কৰদাতাৰ প্ৰতিদানৰ তথ্যৰ ভিত্তিত কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰসমূহলৈ বিভিন্ন এম আই এছ প্ৰতিবেদন প্ৰেৰণ কৰা; (৬) কৰদাতাৰ সবিশেষ তথ্যৰ বিশ্লেষণ প্ৰদান কৰা; আৰু (৭) অৰ্জন কৰ নিৰিখ বা Input Tax Creditৰ পুনৰ দাবী, পৰিৱৰ্তন আৰু মিলাবৰ বাবে মিলোৱা যন্ত্ৰ চলোৱা।

জি এছ টি এনে এখন উমৈহতীয়া জি এছ টি প'ৰ্টেল আৰু পঞ্জীয়ন, ধনাদায় আৰু এম আই এছ/ৰিপ'ৰ্টৰ বাবে আবেদন প্ৰস্তুত কৰি আছে। জি এছ টি এনে চলিত কৰ প্ৰশাসন আৰু আই টি পদ্ধতিৰ সৈতে এই উমৈহতীয়া জি এছ টি প'ৰ্টেল সমন্বিত কৰি থকাৰ লগতে কৰদাতাসকলৰ বাবে তথ্যপ্ৰাপ্তিৰ ব্যৱস্থা কৰিব। পৰৱৰ্তী পৰ্যায়ত জি এছ টি এনে ১৯খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহ (দ্বিতীয় আৰ্হিৰ ৰাজ্য)ৰ বাবে কৰ নিৰ্ধাৰণ (assessment), হিচাপ-নিকাচ (audit), পুনৰ পৰিশোধ (refund), আবেদন (appeal) ইত্যাদিৰ দৰে পিছৰ সৰ্বশেষ পদ্ধতি

(back-end systems) প্ৰস্তুত কৰিব। চি বি ই চি আৰু প্ৰথম আৰ্হিৰ (model I) ৰাজ্যবিলাকে (১৫খন ৰাজ্য) নিজাববীয়াকৈ তেওঁলোকৰ জি এছ টি পিছৰ সৰ্বশেষ পদ্ধতি প্ৰস্তুত কৰি আছে। পিছৰ সৰ্বশেষ পদ্ধতিৰ সৈতে জি এছ টিৰ সন্মুখৰ সৰ্বশেষ পদ্ধতি (front-end system)ৰ সমন্বিত কৰণ আৰু পৰীক্ষণৰ কাম আগতীয়াকৈ ভালদৰে কৰা হ'ব, যাতে সকলো লেনদেন সুচল হয়।

**প্ৰশ্ন ২৭। জি এছ টি প্ৰৱৰ্তনৰ কালত উৎপত্তি হোৱা বিবাদ কেনেদৰে মীমাংসা কৰা হ'ব?**

**উত্তৰঃ** সংবিধান (এশ একতম সংশোধন) আইন, ২০১৬ত কোৱা হৈছে যে যিকোনো বিবাদ মীমাংসা কৰিবলৈ পণ্য-সামগ্ৰী আৰু সেৱা কৰ পৰিষদে এটা ব্যৱস্থাপনা প্ৰতিষ্ঠা কৰিব। এই বিবাদবিলাক —

(ক) ভাৰত চৰকাৰ আৰু এক বা একাধিক ৰাজ্যৰ মাজত ; বা

(খ) ভাৰত চৰকাৰ আৰু এক বা একাধিক ৰাজ্য এফালে আৰু এক বা একাধিক ৰাজ্য আনফালে; বা

(গ) দুখন বা ততোধিক ৰাজ্যৰ মাজত,

পৰিষদৰ পৰামৰ্শাৱলী বা সেৱা ৰূপায়ণৰ বেলিকা উদ্ভৱ হ'লে।

**প্ৰশ্ন ২৮। সমিল মিলেৰে নিৰিখ নিৰ্ধাৰণৰ ব্যৱস্থাপনাৰ উদ্দেশ্য কি?**

**উত্তৰ ঃ** চি জি এছ টি/এছ জি এছ টি আইনৰ অনুচ্ছেদ ১৪৯ অনুসৰি প্ৰতিজন পঞ্জীভুক্ত লোকে নিৰ্ধাৰিত নিৰিখ অনুসৰি একোটা সমিল মিলৰ নিৰিখ দিবলৈ বাধ্য হ'ব। এনেধৰণৰ নিৰিখবিলাক ৰাজহুৱা প্ৰচাৰ ব্যৱস্থাটো উল্লেখ কৰা হ'ব। একোজন সম্ভাব্য কৰযোগ্য লোকে যোগনীয়াৰৰ এনে সমিল মিল নিৰিখ চাব পাৰিব আৰু একোজন নিৰ্দিষ্ট যোগনীয়াৰৰ সৈতে লেনদেন কৰিব নে নকৰিব, সেই সিদ্ধান্ত ল'ব পাৰিব। এই ব্যৱস্থাই কৰযোগ্য লোকসকলৰ মাজত এক সুবিধাজনক প্ৰতিযোগিতাৰ সৃষ্টি কৰিব।

**প্ৰশ্ন ২৯। জি এছ টিৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰাৰ যোগ্য কোনো দাবী থাকিবনে ?**

**উত্তৰ ঃ** চি জি এছ/এছ জি এছ টি আইনৰ অনুচ্ছেদ ২ (৫২) অনুসৰি দাবী কৰাৰ যোগ্যবিলাকক সামগ্ৰী হিচাপে গণ্য কৰা হ'ব। চি জি এছ টি/এছ জি এছ টি আইনৰ অনুচ্ছেদ ৭ৰ সূচী-৩ত যিবিলাক লেনদেনক সামগ্ৰী বা সেৱাৰ যোগান হিচাবে গণ্য কৰা হোৱা নাই সেয়া উল্লেখ কৰা হৈছে। এনে ধৰণৰ লেনদেনবিলাকৰ ভিতৰত লটাৰী, বেটিং আৰু জুৱাৰ(গেমব্লিং) বাহিৰে অন্য কামৰ ক্ষেত্ৰত অনুসূচী তালিকা গ্ৰহণযোগ্য হ'ব। এনেদৰে কেৱল লটাৰী, বেটিং আৰু জুৱাক হে জি এছ টি পৰিসৰৰ অধীনত যোগান হিচাপে গণ্য কৰা হ'ব। বাকী সকলো ব্যৱস্থাযোগ্য দাবী যোগান হিচাপে গণ্য নহ'ব।

**প্ৰশ্ন ৩০। জি এছ টিত আমানতৰ লেনদেন কৰযোগ্য হ'বনে ?**

**উত্তৰ ঃ** আমানতবিলাকক সামগ্ৰী আৰু একেদৰে সেৱাৰ সংজ্ঞাৰ পৰা বিশেষভাৱে বাহিৰত ৰখা হৈছে। এনেকৈ, আমানতৰ ক্ষেত্ৰত হোৱা লেনদেন জি এছ টিৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়।

**প্ৰশ্ন ৩১। তথ্য প্ৰতিদান (Information Return)ৰ ধাৰণা কি ?**

**উত্তৰ ঃ** মুক্ত তৃতীয়পক্ষ উৎসসমূহৰ পৰা উদ্ভূত তথ্যৰ পৰা পঞ্জীকৃত লোকসমূহৰ সমিল মিলৰ ওপৰত কৰা পুনৰীক্ষণৰ ধাৰণাৰ ওপৰত তথ্য প্ৰতিদান নিৰ্ভৰশীল। চি জি এছ টি/এছ জি এছ টি আইনৰ অনুচ্ছেদ ১৫০ অনুসৰি, যিকোনো ধৰণৰ হিচাপ নিকাচৰ বিৱৰণ বা পঞ্জীয়নৰ তথ্য বা যিকোনো ধৰণৰ সময় সাপেক্ষ্য প্ৰতিদানৰ তথ্য বজাই ৰখা বা সামগ্ৰী অথবা সেৱাৰ লেনদেনৰ যিকোনোধৰণৰ কৰ পৰিশোধ বা অন্য সবিশেষ বা উভয়ৰে ক্ষেত্ৰত বেংক একাউণ্টৰ সৈতে জড়িত যিকোনো লেনদেন বা বিদ্যুৎ ব্যৱহাৰ বা সামগ্ৰী অথবা সম্পত্তিৰ ক্ৰয়-বিক্ৰয় বা লেনদেনৰ সৈতে জড়িত অথবা সংশ্লিষ্ট সময়ত বলবৎ হৈ থকা কোনো আইনৰ অধীনত কোনো সম্পত্তিৰ ওপৰত অধিকাৰ অথবা স্বাৰ্থ নিহিত হৈ থকা কৰ্তৃপক্ষ এনে সময়সীমা, এনে সময়ৰ

ভিতৰত, এনে ৰূপত আৰু ধৰণত আৰু এনে কর্তৃপক্ষ অথবা উল্লিখিত সংস্থা ইয়াৰ আওতাত পৰিব। এনে কৰাত ব্যৰ্থ হ'লে অনুচ্ছেদ ১২৩ অনুসৰি দণ্ডৰ সন্মুখীন হ'ব লাগিব।

**প্ৰশ্ন ৩২। বেলেগ বেলেগ কোম্পানীৰ হিচাপ-নিকাচৰ বেলেগ বেলেগ ছফ্‌টৱেৰ পেকেজ আছে আৰু তথ্য সঞ্চয় কৰিবৰ বাবে কোনো নিৰ্ধাৰিত ফৰমেট বাধ্যতামূলক নহয়। এনে জটিল ছফ্‌টৱেৰ অনুসৰণ কৰিবৰ বাবে বিভাগ কেনেদৰে সক্ষম হ'ব?**

**উত্তৰ ঃ** চি জি এছ টি /এছ জি এছ টি আইনৰ অনুচ্ছেদ ১৫৩ অনুসৰি, একোটা বিষয়ৰ প্ৰকৃতি আৰু জটিলতাৰ প্ৰতি মনোনিবেশ কৰি আৰু ৰাজহৰ স্বাৰ্থত, বিভাগে যিকোনো ৰাজ্যৰ বিশেষজ্ঞৰ পৰা পৰীক্ষা-নিৰীক্ষা, তদন্ত, অনুসন্ধান বা অন্য যিকোনো পদক্ষেপ গ্ৰহণ কৰিব পাৰিব।

**প্ৰশ্ন ৩৩। গ্ৰহণ কৰোতাই ওভতাই দিয়া সামগ্ৰীৰ কৰ ব্যৱস্থাপনাৰ ক্ষেত্ৰত জি এছ টিত কিবা বিধান আছেনে?**

**উত্তৰ ঃ** হয়, অনুচ্ছেদ ৩৪ত এনে পৰিস্থিতিৰ বৰ্ণনা আছে। গ্ৰহণ কৰোতাই যেতিয়া যোগান ধৰাৰ সামগ্ৰী ওভতাই দিয়ে, তেনে ক্ষেত্ৰত পঞ্জীকৃত লোকজনে (সামগ্ৰীৰ যোগনীয়াৰ) গ্ৰহণ কৰোতাক নিৰ্ধাৰিত বিষয়সূচী সন্নিবিষ্ট এক 'ক্ৰেডিট নোট' দিব পাৰে। উক্ত 'ক্ৰেডিট নোট'ৰ সবিশেষ যোগনীয়াৰে কোন মাহৰ প্ৰতিদানৰ বাবে দিয়া হৈছে তাৰ সবিশেষ ঘোষণা কৰিব লাগিব কিন্তু যি বছৰত এনে যোগান ধৰা হৈছিল সেই বছৰৰ ছেপ্টেম্বৰৰ পিছত নহয় অথবা প্ৰাসংগিক বাৰ্ষিক প্ৰতিদান দাখিল কৰাৰ তাৰিখ, যিটোৱেই আগত হয়। এনে 'ক্ৰেডিট নোট'ৰ সবিশেষ গ্ৰহণ কৰোতাই একে কৰ সময়সীমাৰ বাবে দাখিল কৰা বৈধ প্ৰতিদানৰ সৈতে সাপেক্ষ্য কৰ্তনৰ সংগতিপূৰ্ণ হ'ব লাগিব বা যিকোনো পৰৱৰ্তী কৰ সময়সীমাৰ সৈতে সামঞ্জস্য থাকিব লাগিব আৰু গ্ৰহণ কৰোতাই আই টি চিৰ ক্ষেত্ৰত দাবী কৰা সাপেক্ষ্য কৰ্তন সামঞ্জস্যপূৰ্ণ হ'ব লাগিব আৰু উভয় পক্ষই চূড়ান্তভাৱে ইয়াক মানি ল'ব লাগিব আৰু আদান-

প্ৰদান কৰিব লাগিব।

**প্ৰশ্ন ৩৪। এণ্টি-প্ৰফিটীয়েৰিং (Anti-Profiteering) ব্যৱস্থা কি ?**

**উত্তৰ ঃ** চি জি এছ টি / এছ জি এছ টি আইনৰ অনুচ্ছেদ ১৭১ অনুসৰি, যিকোনো ধৰণৰ সামগ্ৰী অথবা সেৱাৰ যোগান অথবা 'ইনপুট টেক্স ক্ৰেডিট'ৰ ওপৰত যিকোনো ধৰণৰ কৰৰ ৰেহাই দামৰ ক্ষেত্ৰত সমান কৰ্তনৰ পদ্ধতিত গ্ৰহণ কৰোতাক অনুমোদন দিয়া হ'ব। কোনো পঞ্জীভুক্ত লোকে লাভ কৰা 'ইনপুট টেক্স ক্ৰেডিট' বা কৰৰ নিৰিখৰ ক্ষেত্ৰত লাভ কৰা ৰেহাই সন্দৰ্ভত তেওঁ যোগান ধৰা কোনো সামগ্ৰী অথবা সেৱা বা উভয়ৰে ক্ষেত্ৰত সমমূল্য সন্দৰ্ভত লাভ কৰিবলগা ৰেহাইৰ ক্ষেত্ৰত পৰীক্ষা কৰিবলৈ চৰকাৰে একোটা কৰ্তৃপক্ষক দায়িত্ব দিব পাৰে।

***

# কৰৰ দেনা আৰু ৰেহাই
# (Levy of and Exemption from Tax)

# ২ । কৰৰ দেনা আৰু ৰেহাই (Levy of and Exemption from Tax)

**প্ৰশ্ন ১ । সামগ্ৰী আৰু সেৱা কৰ (জি এছ টি)ৰ দেনা আদায়ৰ বাবে ক'ৰ পৰা ক্ষমতা উদ্ভৱ হৈছে?**

**উত্তৰ ঃ** সংবিধান (১০১সংখ্যক সংশোধনী) আইন, ২০১৬ত প্ৰৱৰ্তিত, সংবিধানৰ অনুচ্ছেদ ২৪৬এ অনুসৰি জি এছ টিৰ ক্ষেত্ৰত অৰ্থাৎ কেন্দ্ৰীয় কৰ (চি জি এছ টি) আৰু ৰাজ্যিক কৰ (এছ জি এছ টি) অথবা কেন্দ্ৰীয় শাসিত অঞ্চলৰ কৰ (ইউ টি জি এছ টি)ৰ ক্ষেত্ৰত আইন প্ৰস্তুত কৰিবলৈ সংসদ আৰু ৰাজ্যিক বিধানসভাসমূহ উভয়কে একেলগে ক্ষমতা প্ৰদান কৰা হৈছে। অৱশ্যে, অনুচ্ছেদ ২৪৬এ দফা ২ লগতে অনুচ্ছেদ ২৬৯এ ত আন্তঃৰাজ্যিক ব্যৱসায় বা বাণিজ্যৰ ক্ষেত্ৰত অৰ্থাৎ সমন্বিত কৰ (আই জি এছ টি)ৰ ক্ষেত্ৰত বিধি-বিধান প্ৰস্তুত কৰিবলৈ সংসদক অতিৰিক্ত ক্ষমতা প্ৰদান কৰা হৈছে।

**প্ৰশ্ন ২ । জি এছ টিৰ অধীনত কি কৰযোগ্য?**

**উত্তৰ ঃ** জি এছ টিৰ অধীনত কৰযোগ্য কাৰ্য হৈছে সামগ্ৰী অথবা সেৱা অথবা উভয়ৰে যোগান। ৰাজ্যৰ আভ্যন্তৰীণ যোগানৰ ক্ষেত্ৰত চি জি এছ টি আৰু এছ জি এছ টি/ইউ টি জি এছ টি প্ৰযোজ্য হ'ব। আন্তঃৰাজ্যিক যোগানৰ ক্ষেত্ৰত আই জি এছ টি প্ৰযোজ্য হ'ব।

**প্ৰশ্ন ৩ । বিবেচনাধীন নোহোৱাকৈ কৰা যোগানো জি এছ টিৰ অধীনৰ যোগানৰ পৰিসৰলৈ আহিবনে?**

**উত্তৰ ঃ** হয়, চি জি এছ টি/এছ জি এছ টি আইনৰ অনুসূচী-১ত নিৰ্ধাৰিত কাম-কাজবিলাকহে ইয়াৰ আওতাত পৰিব। উল্লিখিত বিধি আই জি এছ টি আইনৰ দৰেই ইউ টি জি এছ টি আইনতো গ্ৰহণ কৰা হৈছে।

**প্ৰশ্ন ৪ । একোটা দাতব্য সংস্থাই প্ৰদান কৰা আৱশ্যকীয় পণ্যক কৰযোগ্য হিচাপে বিবেচনা কৰা হ'বনে?**

**উত্তৰ ঃ** জি এছ টিৰ অধীনত কৰযোগ্য যোগান হিচাপে গণ্য হ'বলৈ হ'লে, উক্ত লেনদেন কোনো ব্যৱসায়ৰ প্ৰক্ৰিয়াৰ অংশ হ'ব লাগিব। দাতব্য সংস্থাৰ ক্ষেত্ৰত হোৱা যোগানত যিহেতু এনে কোনো ব্যৱসায়িক প্ৰক্ৰিয়া (quid pro quo) জড়িত হৈ নাথাকে, গতিকে ই জি এছ টিৰ অধীনত যোগান হিচাপে গণ্য নহয়।

**প্ৰশ্ন ৫। সামগ্ৰী অথবা সেৱাৰ যোগান হিচাপে একোটা লেনদেনক কোনে জাননী জাৰি কৰিব পাৰে?**

**উত্তৰ ঃ** জি এছ টি পৰিষদৰ পৰামৰ্শৰ ভিত্তিত কেন্দ্ৰীয় বা ৰাজ্য চৰকাৰে একোটা লেনদেনক সামগ্ৰী অথবা সেৱাৰ যোগান হিচাপে জাননী জাৰি কৰিব পাৰে।

**প্ৰশ্ন ৬ । সংলগ্ন আৰু মিশ্ৰিত যোগান কি? এই দুবিধ ইটোৰ পৰা সিটো কেনেদৰে পৃথক?**

**উত্তৰ ঃ** সংলগ্ন যোগান হৈছে দুবিধ বা ততোধিক কৰযোগ্য সামগ্ৰী অথবা সেৱা অথবা দুয়োবিধ অথবা সিবিলাকৰ যিকোনো সংমিশ্ৰণ, যিবিলাক প্ৰাকৃতিকভাৱে সংলগ্ন কৰি ব্যৱসায়ৰ সাধাৰণ পৰিক্ৰমাত ইটো-সিটোক লগ লগাই যোগান ধৰা হয় আৰু যাৰ এটা হৈছে প্ৰধান যোগান। উদাহৰণস্বৰূপে যেতিয়া এজন উপভোক্তাই এটা টেলিভিশ্বন ছেট ক্ৰয় কৰে আৰু তেওঁ সেই টিভিৰ 'ৱাৰেণ্টি' আৰু মেৰামতিৰ চুক্তি লাভ কৰে, তেতিয়া এই যোগান হৈছে সংলগ্ন (composite) যোগান। এই উদাহৰণত, টি ভিৰ যোগান হৈছে প্ৰধান যোগান, 'ৱাৰেণ্টি' আৰু মেৰামতি সেৱা হৈছে তাৰ আনুষংগিক।

মিশ্ৰিত (mixed) যোগান হৈছে এটা একক দামৰ বাবে সামগ্ৰী অথবা সেৱা অথবা উভয়ৰে যিকোনো সংমিশ্ৰণ পাৰস্পৰিকভাৱে একাধিক ব্যক্তিগত যোগানৰ সংমিশ্ৰণ, যাক সাধাৰণতে পৃথকভাৱে যোগান ধৰিব পাৰি। উদাহৰণস্বৰূপে, এজন দোকানীয়ে

ৰেফ্ৰিজাৰেটৰৰ লগতে সংৰক্ষিত পানীৰ বটল বিক্ৰী কৰা কাৰ্য। বটল আৰু ৰেফ্ৰিজাৰেটৰ সহজেই পৃথকে দৰদাম কৰিব আৰু বিক্ৰী কৰিব পাৰি।

**প্ৰশ্ন ৭ । জি এছ টিৰ অধীনত সংলগ্ন যোগান আৰু মিশ্ৰিত যোগানৰ ব্যৱস্থা কি ?**

**উত্তৰ ঃ** সংলগ্ন যোগানক প্ৰধান যোগান হিচাপে গণ্য কৰা হ'ব। মিশ্ৰিত যোগানক সেই নিৰ্দিষ্ট সামগ্ৰী অথবা সেৱাৰ যোগান হিচাপে গণ্য কৰা হ'ব, যাৰ কৰৰ নিৰিখ সৰ্বাধিক।

**প্ৰশ্ন ৮ । জি এছ টিৰ অধীনত সকলো সামগ্ৰী আৰু সেৱা কৰযোগ্যনে ?**

**উত্তৰ ঃ** মানুহৰ উপভোগৰ বাবে নিচা জাতীয় পণীয়া সামগ্ৰীৰ বাহিৰে আন সকলো সামগ্ৰী আৰু সেৱাৰ যোগান কৰযোগ্য। ভৱিষ্যতৰ এটা তাৰিখৰ পৰা পেট্ৰ'লজাত অপৰিশোধিত সামগ্ৰী, হাইস্পীড ডিজেল, মটৰ স্পিৰিট (সাধাৰণতে পেট্ৰ'ল হিচাপে পৰিচিত), প্ৰাকৃতিক গেছ আৰু এভিয়েচন টাৰ্বাইন ফুৱেল কৰযোগ্য হ'ব। জি এছ টি পৰিষদৰ পৰামৰ্শৰ ভিত্তিত চৰকাৰে এই তাৰিখৰ জাননী দিব।

**প্ৰশ্ন ৯ । বিপৰীত মাচুল (reverse charge) মানে কি ?**

**উত্তৰ ঃ** ইয়াৰ অৰ্থ হৈছে যোগানৰ কেতবোৰ জাননীকৃত শাখাৰ ক্ষেত্ৰত কোনো সামগ্ৰী অথবা সেৱাৰ যোগনীয়াৰৰ পৰিৱৰ্তে তেনে সামগ্ৰী আৰু সেৱা গ্ৰহণ কৰোতাই পৰিশোধ কৰিবলগীয়া কৰ।

**প্ৰশ্ন ১০ । কেৱল সেৱাৰ ক্ষেত্ৰতহে বিপৰীত মাচুল (reverse charge) পদ্ধতি প্ৰযোজ্য নেকি ?**

**উত্তৰ ঃ** নহয়, সামগ্ৰী আৰু সেৱা উভয়ৰে যোগানৰ ক্ষেত্ৰত বিপৰীত মাচুল প্ৰযোজ্য, জি এছ টি পৰিষদৰ পৰামৰ্শৰ ভিত্তিত চৰকাৰে জাননী দিয়া অনুসৰি হ'ব।

**প্ৰশ্ন ১১ । পঞ্জীকৃত নোহোৱা ব্যৱসায়ীৰ পৰা সামগ্ৰী ক্ৰয় কৰাৰ ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰা হ'ব ?**

**উত্তৰ ঃ** কোনো অকৰ্তৃত্বশীল লোকৰ পৰা যোগান গ্ৰহণ কৰিলে, সামগ্ৰী অথবা সেৱা

গ্ৰহণ কৰা পঞ্জীভুক্ত লোকজনে বিপৰীত মাচুল ব্যৱস্থাৰ অধীনত কৰ পৰিশোধ কৰিব লাগিব।

**প্ৰশ্ন ১২ । জি এছ টিৰ অধীনত যোগনীয়াৰ বা গ্ৰহণ কৰোতাৰ বাহিৰে আন কোনো লোকে কৰ পৰিশোধ কৰিবলৈ বাধ্য নে?**

**উত্তৰ ঃ** হয়, ইলেক্ট্ৰনিক কমাৰ্চ অপাৰেটৰে যাৰ ওপৰত কৰ পৰিশোধ কৰিব লাগিব তেনে সেৱাৰ শাখাসমূহ কেন্দ্ৰীয়/ ৰাজ্যিক চৰকাৰে নিৰ্দিষ্ট কৰি দিব পাৰে, যদি এনে সেৱা ইয়াৰ জৰিয়তে আৰু আইনখনৰ ব্যৱস্থাৱলীৰ জৰিয়তে যোগান ধৰা হয় তেতিয়া এনে ইলেক্ট্ৰনিক কমাৰ্চ অপাৰেটৰৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব আৰু এনে সেৱাৰ যোগান সম্পৰ্কীয় পৰিশোধ কৰিবলগীয়া কৰ তেওঁ দিব লাগিব।

**প্ৰশ্ন ১৩। সংযোগ আঁচনিৰ অধীনত কৰ দিব খুজিলে অন্তিম সীমা কি?**

**উত্তৰ ঃ** সংযোগ আঁচনিৰ অন্তিম সীমা হৈছে বিত্তীয় বৰ্ষত সৰ্বমুঠ উপাৰ্জন ৫০ লাখ টকা। সংযোগ আঁচনিৰ মুনাফা চলিত বিত্তীয় বৰ্ষত ৫০ লাখ টকাৰ বাৰ্ষিক উপাৰ্জনলৈকে প্ৰযোজ্য হ'ব পাৰে।

**প্ৰশ্ন ১৪। সংযোগ আঁচনিৰ বাবে কৰৰ নিৰিখ কি?**

**উত্তৰ ঃ** বেলেগ বেলেগ খণ্ডৰ বাবে বেলেগ বেলেগ নিৰিখ আছে। সামগ্ৰীৰ যোগনীয়াৰৰ (অৰ্থাৎ ট্ৰেডাৰ্ছ) সাধাৰণ অৱস্থাত, একোখন ৰাজ্য বা কেন্দ্ৰীয়শাসিত অঞ্চলত সংযোগ নিৰিখ হৈছে বাৰ্ষিক উপাৰ্জনৰ ০.৫ শতাংশ। সংযোগ আঁচনি বিচৰা লোকজন যদি প্ৰস্তুতকৰ্তা হয়, তেতিয়া এই নিৰিখ হৈছে একোখন ৰাজ্য বা কেন্দ্ৰীয় শাসিত অঞ্চলত বাৰ্ষিক উপাৰ্জনৰ ১ শতাংশ। ৰেষ্টোৰাঁ সেৱাৰ ক্ষেত্ৰত, একোখন ৰাজ্য বা কেন্দ্ৰীয় শাসিত অঞ্চলত ই হৈছে বাৰ্ষিক উপাৰ্জনৰ ২.৫ শতাংশ। এই নিৰিখ বিলাক এখন আইনৰ অধীনস্থ, আৰু একেই নিৰিখ অন্য আইনতো প্ৰযোজ্য হ'ব। সেয়ে, কাৰ্য ক্ষেত্ৰত, সংযোগ নিৰিখ (চি জি এছ টি আৰু এছ জি এছ টি/ ইউ টি জি এছ টিৰ অধীনত সংলগ্ন নিৰিখ) হৈছে সাধাৰণ যোগনীয়াৰ, প্ৰস্তুতকৰ্তা আৰু

ৰেষ্টোৰাঁ সেৱাৰ বাবে ক্ৰমে ১ শতাংশ, ২ শতাংশ আৰু ৫ শতাংশ।

**প্ৰশ্ন ১৫। একোটা বিত্তীয় বৰ্ষত সংযোগ আঁচনি লাভ কৰা কোনো লোকে বাৰ্ষিক উপাৰ্জন বছৰটোত ৫০ লাখ টকা অতিক্ৰম কৰিলে, ধৰা হ'ল তেওঁ ডিচেম্বৰ মাহত ৫০ লাখ টকাৰ বাৰ্ষিক উপাৰ্জন অতিক্ৰম কৰিলে। তেনে ক্ষেত্ৰত বছৰটোৰ বাকী থকা সময়খিনিৰ বাবে অৰ্থাৎ ৩১ মাৰ্চ পৰ্যন্ত তেওঁক সংযোগ আঁচনিৰ অধীনত কৰ পৰিশোধ কৰিবলৈ অনুমতি দিয়া হ'বনে?**

**উত্তৰ ঃ** নহয়, বিত্তীয় বৰ্ষৰ সময়ছোৱাত মুঠ বাৰ্ষিক উপাৰ্জন ৫০ লাখ টকা অতিক্ৰম কৰা দিনৰ পৰা তেওঁৰ এই বিকল্প কৰ্তন কৰা হ'ব।

**প্ৰশ্ন ১৬। একাধিক পঞ্জীয়ন থকা একোজন কৰযোগ্য লোক মাত্ৰ কেইটামান পঞ্জীয়নৰ বাবে সংযোগ আঁচনিৰ ক্ষেত্ৰত অৰ্হতাসম্পন্ন হ'বনে?**

**উত্তৰ ঃ** একে স্থায়ী একাউণ্ট নম্বৰ (PAN) থকা সকলো পঞ্জীভুক্ত লোক সংযোগ আঁচনিৰ বাবে যোগ্য হ'ব। যদি একোজন পঞ্জীভুক্ত লোকে সাধাৰণ আঁচনি গ্ৰহণ কৰে, তেতিয়া আনসকল সংযোগ আঁচনিৰ বাবে অযোগ্য হ'ব।

**প্ৰশ্ন ১৭। একোজন প্ৰস্তুতকৰ্তা আৰু সেৱাৰ যোগনীয়াৰে সংযোগ আঁচনি গ্ৰহণ কৰিব পাৰেনে?**

**উত্তৰ ঃ** হয়, সাধাৰণতে একোজন প্ৰস্তুতকৰ্তাই সংযোগ আঁচনি লাভ কৰিব পাৰে। অৱশ্যে, সামগ্ৰীৰ একোজন প্ৰস্তুতকৰ্তাই এই আঁচনি লাভ কৰিব নোৱাৰিব, যি কথা জি এছ টি পৰিষদৰ পৰামৰ্শৰ ভিত্তিত জাননী দিয়া হ'ব। ৰেষ্টোৰাঁৰ বাহিৰে এই আঁচনি  সেৱা খণ্ডত প্ৰযোজ্য নহ'ব।

**প্ৰশ্ন ১৮। সংযোগ আঁচনি লাভ কৰিবৰ বাবে কোন অৰ্হতাসম্পন্ন নহয়?**

**উত্তৰ ঃ** বিস্তৃত অৰ্থত পঞ্জীভুক্ত লোকৰ পাঁচটা শাখা সংযোগ আঁচনিৰ বাবে অৰ্হতাসম্পন্ন নহয়। এইবিলাক হৈছে—

(১) ৰেষ্টোৰাঁ সেৱাৰ বাহিৰে অন্য সেৱাৰ যোগনীয়াৰ;

(২) জি এছ টি আইন/ এছ জি এছ চি টি আইন/ ইউ টি জি এছ টি আইনৰ অধীনত কৰযোগ্য নোহোৱা সামগ্ৰীৰ যোগনীয়াৰ;

(৩) সামগ্ৰীৰ একোজন আন্তঃৰাজ্যিক যোগনীয়াৰ;

(৪) একোজন ইলেক্ট্ৰনিক কমাৰ্চ অপাৰেটৰৰ জৰিয়তে সামগ্ৰীৰ যোগান ধৰা লোক;

(৫) নিৰ্দিষ্ট জাননীকৃত সামগ্ৰীৰ প্ৰস্তুতকৰ্তা।

**প্ৰশ্ন ১৯। সংযোগ আঁচনিৰ অধীনত পঞ্জীভুক্ত লোকে 'ইনপুট টেক্স ক্ৰেডিট' দাবী কৰিব পাৰেনে?**

**উত্তৰ ঃ** নোৱাৰে, সংযোগ আঁচনিৰ অধীনত পঞ্জীভুক্ত লোকে 'ইনপুট টেক্স ক্ৰেডিট' দাবী কৰিব নোৱাৰে।

**প্ৰশ্ন ২০। সংযোগ আঁচনিৰ অধীনত পঞ্জীভুক্ত একোজন লোকৰ পৰা ক্ৰয় কৰা গ্ৰাহকে 'ইনপুট টেক্স ক্ৰেডিট' হিচাপে সংযোগ কৰ দাবী কৰিব পাৰেনে?**

**উত্তৰ ঃ** নোৱাৰে, সংযোগ আঁচনিৰ অধীনত পঞ্জীভুক্ত লোকৰ পৰা সামগ্ৰী ক্ৰয় কৰা গ্ৰাহক সংযোগ 'ইনপুট টেক্স ক্ৰেডিট'ৰ বাবে অৰ্হতাসম্পন্ন নহয়, কিয়নো একোজন সংযোগ আঁচনিৰ যোগনীয়াৰে একোখন 'টেক্স ইনভইচ' দিব নোৱাৰে।

**প্ৰশ্ন ২১। গ্ৰাহকৰ পৰা সংযোগ কৰ সংগ্ৰহ কৰিব পাৰেনে?**

**উত্তৰ ঃ** নোৱাৰে, সংযোগ আঁচনিৰ অধীনত পঞ্জীভুক্ত লোকক কৰ সংগ্ৰহৰ অনুমতি দিয়া নহয়। ইয়াৰ অৰ্থ এইটোৱেই যে একোজন সংযোগ আঁচনিৰ যোগনীয়াৰে একোখন 'টেক্স ইনভইচ' দিব নোৱাৰে।

**প্ৰশ্ন ২২। সংযোগ আঁচনিৰ বাবে অৰ্হতা নিৰূপণ কৰিবলৈ 'মুঠ বাৰ্ষিক উপাৰ্জন' কিদৰে গণনা কৰা হ'ব?**

**উত্তৰ ঃ** মুঠ বাৰ্ষিক উপাৰ্জন গণনা কৰাৰ পদ্ধতি অনুচ্ছেদ ২(৬)ত দিয়া হৈছে। সেই অনুসৰি 'মুঠ বাৰ্ষিক উপাৰ্জন' মানে হৈছে একে PAN থকা একোজন লোকৰ সকলো বহিৰ্গমন হোৱা যোগানৰ মূল্য (কৰযোগ্য যোগান + কৰ্তন কৰা যোগান + ৰপ্তানি +

আন্তঃ ৰাজ্যিক যোগান) আৰু কেন্দ্ৰীয় কৰ (চি জি এছ টি), ৰাজ্যিক কৰ (এছ জি এছ টি), কেন্দ্ৰীয় শাসিত অঞ্চলৰ কৰ (ইউ টি জি এছ টি), সমন্বিত কৰ (আই জি এছ টি) আৰু ৰেহাই উপ-কৰৰ অধীনত লেভি দিয়া কৰবিলাক ইয়াৰ পৰা বাদ পৰিব। লগতে অন্তৰ্গমন হোৱা যোগানৰ মূল্য, যাৰ ওপৰত বিপৰীত মাচুলৰ অধীনত কৰ পৰিশোধযোগ্য, সেয়া 'মুঠ বাৰ্ষিক উপাৰ্জনৰ গণনাত সন্নিৱিষ্ট কৰা নহ'ব।

**প্ৰশ্ন ২৩। ব্যৱস্থাৱলী উলংঘা কৰি কোনো লোকে সংযোগ আঁচনি গ্ৰহণ কৰিলে শাস্তিৰ বিধান কি?**

**উত্তৰ ঃ** যদি একোজন কৰযোগ্য লোকে সংযোগ আঁচনিৰ অধীনত কৰ পৰিশোধ কৰে, যদিও তেওঁ এই আঁচনিৰ বাবে অৰ্হতাসম্পন্ন নহয় তেনে ক্ষেত্ৰত লোকজনৰ ওপৰত অৰ্থদণ্ড বিহিব পাৰিব আৰু কৰ তথা অৰ্থদণ্ড নিৰ্ণয়ৰ বাবে অনুচ্ছেদ ৭৩ বা ৭৪ প্ৰযোজ্য হ'ব।

**প্ৰশ্ন ২৪। জি এছ টিৰ লেভিৰ (Levy)ৰ পৰা যোগান কৰ্তন কৰিবলৈ জি এছ টি আইনে চৰকাৰক ক্ষমতা প্ৰদান কৰিছেনে?**

**উত্তৰ ঃ** হয়, ৰাজহুৱা স্বাৰ্থত কেন্দ্ৰীয় বা ৰাজ্যিক চৰকাৰে জি এছ টি পৰিষদৰ পৰামৰ্শৰ ভিত্তিত সম্পূৰ্ণৰূপে বা আংশিকভাৱে কৰ্তন কৰিব পাৰে, জি এছ টিৰ লেভিৰ পৰা সামগ্ৰী অথবা সেৱা অথবা উভয়ৰে যোগান হয় সম্পূৰ্ণৰূপে বা চৰ্ত সাপেক্ষে কৰ্তন কৰিব পাৰে। তদুপৰি একোটা ব্যতিক্ৰম পৰিস্থিতি সাপেক্ষে বিশেষ নিৰ্দেশনাৰ জৰিয়তে চৰকাৰে সামগ্ৰী অথবা সেৱা অথবা উভয়ৰে ক্ষেত্ৰত কৰ্তন কৰিব পাৰে। এছ জি এছ টি আইন আৰু ইউ টি জি এছ টি আইনত এই কথাও কোৱা হৈছে যে চি জি এছ টি আইনৰ অধীনত অনুমোদিত যিকোনো ধৰণৰ কৰ্তন বা ৰেহাই উল্লিখিত আইনৰ অধীনত কৰ্তনৰ যোগ্য হ'ব।

**প্ৰশ্ন ২৫। যেতিয়া সামগ্ৰী অথবা সেৱা অথবা উভয়ৰে ওপৰত সংগৃহীত সমস্ত কৰৰ পৰা সম্পূৰ্ণৰূপে ৰেহাই দিয়া হয়, তেতিয়া কোনো লোকে কৰ পৰিশোধ কৰিব পাৰেনে?**

**উত্তৰ ঃ** নোৱাৰে, কৰ কৰ্তন কৰা সামগ্ৰী অথবা সেৱা অথবা উভয়কে যোগান ধৰা লোকে প্ৰযোজ্য নিৰিখৰ অতিৰিক্তভাৱে কৰ সংগ্ৰহ কৰিব নোৱাৰিব।

***

# পঞ্জীয়ন
(REGISTRATION)

## ৩। <u>পঞ্জীয়ন</u>

**প্ৰশ্ন ১। জি এছ টিত পঞ্জীয়ন কৰোৱাৰ সুবিধা কি?**

**উত্তৰ ঃ** পণ্য-সামগ্ৰী আৰু সেৱা কৰৰ অধীনত পঞ্জীয়ন কৰালে কোনো লোকে ব্যৱসায়ৰ ক্ষেত্ৰত নিম্নোল্লিখিত সুবিধাসমূহ লাভ কৰিব ঃ

- পণ্য-সামগ্ৰী অথবা সেৱাৰ যোগনীয়াৰ হিচাপে আইনগতভাৱে স্বীকৃত হ'ব।
- আহৰিত পণ্য-সামগ্ৰী বা সেৱাৰ ক্ষেত্ৰত কৰৰ সথিক হিচাপ কৰিব পাৰিব, যিটো পণ্য-সামগ্ৰী বা সেৱাৰ যোগানৰ ক্ষেত্ৰত বা জি এছ টি পৰিশোধ কৰোতে বা দুয়োটা ব্যৱসায়তে প্ৰয়োগ কৰিব পাৰিব।
- তেওঁৰ ক্ৰেতাৰ পৰা কৰ সংগ্ৰহ কৰিবলৈ আৰু ক্ৰেতা বা গ্ৰহণ কৰোতাক যোগান ধৰা পণ্য সামগ্ৰী অথবা সেৱাৰ বাবত পৰিশোধ কৰা কৰৰ নিৰিখ ঠেলি পঠিয়াব পাৰিব।
- জি এছ টি আইনৰ অধীনত অন্য বিভিন্ন মুনাফা আৰু সুবিধা পাবলৈ সমৰ্থ হ'ব।

**প্ৰশ্ন ২। জি এছ টিত পঞ্জীয়ন নোহোৱাকৈ এজন লোকে আই টি চি দাবী কৰিব আৰু কৰ সংগ্ৰহ কৰিব পাৰেনে?**

**উত্তৰ ঃ** নোৱাৰে, এজন লোকে জি এছ টি পঞ্জীয়ন নোহোৱাকৈ তেওঁৰ গ্ৰাহকৰ পৰা জি এছ টি সংগ্ৰহ কৰিবও নোৱাৰে আৰু তেওঁ পৰিশোধ কৰা জি এছ টিৰ যিকোনো input tax credit দাবী কৰিব নোৱাৰে।

**প্ৰশ্ন ৩। পঞ্জীয়নৰ কাৰ্যকাৰিতাৰ তাৰিখ কি হ'ব?**

**উত্তৰ ঃ** যি তাৰিখত এজন লোক পঞ্জীয়নৰ বাবে যোগ্য হয়, সেই তাৰিখৰ পৰা ত্ৰিশ দিনৰ ভিতৰত পঞ্জীয়নৰ বাবে আবেদন দাখিল কৰিলে, পঞ্জীয়নৰ কাৰ্যকাৰিতাৰ তাৰিখ হ'ব তেওঁৰ পঞ্জীয়নৰ বাবে দায়ৱদ্ধতাৰ তাৰিখ।

যেতিয়া পঞ্জীয়নৰ বাবে যোগ্য হোৱাৰ তাৰিখৰ পৰা ত্ৰিশ দিনৰ পিছত আবেদনকাৰীয়ে পঞ্জীয়নৰ বাবে আবেদন দাখিল কৰে, তেতিয়া পঞ্জীয়নৰ কাৰ্যকাৰিতাৰ তাৰিখ হ'ব পঞ্জীয়নৰ মঞ্জুৰীৰ তাৰিখটো।

নিজাববীয়া পঞ্জীয়নৰ ক্ষেত্ৰত, অৰ্থাৎ কৰ পৰিশোধৰ বাবে থকা অন্তিম কৰ্তন সীমাৰ পৰিসৰত থাকিও ইচ্ছাকৃতভাৱে পঞ্জীয়ন গ্ৰহণ কৰিলে পঞ্জীয়নৰ কাৰ্যকাৰিতাৰ তাৰিখ হ'ব পঞ্জীয়নৰ নিৰ্দেশনাৰ তাৰিখটো।

**প্ৰশ্ন ৪। আৰ্হি জি এছ টি আইন বা MGL (এম জি এল)ৰ অধীনত পঞ্জীয়ন গ্ৰহণ কৰিবৰ বাবে কোনসকল লোক যোগ্য?**

**উত্তৰ ঃ** চি জি এছ টি/ এছ জি এছ টি আইন ২০১৭ ৰ অনুচ্ছেদ ২২ অনুসৰি, একোটা কৰযোগ্য যোগান সম্পন্ন কৰা অৰ্থাৎ জি এছ টি আইনৰ অধীনত মাচুল আৰোপিত সামগ্ৰী আৰু / অথবা সেৱাৰ কৰযোগ্য যোগান ধৰা প্ৰতিজন যোগনীয়াৰ (তেওঁৰ এজেণ্টসহ), আৰু তেওঁৰ একোটা বিত্তীয় বৰ্ষত সৰ্বমুঠ বাৰ্ষিক উপাৰ্জনৰ অন্তিম সীমা ২০ লাখ টকা অতিক্ৰম কৰিলে তেওঁ য'ৰ পৰা কৰযোগ্য যোগান সম্পন্ন কৰে সেই ৰাজ্যত অথবা দিল্লী বা পুডুচেৰী কেন্দ্ৰীয় শাসিত অঞ্চলত নিজকে পঞ্জীভুক্ত কৰিব লাগিব।

১১ খন বিশেষ শাখাৰ ৰাজ্যৰ ক্ষেত্ৰত (ভাৰতৰ সংবিধানৰ দফা ২৭৯ এ (৪) (জি)ত উল্লেখ কৰা মতে) পঞ্জীভুক্ত হ'বৰ বাবে এনে অন্তিম সীমা হৈছে ১০ লাখ টকা।

তদুপৰি, আইনখনৰ অনুচ্ছেদ ২৪ ত কেতবোৰ বিশেষ শাখাৰ যোগানৰ বিষয়ে উল্লেখ কৰা হৈছে, যি উল্লিখিত ২০ লাখ টকাৰ অন্তিম সীমাৰ তলত বাৰ্ষিক উপাৰ্জন কৰিলেও পঞ্জীয়ন ল'ব লাগিব।

আনহাতে, আইনখনৰ অনুচ্ছেদ ২৩ অনুসৰি, জি এছ টি আইনৰ অধীনত নিজৰ কৃষিজাত সামগ্ৰীৰ যোগানৰ ক্ষেত্ৰত একোজন কৃষকৰ লগতে কৰযোগ্য নোহোৱা সামগ্ৰী যোগান ধৰা বা সম্পূৰ্ণৰূপে ৰেহাই দিয়া সামগ্ৰী আৰু / অথবা সেৱাৰ যোগান ধৰা লোক পঞ্জীভুক্ত হ'বলৈ বাধ্য নহয়।

**প্ৰশ্ন ৫। সৰ্বমুঠ উপাৰ্জন** (aggregate turnover) **কি ?**

**উত্তৰ ঃ** এম জি এলৰ অনুচ্ছেদ ২(৬) অনুসৰি সৰ্বমুঠ উপাৰ্জনত তলত উল্লেখ কৰাবিলাকৰ সৰ্বমুঠ মূল্য অন্তৰ্ভুক্ত থাকে ঃ

(১) সকলো কৰযোগ্য আৰু কৰ-বহিৰ্ভূত যোগান।

(২) কৰ্তন (exempt) যোগান, আৰু

(৩) একে PAN থকা লোকৰ পণ্য-সামগ্ৰী আৰু/অথবা সেৱাৰ যোগান।

ওপৰত উল্লেখ কৰাবিলাক সৰ্বভাৰতীয় ভিত্তিত গণনা কৰা হ'ব আৰু চি জি এছ টি আইন, এছ জি এছ টি আইন আৰু আই জি এছ টি আইনৰ অধীনত আৰোপিত কৰ বাদ দিয়া হ'ব। কৰযোগ্য লোকজনে সম্পন্ন কৰা সকলো যোগান মুঠ বাৰ্ষিক উপাৰ্জনত অন্তৰ্ভুক্ত হ'ব, সেয়া তেওঁৰ নিজা হিচাপত কৰা হওক বা তেওঁৰ প্ৰধানসকলৰ জৰিয়তে কৰা হওক।

সৰ্বমুঠ উপাৰ্জনত সেইবিলাক যোগানৰ মূল্য অন্তৰ্ভুক্ত কৰা নহয় যিবিলাকৰ ওপৰত বিপৰীত মাচুলৰ ভিত্তিত কৰ আৰোপিত হয়, আৰু ভিতৰুৱা যোগানৰ মূল্য অন্তৰ্ভুক্ত নহয়।

ঠিকা কাম সম্পূৰ্ণ কৰাৰ পিছত সামগ্ৰীৰ মূল্য ঠিকা-কৰ্মীৰ বাৰ্ষিক উপাৰ্জনত অন্তৰ্ভুক্ত নহ'ব। ইয়াক প্ৰধানজনে যোগান ধৰা সামগ্ৰী হিচাপে গণ্য কৰা হ'ব আৰু সেই মতে প্ৰধানজনৰ বাৰ্ষিক উপাৰ্জনত অন্তৰ্ভুক্ত হ'ব।

**প্ৰশ্ন ৬। কোনবোৰ ক্ষেত্ৰত পঞ্জীয়ন বাধ্যতামূলক?**

**উত্তৰ ঃ** চি জি এছ টি/ এছ জি এছ টি আইনৰ অনুচ্ছেদ ২৪ অনুসৰি নিম্নোল্লিখিত শাখাৰ লোকসকল তেওঁলোকৰ অন্তিম সীমা নিৰ্বিশেষে বাধ্যতামূলকভাৱে পঞ্জীভুক্ত হ'ব লাগিব;

ক) আন্তঃৰাজ্যিক কৰযোগ্য যোগান সম্পন্ন কৰা লোক;

খ) আকস্মিক কৰযোগ্য লোক;

গ) বিপৰীত মাচুলৰ অধীনত কৰ পৰিশোধ কৰিবলগীয়া লোক;

ঘ) অনুচ্ছেদ ৯ৰ উপ-অনুচ্ছেদ (৫)ৰ অধীনত ইলেক্ট্ৰনিক কমাৰ্চ অপাৰেটৰসকলে কৰ পৰিশোধ কৰিব লাগে;

ঙ) অনাআবাসিক কৰযোগ্য লোক; অনুচ্ছেদ ৫১ ৰ অধীনত কৰ কৰ্তন কৰিব লগা লোক;

চ) এজন এজেণ্ট হিচাপে বা অন্য ধৰণে আন পঞ্জীভুক্ত কৰযোগ্য লোকৰ হৈ পণ্য-সামগ্ৰী আৰু/অথবা সেৱাৰ যোগান ধৰা লোক;

ছ) ইনপুট সেৱাৰ বিতৰক (আইনখনৰ অধীনত বা পৃথকে পঞ্জীভুক্ত নোহোৱা);

জ) অনুচ্ছেদ ৫২ ৰ অধীনত কৰ সংগ্ৰহ কৰিব লগা লোক;

ঝ) প্ৰতিজন বৈদ্যুতিন বাণিজ্য পৰিচালক;

ঞ) ভাৰতৰ বাহিৰৰ পৰা ভাৰতত থকা লোকক অনলাইন তথ্য আৰু ডাটা বেছ ৰিট্ৰিয়েভেল সেৱাৰ যোগান ধৰা প্ৰতিজন লোক; পঞ্জীভুক্ত লোক যদি নহয় ; আৰু

ট) পৰিষদৰ পৰামৰ্শাৱলীৰ ভিত্তিত কেন্দ্ৰীয় চৰকাৰ বা একোখন ৰাজ্য চৰকাৰে জাননী জাৰি কৰা এনে অন্য লোক বা লোকৰ শ্ৰেণী।

**প্ৰশ্ন ৭। জি এছ টিৰ অধীনত এটা পঞ্জীয়ন ল'বৰ বাবে সময় সীমা কি?**

**উত্তৰ ঃ** পঞ্জীয়ন নিয়মাৱলীত উল্লেখ থকা ব্যৱস্থাৱলী মতে নিৰ্ধাৰিত ধৰণ আৰু চৰ্তাৱলী অনুসৰি যিকোনো লোকে পঞ্জীয়ন কৰোৱাৰ যোগ্য হোৱাৰ তাৰিখৰ পৰা ত্ৰিশ দিনৰ ভিতৰত একোটা পঞ্জীয়ন গ্ৰহণ কৰিব লাগে। একোজন অস্থায়ী কৰযোগ্য লোক আৰু একোজন অনা-আবাসিক কৰযোগ্য লোকে ব্যৱসায় আৰম্ভ কৰাৰ কমেও পাঁচ দিনৰ আগতে পঞ্জীয়নৰ বাবে আবেদন কৰিব লাগে।

**প্ৰশ্ন ৮। যদি এজন লোকে একে পান নম্বৰেৰে বেলেগ বেলেগ ৰাজ্যত কাম কৰি থাকে, তেতিয়া তেওঁ এটা মাথোঁ পঞ্জীয়নেৰে কাম কৰিব পাৰেনে?**

**উত্তৰ ঃ** নোৱাৰে, একোটা পঞ্জীয়ন গ্ৰহণ কৰিবলৈ যোগ্য প্ৰতিজন লোক তেওঁৰ ব্যাৱসায়িক কাম-কাজ থকা প্ৰতিখন ৰাজ্যত সুকীয়া সুকীয়াকৈ পঞ্জীভুক্ত হ'ব লাগিব আৰু চি জি এছ টি/ এছ জি এছ টি আইনৰ অনুচ্ছেদ ২২ৰ উপ-অনুচ্ছেদ (১) অনুসৰি জি এছ টি পৰিশোধ কৰিব লাগিব।

**প্ৰশ্ন ৯। এখন ৰাজ্যত এজন লোকৰ কেইবাটাও সমান্তৰাল ব্যৱসায় থাকিলে তেওঁ পৃথক পৃথক পঞ্জীয়ন পাব পাৰেনে?**

**উত্তৰ ঃ** হয়, অনুচ্ছেদ ২৫ৰ উপ-অনুচ্ছেদ (২) অনুসৰি এখন ৰাজ্যত কেইবাটাও সমান্তৰাল ব্যৱসায় থকা এজন লোকে চৰ্তাৱলী সাপেক্ষে প্ৰতিটো ব্যৱসায়ৰ বাবে একোটা পৃথক পঞ্জীয়ন আহৰণ কৰিব পাৰে।

**প্ৰশ্ন ১০। একোজন লোক জি এছ টি পৰিশোধৰ বাবে যোগ্য নোহোৱাকৈ স্বেচ্ছাই পঞ্জীভুক্ত হোৱাৰ ব্যৱস্থা আছেনে?**

**উত্তৰ ঃ** হয়, অনুচ্ছেদ ২৫ৰ উপ-অনুচ্ছেদ (৩) অনুসৰি, একোজন লোক যদিও তেওঁ অনুচ্ছেদ ২২ৰ অধীনত পঞ্জীভুক্ত হ'বলৈ অৰ্হতাসম্পন্ন নহয়, তথাপি স্বেচ্ছাই নিজকে পঞ্জীভুক্ত কৰাব পাৰে, আৰু এজন পঞ্জীভুক্ত কৰযোগ্য লোকৰ ক্ষেত্ৰত প্ৰযোগ্য হোৱা এই আইনৰ ব্যৱস্থাৱলী তেওঁৰ ক্ষেত্ৰতো প্ৰযোগ্য হ'ব।

**প্ৰশ্ন ১১। পঞ্জীয়ন লাভ কৰিবলৈ এটা 'পাৰ্মানেণ্ট একাউণ্ট নাম্বাৰ' (PAN) থকাটো**

**বাধ্যতামূলকনে?**

**উত্তৰ ঃ** হয়, চি জি এছ টি/ এছ জি এছ টি আইনৰ অনুচ্ছেদ ২৫(৬) অনুসৰি পঞ্জীয়নৰ বাবে মঞ্জুৰী লাভ কৰিবলৈ প্ৰতিজন লোকৰ আয় কৰ আইন ১৯৬১ (১৯৬১ৰ ৪৩)ৰ অধীনত জাৰি কৰা এটা PAN থাকিব লাগিব। অৱশ্যে, ওপৰত উল্লিখিত অনুচ্ছেদ ২৫(৬) অনুসৰি, একোজন লোকে অনুচ্ছেদ ৫১ ৰ অধীনত কৰ কৰ্তন কৰিব লাগিব, তেতিয়া, একোটা PAN ৰ ক্ষেত্ৰত, কৰ কৰ্তন আৰু সংগ্ৰহৰ একাউণ্ট নম্বৰ উল্লিখিত আয়কৰ আইনৰ অধীনত জাৰি কৰিব পাৰে, তেনে ক্ষেত্ৰত পঞ্জীয়নৰ বাবে অৰ্হতাসম্পন্ন হ'ব।

লগতে, অনুচ্ছেদ ২৫ (৭) অনুসৰি একোজন অনা-আবাসিক কৰযোগ্য ব্যক্তিৰ ক্ষেত্ৰত PAN বাধ্যতামূলক নহয়, যাক অন্য কোনো নিৰ্ধাৰিত নথি-পত্ৰৰ আধাৰত পঞ্জীয়ন মঞ্জুৰ কৰিব পাৰে।

**প্ৰশ্ন ১২। এই আইনৰ অধীনত ন্যায্য বিষয়াৰ জৰিয়তে বিভাগে একোজন লোকৰ পঞ্জীয়নৰ বাবে নিজাববীয়াকৈ পদক্ষেপ গ্ৰহণ কৰিব পাৰেনে?**

**উত্তৰ ঃ** হয়, অনুচ্ছেদ ২৫ৰ উপ-অনুচ্ছেদ (৮) অনুসৰি, এই আইনৰ অধীনত পঞ্জীভুক্ত হ'বলৈ যোগ্যতাসম্পন্ন কোনো লোক পঞ্জীয়ন লাভত ব্যৰ্থ হ'লে ন্যায্য বিষয়াই ভ্ৰান্ত ধাৰণাৰহিত পদক্ষেপৰ জৰিয়তে বা MGLৰ অধীনত পদক্ষেপ গ্ৰহণ কৰি বা সেই সময়ত বলৱৎ হৈ থকা আন যিকোনো আইনৰ অধীনত নিৰ্ধাৰিত ধৰণেৰে এনে লোকৰ পঞ্জীয়নৰ বাবে আগবাঢ়িব পাৰে।

**প্ৰশ্ন ১৩। পঞ্জীয়নৰ বাবে কৰা একোখন আবেদন ন্যায্য বিষয়াজনে নাকচ কৰিব পাৰেনে?**

**উত্তৰ ঃ** হয়, চি জি এছ টি/এছ জি এছ টি আইনৰ অনুচ্ছেদ ২৫ৰ উপ-অনুচ্ছেদ ১০ অনুসৰি যাৱতীয় পৰীক্ষা কৰাৰ পিছত পঞ্জীয়নৰ বাবে কৰা একোখন আবেদন ন্যায্য

বিষয়াজনে নাকচ কৰিব পাৰে।

**প্ৰশ্ন ১৪। যিকোনো লোকক মঞ্জুৰ কৰা পঞ্জীয়ন স্থায়ীনে?**

**উত্তৰ ঃ** হয়, সমৰ্পণ, বাতিল, স্থগিত নকৰা বা ওভতাই ননা পৰ্যন্ত এবাৰ মঞ্জুৰীকৃত পঞ্জীয়ন প্ৰমাণ পত্ৰ স্থায়ী।

**প্ৰশ্ন ১৫। জি এছ টিৰ অধীনত পঞ্জীয়ন পোৱাটো ৰাষ্ট্ৰসংঘৰ সমিতিসমূহৰ বাবে আৱশ্যকনে?**

**উত্তৰ ঃ** চি জি এছ টি /এছ জি এছ টি আইনৰ অনুচ্ছেদ ২৫(৯) অনুসৰি ৰাষ্ট্ৰসংঘৰ সমিতিসমূহৰ সকলো ‘কনছুলেট’ (consulate) বা বিদেশী ৰাষ্ট্ৰৰ দূতাবাস আৰু জাননীকৃত আন যিকোনো লোকৰ শ্ৰেণীয়ে জি এছ টি প’ৰ্টেলৰ পৰা একোটা একক পৰিচয় নম্বৰ (UIN) আহৰণ কৰিব লাগে। উল্লিখিত আই ডিৰ গাঁথনি GSTIN গাঁথনিৰ সৈতে সংগতি ৰাখি সমগ্ৰ ৰাজ্যসমূহত একেটাই হ’ব আৰু ই কেন্দ্ৰ তথা ৰাজ্যসমূহৰ ক্ষেত্ৰতো একে হ’ব। তেওঁলোকে পৰিশোধ কৰা কৰ ওলোটাই পাবলৈ দাবী কৰোতে আৰু জি এছ টি নিয়মাৱলী অনুসৰি আন যিকোনো উদ্দেশ্যত এই UINৰ প্ৰয়োজন হ’ব।

**প্ৰশ্ন ১৬। ৰাষ্ট্ৰসংঘৰ সমিতিসমূহলৈ যোগান ধৰি থকা কৰযোগ্য লোকৰ দায়বদ্ধতা কি?**

**উত্তৰ ঃ** এই সংস্থাসমূহলৈ যোগান ধৰি থকা কৰযোগ্য যোগনীয়াৰে চালানবিলাকত UIN উল্লেখ কৰিব বুলি আশা কৰা হৈছে আৰু এনে যোগানক অন্য এজন পঞ্জীভুক্ত লোকলৈ কৰা যোগান (B 2 B) হিচাপে গণ্য কৰাৰ লগতে ইয়াৰ চালানবিলাক যোগনীয়াৰে আপলোড কৰিব লাগিব।

**প্ৰশ্ন ১৭। পঞ্জীয়ন আহৰণ কৰাটো চৰকাৰী সংস্থাৰ ক্ষেত্ৰত আৱশ্যকনে?**

**উত্তৰ ঃ** জি এছ টি পণ্য-সামগ্ৰী বাহিৰলৈ যোগান নধৰা অথচ আন্তঃৰাজ্যিক ক্ৰয় সম্পন্ন কৰি থকা চৰকাৰী কৰ্তৃপক্ষ/পি এছ ইউক জি এছ টি পৰ্টেলৰ জৰিয়তে

সংশ্লিষ্ট ৰাজ্যিক কৰ কৰ্তৃপক্ষসমূহে একোটা একক পৰিচয় জ্ঞাপক নম্বৰ (Unique Identification Number) (ID) দিব (আৰু জি এছ টি পঞ্জীয়ন পাবলৈ অৰ্হতাসম্পন্ন নহ'ব)।

**প্ৰশ্ন ১৮। অস্থায়ী কৰযোগ্য লোক কোন?**

**উত্তৰ ঃ** চি জি এছ টি /এছ জি এছ টি আইনৰ অনুচ্ছেদ ২(২০) অনুসৰি অস্থায়ী কৰযোগ্য লোকৰ সংজ্ঞা নিৰূপণ কৰা হৈছে, ইয়াৰ অৰ্থ হৈছে এনে লোক যি সামগ্ৰী আৰু অথবা সেৱাৰ যোগানৰ ক্ষেত্ৰত ব্যৱসায়ৰ পৰিক্ৰমাত বিভিন্ন লেনদেন কৰে, সেয়া তেওঁ এজন প্ৰধান বা প্ৰতিনিধি (এজেণ্ট) বা অন্য যিকোনো সামৰ্থ্যৰে সমাপণ কৰিব পাৰে, সেয়া একোখন ৰাজ্য বা কেন্দ্ৰীয় শাসিত অঞ্চলত কৰিব পাৰে, য'ত তেওঁৰ ব্যৱসায়ৰ স্থায়ী স্থান নাথাকে।

**প্ৰশ্ন ১৯। অনা-আবাসিক কৰযোগ্য লোক কোন?**

**উত্তৰ ঃ** চি জি এছ টি /এছ জি এছ টি আইনৰ অনুচ্ছেদ ২(৭৭) অনুসৰি, এজন অনা-আবাসিক কৰযোগ্য ব্যক্তি মানে হৈছে এনে কোনো লোক যি সামগ্ৰী আৰু অথবা সেৱাৰ যোগানৰ ক্ষেত্ৰত ব্যৱসায়ৰ পৰিক্ৰমাত বিভিন্ন লেনদেন কৰে, সেয়া তেওঁ এজন প্ৰধান বা প্ৰতিনিধি (এজেণ্ট) বা অন্য যিকোনো সামৰ্থ্যৰে সমাপণ কৰিব পাৰে, কিন্তু ভাৰতত যাৰ ব্যৱসায়ৰ স্থায়ী স্থান অথবা আবাস নাই।

**প্ৰশ্ন ২০। এজন অস্থায়ী কৰযোগ্য লোক আৰু অনা-আবাসিক কৰযোগ্য লোকক জাৰি কৰা পঞ্জীয়ন প্ৰমাণ পত্ৰৰ ম্যাদ কি?**

**উত্তৰ ঃ** অনুচ্ছেদ ২৭(১) অনুসৰি এই সম্পৰ্কত উত্থাপন কৰা ব্যৱস্থা মতে একোজন 'অস্থায়ী কৰযোগ্য লোক' বা 'একোজন অনা-আবাসিক কৰযোগ্য লোক'ক প্ৰদান কৰা পঞ্জীয়ন প্ৰমাণপত্ৰৰ ম্যাদ আবেদনত উল্লেখ কৰা ধৰণে হ'ব বা পঞ্জীয়ন কাৰ্যকৰী হোৱাৰ তাৰিখৰ পৰা নব্বৈ দিনৰ বাবে বৈধ হ'ব, যিটোৱেই আগতীয়া হয়। অৱশ্যে, ন্যায্য বিষয়াজনে, উল্লিখিত কৰযোগ্য লোকজনৰ অনুৰোধ মৰ্মে, পৰৱৰ্তী নব্বৈ দিনৰ

সময়সীমা অতিক্রম নকৰাকৈ পূৰ্বৰ ৯০ (নব্বৈ) দিনৰ ম্যাদ বৃদ্ধি কৰিব পাৰে।

**প্ৰশ্ন ২১। এই বিশেষ শাখাৰ অধীনত পঞ্জীয়ন আহৰণ কৰাৰ সময়ত একোজন অস্থায়ী কৰযোগ্য লোক আৰু অনা-আবাসিক কৰযোগ্য লোকে কিবা আগতীয়া কৰ পৰিশোধ কৰিব লাগে নেকি ?**

**উত্তৰ ঃ** হয়, যেতিয়া এজন সাধাৰণ কৰযোগ্য লোকে পঞ্জীয়ন পাবলৈ কোনোধৰণৰ ধন জমা কৰিবলগীয়া নহয়, তেতিয়া এজন অস্থায়ী কৰযোগ্য লোকে বা অনা-আবাসিক কৰযোগ্য লোকে, অনুচ্ছেদ ২৭ (২)ৰ উল্লিখিত ব্যৱস্থা অনুসৰি, পঞ্জীয়নৰ বাবে আবেদন দাখিল কৰাৰ সময়ত যিখিনি সময়ৰ বাবে পঞ্জীয়ন বিচৰা হৈছে সেইখিনি সময়ৰ তেনে লোকৰ দিবলগীয়া কৰৰ সম পৰিমাণৰ কৰ আগতীয়াকৈ জমা দিব লাগিব। যদি প্ৰাৰম্ভিক নব্বৈ দিনৰ সময়সীমাতকৈ পঞ্জীয়ন অধিক প্ৰসাৰিত কৰা হয়, তেনে ক্ষেত্ৰত দিবলগীয়া নিৰ্দ্ধাৰিত কৰৰ সম পৰিমাণৰ অতিৰিক্ত কৰ উক্ত নব্বৈ দিনতকৈ যিমানখিনি বেছি সময়ৰ বাবে বিচৰা হৈছে সিমানখিনি সময়ৰ বাবে আগতীয়াকৈ জমা দিব লাগিব।

**প্ৰশ্ন ২২। পঞ্জীয়ন প্ৰমাণপত্ৰৰ সংশোধনী অনুমতিযোগ্যনে ?**

**উত্তৰ ঃ** হয়, অনুচ্ছেদ ২৮ অনুসৰি, ন্যায্য বিষয়াজনে পঞ্জীয়নকাৰীয়ে দাখিল কৰা এনে তথ্যৰ ভিত্তিত বা তেওঁ নিজে কৰা নিৰূপণ অনুসৰি, সেই ধৰণে আৰু নিৰ্দ্ধাৰিত এনে সময়ৰ ভিতৰত পঞ্জীয়ন সবিশেষ অনুমোদন বা নাকচ কৰিব পাৰিব। মন কৰিবলগীয়া যে সংশোধন কৰিবৰ বাবে ন্যায্য বিষয়াৰ অনুমতি কেৱল তথ্যৰ নিৰ্দ্দিষ্ট আভ্যন্তৰীণ ক্ষেত্ৰৰ বাবেহে আৱশ্যক, অন্য ক্ষেত্ৰসমূহৰ বাবে পঞ্জীয়নকাৰীয়ে নিজে সংশোধন কৰিব পাৰে।

মন কৰিবলগীয়া যে সংশোধন কৰিবৰ বাবে ন্যায্য বিষয়াৰ অনুমতি তথ্যৰ কেতবোৰ নিৰ্দ্দিষ্ট ক্ষেত্ৰতহে আৱশ্যক হ'ব, অন্য ক্ষেত্ৰসমূহত জি এছ টি উমৈহতীয়া প'ৰ্টেলত

আবেদন দাখিল কৰিলে পঞ্জীয়নৰ প্ৰমাণপত্ৰ সংশোধিত হ'ব।

**প্ৰশ্ন ২৩। পঞ্জীয়ন প্ৰমাণপত্ৰৰ বাতিলকৰণ অনুমতিযোগ্যনে ?**

**উত্তৰ ঃ** হয়, এই আইনৰ অধীনত মঞ্জুৰ কৰা যিকোনো পঞ্জীয়ন চি জি এছ টি /এছ জি এছ টি আইনৰ অনুচ্ছেদ ২৯ত উল্লিখিত পৰিস্থিতিত ন্যায্য বিষয়াজনে বাতিল কৰিব পাৰে। ন্যায্য বিষয়াজনে তেওঁৰ নিজাববীয়া পদক্ষেপেৰে বা নিৰ্ধাৰিত ধৰণে পঞ্জীভুক্ত কৰযোগ্য লোকজনে বা তেওঁৰ আইনগত উত্তৰাধিকাৰীয়ে দাখিল কৰা আবেদনৰ ভিত্তিত, এনে লোকৰ মৃত্যু হ'লে, নিৰ্দ্ধাৰিত এনে ধৰণে আৰু এনে সময়ছোৱাৰ ভিতৰত পঞ্জীয়ন বাতিল কৰিব পাৰে। পঞ্জীয়ন নিয়মাৱলী অনুসৰি, এছ চি এনলৈ দিয়া প্ৰত্যুত্তৰ গ্ৰহণৰ তাৰিখৰ পৰা (যি ক্ষেত্ৰত বাতিলকৰণৰ বাবে ন্যায্য বিষয়াজনে প্ৰমাণভিত্তিক তদন্ত (Suo-moto) কৰিবলগীয়া হয়) বা বাতিলকৰণৰ বাবে জনোৱা আবেদন গ্ৰহণৰ তাৰিখৰ পৰা (যি ক্ষেত্ৰত কৰযোগ্য লোকজনে/ আইনগত উত্তৰাধিকাৰীয়ে এনে বাতিলকৰণৰ বাবে আবেদন জনায়) ৩০ (ত্ৰিশ) দিনৰ ভিতৰত নিৰ্দেশ জাৰি কৰিব লাগে।

**প্ৰশ্ন ২৪। চি জি এছ টি আইনৰ অধীনস্থ পঞ্জীয়ন বাতিল হোৱা মানে এছ জি এছ টি আইনৰ অধীনস্থ পঞ্জীয়নো বাতিল হোৱা বুজায়নে ?**

**উত্তৰ ঃ** হয়, এখন আইন (ধৰা হ'ল চি জি এছ টি আইন)ৰ অধীনস্থ পঞ্জীয়ন বাতিল হ'লে আনখন আইনৰ অধীনস্থ (অৰ্থাৎ এছ জি এছ টি আইন) পঞ্জীয়নো বাতিল হোৱা বুজায়। [অনুচ্ছেদ ২৯ (৪)]

**প্ৰশ্ন ২৫। ন্যায্য বিষয়াজনে নিজাববীয়াকৈ পঞ্জীয়ন বাতিল কৰিব পাৰেনে ?**

**উত্তৰ ঃ** হয়, চি জি এছ টি /এছ জি এছ টি আইনৰ অনুচ্ছেদ ২৯(২) ৰ অধীনত নিৰ্দিষ্ট কৰি দিয়া কেতবোৰ পৰিস্থিতিত, ন্যায্য বিষয়াজনে নিজাববীয়াকৈ পঞ্জীয়ন বাতিল কৰিব পাৰে। এনে পৰিস্থিতিৰ ভিতৰত আছে চি জি এছ টি আইনৰ উল্লিখিত বিধিৰ যিকোনো এটাৰ বা তাৰ অধীনৰ যিকোনো নিয়মাৱলী উলংঘন, কোনো সংযোগ

ব্যৱসায়ী (composition dealer)য়ে একেৰাহে তিনি মাহৰ কৰ সময়ত বাৰ্ষিক উপাৰ্জনৰ তালিকা দাখিল নকৰিলে বা কোনো নিয়মীয়া কৰদাতাই একেৰাহে ছমাহৰ বাবে বাৰ্ষিক উপাৰ্জনৰ তালিকা দাখিল নকৰিলে, আৰু স্বেচ্ছামূলক পঞ্জীয়নৰ তাৰিখৰ পৰা ছমাহৰ ভিতৰত ব্যৱসায় আৰম্ভ নকৰিলে। অৱশ্যে, পঞ্জীয়ন বাতিল কৰাৰ পূৰ্বে ন্যায্য বিষয়াজনে প্ৰাকৃতিক ন্যায় মানি চলিব লাগে। [অনুচ্ছেদ ২৯ (২) (ই)]

**প্ৰশ্ন ২৬। ইচ্ছাকৃত ভুল মন্তব্যৰে প্ৰৱঞ্চনা বা সত্যক ঢাকি ৰাখি পঞ্জীয়ন আহৰণ কৰিলে কি হ'ব?**

**উত্তৰ ঃ** এনে ক্ষেত্ৰত, ন্যায্য বিষয়াজনৰ দ্বাৰা অতীতদৰ্শী প্ৰভাৱসহ পঞ্জীয়ন বাতিল হ'ব পাৰে। [অনুচ্ছেদ ২৯ (২) (ই)]

**প্ৰশ্ন ২৭। জি এছ টি আইনৰ অধীনত সেৱাৰ বাবে কেন্দ্ৰীয়কৃত পঞ্জীয়ন লোৱাৰ সুবিধা আছেনে?**

**উত্তৰ ঃ** নাই, কৰদাতাই প্ৰতিখন ৰাজ্যতে পৃথক পঞ্জীয়ন ল'ব লাগিব, য'ত তেওঁ কৰযোগ্য যোগান সম্পন্ন কৰে।

**প্ৰশ্ন ২৮। যদি কৰদাতাজনৰ এখন ৰাজ্যত পৃথক পৃথক সমান্তৰাল ব্যৱসায় থাকে, তেতিয়া তেওঁ এনে প্ৰতিটো সমান্তৰাল ব্যৱসায়ৰ বাবে পৃথক পঞ্জীয়ন ল'ব লাগিবনে?**

**উত্তৰ ঃ** নালাগে। অৱশ্যে চি জি এছ টি আইন, ২০১৭ ৰ অনুচ্ছেদ ২৫ (২) অনুসৰি এনে ধৰণৰ পৃথক ব্যৱসায় পঞ্জীয়ন কৰাৰ সুযোগ কৰদাতাজনৰ আছে।

**প্ৰশ্ন ২৯। ISD কোন?**

**উত্তৰ ঃ** ISDৰ অৰ্থ হৈছে Input Service Distributor অৰ্থাৎ আভ্যন্তৰীণ সেৱাৰ বিতৰক আৰু ইয়াৰ সংজ্ঞা চি জি এছ টি /এছ জি এছ টি আইনৰ অনুচ্ছেদ ২ (৬১)ৰ অধীনত দিয়া আছে। ই প্ৰাথমিকভাৱে কাৰ্যালয়ৰ এই অৰ্থ সূচায়— আভ্যন্তৰীণ সেৱা বা Input service গ্ৰহণ কৰা বুজাবলৈ কৰৰ চালান গ্ৰহণ কৰা আৰু পৰৱৰ্তী

পৰ্যায়ত অংশ হিচাপত তাৰ নিৰিখ (credit) যোগনীয়াৰক বিতৰণ কৰা (একে PAN থকা)।

**প্ৰশ্ন ৩০। বৰ্তমানৰ কৰদাতাৰ পঞ্জীয়ন থকাৰ উপৰি আই এছ ডিয়ে পৃথকে পঞ্জীভুক্ত হ'ব লাগেনে?**

**উত্তৰ ঃ** হয়, আই এছ ডি পঞ্জীয়ন কৰদাতাৰ এটা কাৰ্যালয়ৰ বাবে যিটো সাধাৰণ পঞ্জীয়নৰ পৰা পৃথক।

**প্ৰশ্ন ৩১। এজন কৰদাতাৰ একাধিক আই এছ ডি থাকিব পাৰেনে?**

**উত্তৰ ঃ** হয়, একোজন কৰদাতাৰ বিভিন্ন কাৰ্যালয়ে (কাম-কাজ) আই এছ ডি পঞ্জীয়নৰ বাবে আবেদন কৰিব পাৰে।

**প্ৰশ্ন ৩২। একোটা ব্যৱসায় হস্তান্তৰত কি দায়বদ্ধতা থাকিব পাৰে (যিমান দূৰ পঞ্জীয়নৰ কথা জড়িত হৈ থাকে)?**

**উত্তৰ ঃ** এনে ধৰণৰ হস্তান্তৰ বা উত্তৰাধিকাৰ কাৰ্যকৰী হোৱাৰে পৰা হস্তান্তৰ কৰোতা বা উত্তৰাধিকাৰী পঞ্জীভুক্ত হোৱাৰ যোগ্য হ'ব আৰু তেওঁ এনে হস্তান্তৰ বা উত্তৰাধিকাৰৰ তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ এটা নতুন পঞ্জীয়ন ল'ব লাগিব। (অনুচ্ছেদ ২২ (৩))

**প্ৰশ্ন ৩৩। চলিত কেন্দ্ৰীয় আবকাৰী/সেৱা কৰ/ভেট আইনৰ অধীনত ইতিমধ্যে পঞ্জীভুক্ত সকলো কৰদাতা/ব্যৱসায়ীয়ে নতুন পঞ্জীয়ন ল'ব লাগিবনে?**

**উত্তৰ ঃ** নালাগে। জি এছ টি এনে এনেকুৱা সকলো কৰদাতা/ব্যৱসায়ীক জি এছ টি এন নেটৱৰ্কলৈ স্থানান্তৰ কৰিব আৰু জি এছ টি আই এন নম্বৰ আৰু পাছৱৰ্ড জাৰি কৰিব। তেওঁলোকক নিৰ্ধাৰিত সময়ত সকলো আৱশ্যকীয় নথি-পত্ৰ আৰু পঞ্জীয়নৰ বাবে প্ৰয়োজন হোৱা তথ্য বিচৰা হ'ব। এনে কৰাত ব্যৰ্থ হ'লে জি এছ টি আই এন নম্বৰ বাতিল কৰা হ'ব।

কেন্দ্ৰীয় পঞ্জীয়ন থকা সেৱা কৰ দিওঁতাই তেওঁলোকৰ ব্যৱসায় থকা সংশ্লিষ্ট

ৰাজ্যসমূহত নতুনকৈ আবেদন কৰিব লাগিব।

**প্ৰশ্ন ৩৪। ঠিকা কাম কৰোতা (job worker) পঞ্জীভুক্ত হোৱাটো বাধ্যতামূলক নেকি?**

**উত্তৰ ঃ** নহয়, এজন ঠিকা কৰ্মী হৈছে এজন সেৱাৰ যোগনীয়াৰ আৰু যেতিয়া তেওঁৰ বাৰ্ষিক উপাৰ্জনৰ অন্তিম সীমা ২০/১০ লাখৰ অতিক্ৰম কৰে তেতিয়াহে তেওঁ পঞ্জীয়ন কৰিব লাগিব।

**প্ৰশ্ন ৩৫। এজন ঠিকা কাম কৰোতাৰ ব্যৱসায়ৰ স্থানৰ পৰা পণ্য সামগ্ৰী যোগান ধৰাৰ অনুমতি প্ৰদান কৰা হ'বনে?**

**উত্তৰ ঃ** হয়, কিন্তু কেৱল তেনে ক্ষেত্ৰতহে, যেতিয়া ঠিকা কাম কৰোতাজন পঞ্জীভুক্ত হয় বা ঠিকা কাম কৰোতাজনৰ ব্যৱসায়ৰ স্থান তেওঁৰ ব্যৱসায়ৰ অতিৰিক্ত স্থান হিচাপে প্ৰধান ঘোষণাত থাকিব লাগিব।

**প্ৰশ্ন ৩৬। পঞ্জীয়নৰ সময়ত কৰদাতাই তেওঁৰ ব্যৱসায়ৰ সকলো স্থানৰ কথা ঘোষণা কৰিব লাগেনে?**

**উত্তৰ ঃ** হয়, চি জি এছ টি /এছ জি এছ টি আইনৰ অনুচ্ছেদ ২ (৮৯) আৰু ২ (৮৫)ৰ অধীনত ব্যৱসায়ৰ প্ৰধান ঠাই (Principal Place) আৰু ব্যৱসায়ৰ ঠাই (place) পৃথকে পৃথকে ক্ৰমান্বয়ে সংজ্ঞাবদ্ধ কৰা হৈছে। কৰদাতাই পঞ্জীয়ন প্ৰপত্ৰত ব্যৱসায়ৰ অতিৰিক্ত স্থানসমূহৰ লগতে প্ৰধান স্থান ঘোষণা কৰিব লাগিব।

**প্ৰশ্ন ৩৭। তুলনামূলকভাৱে সৰু ঘোষণা কৰা বা আয়কৰ আন্তঃগাঁথনি নথকা ঘোষণা কৰাৰ কিবা পদ্ধতি আছেনে?**

**উত্তৰ ঃ** আয়কৰ আন্তঃগাঁথনি নথকা কৰদাতাসকলৰ আৱশ্যকতা পূৰণ কৰিবৰ বাবে, নিম্নোল্লিখিত ব্যৱস্থাৱলী পৰ্যাপ্ত হ'ব ঃ

**কৰৰ হিচাপৰ বিৱৰণ প্ৰস্তুতকৰ্তা** (Tax Return Preparer– TRP) ঃ এজন কৰযোগ্য লোকে তেওঁৰ পঞ্জীয়ন আবেদন/হিচাপৰ বিৱৰণ নিজে প্ৰস্তুত কৰিব পাৰে

বা সহায়ৰ বাবে টি আৰ পিৰ ওচৰ চাপিব পাৰে। টি আৰ পিয়ে তেওঁক কৰযোগ্য লোকজনে দাখিল কৰা তথ্যৰ ভিত্তিত নিৰ্ধাৰিত প্ৰপত্ৰত উল্লিখিত পঞ্জীয়ন নথিপত্ৰ/হিচাপৰ বিৱৰণ প্ৰস্তুত কৰিব। টি আৰ পিয়ে প্ৰস্তুত কৰা প্ৰপত্ৰত সন্নিৱিষ্ট তথ্যৰ শুদ্ধতাৰ আইনগত দায়বদ্ধতা কেৱল উক্ত কৰযোগ্য লোকজনৰহে থাকিব আৰু কোনো ধৰণৰ ভুল বা অশুদ্ধ তথ্যৰ বাবে টি আৰ পিজন দায়বদ্ধ নহ'ব।

**সহজকৰণ কেন্দ্ৰ (Facilitation Centre-FC)ঃ** কৰযোগ্য লোকজনে এফচিক দিয়া আৰু কৰ্তৃত্বশীল স্বাক্ষৰকাৰীৰ দ্বাৰা স্বাক্ষৰিত প্ৰপত্ৰ আৰু নথিপত্ৰৰ লগতে ছামেৰী শ্বীট 'ডিজিটেলাইজেচন' কৰা আৰু/অথবা আপলোডিং কৰিবৰ বাবে এফ চি বা সহজকৰণ কেন্দ্ৰ দায়বদ্ধ। এফ চিৰ আই ডি আৰু পাছৱৰ্ড ব্যৱহাৰ কৰি উমৈহতীয়া প'ৰ্টেলত তথ্য (data) আপলোডিং কৰাৰ পিছত, ৰাজীনামা (Acknowledgement)ৰ এটা প্ৰিণ্ট-আউট লোৱা হ'ব আৰু এফচিয়ে স্বাক্ষৰ কৰি কৰযোগ্য লোকজনৰ ৰেকৰ্ডৰ বাবে তেওঁক প্ৰদান কৰিব। কৰ্তৃত্বশীল স্বাক্ষৰকাৰীয়ে বিধিমতে চহী কৰা 'ছামেৰী শ্বীট'খন এফচিয়ে স্কেন আৰু আপলোড কৰিব।

**প্ৰশ্ন ৩৮। জি এছ টি এন পঞ্জীয়নত ডিজিটেল স্বাক্ষৰ (digital signature)ৰ কিবা ব্যৱস্থা আছেনে?**

**উত্তৰ ঃ** বৈধ ডিজিটেল স্বাক্ষৰ ব্যৱহাৰ কৰি দাখিল কৰা আবেদনত চহী কৰিবলৈ কৰদাতাৰ সুবিধা থাকিব। আবেদনখন বৈদ্যুতিনভাৱে 'ছাইন' কৰা বা অন্য ধৰণে, অৰ্থাৎ আধাৰ নম্বৰৰ জৰিয়তে ই-ছাইনিং বা ডি এছ চিৰ জৰিয়তে অৰ্থাৎ জি এছ টি পৰ্টেলৰ সৈতে কৰদাতাৰ ডিজিটেল ছিগনেচাৰ প্ৰমাণপত্ৰ পঞ্জীয়ন কৰি দাখিল কৰিবলৈ দুই ধৰণৰ সুবিধা থাকিব। অৱশ্যে, কোম্পানী বা সীমিত দায়ৱদ্ধতাৰ অংশীদাৰী প্ৰতিষ্ঠানেহে ডি এছ চিৰ জৰিয়তে বাধ্যতামূলকভাৱে 'ছাইন' কৰিব লাগিব। স্বাক্ষৰৰ ক্ষেত্ৰত কেৱল লেবেল-২ আৰু লেবেল-৩ ডি এছ চি প্ৰমাণপত্ৰ গ্ৰহণযোগ্য হ'ব।

**প্ৰশ্ন ৩৯। অনলাইন আবেদনৰ ক্ষেত্ৰত সিদ্ধান্ত গ্ৰহণত সময়সীমা কি হ'ব?**

**উত্তৰ ঃ** যদি তথ্য আৰু আপলোড কৰা নথিপত্ৰ সঠিক হিচাপে প্ৰতিপন্ন হয়, ৰাজ্যিক আৰু কেন্দ্ৰীয় কৰ্তৃপক্ষই তিনিটা উমৈহতীয়া কৰ্মদিনৰ ভিতৰত আবেদনখনৰ প্ৰতিক্ৰিয়া জনাব। যদি তেওঁলোকে কোনো ধৰণৰ অসম্পূৰ্ণতা বা অসামঞ্জস্য উক্ত আবেদনত এই সময়ছোৱাৰ ভিতৰত দেখা পায়, তেতিয়া এনে ধৰণৰ বাৰ্তা লাভৰ পৰা সাত

দিনৰ ভিতৰত আবেদনকাৰীয়ে উক্ত অসম্পূৰ্ণতা/ অসামঞ্জস্য আঁতৰাব লাগিব। তাৰ পিছত, আবেদনখন অনুমোদন জনাবলৈ বা বাতিল কৰিবলৈ ৰাজ্যিক আৰু কেন্দ্ৰীয় কৰ্তৃপক্ষই কৰযোগ্য লোকজনে অসামঞ্জস্যতা আঁতৰোৱাৰ দিনৰ পৰা সাত দিনৰ সময় পাব। উল্লিখিত সময়সীমাৰ ভিতৰত বিভাগীয় কৰ্তৃপক্ষই কোনো ধৰণৰ প্ৰতিক্ৰিয়া নকৰিলে পৰ্টেলে স্বয়ংক্ৰিয়ভাৱে পঞ্জীয়ন সৃষ্টি কৰিব।

**প্ৰশ্ন ৪০। অনলাইন আবেদনত যদি কিবা প্ৰশ্ন উত্থাপিত হয় আবেদনকাৰীৰ দ্বাৰা প্ৰতিক্ৰিয়া প্ৰকাশ কৰিবৰ বাবে সময় কিমান হ'ব?**

**উত্তৰ ঃ** পুনৰীক্ষণ প্ৰক্ৰিয়াৰ সময়ত কৰ কৰ্তৃপক্ষসমূহৰ এটাই যদি কিছুমান প্ৰশ্ন উত্থাপন কৰে বা কিছুমান ভুল হোৱা বুলি জাননী দিয়ে, সেই বিষয়ে আবেদনকাৰীক আৰু অন্য কৰ কৰ্তৃপক্ষক জি এছ টি উমৈহতীয়া প'ৰ্টেলৰ জৰিয়তে তিনিটা উমৈহতীয়া কৰ্মদিনৰ ভিতৰত অৱগত কৰোৱা হ'ব। আবেদনকাৰীয়ে অসম্পূৰ্ণতাৰ বাৰ্তা লাভ কৰাৰ দিনৰ পৰা সাত দিনৰ ভিতৰত প্ৰশ্নৰ উত্তৰ দিব/ভুল শুধৰাব লাগিব।

অতিৰিক্ত নথিপত্ৰ বা স্পষ্টীকৰণ লাভ কৰিলে, এনে স্পষ্টীকৰণ লাভ কৰাৰ দিনৰ পৰা সাতটা উমৈহতীয়া কৰ্মদিনৰ ভিতৰত সংশ্লিষ্ট কৰ কৰ্তৃপক্ষই প্ৰতিক্ৰিয়া প্ৰকাশ কৰিব।

**প্ৰশ্ন ৪১। পঞ্জীয়ন অগ্ৰাহ্য কৰাৰ প্ৰক্ৰিয়া কি?**

**উত্তৰ ঃ** পঞ্জীয়ন অগ্ৰাহ্য কৰা হ'লে, এক মৌখিক নিৰ্দেশনাৰ জৰিয়তে এনে অগ্ৰাহ্যকৰণৰ কাৰণবিলাকৰ বিষয়ে আবেদনকাৰীক অৱগত কৰোৱা হ'ব। কৰ্তৃপক্ষৰ এই সিদ্ধান্তৰ বিৰুদ্ধে আবেদন কৰাৰ অধিকাৰ আবেদনকাৰীৰ থাকিব। চি জি এছ টি আইনৰ অনুচ্ছেদ ২৬ৰ উপ-অনুচ্ছেদ (২) অনুসৰি এটা কৰ্তৃপক্ষৰ দ্বাৰা (যেনে চি জি এছ টি আইন/এছ জি এছ টি আইনৰ অধীনত) পঞ্জীয়নৰ বাবে কৰা আবেদনৰ যিকোনো অগ্ৰাহ্যকৰণ বা নাকচ অন্য কৰ কৰ্তৃপক্ষ (যেনে এছ জি এছ টি আইন/ইউ টি জি এছ টি আইন/চি জি এছ টি আইনৰ অধীনস্থ)ৰ দ্বাৰা পঞ্জীয়নৰ বাবে কৰা

আবেদনৰ এক অগ্ৰাহ্যকৰণ  হিচাপে গণ্য হ'ব।

**প্ৰশ্ন ৪২। আবেদন নিষ্পত্তিৰে জড়িত কোনো যোগাযোগ থাকিবনে?**

**উত্তৰ ঃ** আবেদনকাৰীক তেওঁৰ পঞ্জীয়ন আবেদনৰ মঞ্জুৰী বা নাকচ সম্পৰ্কীয় কাৰণ জি এছ টি উমৈহতীয়া প'ৰ্টেলৰ দ্বাৰা এটা ই-মেইল আৰু এছ এম এছৰ জৰিয়তে জনোৱা হ'ব। এই পৰ্যায়ত আবেদনকাৰীক আইনগত সবিশেষ অৱগত কৰা হ'ব।

**প্ৰশ্ন ৪৩। জি এছ টি এন প'ৰ্টেলৰ পৰা পঞ্জীয়ন প্ৰমাণপত্ৰ ডাউনলোড কৰিব পাৰিনে?**

**উত্তৰ ঃ** পঞ্জীয়ন মঞ্জুৰ হ'লে আবেদনকাৰীয়ে জি এছ টি উমৈহতীয়া প'ৰ্টেলৰ পৰা পঞ্জীয়ন প্ৰমাণপত্ৰ ডাউনলোড কৰিব পাৰে।

**প্ৰশ্ন ৪৪। পঞ্জীয়ন নিৰ্দেশনাৰ বাতিলকৰণ প্ৰত্যাহাৰ কৰিব পাৰিনে?**

**উত্তৰ ঃ** হয়, কেৱল তেতিয়াহে এনে কৰিব পাৰি, য'ত ন্যায্য বিষয়াৰ প্ৰামাণিক তদন্তৰ জৰিয়তে প্ৰাৰম্ভিক বাতিলকৰণ কৰা হয়, আৰু কৰযোগ্য লোকজনৰ বা তেওঁৰ আইনগত উত্তৰাধিকাৰীৰ অনুৰোধ সাপেক্ষে নহয়। যাৰ পঞ্জীয়ন বাতিল কৰা হয়, তেনে লোকে বাতিলকৰণৰ নিৰ্দেশনা লাভ কৰা দিনৰ পৰা ত্ৰিশ দিনৰ ভিতৰত বাতিলকৰণ প্ৰত্যাহাৰ কৰিবলৈ প্ৰামাণিক তদন্তৰ বাবে ন্যায্য বিষয়াক আবেদন কৰিব পাৰে। এনে আবেদন লাভ কৰা তাৰিখৰ পৰা বা তথ্য/ স্পষ্টীকৰণ লাভ কৰা দিনৰ পৰা ত্ৰিশ দিনৰ ভিতৰত ন্যায্য বিষয়াজনে উক্ত বাতিলকৰণ প্ৰত্যাহাৰ কৰিব পাৰে বা পঞ্জীয়ন বাতিলকৰণ  প্ৰত্যাহাৰৰ বাবে জনোৱা আবেদন নাকচ কৰিব পাৰে।

**প্ৰশ্ন ৪৫। পঞ্জীয়ন বাতিল কৰা কোনো লোকৰ ওপৰত পঞ্জীয়ন বাতিলকৰণৰ যিকোনো কৰৰ দায়বদ্ধতা আৰোপ কৰা হ'বনে?**

**উত্তৰ ঃ** হয়, চি জি এছ টি /এছ জি এছ টি আইনৰ অনুচ্ছেদ ২৯(৫) অনুসৰি প্ৰতিজন কৰযোগ্য লোকে, যাৰ পঞ্জীয়ন বাতিল কৰা হৈছে, ইলেক্ট্ৰনিক কেছ/ ক্ৰেডিট লেজাৰত 'ডেবিট'ৰ মাধ্যমত এক ধনৰাশি পৰিশোধ কৰিব লাগিব, এই পৰিমাণ জমা থকা 'ইনপুট'ৰ ক্ষেত্ৰত 'ইনপুট টেক্স'ৰ 'ক্ৰেডিট' আৰু জমা থকা অৰ্ধ-সম্পূৰ্ণ বা সম্পূৰ্ণ সামগ্ৰীৰ 'ইনপুট' বা মূলধনী সামগ্ৰী বা প্ৰকল্প আৰু যন্ত্ৰ-পাতিৰ 'ইনপুট'ৰ সমান হ'ব আৰু এনে ধৰণৰ বাতিলকৰণৰ ঠিক পিছদিনাই পৰিশোধ কৰিব লাগিব বা এনে ধৰণৰ সামগ্ৰীসমূহৰ ওপৰত পৰিশোধ কৰিবলগীয়া 'আউটপুট টেক্স', যিটোৱেই অধিক হয় সেয়া পৰিশোধ কৰিব লাগিব।

**প্ৰশ্ন ৪৬। অস্থায়ী আৰু অনা-আবাসিক কৰযোগ্য লোকৰ মাজৰ পাৰ্থক্য কি ?**

**উত্তৰ ঃ** চি জি এছ টি /এছ জি এছ টি আইনৰ অনুচ্ছেদ ২(২০) আৰু ২(৭৭)ত অস্থায়ী আৰু অনা-আবাসিক কৰযোগ্য লোকৰ সংজ্ঞা ক্ৰমান্বয়ে উল্লেখ আছে। কিছুমান পাৰ্থক্য তলত উল্লেখ কৰা হ'ল—

| অস্থায়ী কৰযোগ্য লোক | অনা-আবাসিক কৰযোগ্য লোক |
|---|---|
| একোখন ৰাজ্য বা কেন্দ্ৰীয় শাসিত অঞ্চলত য'ত তেওঁৰ নিজা ব্যৱসায়ৰ স্থায়ী স্থান নাই, সামগ্ৰী অথবা সেৱাৰ যোগান সন্নিৱিষ্ট লেনদেন আকস্মিকভাৱে কৰে। | সামগ্ৰী অথবা সেৱাৰ যোগান সন্নিৱিষ্ট লেনদেন আকস্মিকভাৱে কৰে; কিন্তু ভাৰতত তেওঁৰ ব্যৱসায়ৰ স্থায়ী স্থান বা আবাস নাই। |
| এটা PAN নম্বৰ থাকে। | এটা PAN নম্বৰ নাথাকে; যদি PAN নম্বৰ থাকে তেতিয়া এজন অনা-আবাসিক লোকে এজন অস্থায়ী কৰযোগ্য লোক হিচাপে পঞ্জীয়ন ল'ব পাৰে। |
| সাধাৰণ কৰযোগ্য লোকৰ বাবে যি প্ৰযোজ্য হয়, পঞ্জীয়নৰ বাবে সেই একে আবেদন প্ৰ-পত্ৰ অৰ্থাৎ জি এছ টি আৰ ই জি-০১ প্ৰযোজ্য। | পঞ্জীয়নৰ বাবে অনা-আবাসিক কৰযোগ্য লোকৰ ক্ষেত্ৰত পৃথক আবেদন প্ৰ-পত্ৰ অৰ্থাৎ জি এছ টি আৰ ই জি-০৯ প্ৰযোজ্য। |

| অস্থায়ী কৰযোগ্য লোক | অনা-আবাসিক কৰযোগ্য লোক |
|---|---|
| ব্যৱসায়ৰ পৰিক্ৰমা বা অগ্ৰগতিৰ ক্ষেত্ৰত লেনদেন কৰিব লাগে। | সংজ্ঞাত ব্যৱসায়ৰ অনুশীলন অনুপস্থিত। |
| সাধাৰণ জি এছ টি আৰ-১, জি এছ টি আৰ-২ আৰু জি এছ টি আৰ-৩ ৰিটাৰ্ণ দাখিল কৰিব লাগে। | জি এছ টি আৰ-৫ প্ৰ-পত্ৰত এক পৃথক সৰলীকৃত ৰিটাৰ্ণ দাখিল কৰিব লাগে। |
| সকলো আভ্যন্তৰীণ যোগানৰ ‘আই টি চি’ দাবী কৰিব পাৰে। | কেৱল সামগ্ৰী আৰু/ অথবা সেৱাৰ আমদানিৰ ক্ষেত্ৰতহে ‘আই টি চি’ দাবী কৰিব পাৰে। |

***

# যোগানৰ অৰ্থ আৰু পৰিসৰ
(Meaning and Scope of Supply)

## ৪। যোগানৰ অৰ্থ আৰু পৰিসৰ

**প্ৰশ্ন ১। জি এছ টিৰ অধীনত কৰযোগ্য ঘটনা কি ?**

**উত্তৰ ঃ** জি এছ টিৰ অধীনত কৰযোগ্য ঘটনা হ'ব— যথাক্ৰমে বিবেচনাৰ বাবে বা ব্যৱসায়ৰ অনুক্ৰম হিচাপে কৰা সামগ্ৰী অথবা সেৱা অথবা উভয়ৰে যোগান। চলিত পৰোক্ষ কৰ আইন যেনে প্ৰস্তুতকৰণ, বিক্ৰয় বা সেৱাৰ ব্যৱস্থা কৰা আদি 'যোগান' হিচাপে জনাজাত কৰযোগ্য ঘটনা হিচাপে অন্তৰ্ভুক্ত হ'ব।

**প্ৰশ্ন ২। জি এছ টি আইনৰ অধীনত 'যোগান' (Supply)ৰ পৰিসৰ কি ?**

**উত্তৰ ঃ** প্ৰকাশিত অৰ্থৰ ফালৰ পৰা 'যোগান' (Supply) শব্দটো বিস্তৃত আৰু পণ্য সামগ্ৰী আৰু/অথবা সেৱাৰ সকলো ধৰণৰ যোগান যেনে বিক্ৰী, হস্তান্তৰ, বিনিময়, সাল-সলনি, অনুজ্ঞা, ভাড়া, লীজ বা নিষ্পত্তিকৰণ, যিবিলাক ব্যৱসায়ৰ ক্ৰম হিচাপে বা অগ্ৰগতি হিচাপে বিবেচনা কৰি একোজন লোকে সম্পন্ন কৰে। ইয়াত সেৱাৰ আমদানিও অন্তৰ্ভুক্ত থাকে। আৰ্হি জি এছ টি আইনত যোগানৰ পৰিসৰত হিচাপে বিবেচনা নকৰা কেতবোৰ নিৰ্দিষ্ট লেনদেনৰ বিষয়েও উল্লেখ আছে।

**প্ৰশ্ন ৩। কৰযোগ্য যোগান কি ?**

**উত্তৰ ঃ** একোটা কৰযোগ্য যোগানৰ অৰ্থ হৈছে সামগ্ৰী অথবা সেৱা অথবা উভয়ৰে যোগান যি জি এছ টি আইনৰ অধীনত সামগ্ৰী আৰু সেৱা কৰ হিচাপে আৰোপিত হোৱাৰ যোগ্য।

**প্ৰশ্ন ৪। চি জি এছ টি/ এছ জি এছ টি আইনৰ অধীনত যোগান গঠন কৰা আৱশ্যকীয় উপাদানবোৰ কি কি ?**

**উত্তৰ ঃ** একোটা 'যোগান' গঠন কৰাৰ বাবে নিম্নোল্লিখিত উপাদানবিলাক থাকিব লাগিব, যেনে—

(১) সামগ্ৰী অথবা সেৱা অথবা উভয়ৰে যোগানত সন্নিৱিষ্ট হৈ থকা কাৰ্য; যোগান এক বিবেচনাৰ বাবে হ'ব। অন্যথা অন্যভাৱে নিৰ্দিষ্ট কৰি দিয়া হ'ব লাগিব।

(২) ব্যৱসায়ৰ ক্ৰম বা ধাৰাবাহিকতা হিচাপে যোগান সম্পন্ন হয়;

(৩) কৰযোগ্য অঞ্চলত যোগান সম্পন্ন হয়;

(৪) যোগান এক কৰযোগ্য যোগান হ'ব লাগিব; আৰু

(৫) এজন কৰযোগ্য লোকে কৰা যোগান হ'ব লাগিব।

**প্ৰশ্ন ৫। ওপৰত উল্লিখিত যিকোনো এটা বা ততোধিক অৰ্হতা পূৰণ নকৰা একোটা লেনদেনক জি এছ টিৰ অধীনত যোগান হিচাপে বিবেচনা কৰিব পাৰিনে?**

**উত্তৰ ঃ** হয়, কেতবোৰ নিৰ্দিষ্ট পৰিস্থিতিত যেনে ব্যৱসায়ৰ পৰিক্ৰমা অথবা ধাৰাবাহিকতা হিচাপে হওক বা নহওক, সেৱাৰ আমদানি [(অনুচ্ছেদ ৭(১) (বি)] বা চি জি এছ টি /এছ জি এছ টি আইনৰ সূচী-১ৰ অধীনত নিৰ্দিষ্ট কৰি দিয়া, বিবেচনা নকৰাকৈ কৰা যোগান, য'ত প্ৰশ্ন নং ৪ৰ উত্তৰত নিৰ্ধাৰিত এক বা একাধিক অৰ্হতা পূৰণ কৰা নহয়, তথাপি ইয়াক জি এছ টিৰ অধীনত যোগান হিচাপে গণ্য কৰা হয়।

**প্ৰশ্ন ৬। অনুচ্ছেদ-৭ত সামগ্ৰীৰ আমদানি ইয়াৰ অনুপস্থিতিতো স্পষ্ট কিয়?**

**উত্তৰ ঃ** বহিঃশুল্ক (custom) আইন ১৯৬২ৰ অধীনত সামগ্ৰীৰ আমদানিকৰণ পৃথকে চোৱা হয়, Custom Tariff Act, 1975 ৰ অধীনস্থ প্ৰাথমিক বহিঃশুল্কৰ লগতে অতিৰিক্ত বহিঃশুল্ক হিচাপে আই জি এছ টি আৰোপিত হ'ব।

**প্ৰশ্ন ৭। জি এছ টিৰ অধীনত স্ব-যোগান (Self-supplies) কৰযোগ্যনে?**

**উত্তৰ ঃ** আন্তঃৰাজ্যিক স্ব-যোগান যেনে জমা হস্তান্তৰ (stock transfers) বা সন্মতিযুক্ত বিক্ৰয় আই জি এছ টিৰ অধীনত কৰযোগ্য হ'ব, যদিও তেনে ধৰণৰ লেনদেনত বিবেচনাৰ ধনাদায় জড়িত হৈ নাথাকিব পাৰে। জি এছ টি আইনৰ অনুচ্ছেদ ২২ অনুসৰি প্ৰতিজন যোগনীয়াৰে য'ৰ পৰা তেওঁ সামগ্ৰী অথবা সেৱা অথবা উভয়ৰে কৰযোগ্য যোগান সম্পন্ন কৰে, তেনে ৰাজ্য অথবা কেন্দ্ৰীয় শাসিত অঞ্চলত জি এছ টিৰ অধীনত পঞ্জীয়ন কৰিবলৈ দায়বদ্ধ। অৱশ্যে, ৰাজ্যৰ আভ্যন্তৰীণ স্ব-যোগান কৰযোগ্য নহয় বাবে এক ব্যৱসায় প্ৰক্ৰিয়া হিচাপে পঞ্জীয়ন কৰিব নালাগে।

**প্ৰশ্ন ৮। সামগ্ৰীৰ যোগান গঠন কৰিবৰ বাবে একোটা লেনদেনৰ ক্ষেত্ৰত স্বত্বৰ হস্তান্তৰ আৰু/অথবা দখল আৱশ্যকীয়নে?**

**উত্তৰ ঃ** সামগ্ৰীৰ যোগান হিচাপে বিবেচিত হ'বলৈ স্বত্বৰ (Title) লগতে দখল (possession) উভয়েই হস্তান্তৰিত হ'ব লাগিব। স্বত্ব হস্তান্তৰিত নহ'লে, সূচী ২(১) অনুসৰি এনে লেনদেন সেৱাৰ যোগান হিচাপে গণ্য হ'ব। কিছুমান ক্ষেত্ৰত, দখল তৎক্ষণাত হস্তান্তৰ কৰিব পাৰি। কিন্তু স্বত্ব এটা ভৱিষ্যতৰ তাৰিখতহে হস্তান্তৰ কৰিব পাৰি, যেনে অনুমোদনৰ ভিত্তিত কৰা বিক্ৰী বা ক্ৰয় ব্যৱস্থাপনা (purchase arrangement) ভাড়া কৰা। এনে ধৰণৰ লেনদেনো সামগ্ৰীৰ যোগান হিচাপে পৰিগণিত হ'ব।

**প্ৰশ্ন ৯। 'ব্যৱসায়ৰ পৰিক্ৰমাত বা অগ্ৰগতি হিচাপে কৰা যোগান' বুলিলে আপুনি কি বুজে?**

**উত্তৰ ঃ** অনুচ্ছেদ ২(১৭)ৰ অধীনত 'ব্যৱসায়'ৰ সজ্ঞা দিয়া আছে। ইয়াত যিকোনো ধৰণৰ ব্যৱসায় (trade), বাণিজ্য (commerce), প্ৰস্তুতকৰণ (manufacture), বৃত্তি (profession), সংস্থান (vocation) ইত্যাদি অন্তৰ্ভুক্ত হ'ব। এইবিলাক আৰ্থিক মুনাফাৰ বাবে কৰা হওক বা নহওক। ব্যৱসায়ত যিকোনো কাৰ্য বা লেনদেন অন্তৰ্ভুক্ত, যিবিলাক আগতে কৈ অহা তালিকাভুক্ত কাৰ্যকলাপৰ ভিতৰত পৰে অথবা ইয়াৰ আনুষংগিক। লগতে কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্যিক চৰকাৰ বা কোনো স্থানীয় কৰ্তৃপক্ষই কৰা যিকোনো কাম য'ত তেওঁলোক ৰাজহুৱা কৰ্তৃপক্ষ হিচাপে জড়িত হৈ থাকে সেয়াও ব্যৱসায় হিচাপে পৰিগণিত হ'ব। ওপৰৰ কথাখিনিৰ পৰা এই কথা উল্লেখ কৰিব পাৰি যে একোটা ব্যৱসায়ৰ অগ্ৰগতি বা পৰিক্ৰমাত কৰা যিকোনো ধৰণৰ কাৰ্য জি এছ টি আইনৰ অধীনত যোগান হিচাপে গণ্য হ'ব পাৰে।

**প্ৰশ্ন ১০। এজন লোকে ব্যক্তিগত ব্যৱহাৰৰ বাবে এখন গাড়ী কিনিলে আৰু এবছৰৰ পাছত এজন গাড়ী ব্যৱসায়ীক বিক্ৰী কৰি দিলে। চি জি এছ টি /এছ জি এছ টি**

**আইনৰ মতে এই লেনদেনটো এটা যোগান হ'বনে? কাৰণ দৰ্শাই কওক।**

**উত্তৰ ঃ** নহয়, কিয়নো ব্যৱসায়ৰ পৰিক্ৰমা বা অগ্ৰগতি হিচাপে লোকজনে যোগান ধৰা নাই। তদুপৰি, যিহেতু গাড়ীখন অ-বাণিজ্যিক ব্যৱহাৰত আছিল, সেয়ে ইয়াক আহৰণ কৰাৰ সময়ত এনে গাড়ীৰ ওপৰত 'ইনপুট টেক্স ক্ৰেডিট' প্ৰযোজ্য নহয়।

**প্ৰশ্ন ১১। এজন এয়াৰ কণ্ডিশ্যনাৰৰ ব্যৱসায়ীয়ে তেওঁৰ ঘৰত ব্যক্তিগত ব্যৱহাৰৰ বাবে তেওঁৰ ব্যৱসায় স্থলীৰ ভঁৰালৰ পৰা এটা এয়াৰ কণ্ডিশ্যনাৰ স্থানান্তৰ কৰিলে। এই কাম এক যোগান হিচাপে পৰিগণিত হ'বনে?**

**উত্তৰ ঃ** হয়, সূচী -১ৰ ক্ৰমিক নং (১) অনুসৰি, ব্যাৱসায়িক সম্পত্তিৰ হস্তান্তৰ বা নিষ্পত্তিৰ ক্ষেত্ৰত য'ত এনে সম্পত্তিৰ ওপৰত অৰ্জিত কৰৰ নিৰিখ প্ৰাপ্ত হয়, তেনে ক্ষেত্ৰত কোনো বিবেচনা (consideration) জড়িত নাথাকিলেও সেইয়া জি এছ টি অধীনত যোগান হিচাপে পৰিগণিত হ'ব।

**প্ৰশ্ন ১২। একোটা ক্লাব বা সংস্থা বা সমিতিয়ে ইয়াৰ সদস্যসকলৰ বাবে সেৱা বা সামগ্ৰীৰ ব্যৱস্থা কৰা কাৰ্যক যোগান হিচাপে গণ্য কৰা হ'ব নে নহয়?**

**উত্তৰ ঃ** হ'ব, একোটা ক্লাব, সংস্থা, সমিতি বা এনে কোনো সংগঠনে ইয়াৰ সদস্যসকলৰ বাবে কৰা ব্যৱস্থাৱলীক যোগান হিচাপে গণ্য কৰা হ'ব। চি জি এছ টি /এছ জি এছ টি আইনৰ অনুচ্ছেদ ২(১৭)ত ইয়াক 'ব্যৱসায়'ৰ সংজ্ঞাত অন্তৰ্ভুক্ত কৰা হৈছে।

**প্ৰশ্ন ১৩। জি এছ টি আইনৰ অধীনত বিভিন্ন ধৰণৰ যোগানবিলাক কি কি?**

**উত্তৰ ঃ** (১) কৰযোগ্য আৰু কৰ ৰেহাই দিয়া (exempt) যোগান, (২) আন্তঃৰাজ্যিক আৰু ৰাজ্যৰ আভ্যন্তৰীণ যোগান, (৩) সংযোগ আৰু মিশ্ৰিত যোগান আৰু (৪) শূন্য নিৰিখৰ যোগান।

**প্ৰশ্ন ১৪। আন্তঃৰাজ্যিক (inter-state) আৰু ৰাজ্যৰ আভ্যন্তৰীণ (intra-state) যোগান কি?**

**উত্তৰ ঃ** আই জি এছ টি আইনৰ অনুচ্ছেদ ৭(১), ৭ (২) আৰু ৮ (১), ৮(২)ত আন্তঃৰাজ্যিক আৰু ৰাজ্যৰ আভ্যন্তৰীণ যোগান সম্পৰ্কে নিৰ্দিষ্টভাৱে সংজ্ঞা দিয়া হৈছে। বিস্তৃত অৰ্থত একেখন ৰাজ্যৰ ভিতৰত যোগনীয়াৰৰ স্থান আৰু যোগানৰ স্থান হ'লে ই ৰাজ্যৰ আভ্যন্তৰীণ আৰু ই বেলেগ ৰাজ্যত হ'লে আন্তঃৰাজ্যিক যোগান হ'ব।

**প্ৰশ্ন ১৫। সামগ্ৰী ব্যৱহাৰৰ অধিকাৰ হস্তান্তৰকৰণক সামগ্ৰীৰ যোগান নে সেৱাৰ যোগান হিচাপে গণ্য কৰা হ'ব।**

**উত্তৰ ঃ** সামগ্ৰীৰ ব্যৱহাৰৰ অধিকাৰ হস্তান্তৰণক সেৱাৰ যোগান হিচাপে গণ্য কৰা হ'ব; কিয়নো তেনে যোগানৰ ক্ষেত্ৰত স্বত্ব (title) হস্তান্তৰ কৰা নহয়। চি জি এছ টি /এছ জি এছ টি আইনৰ সূচী ২ত এনে লেনদেনক নিৰ্দিষ্টভাৱে সেৱাৰ যোগান হিচাপে গণ্য কৰা হৈছে।

**প্ৰশ্ন ১৬। কামৰ ঠিকা (works contracts) আৰু আহাৰ যোগান (catering) সেৱাক পণ্য সামগ্ৰী যোগান হিচাপে নে সেৱাৰ যোগান হিচাপে গণ্য কৰা হ'ব? কিয়?**

**উত্তৰ ঃ** কামৰ ঠিকা আৰু আহাৰ যোগানক এম জি এলৰ জি এছ টি আইনৰ সূচী-২ৰ ক্ৰমিক নং ২(এ) আৰু (বি)ত নিৰ্দিষ্ট কৰি দিয়া মতে সেৱাৰ যোগান হিচাপে গণ্য কৰা হ'ব।

**প্ৰশ্ন ১৭। জি এছ টি আইনৰ অধীনত ছফ্টৱেৰ যোগানক সামগ্ৰীৰ যোগান নে সেৱাৰ যোগান হিচাপে গণ্য কৰা হ'ব?**

**উত্তৰঃ** জি এছ টি আইনৰ সূচী২ৰ ক্ৰমিক নং ৫(২)(ডি)ত তালিকাবদ্ধ কৰা অনুসৰি বিকাশ সাধন (development), আৰ্হি (designe), প্ৰগ্ৰেমিং, কাষ্টমাইজেচন, এডাপ্টেচন, আপগ্ৰেডেচন, এনহেঞ্চমেণ্ট, তথ্য প্ৰযুক্তিৰ প্ৰয়োগ (implimentation)ৰ ক্ষেত্ৰত ছফ্টৱেৰ যোগানক সেৱাৰ যোগান হিচাপে গণ্য কৰা হ'ব।

**প্ৰশ্ন ১৮। ভাৰাত ক্ৰয় কৰা (hire purchase) সামগ্ৰীৰ যোগানক সামগ্ৰীৰ যোগান নে সেৱাৰ যোগান হিচাপে গণ্য কৰা হ'ব?**

**উত্তৰ ঃ** ভাৰাত ক্ৰয় কৰা সামগ্ৰীৰ যোগানক সামগ্ৰীৰ যোগান হিচাপে গণ্য কৰা হ'ব, যিহেতু এটা ভৱিষ্যতৰ তাৰিখত হ'লেও, তাত স্বত্বৰ হস্তান্তৰ আছে।

**প্ৰশ্ন ১৯। চি জি এছ টি/এছ জি এছ টি/ইউ টি জি এছ টি আইনৰ অধীনত সংযোগ যোগান (composit supply) কি?**

**উত্তৰ ঃ** দুটা বা ততোধিক সামগ্ৰী অথবা সেৱা লগলগাই বা সিবিলাকৰ যিকোনো সংযোগ সাধন কৰি, যিবিলাক সাধাৰণতে একত্ৰিত কৰা হয় আৰু ইটোৰ লগত সিটো একেলগ কৰি ব্যৱসায়ৰ সাধাৰণ প্ৰক্ৰিয়াত যোগান ধৰা হয়, যিবিলাকৰ এটা হৈছে প্ৰধান যোগান, এজন গ্ৰহণ কৰোতাক একোজন কৰযোগ লোকে কৰা তেনে যোগানেই হৈছে সংযোগ যোগান। উদাহৰণস্বৰূপে, য'ত সামগ্ৰীবিলাক একত্ৰিত কৰা হয় আৰু বীমাসহ পৰিবহণ কৰা হয়, সামগ্ৰীৰ যোগান, একত্ৰিত কৰা (packing) বয়-বস্তু, পৰিবহণ আৰু বীমা হৈছে এক সংযোগ যোগান আৰু সামগ্ৰীৰ যোগান হৈছে প্ৰধান যোগান (principal supply)।

**প্ৰশ্ন ২০। চি জি এছ টিৰ অধীনত একোটা সংযোগ যোগানৰ ওপৰত কৰৰ দায়বদ্ধতা কেনেদৰে নিৰূপণ কৰা হ'ব?**

**উত্তৰ ঃ** দুটা বা ততোধিক যোগান লগলগাই কৰা একোটা সংযোগ যোগানৰ এটা প্ৰধান হ'লে, এনে প্ৰধান যোগানক এটা যোগান হিচাপে গণ্য কৰা হ'ব।

**প্ৰশ্ন ২১। মিশ্ৰিত যোগান কি?**

**উত্তৰ ঃ** মিশ্ৰিত যোগান বুলিলে সামগ্ৰী অথবা সেৱা অথবা সিবিলাকৰ যিকোনো একত্ৰীকৰণ একোজন কৰযোগ্য লোকে এটা মাথো দামত পাৰস্পৰিকভাৱে সংলগ্ন কৰা বুজায়, য'ত এনে যোগানক সংযোগ যোগান বুলি গণ্য কৰা নহয়। উদাহৰণস্বৰূপে পাত্ৰত ভৰোৱা আহাৰ, মিঠাই, চকলেট, কেক, শুকান ফল, বিলাতী পানীয় আৰু ফলৰ ৰস যেতিয়া এটা একক দামত যোগান ধৰা হয়, সেয়া হৈছে মিশ্ৰিত যোগান। এইবিলাকৰ প্ৰতিবিধ সামগ্ৰীকে পৃথকে যোগান ধৰিব পাৰি আৰু ই আন কাৰো ওপৰত নিৰ্ভৰশীল নহয়। যদি এই সামগ্ৰীবিলাক পৃথকে যোগান ধৰা হয়, তেতিয়া সি এটা মিশ্ৰিত যোগান নহয়।

**প্ৰশ্ন ২২। জি এছ টিৰ অধীনত একোটা মিশ্ৰিত যোগানৰ ওপৰত কৰৰ দায়বদ্ধতা কেনেদৰে নিৰূপণ কৰা হ'ব?**

**উত্তৰ ঃ** দুটা বা ততোধিক যোগান সংলগ্ন হৈ থকা একোটা মিশ্ৰিত যোগানক সেই নিৰ্দিষ্ট যোগান হিচাপে গণ্য কৰা হ'ব, যিটোৰ কৰৰ নিৰিখ সৰ্বাধিক হয়।

**প্ৰশ্ন ২৩। সামগ্ৰীৰ যোগান বা সেৱাৰ যোগান কোনোটো হিচাপেই গণ্য নকৰা**

**কোনো কাৰ্যকলাপ আছেনে?**

**উত্তৰ ঃ** হয়, জি এছ টি আইনৰ সূচী-৩ত কেতবোৰ নিৰ্দিষ্ট কাৰ্যকলাপৰ তালিকা দিয়া আছে, যিবিলাকক সামগ্ৰীৰ যোগান বা সেৱাৰ যোগান হিচাপে গণ্য কৰা নহয়, যেনে— (১) একোজন কৰ্মচাৰীয়ে তেওঁৰ নিযুক্তিৰ সৈতে সংগতি থকা নিযুক্তিকৰ্তাৰ প্ৰতি আগবঢ়োৱা সেৱা, (২) যিকোনো আইনৰ অধীনত প্ৰতিষ্ঠিত কোনো আদালত বা ন্যায়াধীকৰণে কৰা কাম-কাজ, (৩) সাংসদ, ৰাজ্যিক বিধান সভা, স্থানীয় কৰ্তৃপক্ষৰ সদস্য, সাংবিধানিক কাৰ্যকৰ্তাৰ সেৱা, (৪) অন্ত্যেষ্টিক্ৰিয়া, সমাধিস্থকৰণ, শ্ৰাদ্ধাদি বা মৃত্যু সম্পৰ্কিত কাম-কাজ, (৫) মাটি বিক্ৰী আৰু (৬) লটাৰী, বেটিং আৰু জুৱাৰ বাহিৰে অন্য ব্যৱস্থাযোগ্য দাবী (actionable claims) আদি।

**প্ৰশ্ন ২৪। জি এছ টিৰ অধীনত শূন্য নিৰিখৰ যোগান বুলিলে কি বুজায়?**

**উত্তৰ ঃ** একোজন SEZ বিকাশকৰ্তা বা একোটা SEZ গোটক যোগান ধৰা সামগ্ৰী আৰু/অথবা সেৱাক শূন্য নিৰিখৰ যোগান বোলা হয়।

**প্ৰশ্ন ২৫।** বিবেচনা নোহোৱাকৈ কৰা সেৱাৰ আমদানিক জি এছ টিৰ অধীনত কৰযোগ্য বুলি গণ্য কৰা হ'ব নে?

**উত্তৰ ঃ** এটা সাধাৰণ নীতি হিচাপে, বিবেচনা নোহোৱাকৈ কৰা সেৱাৰ আমদানিক জি এছ টিৰ অধীনস্থ অনুচ্ছেদ ৭ মতে যোগান হিচাপে গণ্য কৰা নহয়। অৱশ্যে, ভাৰতৰ বাহিৰত থকা কোনো সম্পৰ্কীয় লোকৰ পৰা বা নিজৰ আন প্ৰতিষ্ঠানৰ পৰা ব্যৱসায়ৰ ধাৰাবাহিকতা হিচাপে, আনকি বিবেচনা নোহোৱাকৈও একোজন কৰযোগ্য লোকে কৰা আমদানিক সূচী-১ৰ ক্ৰমিক নং-৪ অনুসৰি যোগান হিচাপে গণ্য কৰা হ'ব।

***

# যোগানৰ সময়
(Time of Supply)

## ৫। যোগানৰ সময়

**প্ৰশ্ন ১। যোগানৰ সময় কি?**

**উত্তৰ ঃ** যোগানৰ সময়ে সেই বিন্দুটো নিৰ্দিষ্ট কৰে যেতিয়া জি এছ টি আৰোপ কৰাৰ দায়বদ্ধতাৰ উদ্ভৱ হয়। একোটা যোগান কেতিয়া সম্পন্ন হ'ল সেই কথাও ই সূচায়। সামগ্ৰী আৰু সেৱাৰ বাবে চি জি এছ টি/এছ জি এছ টি আইনে পৃথক যোগানৰ সময় নিৰ্দ্ধাৰণ কৰিছে।

**প্ৰশ্ন ২। সামগ্ৰীৰ যোগানৰ ক্ষেত্ৰত জি এছ টি আৰোপ কৰাৰ দায়বদ্ধতা কেতিয়া উদ্ভৱ হয়?**

**উত্তৰ ঃ** চি জি এছ টি/এছ জি এছ টি আইনৰ অনুচ্ছেদ ১২ আৰু ১৩ত সামগ্ৰীৰ যোগানৰ সময় দিয়া হৈছে। নিম্নোল্লিখিতবিলাকৰ ক্ষেত্ৰত সামগ্ৰীৰ যোগানৰ সময় তাৎক্ষণিক হ'ব, সেইবিলাক হৈছে ঃ

(১) যোগনীয়াৰে চালান (invoice) জাৰি কৰাৰ তাৰিখ বা অনুচ্ছেদ ৩১ৰ অধীনত যোগানৰ ক্ষেত্ৰত তেওঁ চালান দিবলগা অন্তিম তাৰিখ;

(২) যি তাৰিখত যোগানৰ বিনিময়ত যোগনীয়াৰে পৰিশোধ লাভ কৰে।

**প্ৰশ্ন ৩। সামগ্ৰী আৰু সেৱাৰ বিনিময়ত 'ভাউচাৰ' যোগানৰ ক্ষেত্ৰত যোগানৰ সময় কি?**

**উত্তৰ ঃ** সামগ্ৰী আৰু সেৱাৰ ক্ষেত্ৰত 'ভাউচাৰ' যোগানৰ সময় হৈছে ঃ

ক) 'ভাউচাৰ' দিয়াৰ তাৰিখ, যদি সেই নিৰ্দিষ্ট সময়ত যোগান চিনাক্ত কৰিব পৰা হয়; বা

খ) আন সকলো ক্ষেত্ৰত 'ভাউচাৰ' খালাচ কৰাৰ তাৰিখ।

**প্ৰশ্ন ৪। চি জি এছ টি/এছ জি এছ টি আইনৰ অনুচ্ছেদ ১৩ৰ উপ-অনুচ্ছেদ ২, ৩, ৪ অনুসৰি, য'ত যোগানৰ সময় নিৰ্ণয় কৰাটো সম্ভৱ নহয়, তেনে ক্ষেত্ৰত যোগানৰ সময় কেনেদৰে নিৰ্ণয় কৰা হ'ব?**

**উত্তৰ ঃ** অনুচ্ছেদ ১২(৫)ৰ লগতে ১৩(৫)ত এক অৱশিষ্ট অন্তৰ্ভুক্তিৰ বিধান আছে, য'ত কোৱা হৈছে যে যদি সময়ভিত্তিক মুনাফা (periodical return) দাখিল কৰিবলগীয়া হয় তেতিয়া দাখিলৰ তাৰিখ হ'ব যোগানৰ সময়। অন্য ক্ষেত্ৰবোৰত যেতিয়া চি জি এছ টি/এছ জি এছ টি/আই জি এছ টি পৰিশোধ কৰা হয় সেয়াই হ'ব যোগানৰ তাৰিখ।

**প্ৰশ্ন ৫। 'পৰিশোধ গ্ৰহণৰ তাৰিখ'** (date of receipt of payment) **মানে কি ?**

**উত্তৰ ঃ** ই হৈছে যোগনীয়াৰৰ হিচাপ-নিকাচৰ বহীত পৰিশোধ অন্তৰ্ভুক্ত হোৱাৰ সবাতোকৈ আগতীয়া তাৰিখ বা তেওঁৰ বেংক একাউণ্টত পৰিশোধ জমা হোৱাৰ তাৰিখটো।

**প্ৰশ্ন ৬। ধৰা হ'ল আংশিক আগতীয়া পৰিশোধ কৰা হ'ল বা আংশিক পৰিশোধৰ বাবে চালান জাৰি কৰা হ'ল, যোগানৰ সময়ে সম্পূৰ্ণ যোগান সামৰি ল'বনে ?**

**উত্তৰ ঃ** নহ'ব, চালনাৰ বা আংশিক পৰিশোধৰ দ্বাৰা সামৰি লোৱা পৰৱৰ্তী সময়লৈকে যোগান সম্পন্ন কৰা হ'ব বুলি ধৰি লোৱা হ'ব।

**প্ৰশ্ন ৭। বিপৰীত মাচুল** (reverse charge)**ৰ অধীনত কৰ পৰিশোধযোগ্য হ'লে সামগ্ৰীৰ যোগানৰ সময় কি ?**

**উত্তৰ ঃ** নিম্নোল্লিখিত তাৰিখবিলাকৰ সবাতোকৈ আগতীয়াটো যোগানৰ সময় হ'বঃ

(ক) সামগ্ৰীৰ প্ৰাপ্তিৰ তাৰিখ; বা

(খ) পৰিশোধ কৰাৰ তাৰিখ; বা

(গ) যোগনীয়াৰৰ দ্বাৰা চালান জাৰি কৰাৰ তাৰিখৰ পৰা ঠিক পিছৰ ৩০টা দিন।

**প্ৰশ্ন ৮। বিপৰীত মাচুল** (reverse charge)**ৰ অধীনত কৰ পৰিশোধযোগ্য হ'লে সেৱাৰ যোগানৰ সময় কি ?**

**উত্তৰ ঃ** নিম্নোল্লিখিত তাৰিখবিলাকৰ সবাতোকৈ আগতীয়াটো যোগানৰ সময় হ'বঃ

(ক) পৰিশোধ কৰাৰ তাৰিখ; বা

(খ) যোগনীয়াৰৰ দ্বাৰা 'ইনভইচ' জাৰি কৰাৰ তাৰিখৰ পৰা ঠিক পিছৰ ৬০টা দিন।

**প্ৰশ্ন ৯। বিবেচনাতকৈ যিকোনো ধৰণৰ বিলম্বিত পৰিশোধ বা সুত, বিলম্বিত মাচুল বা অৰ্থদণ্ডৰ ক্ষেত্ৰত মূল্যৰ সৈতে অতিৰিক্তভাৱে প্ৰযোজ্য হ'বলগা যোগানৰ সময় কি ?**

**উত্তৰ ঃ** বিবেচনাতকৈ যিকোনো ধৰণৰ বিলম্বিত পৰিশোধ বা সুত, বিলম্বিত মাচুল বা অৰ্থদণ্ডৰ ক্ষেত্ৰত মূল্যৰ সৈতে অতিৰিক্তভাৱে প্ৰযোজ্য হ'বলগা যোগানৰ সময় হৈছে উক্ত তাৰিখ, যি তাৰিখত যোগনীয়াৰে এনে অতিৰিক্ত বিবেচনা লাভ কৰে।

**প্ৰশ্ন ১০। কৰৰ নিৰিখ সলনি হোৱাৰ পিছত সম্পূৰ্ণ কৰা যোগানৰ ক্ষেত্ৰত যোগানৰ সময়ৰ কিবা পৰিৱৰ্তন হয় নে ?**

**উত্তৰ ঃ** হয়। এই ক্ষেত্ৰত অনুচ্ছেদ ১৪ৰ ব্যৱস্থাৱলী প্ৰযোজ্য হ'ব।

**প্ৰশ্ন ১১। কৰৰ নিৰিখ সলনি হোৱাৰ আগতে সম্পূৰ্ণ কৰা যোগানৰ পিছত যোগানৰ সময় কি ?**

**উত্তৰ ঃ** এনে ক্ষেত্ৰত যোগানৰ সময় হ'বঃ

(১) যেতিয়া এনে ক্ষেত্ৰত চালান ইতিমধ্যে জাৰি কৰা হয় আৰু পৰিশোধ কৰৰ নিৰিখ সলনি হোৱাৰ পিছত লাভ কৰা হয়, তেতিয়া যোগানৰ সময় হ'ব পৰিশোধ লাভ কৰাৰ তাৰিখটো বা চালান জাৰি কৰাৰ তাৰিখটো, যিটোৱেই আগতীয়াকৈ হয়; বা

(২) যেতিয়া কৰৰ নিৰিখ পৰিৱৰ্তন হোৱাৰ আগতেই চালান জাৰি কৰা হয় কিন্তু পৰিশোধ কৰৰ নিৰিখ সলনি হোৱাৰ পিছত লাভ কৰা হয়, তেতিয়া যোগানৰ

সময় হ'ব চালান জাৰি কৰা তাৰিখটো; বা কৰৰ নিৰিখ সলনি হোৱাৰ আগতেই পৰিশোধ লাভ কৰিলে, কিন্তু চালান কৰৰ নিৰিখ সলনি হোৱাৰ পিছতহে জাৰি কৰিছে, তেতিয়া যোগানৰ সময় হ'ব পৰিশোধ লাভ কৰাৰ তাৰিখটো।

**প্ৰশ্ন ১২। যেতিয়া কৰৰ নিৰিখ সলনি হোৱাৰ পিছত যোগান সম্পূৰ্ণ কৰা হয়, তেতিয়া যোগানৰ সময় কি?**

**উত্তৰ ঃ** এনেক্ষেত্ৰত যোগানৰ সময় হ'ব

(১) কৰৰ নিৰিখ সলনি হোৱাৰ পিছত যেতিয়া পৰিশোধ লাভ কৰা হয়, কিন্তু চালান কৰৰ নিৰিখ সলনি হোৱাৰ আগতেই জাৰি কৰা হৈছিল, তেনে ক্ষেত্ৰত যোগানৰ সময় হ'ব পৰিশোধ লাভ কৰাৰ তাৰিখটো; বা

(২) যেতিয়া কৰৰ নিৰিখ সলনি হোৱাৰ আগতেই চালান জাৰি কৰা হয় আৰু পৰিশোধ লাভ কৰা হয়, তেতিয়া যোগানৰ সময় হ'ব পৰিশোধ লাভ কৰা তাৰিখটো বা 'ইনভইচ' জাৰি কৰা তাৰিখটো, যিটোৱেই আগতীয়াকৈ হয়; বা

(৩) যেতিয়া কৰৰ নিৰিখ সলনি হোৱাৰ পিছত চালান জাৰি কৰা হয়, কিন্তু কৰৰ নিৰিখ সলনি হোৱাৰ পূৰ্বেই পৰিশোধ লাভ কৰা হয়, তেতিয়া যোগানৰ সময় হ'ব চালান জাৰি কৰাৰ তাৰিখটো।

**প্ৰশ্ন ১৩। আমি ক'ব পাৰো যে ১-৬-২০১৭ৰ পৰা কাৰ্যকৰী হোৱাকৈ কৰৰ নিৰিখ ১৮ শতাংশৰ পৰা ২০ শতাংশলৈ বৃদ্ধি পাব। ২০১৭ৰ এপ্ৰিলত নিৰিখ বৃদ্ধি পোৱাৰ আগতে যদি সেৱা প্ৰদান কৰা হয় আৰু চালান জাৰি কৰা হয়, কিন্তু নিৰিখৰ পৰিৱৰ্তন হোৱাৰ পিছত ২০১৭ৰ জুনত ধনাদায় গ্ৰহণ কৰিলে কি কৰৰ নিৰিখ প্ৰযোজ্য?**

**উত্তৰ ঃ** যিহেতু সেৱা ১-৬-২০১৭ৰ আগতে প্ৰদান কৰা হৈছিল সেয়ে পুৰণা ১৮ শতাংশ নিৰিখ প্ৰযোজ্য।

**প্ৰশ্ন ১৪। আমি ক'ব পাৰো যে ১-৬-২০১৭ৰ পৰা কাৰ্যকৰী হোৱাকৈ কৰৰ নিৰিখ ১৮ শতাংশৰ পৰা ২০ শতাংশলৈ বৃদ্ধি পালে। ২০১৭ৰ এপ্ৰিলত নিৰিখ বৃদ্ধি পোৱাৰ আগতে যদি সামগ্ৰী প্ৰদান কৰা হয় আৰু চালান জাৰি কৰা হয়, কিন্তু নিৰিখৰ পৰিৱৰ্তন হোৱাৰ পিছত ২০১৭ৰ জুনত ধনাদায় গ্ৰহণ কৰা হ'ল, কিন্তু ২০১৭ৰ এপ্ৰিলতে আগতীয়া পৰিশোধ ইতিমধ্যে গ্ৰহণ কৰা হ'লে কি কৰৰ নিৰিখ প্ৰযোজ্য ?**

**উত্তৰ ঃ** যিহেতু ১-৬-২০১৭ৰ আগতে চালান প্ৰদান কৰা হৈছিল আৰু সামগ্ৰী যোগান ধৰা হৈছিল, সেয়ে পুৰণা ২০ শতাংশ নিৰিখ প্ৰযোজ্য।

**প্ৰশ্ন ১৫। সামগ্ৰী যোগানৰ বাবে চালান জাৰি কৰা সময় সীমা কি ?**

**উত্তৰ ঃ** চি জি এছ টি/এছ জি এছ টি আইনৰ অনুচ্ছেদ ৩১ অনুসৰি একোজন পঞ্জীভুক্ত কৰযোগ্য লোকে বিৱৰণ, সামগ্ৰীৰ পৰিমাণ আৰু মূল্য, তাৰ ওপৰত পৰিৱৰ্তিত কৰ আৰু অন্য নিৰ্ধাৰিত তথ্য প্ৰদৰ্শন কৰি একোখন কৰৰ চালান এই সময়ত বা তাৰ পূৰ্বে জাৰি কৰিব ঃ

(ক) গ্ৰহণ কৰোতাক যোগান ধৰা সামগ্ৰী আঁতৰাই নিয়া, য'ত যোগানত সামগ্ৰীৰ স্থানান্তৰণ জড়িত হৈ থাকে, বা

(খ) অন্য ক্ষেত্ৰবিলাকত সামগ্ৰী আদায় দিওতে বা গ্ৰহণ কৰোতাৰ উপলব্ধ কৰোতে।

**প্ৰশ্ন ১৬। সেৱা যোগানৰ বাবে চালান জাৰি কৰা সময় সীমা কি ?**

**উত্তৰ ঃ** চি জি এছ টি/এছ জি এছ টি আইনৰ অনুচ্ছেদ ৩১ অনুসৰি একোজন পঞ্জীভুক্ত কৰযোগ্য লোকে সেৱাৰ ব্যৱস্থা কৰাৰ আগত বা পিছত, কিন্তু এই ক্ষেত্ৰত নিৰ্ধাৰিত সময় সীমাৰ ভিতৰত বিৱৰণ, সামগ্ৰীৰ পৰিমাণ আৰু মূল্য, তাৰ ওপৰত পৰিৱৰ্তিত কৰ আৰু অন্য নিৰ্ধাৰিত তথ্য প্ৰদৰ্শন কৰি একোখন কৰ চালান জাৰি কৰিব।

**প্ৰশ্ন ১৭। সামগ্ৰীৰ ধাৰাবাহিক যোগানৰ ক্ষেত্ৰত চালান জাৰি কৰিবলগীয়া সময়**

**সীমা কি?**

**উত্তৰ ঃ** সামগ্ৰীৰ ধাৰাবাহিক যোগানৰ ক্ষেত্ৰত, য'ত হিচাপ-নিকাচৰ পৰৱৰ্তী বিৰৰণ বা পৰৱৰ্তী পৰিশোধ সন্নিবিষ্ট হৈ থাকে, তেনে ক্ষেত্ৰত এনেদৰে জাৰি কৰা প্ৰতিটো বিৰৰণৰ সময়ত বা তাৰ পূৰ্বে চালান জাৰি কৰিব লাগিব, বা প্ৰয়োজন সাপেক্ষে এনেদৰে প্ৰতিটো পৰিশোধ গ্ৰহণ কৰাৰ সময়ত চালান জাৰি কৰিব।

**প্ৰশ্ন ১৮। সেৱাৰ ধাৰাবাহিক যোগানৰ ক্ষেত্ৰত চালান জাৰি কৰিবলগীয়া সময় সীমা কি?**

**উত্তৰ ঃ** সেৱাৰ ধাৰাবাহিক যোগানৰ ক্ষেত্ৰত,

(ক) য'ত চুক্তিৰ পৰা পৰিশোধৰ নিৰ্ধাৰিত তাৰিখ স্পষ্ট কৰিব পৰা যায়, তেতিয়া গ্ৰহণ কৰোতাই পৰিশোধ কৰে তাৰ আগত বা পিছত চালান জাৰি কৰিব লাগে কিন্তু এই ক্ষেত্ৰত উল্লিখিত সময় সীমাৰ ভিতৰত কৰিব লাগে, উক্ত সেৱাৰ বাবে যোগনীয়াৰে কোনোধৰণৰ পৰিশোধ লাভ কৰক বা নকৰক।

(খ) যেতিয়া চুক্তিৰ পৰা পৰিশোধৰ তাৰিখ স্পষ্ট কৰিব পৰা নাযায়, তেতিয়া সেৱাৰ যোগনীয়াৰে পৰিশোধ লাভ কৰা প্ৰতিবাৰতে তাৰ আগত বা পিছত চালান জাৰি কৰিব লাগিব;

(গ) য'ত একোটা কাৰ্য সম্পূৰ্ণ হোৱাৰ সৈতে পৰিশোধ জড়িত হৈ থাকে, তেতিয়া উক্ত কাৰ্য সম্পূৰ্ণ হোৱাৰ আগত বা পিছত চালান জাৰি কৰিব লাগিব কিন্তু এই ক্ষেত্ৰত নিৰ্ধাৰিত সময় সীমাৰ ভিতৰত তেনে কৰিব লাগিব।

**প্ৰশ্ন ১৯। বিক্ৰীৰ বাবে অনুমোদনৰ ভিত্তিত সামগ্ৰী প্ৰদান কৰিবলগা হ'লে বা প্ৰেৰণ কৰি থকা হ'লে চালান জাৰি কৰাৰ সময় সীমা কি?**

**উত্তৰ ঃ** বিক্ৰী অথবা প্ৰতিদানৰ অনুমোদনৰ ভিত্তিত সামগ্ৰী প্ৰেৰণ অথবা গ্ৰহণ কৰা হ'লে চালান যোগান সম্পন্ন হোৱাৰ সময়ত বা অনুমোদনৰ তাৰিখৰ পৰা ছমাহৰ ভিতৰত জাৰি কৰিব লাগিব, যিটোৱেই আগতীয়াকৈ হয়।

**অনুমোদনৰ ভিত্তিত প্ৰেৰণ কৰা পণ্য-সামগ্ৰীৰ যোগানৰ সময় কি ?**

**উত্তৰ ঃ** অনুমোদনৰ ভিত্তিত যোগান সম্পন্ন হ'লে, যোগানৰ সময় হ'ব এটা যোগান সম্পন্ন হ'ব বুলি অৱগত হোৱাৰ সময়খিনি বা যোগান সম্পন্ন হোৱাৰ পৰা ছমাহ, যিটোৱেই আগতীয়া হয়।

***

# জি এছ্ টিত মূল্য নিৰূপণ

(Valuation in GST)

## ৬। জি এছ্ টিত মূল্য নিৰূপণ

**প্ৰশ্ন ১। জি এছ্ টিৰ কৰাৰোপনৰ বাবে গ্ৰহণ কৰিবলগীয়া কৰযোগ্য যোগানৰ মূল্য কি ?**

**উত্তৰ ঃ** সামগ্ৰী আৰু সেৱাৰ কৰযোগ্য যোগানৰ মূল্য সাধাৰণতে হ'ব 'লেনদেন মূল্য' (Transaction value), যিটো পৰিশোধ কৰা বা পৰিশোধ কৰিবলগীয়া দাম, যি সময়ত পক্ষসমূহ সম্পৰ্কযুক্ত নহয় আৰু দাম হৈছে একমাত্ৰ বিবেচনা। চি জি এছ্ টি/এছ্ জি এছ্ টি আইনৰ অনুচ্ছেদ ১৫ত লেনদেন মূল্যৰ পৰিসৰৰ পৰা বিভিন্ন ধৰণৰ কৰ্তন আৰু সংযোজন সম্পৰ্কে বহলাই কোৱা হৈছে। উদাহৰণস্বৰূপে লেনদেন মূল্যত ওভতাই পাব পৰা জমা, যোগানৰ সময়ত বা তাৰ পূৰ্বে কেতবোৰ নিৰ্দিষ্ট চৰ্ত সাপেক্ষে দিয়া ৰেহাই অন্তৰ্ভুক্ত নহয়।

**প্ৰশ্ন ২। লেনদেন মূল্য (Transaction value) কি ?**

**উত্তৰ ঃ** লেনদেন মূল্যই সামগ্ৰী আৰু/ বা সেৱাৰ যোগানৰ বাবে পৰিশোধ কৰা বাকৰিবলগীয়া দাম বুজায়, য'ত যোগনীয়াৰ আৰু গ্ৰহণ কৰোতা সম্পৰ্কযুক্ত নহয় আৰু উক্ত যোগানৰ বাবে দামেই যেতিয়া একমাত্ৰ বিবেচনা হয়। ইয়াত যোগনীয়াৰে পৰিশোধ কৰিবলৈ দায়বদ্ধ অথচ যোগানৰ গ্ৰহণ কৰোতাই যাক অস্বীকাৰ কৰে তেনে যিকোনো ধনৰাশি অন্তৰ্ভুক্ত হয়।

**প্ৰশ্ন ৩। জি এছ্ টি, এছ্ জি এছ্ টি আৰু আই জি এছ্ টি তথা সামগ্ৰী আৰু সেৱাৰ ক্ষেত্ৰত পৃথক মূল্য নিৰূপণ ব্যৱস্থা আছেনে ?**

**উত্তৰ ঃ** নাই, তিনিওটা কৰৰ ক্ষেত্ৰত আৰু সামগ্ৰী আৰু সেৱাৰ বাবে অনুচ্ছেদ ১৫ উমৈহতীয়া।

**প্ৰশ্ন ৪। যোগানৰ মূল্য নিৰূপণৰ বাবে চুক্তিবদ্ধ দাম (Contract Price) উপযুক্ত হয়নে ?**

**উত্তৰ ঃ** চুক্তিবদ্ধ দামক অত্যন্ত নিৰ্দিষ্টভাৱে 'লেনদেন মূল্য' হিচাপে উল্লেখ কৰা

হৈছে আৰু কৰ গণনা কৰিবৰ বাবে সিয়েই হৈছে ভিত্তি। অৱশ্যে যেতিয়া পক্ষসমূহৰ সম্পৰ্ক থাকে বা কিছুমান নিৰ্দিষ্ট লেনদেনত যোগান থাকিলেও একোটা দাম নাথাকে, তেতিয়া জি এছ টিৰ মূল্য নিৰ্ধাৰণৰ নীতি-নিয়ম অনুসৰি লেনদেন মূল্য সঠিকভাৱে নিৰ্ণয় কৰা দৰকাৰ।

**প্ৰশ্ন ৫। সকলো ক্ষেত্ৰতে জি এছ টিৰ মূল্য নিৰূপণ বিধিসমূহ** (Valuation Rules) **উল্লেখ কৰা আৱশ্যকীয়নে?**

**উত্তৰ ঃ** নহয়, কেৱল অনুচ্ছেদ ১৫ৰ উপ-অনুচ্ছেদ (১)ৰ অধীনত মূল্য নিৰ্ধাৰণ কৰিব নোৱৰা ক্ষেত্ৰসমূহতহে জি এছ টি মূল্য নিৰূপণ নিয়মাৱলী আৱশ্যকীয়।

**প্ৰশ্ন ৬। অনুচ্ছেদ ১৫(১)ৰ অধীনত ঘোষিত লেনদেন মূল্য গ্ৰহণযোগ্য হ'ব পাৰেনে?**

**উত্তৰ ঃ** হয়, অনুচ্ছেদ ১৫(২)ত অন্তৰ্ভুক্তিৰ বাবে পৰীক্ষা কৰাৰ পিছত ই গ্ৰহণযোগ্য হ'ব পাৰে। তদুপৰি, আনকি যোগনীয়াৰ আৰু গ্ৰহণ কৰোতা সম্পৰ্কযুক্ত হ'লেও এই সম্পৰ্কই দামক প্ৰভাৱান্বিত নকৰিলে লেনদেন মূল্য গ্ৰহণযোগ্য হ'ব পাৰে। (আৰ্হি জি এছ টি মূল্য নিৰূপণ বিধিৰ ৩(৪)

**প্ৰশ্ন ৭। লেনদেনমূল্যত যোগান-পৰৱৰ্তী দাম ৰেহাই** (discounts) **বা উদগনি** (incentive) **অন্তৰ্ভুক্ত হ'বনে?**

**উত্তৰ ঃ** হয়, চুক্তি অনুসৰি যদি যোগান-পৰৱৰ্তী ৰেহাই প্ৰতিষ্ঠা কৰা হৈছে, যি বিষয়ে যোগানৰ সময়ত বা তাৰ পূৰ্বে অৱগত হয় আৰু য'ত এনেধৰণৰ ৰেহাইৰ কথা প্ৰাসংগিক চালানত বিশেষভাৱে উল্লেখ থাকে আৰু এনে ৰেহাইৰ ক্ষেত্ৰত প্ৰযোজ্য হোৱাকৈ গ্ৰহণ কৰোতাৰ বিপৰীত অৰ্জিত কৰৰ নিৰিখ থাকে, তেতিয়া জি এছ টি আইনৰ অনুচ্ছেদ ১৫ৰ অধীনত গ্ৰহণযোগ্য কৰ্তন হিচাপে এনে ৰেহাই অনুমোদিত হয়।

**প্ৰশ্ন ৮। যোগানৰ সময়ত বা তাৰ পূৰ্বে দিয়া যোগানপূৰ্বক ৰেহাই লেনদেন মূল্যত অন্তৰ্ভুক্ত হ'বনে?**

**উত্তৰ ঃ** নহয়, কোৱা হৈছে যে সাধাৰণ বাণিজ্যিক কাম-কাজৰ পৰিক্ৰমাত এই সন্মতি দিয়া হৈছে আৰু চালানত যথোচিতভাৱে নথিভুক্ত কৰা হৈছে।

**প্ৰশ্ন ৯। মূল্য নিৰূপণ বিধিৰ ব্যৱস্থাৱলী কেতিয়া প্ৰযোজ্য?**

**উত্তৰ ঃ** মূল্য নিৰূপণ বিধি তেতিয়া প্ৰযোজ্য, যেতিয়া (১) বিবেচনা যেতিয়া সম্পূৰ্ণৰূপে বা আংশিকভাৱে ধনৰ বিনিময়ত নহয়; (২) পক্ষসমূহ সম্পৰ্কযুক্ত বা কোনো নিৰ্দিষ্ট শাখাৰ যোগনীয়াৰৰ দ্বাৰা যোগান সম্পন্ন হ'লে ; আৰু (৩) ঘোষিত লেনদেন মূল্য নিৰ্ভৰযোগ্য নহ'লে।

**প্ৰশ্ন ১০। অনুচ্ছেদ ১৫(২)ত নিৰ্দিষ্ট কৰি দিয়া অন্তৰ্ভুক্তিকৰণ কি? যাক লেনদেন মূল্যত যোগ দিব পাৰি ঃ**

**উত্তৰ ঃ** লেনদেন মূল্যত যোগ দিব পৰা অনুচ্ছেদ ১৫(২)ত নিৰ্দিষ্ট কৰি দিয়া অন্তৰ্ভুক্তিকৰণবিলাক হৈছে ঃ

(ক) এছ জি এছ টি/চি জি এছ টি আইন, সামগ্ৰী আৰু সেৱা কৰ (ৰাজহ হেৰুওৱাৰ বাবে ৰাজ্যসমূহক ক্ষতিপূৰণ) আইন, ২০১৬ৰ বাহিৰে আন কোনো বিধি অনুসৰি যিকোনো ধৰণৰ কৰ, শুল্ক, উপ-কৰ, মাচুল আৰু দেনা সন্নিবিষ্ট থাকিলে তথা ইবিলাকৰ অধীনত যোগনীয়াৰে গ্ৰহণ কৰোতাৰ পৰা পৃথকে মাচুল ল'লে;

(খ) এনে যোগানৰ সৈতে সংগতি ৰাখি যোগনীয়াৰে পৰিশোধ কৰিবলৈ দায়বদ্ধ যিকোনো ধনৰাশি কিন্তু উক্ত যোগানৰ গ্ৰহণ কৰোতাই যদি তেনে কৰিবলৈ অস্বীকাৰ কৰে আৰু সামগ্ৰী আৰু/অথবা সেৱাৰ ক্ষেত্ৰত পৰিশোধ কৰা বা পৰিশোধযোগ্য মূল্যত যদি সেয়া অন্তৰ্ভুক্ত নকৰে;

(গ) আকস্মিক খৰচ, যেনে— যোগনীয়াৰে গ্ৰহণ কৰোতাৰ ওপৰত আৰোপ কৰা কমিছন আৰু পেকিং, উক্ত সামগ্ৰী আৰু /অথবা সেৱা প্ৰদানৰ সময়ত বা তাৰ পূৰ্বে যোগনীয়াৰে প্ৰদান কৰিবলগা হোৱা যিকোনো ধৰণৰ ধনৰাশি বা প্ৰদান কৰিবলগা সেৱাৰ ক্ষেত্ৰত;

(ঘ) যিকোনো যোগানৰ বাবে যিকোনো ধৰণৰ বিবেচনাৰ ক্ষেত্ৰত বিলম্বিত পৰিশোধৰ বাবে প্ৰযোজ্য সুত অথবা বিলম্বিত মাচুল অথবা জৰিমনা; আৰু

(ঙ) কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে প্ৰদান কৰা ৰাজ সাহায্য বাদ দি প্ৰকৃত মূল্যৰ সৈতে পোনপটীয়াকৈ সম্পৰ্কযুক্ত ৰাজ সাহায্য।

***

# কৰৰ জি এছ্ টি পৰিশোধ
(GST Payment of Tax)

৭। <u>কৰৰ জি এছ টি পৰিশোধ</u>

**প্ৰশ্ন ১। জি এছ টি প্ৰৱৰ্তনৰ কালত কৰিবলগীয়া পৰিশোধসমূহ কি কি ?**

**উত্তৰ ঃ** জি এছ টি প্ৰৱৰ্তনৰ কালত, ৰাজ্যৰ ভিতৰুৱা যিকোনো যোগানৰ বাবে পৰিশোধ কৰিবলগীয়া কৰবিলাক হৈছে কেন্দ্ৰীয় জি এছ টি (চি জি এছ টি, যিটো কেন্দ্ৰীয় চৰকাৰৰ একাউণ্টলৈ যায়) আৰু ৰাজ্যিক জি এছ টি (এছ জি এছ টি, যিটো সংশ্লিষ্ট ৰাজ্যিক চৰকাৰৰ একাউণ্টলৈ যায়)। যিকোনো আন্তঃৰাজ্যিক যোগানৰ ক্ষেত্ৰত পৰিশোধ কৰিবলগীয়া কৰ হৈছে সমন্বিত জি এছ টি বা Integrated GST (IGST) যাৰ চি জি এছ টি আৰু এছ জি এছ টি উভয়ৰে উপাদান থাকিব। অতিৰিক্তভাৱে উৎসতে কৰ্তন কৰা কৰ (TDS) আৰু উৎসতে সংগৃহীত কৰ (TCS) চৰকাৰী একাউণ্টত পৰিশোধ কৰিবৰ বাবে কেতবোৰ নিৰ্দিষ্ট শাখাৰ পঞ্জীভুক্ত লোকৰ আৱশ্যক হ'ব। তদুপৰি প্ৰয়োজন সাপেক্ষে, সুত, অৰ্থদণ্ড, মাচুল আৰু আন যিকোনো পৰিশোধো কৰিবলগীয়া হ'ব।

**প্ৰশ্ন ২। জি এছ টি কোনে দিব লাগিব ?**

**উত্তৰ ঃ** সাধাৰণতে সামগ্ৰী অথবা সেৱাৰ যোগনীয়াৰে জি এছ টি পৰিশোধ কৰিব লাগিব। অৱশ্যে, আমদানি আৰু অন্য জাননীকৃত যোগানৰ দৰে নিৰ্ধাৰিত ক্ষেত্ৰবিলাকত, বিপৰীত মাচুল ব্যৱস্থাপনাৰ অধীনত গ্ৰহণ কৰোতাৰ ওপৰতো এই দায়বদ্ধতা পৰিব পাৰে। তদুপৰি, সেৱাৰ ৰাজ্যৰ আভ্যন্তৰীণ যোগানৰ কিছুমান নিৰ্ধাৰিত ক্ষেত্ৰত জি এছ টি পৰিশোধ কৰাৰ দায়বদ্ধতা ই-কমাৰ্চ অপাৰেটৰৰ ওপৰত পৰিব পাৰে, যাৰ জৰিয়তে এনেধৰণৰ সেৱাৰ যোগান ধৰা হয়। এক নিৰ্ধাৰিত সীমাৰ ওপৰত খুচুৰা বিক্ৰেতাক পৰিশোধ কৰা বিভিন্ন চৰকাৰী বিভাগ (অনুচ্ছেদ ৫১ (১) (ডি) অনুসৰি এটা চুক্তিৰ অধীনত ২.৫ লাখ)-য়ে কৰ কৰ্তন (টি ডি এছ) কৰিব লাগে আৰু মুঠ মূল্য (net value) ওপৰত ই কমাৰ্চ অপাৰেটৰসকলে কৰ সংগ্ৰহ (টি চি এছ) কৰিব লাগে (অৰ্থাৎ সামগ্ৰী আৰু/অথবা সেৱাৰ কৰযোগ্য যোগানৰ সৰ্বমুঠ মূল্য

কিন্তু জি এছ টি আইন, ২০১৭ৰ অনুচ্ছেদ ৯ (৫)ৰ অধীনত অপাৰেটৰে জি এছ টি পৰিশোধ কৰিবলৈ বাধ্য হোৱা সেৱাসমূহৰ এনে মূল্য কৰ্তন কৰি) যিবিলাক যোগান তেওঁলোকৰ জৰিয়তে কৰা হয় আৰু সেয়া চৰকাৰৰ ওচৰত জমা কৰিব লাগে।

**প্ৰশ্ন ৩। জি এছ টি পৰিশোধৰ দায়বদ্ধতা কেতিয়া উদ্ভৱ হয়?**

**উত্তৰ ঃ** অনুচ্ছেদ ১২ত উল্লেখ কৰা ধৰণে সামগ্ৰী যোগানৰ সময়ত পৰিশোধৰ দায়বদ্ধতা উদ্ভৱ হয় আৰু অনুচ্ছেদ ১৩ত উল্লেখ কৰা ধৰণে সেৱা যোগানৰ সময়ত পৰিশোধৰণ দায়বদ্ধতা উদ্ভৱ হয়।

এই সময় সাধাৰণতে তিনিটা কাৰ্যৰ যিটোৱেই আগতীয়াকৈ সম্পন্ন হয় তেতিয়াই উদ্ভৱ হয়, সেইবিলাক হৈছে— পৰিশোধ লাভ কৰা, চালান জাৰি কৰা আৰু যোগান সম্পূৰ্ণ কৰা। ওপৰত উল্লিখিত অনুচ্ছেদ দুটাত বেলেগ বেলেগ পৰিস্থিতিৰ বিষয়ে কোৱা হৈছে আৰু বেলেগ বেলেগ কৰৰ কথা ব্যাখ্যা কৰা হৈছে।

**প্ৰশ্ন ৪। জি এছ টি পৰিশোধ প্ৰক্ৰিয়াৰ প্ৰধান বিশেষত্ববোৰ কি কি?**

**উত্তৰ ঃ** জি এছ টি আইনৰ অধীনত পৰিশোধ প্ৰক্ৰিয়াবিলাকৰ বিশেষত্ব তলত দিয়াৰ দৰে হ'ব ঃ

- সকলো ধৰণৰ পৰিশোধত জি এছ টি এন উমৈহতীয়া প'ৰ্টেলৰ পৰা বৈদ্যুতিনভাৱে সৃষ্টি কৰা চালান ব্যৱহৃত হ'ব আৰু হাতেৰে প্ৰস্তুত কৰা চালানৰ ব্যৱহাৰ নহ'ব।
- জটিলতামুক্ত, যিকোনো সময়ত, যিকোনো ঠাইত কৰ পৰিশোধ কৰিব পৰা ব্যৱস্থা;
- অনলাইনত পৰিশোধ কৰাৰ সুচলতা;
- ইলেক্ট্ৰনিক ফৰ্মেটত যুক্তিসংগত কৰ সংগ্ৰহ তথ্য;
- চৰকাৰী একাউণ্টলৈ কৰ ৰাজহৰ দ্ৰুত প্ৰেৰণ;
- কাগজবিহীন লেনদেন;

● খৰতকীয়া হিচাপ-নিকাচ আৰু অৰগতি;

● সকলো ৰচিদ বা প্ৰাপ্তিৰ ইলেক্ট্ৰনিক ব্যৱস্থাপনা;

● বেংকৰ বাবে সৰলীকৃত পদ্ধতি;

● ডিজিটেল চালানৰ সংৰক্ষণ

**প্ৰশ্ন ৫। পৰিশোধ কেনেকৈ কৰিব পাৰি?**

**উত্তৰ ঃ** নিম্নোল্লিখিত পদ্ধতিৰে পৰিশোধ কৰিব পাৰি ঃ

(১) উমৈহতীয়া প'ৰ্টেলত ব্যৱস্থা কৰা কৰদাতাৰ ক্ৰেডিট লেজাৰ (credit ledger)ৰ ডেবিট (debit)ৰ জৰিয়তে কেৱল কৰ পৰিশোধ কৰিব পাৰিব। ক্ৰেডিট লেজাৰত ডেবিটৰ দ্বাৰা সুত, অৰ্থদণ্ড আৰু মাচুল আদায় দিব নোৱাৰে।

ইনপুটৰ ওপৰত পৰিশোধ কৰা কৰ (input tax credit)ৰ ক্ৰেডিট ল'বলৈ আৰু সেয়া আউট পুট (output) কৰ পৰিশোধৰ বাবে ব্যৱহাৰ কৰিবলৈ কৰদাতাক অনুমতি দিয়া হ'ব, চি জি এছ টিৰ বাবদ input tax credit এছ জি এছ টিৰ পৰিশোধত ব্যৱহৃত নহ'ব আৰু তাৰ ওলোটাটোও প্ৰযোজ্য। আই জি এছ টিৰ নিৰিখ আই জি এছ টি, চি জি এছ টি আৰু এছ জি এছ টিৰ পৰিশোধৰ বাবে সেই শৃংখলাত অনুমতি প্ৰদান কৰা হ'ব।

(২) কৰদাতাৰ কেছ লেজাৰত ডেবিটৰ জৰিয়তে কৰা নগদ পৰিশোধ উমৈহতীয়া প'ৰ্টেলত চোৱাচিতা কৰা হ'ব। জি এছ টিৰ জমা গ্ৰহণ কৰিবলৈ কৰ্তৃত্বপ্ৰাপ্ত বেংকৰ শাখাসমূহত 'কাউণ্টাৰ পে'মেণ্ট'ৰ জৰিয়তে; ৰিয়েল টাইম গ্ৰছ ছেটেলমেণ্ট (আৰ টি জি এছ/ নেচনেল ইলেক্ট্ৰনিক ফাণ্ড ট্ৰেন্সফাৰ (এন ই এফ টি); ই-পেমেণ্ট (ইণ্টাৰনেট বেংকিং, ক্ৰেডিট কাৰ্ড, ডেবিট কাৰ্ড) আদি বিভিন্ন পদ্ধতিৰে কেছ লেজাৰত ধন জমা ৰাখিব পাৰিব।

**প্ৰশ্ন ৬। যোগনীয়াৰে কেতিয়া কৰ পৰিশোধ কৰিব লাগে?**

**উত্তৰ ঃ** সাধাৰণ কৰদাতাসকলে মাহিলি ভিত্তিত পৰৱৰ্তী মাহৰ ২০ তাৰিখৰ ভিতৰত

কৰ পৰিশোধ কৰিব লাগে। নগদ (cash) পৰিশোধ প্ৰথমে কেছ লেজাৰত জমা কৰা হ'ব আৰু মাহিলি মুনাফা হিচাপত পৰিশোধ কৰোতে কৰদাতাই লেজাৰ কৰ্তন (debit) কৰিব আৰু তেওঁৰ মুনাফা (return)ত প্ৰাসংগিক ডেবিট এণ্ট্ৰী নম্বৰ প্ৰতিফলন কৰিব। পূৰ্বতে উল্লেখ কৰাৰ দৰে, ক্ৰেডিট লেজাৰৰ পৰাও পৰিশোধ কৰ্তন কৰিব পাৰি। মাৰ্চ মাহৰ কৰৰ পৰিশোধৰ বাবে ২০ এপ্ৰিলৰ ভিতৰত ধনাদায় কৰিব লাগিব। সংযোগ কৰদাতাই (composition tax payers) চাৰি মহীয়া ভিত্তিত কৰ দিব লাগিব। পৰিশোধৰ সময় হ'ব ০০০০ ঘণ্টাৰ পৰা ২০০০ ঘণ্টা।

**প্ৰশ্ন ৭। কৰ পৰিশোধ কৰাৰ সময়সীমা বঢ়াব পাৰিনে বা মাহিলি কিস্তিত পৰিশোধ কৰিব পাৰিনে?**

**উত্তৰ ঃ** নোৱাৰি, স্ব-নিৰূপিত (self assessed) দায়বদ্ধতাৰ ক্ষেত্ৰত এইটো অনুমতি দিয়া নহয়। অন্য ক্ষেত্ৰসমূহত, উপযুক্ত কৰ্তৃপক্ষক সময়সীমা বঢ়াবলৈ বা কিস্তি হিচাপত পৰিশোধৰ অনুমতি দিবলৈ ক্ষমতা দিয়া হৈছে। (চি জি এছ টি/এছ জি এছ টি আইনৰ অনুচ্ছেদ ৮০)

**প্ৰশ্ন ৮। যদি কৰযোগ্য লোকজনে হিচাপৰ বিৰৰণ (return) ফাইল কৰে কিন্তু কৰৰ ধন আদায় নিদিয়ে তেতিয়া কি হ'ব?**

**উত্তৰ ঃ** এনে ক্ষেত্ৰত হিচাপৰ বিৰৰণক এটা বৈধ বিৰৰণ হিচাপে গণ্য কৰা নহয়। অনুচ্ছেদ ২(১১৭)ত কোৱা হৈছে যে অনুচ্ছেদ ৩৯ৰ উপ-অনুচ্ছেদ (১)ৰ অধীনত দাখিল কৰা হিচাপৰ বিৰৰণ এটা বৈধ বিৰৰণ হিচাপে গণ্য কৰা হ'ব যদিহে স্ব-নিৰূপিত সম্পূৰ্ণৰূপে পৰিশোধ কৰা হয়। কেৱল বৈধ হিচাপৰ বিৰৰণহে গ্ৰহণ কৰোতাৰ বাবে 'ইনপুট টেক্স ক্ৰেডিট'ৰ অনুমোদনৰ ক্ষেত্ৰত ব্যৱহৃত হ'ব। আন কথাত ক'বলৈ গ'লে যোগনীয়াৰে স্ব-নিৰূপিত কৰৰ সকলোখিনি পৰিশোধ নকৰালৈকে আৰু তেওঁৰ হিচাপৰ বিৰৰণ দাখিল নকৰালৈকে আৰু গ্ৰহণ কৰোতাই তেওঁৰ হিচাপৰ বিৰৰণ দাখিল নকৰালৈকে, গ্ৰহণ কৰোতাৰ 'ইনপুট টেক্স ক্ৰেডিট' (আই টি চি) নিশ্চিত

নহ'ব।

**প্ৰশ্ন ৯। কৰৰ দেনা জমা কৰাৰ তাৰিখ হিচাপে চৰকাৰী একাউণ্টত চেক জমা কৰাৰ তাৰিখ বা ধনাদায়ৰ তাৰিখ বা ধন 'ক্ৰেডিট' (credit) কৰাৰ তাৰিখ— কোনটো বিবেচিত হ'ব?**

**উত্তৰ ঃ** চৰকাৰী একাউণ্টত ধন জমা (credit) কৰাৰ তাৰিখ।

**প্ৰশ্ন ১০। ই-লেজাৰ্ছ কি?**

**উত্তৰ ঃ** ইলেক্ট্ৰনিক লেজাৰ্ছ বা ই-লেজাৰ্ছ হৈছে প্ৰতিজন পঞ্জীভুক্ত কৰদাতাৰ ক্ষেত্ৰত নগদ ধনৰ আৰু 'ইনপুট টেক্স ক্ৰেডিট'ৰ বিৱৰণ। অতিৰিক্তভাৱে প্ৰতিজন কৰদাতাৰে একোটা ইলেক্ট্ৰনিক কৰ দায়বদ্ধতা পঞ্জীয়ন (electronic tax liability register) থাকিব। এবাৰ এজন কৰদাতা উমৈহতীয়া প'ৰ্টেলত (জি এছ টি এন) পঞ্জীভুক্ত হ'লে, দুটা ই-লেজাৰ্ছ (নগদ আৰু ইনপুট টেক্স ক্ৰেডিট) আৰু এটা সময়তে তেওঁৰ ডেছবৰ্'ডত (dash board) প্ৰতিফলিত হ'ব।

**প্ৰশ্ন ১১। একোটা কৰ দায়বদ্ধতা পঞ্জীয়ন কি?**

**উত্তৰ ঃ** কৰ দায়বদ্ধতা পঞ্জীয়ন (Tax Liability Register)ত নিৰ্দিষ্ট মাহৰ বাবে এজন কৰদাতাৰ মুঠ কৰ দায়বদ্ধতা (মুঠ কৰণৰ পিছত) প্ৰতিফলিত হ'ব।

**প্ৰশ্ন ১২। একোটা কেছ লেজাৰ কি?**

**উত্তৰ ঃ** কৰদাতাজনৰ হৈ নগদ কৰা সকলো জমা আৰু টি ডি এছ /টি চি এছ কেছ লেজাৰে প্ৰতিফলন কৰিব। প্ৰকৃত সময়ৰ ভিত্তিত তথ্য প্ৰতিফলিত হ'ব। জি এছ টিৰ হৈ যিকোনো ধনাদায় কৰিবৰ বাবে এই লেজাৰ ব্যৱহাৰ কৰিব পাৰি।

**প্ৰশ্ন ১৩। একোটি আই টি চি লেজাৰ কি?**

**উত্তৰ ঃ** মাহিলী হিচাপৰ বিৱৰণত স্ব-নিৰূপিত হিচাপে ইনপুট টেক্স ক্ৰেডিট আই টি চি লেজাৰত প্ৰতিফলিত হ'ব। এই লেজাৰৰ নিৰিখ (credit) কেৱল কৰ (Tax Only) পৰিশোধৰ বাবে ব্যৱহাৰ কৰিব পাৰিব আৰু অন্য নিৰিখ যেনে সুত, অৰ্থদণ্ড

মাচুল ইত্যাদিৰ ক্ষেত্ৰত নোৱাৰিব।

**প্ৰশ্ন ১৪। জি এছ টি এন আৰু কৰ্তৃত্বপ্ৰাপ্ত বেংকৰ মাজত সম্পৰ্ক কি?**

**উত্তৰ ঃ** বেংকৰ কৰ বেংকিং ছলিউচন (চি বি এছ) আৰু জি এছ টি এনৰ মাজত প্ৰকৃত সময়ৰ দুটা পথৰ সম্পৰ্ক (linkage) থাকিব। ধনাদায় লাভ কৰা আৰু পৰীক্ষা কৰাৰ বাবে ইলেক্ট্ৰনিক ষ্ট্ৰিঙৰ জৰিয়তে বেংকলৈ স্বয়ংক্ৰিয়ভাৱে চি পি আই এন যায় আৰু বেংকে ধনাদায় লাভ কৰা বুলি নিশ্চিত কৰি উমৈহতীয়া প'ৰ্টেললৈ স্বয়ংক্ৰিয়ভাৱে এটা চালান চিনাক্তকৰণ নম্বৰ (challan identification number-CIN)প্ৰেৰণ কৰে। বেংক কেছিয়াৰ বা টেলাৰ বা কৰদাতাজনকে ধৰি কোনেও এই প্ৰক্ৰিয়াত হাতেৰে লিখা নথি ব্যৱহাৰ নকৰে।

**প্ৰশ্ন ১৫। একোজন কৰদাতাই একাধিক বৈঠকত চালান সৃষ্টি কৰিব পাৰেনে?**

**উত্তৰ ঃ** হয়, একোজন কৰদাতাই চালান প্ৰপত্ৰ আংশিকভাৱে পূৰণ কৰিব পাৰে আৰু পৰৱৰ্তী পৰ্যায়ত সম্পূৰ্ণ কৰিবৰ বাবে চালানখন সাময়িকভাৱে 'ছেইভ' (save) কৰি ৰাখিব পাৰে। এখন 'ছেইভ্‌ড' চালান চূড়ান্ত কৰাৰ আগত সম্পাদিত (edited) কৰিব পাৰে। চালান চূড়ান্ত কৰাৰ পিছত, তেওঁ চালান সৃষ্টি (generate) কৰিব আৰু কৰ পৰিশোধৰ বাবে ব্যৱহাৰ কৰিব। সমৰ্পণকাৰী বা ৰেহাই দিওঁতাই (remitter) তেওঁৰ নথি হিচাপে চালানখন ছপা কৰিব পাৰিব।

**প্ৰশ্ন ১৬। অনলাইনত সৃষ্টি কৰা এখন চালান সংশোধন কৰিব পাৰিনে?**

**উত্তৰ ঃ** নোৱাৰি। চালান সৃষ্টি কৰিবৰ বাবে জি এছ টি এন প'ৰ্টেলত 'লগিং' কৰাৰ পিছত কৰদাতা বা তেওঁৰ দ্বাৰা কৰ্তৃত্বপ্ৰাপ্ত লোকে পৰিশোধৰ নথিপত্ৰৰ ব্যৱস্থা কৰিব লাগিব। ভৱিষ্যতৰ উন্নীতকৰণৰ বাবে তেওঁ মাজভাগতে চালানখন ছেইভ কৰিব পাৰে। অৱশ্যে এবাৰ চালানখন চূড়ান্ত কৰা হ'লে আৰু চি পি আই এন সৃষ্টি হ'লে, কৰদাতাই ইয়াৰ কোনো সালসলনি কৰিব নোৱাৰে।

**প্ৰশ্ন ১৭। চালানৰ ম্যাদ আছেনে?**

**উত্তৰ ঃ** হয়, সৃষ্টি হোৱাৰ পিছত এখন চালান পোন্ধৰ দিনৰ বাবে প্ৰযোজ্য হ'ব আৰু তাৰ পিছত ইয়াক ব্যৱস্থাটোৰ (system) পৰা নোহোৱা কৰি দিয়া হ'ব। অৱশ্যে, কৰদাতাই নিজৰ সুবিধা মতে আন এখন চালান সৃষ্টি কৰিব পাৰে।

**প্ৰশ্ন ১৮। চি পি আই এন কি ?**

**উত্তৰ ঃ** চি পি আই এনৰ সম্পূৰ্ণ ৰূপ হৈছে— Common Portal Identification Number (CPIN), যিটো চালান সৃষ্টিৰ সময়ত দিয়া হয়। ই হৈছে চালানখন চিনাক্ত কৰিবৰ বাবে ১৪টা অংকৰ একক নম্বৰ। ওপৰত কোৱা হৈছে যে চি পি আই এন ১৫ দিনৰ এক সময়সীমাৰ বাবে থাকে।

**প্ৰশ্ন ১৯। চি আই এন কি আৰু ইয়াৰ প্ৰাসংগিকতা কি ?**

**উত্তৰ ঃ** চি আই এনৰ সম্পূৰ্ণ ৰূপ হৈছে Challan Identification Number (CIN)। ই হৈছে ১৭টা অংকৰ সংখ্যা, ইয়াৰে ১৪টা অংক CPIN আৰু বাকী তিনিটা অংক বেং ক'ড। কৰ্তৃত্বপ্ৰাপ্ত বেংক/ ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়া (RBI)ই পৰিশোধ প্ৰকৃতপক্ষে লাভ কৰিলে আৰু তেওঁলোকৰ সৈতে সম্পৃক্ত সংশ্লিষ্ট চৰকাৰৰ একাউণ্টত সেয়া জমা কৰিলে উক্ত বেংকে চি আই এন সৃষ্টি কৰে। পৰিশোধ উপলব্ধ হোৱা আৰু যথোচিত চৰকাৰৰ একাউণ্টত জমা কৰা বুলি ই এক উল্লেখ। কৰ্তৃত্বপ্ৰাপ্ত বেংকে কৰদাতাক লগতে জি এছ টি এনক CIN দিয়ে।

**প্ৰশ্ন ২০। কৰদাতাৰ আগৰ মাহবিলাকৰো দেনা বাকী থাকিলে কৰ পৰিশোধৰ প্ৰণালী কি হ'ব ?**

**উত্তৰ ঃ** চলিত উপাৰ্জনৰ সময়ছোৱাৰ বাহিৰত কৰদাতাৰ কৰ পৰিশোধ বাকী থাকিলে অনুচ্ছেদ ৪৯(৮)ত এটা শৃংখলা দিয়া হৈছে। এনে পৰিস্থিতিত অনুসৰণ কৰিবলগীয়া পৰিশোধৰ শৃংখলাটো হৈছে ঃ প্ৰথমে পূৰ্বৰ সময়ছোৱাৰ বাবে স্ব-নিৰূপিত কৰ আৰু সুত; তাৰ পিছত চলিত সময়ছোৱাৰ বাবে স্ব-নিৰূপিত কৰ আৰু সুত; আৰু তাৰ পিছত অনুচ্ছেদ ৭৩ বা ৭৪ৰ অধীনত যিকোনো নিশ্চিত চাহিদা (demand)সহ

পৰিশোধ কৰিবলগীয়া আন যিকোনো ধনৰাশি। এই ধাৰাবাহিকতা বাধ্যতামূলক অনুসৰণ কৰিব লাগিব।

**প্ৰশ্ন ২১। ওপৰত উল্লেখ কৰা 'অন্য দেনা'** (other dues) **মানে কি ?**

**উত্তৰ ঃ** 'অন্য দেনা' মানে হৈছে আইনখনৰ বা ইয়াৰ অধীনস্থ নিয়মাৱলীৰ অধীনত পৰিশোধ কৰিবলগীয়া সুত, জৰিমনা, মাচুল বা অন্য কোনো পৰিমাণৰ ধনৰাশি।

**প্ৰশ্ন ২২।** E-FPB **কি ?**

**উত্তৰ ঃ** E-FPB ৰ সম্পূৰ্ণ ৰূপ হৈছে Electronic Focal Point Branch । এইবিলাক হৈছে কৰ্তৃত্বপ্ৰাপ্ত বেংকৰ শাখা, যাক জি এছ টিৰ পৰিশোধ সংগ্ৰহ কৰিবলৈ কৰ্তৃত্ব দিয়া হৈছে। দেশৰ ভিতৰত এনেধৰণৰ লেনদেনৰ বাবে প্ৰতিটো কৰ্তৃত্বপ্ৰাপ্ত বেংকে ইয়াৰ ই এফ পি বি হিচাপে কেৱল এটা শাখাকহে মনোনীত কৰিব। সকলো চৰকাৰৰ বাবে প্ৰতিজন প্ৰধান মুৰব্বীৰ অধীনত ই-এফ পি বিয়ে একাউণ্ট খুলিব লাগিব। মুঠ ৩৮টা একাউণ্ট (চি জি এছ টি, আই জি এছ টিৰ বাবে এটাকৈ আৰু প্ৰতিখন ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চলৰ চৰকাৰৰ বাবে এছ জি এছ টিৰ এটাকৈ) খুলিব লাগিব। জি এছ টিৰ বাবত এনেধৰণৰ ই-এফ পি বিয়ে লাভ কৰা যিকোনো ধনৰাশি এনে ই-এফ বি দায়বদ্ধ হৈ থকা যথোচিত একাউণ্টত জমা কৰিব লাগিব।

NEFT/RTGS লেনদেনৰ বাবে RBIয়ে E-FPB হিচাপে কাম কৰিব।

**প্ৰশ্ন ২৩।** TDS **কি ?**

**উত্তৰ ঃ** TDSৰ সম্পূৰ্ণ ৰূপ হৈছে Tax Deducted at Source অৰ্থাৎ উৎসতে কৰ্তন কৰা কৰ। অনুচ্ছেদ ৫১ অনুসৰি, এই ব্যৱস্থা হৈছে যোগনীয়াৰক ২.৫ লাখ টকাৰ অধিক ঠিকাভিত্তিক পৰিশোধ কৰা চৰকাৰী আৰু চৰকাৰৰ অধীনস্থ আৰু অন্য জাননীকৃত প্ৰতিষ্ঠান। এনে ধৰণৰ পৰিশোধ কৰোতে, সংশ্লিষ্ট চৰকাৰ/কৰ্তৃপক্ষই মুঠ পৰিশোধযোগ্য ধনৰাশিৰ পৰা ১ শতাংশ কৰ্তন কৰিব আৰু ইয়াক যথোচিত জি এছ টি একাউণ্টত জমা কৰিব।

**প্ৰশ্ন ২৪। ৰিটাৰ্ণ ফাইল কৰাৰ সময়ত যোগনীয়াৰে কেনেকৈ এই টি ডি এছ হিচাপ কৰিব ?**

**উত্তৰ ঃ** টি ডি এছ হিচাপে দেখুওৱা যিকোনো ধনৰাশি সংশ্লিষ্ট যোগনীয়াৰৰ ইলেক্ট্ৰনিক কেছ লেজাৰত প্ৰতিফলিত হ'ব। তেওঁ এই ধনৰাশি তেওঁৰ দিবলগীয়া কৰ, সুতৰ মাচুল আৰু আন আন যিকোনো নিৰিখ আদায় কৰোতে ব্যৱহাৰ কৰিব পাৰিব।

**প্ৰশ্ন ২৫। টি ডি এছ কৰ্তন কৰোতাই এনে টি ডি এছৰ সঠিক হিচাপ কেনেদৰে দিব ?**

**উত্তৰ ঃ** নিম্নোল্লিখিত পদ্ধতিৰে টি ডি এছ কৰ্তন কৰোতাই সঠিক হিচাপ দিব ঃ

১। চি জি এছ টি/এছ জি এছ টি আইনৰ অনুচ্ছেদ ২৪ৰ অধীনত এনেধৰণৰ কৰ্তন কৰোতা বাধ্যতামূলকভাৱে পঞ্জীভুক্ত হ'ব লাগিব।

২। টি ডি এছ সংগৃহীত হোৱা মাহৰ পিছৰ মাহৰ ১০ তাৰিখৰ ভিতৰত তেওঁলোকে এনে টি ডি এছ জমা কৰিব লাগিব আৰু জি এছ টি আৰ-৭ত নথিভুক্ত কৰিব লাগিব।

৩। টি ডি এছ হিচাপে জমা কৰা ধন যোগনীয়াৰৰ ইলেক্ট্ৰনিক কেছ লেজাৰত প্ৰতিফলিত হ'ব।

৪। টি ডি এছ কৰ্তন কৰাৰ ৫ দিনৰ ভিতৰত তেওঁলোকে যাৰ পৰা কৰ্তন কৰা হৈছে তেওঁক প্ৰমাণ পত্ৰ দিব লাগিব আৰু চৰকাৰী একাউণ্টত জমা কৰিব লাগিব অন্যথা এনে কৰাত ব্যৰ্থ হ'লে কৰ্তন কৰোতাই প্ৰতিদিনে ১০০ টকাৰ মাচুল সৰ্বাধিক ৫০০০/- টকা পৰ্যন্ত ভৰিব লাগিব।

**প্ৰশ্ন ২৬। উৎসতে সংগ্ৰহ কৰা কৰ (টি চি এছ) কি ?**

**উত্তৰ ঃ** চি জি এছ টি/এছ জি এছ টি আইনৰ অনুচ্ছেদ ৫২ৰ অধীনত কেৱল ই-কমাৰ্চ অপাৰেটৰসকলৰ ক্ষেত্ৰতহে এই ব্যৱস্থা প্ৰযোজ্য। প্ৰতিজন ই-কমাৰ্চ অপাৰেটৰে যোগনীয়াৰক প্ৰকৃত পৰিশোধ কৰাৰ সময়ত তেওঁৰ পৰা যোগনীয়াৰক দিবলগীয়া

ধনৰাশিৰ এটা শতাংশ ৰাখি থব লাগিব, যি পৰিমাণ 'কৰযোগ্য যোগানৰ মুঠ মূল্য'ৰ এক শতাংশৰ অধিক হ'ব নালাগিব। এনেদৰে ৰাখি থোৱা ধন পৰৱৰ্তী মাহৰ ১০ তাৰিখৰ ভিতৰত সঠিক জি এছ টি একাউণ্টত এনে ই-কমাৰ্চ অপাৰেটৰে জমা কৰিব লাগিব। টি চি এছ হিচাপে জমা কৰা ধনৰাশি যোগনীয়াৰৰ ইলেক্ট্ৰনিক কেছ লেজাৰত প্ৰতিফলিত হ'ব।

**প্ৰশ্ন ২৭। 'কৰযোগ্য যোগানৰ মুঠ মূল্য'** (net value of taxable supplies) **মানে কি?**

**উত্তৰ ঃ** 'কৰযোগ্য যোগানৰ মুঠ মূল্য মানে হৈছে অনুচ্ছেদ ৯(৫)ৰ অধীনত জাননীকৃত অন্য সেৱাসমূহৰ বাহিৰে সামগ্ৰী অথবা সেৱাৰ কৰযোগ্য যোগানৰ সৰ্বমুঠ মূল্য, যি যোগান উল্লিখিত মাহত যোগনীয়াৰক ওভতাই দিয়া কৰযোগ্য যোগানৰ সৰ্বমুঠ মূল্যৰ পৰা অপাৰেটৰে হ্ৰাস কৰা তথা কৰযোগ্য পঞ্জীভুক্ত লোকে কৰা যোগান।

**প্ৰশ্ন ২৮। জি এছ টি পৰিশোধৰ বাবে জি এছ টি এন প'ৰ্টেলত ক্ৰেডিট কাৰ্ডৰ আগতীয়া পঞ্জীয়ন আৱশ্যকীয়নে?**

**উত্তৰ ঃ** হয়, কৰদাতাজনে জি এছ টি এনত পৰিচালিত উমৈহতীয়া প'ৰ্টেলত তেওঁৰ ক্ৰেডিট কাৰ্ডৰ আগতীয়া পঞ্জীয়ন কৰাব লাগিব, য'ৰ পৰা কৰ পৰিশোধ কৰা হ'ব। জি এছ টি এনে ক্ৰেডিট কাৰ্ড পৰীক্ষিত হোৱা বুলি তথ্য লাভ কৰিবৰ বাবে বেংকসমূহৰ সৈতে এটা প্ৰণালীত (system) ৰাখিব পাৰে। ক্ৰেডিট কাৰ্ড ব্যৱহাৰ কৰি কৰা পৰিশোধ সেয়ে ব্যৱসায় কৰাৰ অভিপ্ৰায় কাৰ্যকৰী কৰিবৰ বাবে কোনো ধৰণৰ আৰ্থিক সীমা নোহোৱাকৈ অনুমোদিত হ'ব পাৰে।

***

# ইলেক্ট্রনিক কমার্চ
(Electronic Commerce)

৮। <u>ইলেক্ট্ৰনিক কমার্চ</u>

**প্ৰশ্ন ১। ই-কমার্চ (e-commerce) কি?**

**উত্তৰ ঃ** ইলেক্ট্ৰনিক কমার্চ বোলোতে ডিজিটেল বা ইলেক্ট্ৰনিক নেটৱৰ্কৰ জৰিয়তে কৰা ডিজিটেল উৎপাদনকে ধৰি সামগ্ৰী অথবা সেৱা অথবা উভয়ৰে যোগান বুজোৱা হৈছে।

**প্ৰশ্ন ২। ই-কমার্চ অপাৰেটৰ কোন?**

**উত্তৰ ঃ** ই-কমার্চ অপাৰেটৰ বোলোতে এনে লোকক বুজোৱা হৈছে যি ইলেক্ট্ৰনিক কমার্চৰ বাবে ডিজিটেল বা বৈদ্যুতিন ব্যৱস্থাপনাৰ স্বত্বাধিকাৰী, পৰিচালক বা প্ৰবন্ধক।

**প্ৰশ্ন ৩। পঞ্জীয়ন আহৰণ কৰাটো ই-কমার্চ অপাৰেটৰৰ বাবে বাধ্যতামূলক নেকি?**

**উত্তৰ ঃ** হয়। ই-কমার্চ অপাৰেটৰৰ ক্ষেত্ৰত অন্তিম সীমা কৰ্তন (Threshold exemption) উপলব্ধ নহয় আৰু তেওঁলোকে কৰা যোগানৰ মূল্য নিৰ্বিশেষে তেওঁলোক পঞ্জীভুক্ত হ'ব লাগিব।

**প্ৰশ্ন ৪। ই-কমার্চ অপাৰেটৰৰ জৰিয়তে যোগান ধৰা সামগ্ৰী/সেৱাৰ যোগনীয়াৰ অন্তিম সীমা কৰ্তন (Threshold exemption)ৰ বাবে যোগ্য হ'বনে?**

**উত্তৰ ঃ** নহয়। এনে যোগনীয়াৰৰ বাবে অন্তিম সীমা কৰ্তন উপলব্ধ নহয় আৰু তেওঁলোক তেওঁলোকে কৰা যোগানৰ মূল্য নিৰ্বিশেষে পঞ্জীভুক্ত হ'ব লাগিব। এই ব্যৱস্থাপনা, অৱশ্যে, কেৱল তেতিয়াহে প্ৰযোজ্য হ'ব যেতিয়া এনেধৰণৰ ইলেক্ট্ৰনিক কমার্চ অপাৰেটৰে উৎসতে কৰ সংগ্ৰহ কৰিব লাগে।

**প্ৰশ্ন ৫। প্ৰকৃত যোগনীয়াৰৰ পৰিৱৰ্তে, যাৰ জৰিয়তে সামগ্ৰী অথবা সেৱাৰ যোগান ধৰা হয়, তেনে একোজন ই-কমার্চ অপাৰেটৰে কৰ দিব লাগেনে?**

**উত্তৰঃ** হয়, কিন্তু কেতবোৰ নিৰ্দিষ্ট জাননীকৃত সেৱাৰ ক্ষেত্ৰতহে। এই ক্ষেত্ৰবিলাকত ইলেক্ট্ৰনিক কমার্চ অপাৰেটৰে কৰ পৰিশোধ কৰিব লাগিব যদিহে এনে সেৱাসমূহ তেওঁৰ জৰিয়তে যোগান ধৰা হয় আৰু এনে সেৱা যোগানৰ সৈতে জড়িত কৰ

পৰিশোধ কৰিবলৈ বাধ্য লোক হিচাপে এনে ইলেকট্ৰনিক কমাৰ্চ অপাৰেটৰৰ ক্ষেত্ৰত আইনৰ ব্যৱস্থাৱলী প্ৰযোজ্য হ'ব।

**প্ৰশ্ন ৬। জাননীকৃত সেৱাৰ ওপৰত কৰ পৰিশোধ কৰিবলৈ দায়বদ্ধ ইলেকট্ৰনিক কমাৰ্চ অপাৰেটৰৰ ক্ষেত্ৰত অন্তিম সীমা কৰ্তন প্ৰযোজ্য হ'বনে?**

**উত্তৰ ঃ** নহয়, ই-কমাৰ্চ অপাৰেটৰৰ ক্ষেত্ৰত অন্তিম সীমা কৰ্তন প্ৰযোজ্য নহয়, যি তেওঁলোকৰ জৰিয়তে প্ৰদান কৰা জাননীকৃত সেৱাসমূহৰ ক্ষেত্ৰত কৰ পৰিশোধ কৰিব লাগে।

**প্ৰশ্ন ৭। উৎসতে কৰ সংগ্ৰহ (TCS) কি?**

**উত্তৰ ঃ** ই-কমাৰ্চ অপাৰেটৰে তেওঁৰ জৰিয়তে কৰা সামগ্ৰী আৰু/অথবা সেৱাৰ যোগানৰ ক্ষেত্ৰত প্ৰকৃত যোগনীয়াৰক পৰিশোধ কৰা বা কৰিবলগীয়া বিবেচনাৰ পৰা এটা পৰিমাণ (amount) সংগ্ৰহ কৰিব লাগে, যি পৰিমাণ তেওঁৰ জৰিয়তে কৰা কৰযোগ্য যোগানৰ মুঠ মূল্যৰ এক শতাংশতকৈ অধিক নহয়, য'ত এনে যোগানৰ ক্ষেত্ৰত কৰা বিবেচনা অপাৰেটৰৰ দ্বাৰা সংগৃহীত হ'ব। এনেদৰে সংগ্ৰহ কৰা ধনৰাশিক উৎসতে কৰ সংগ্ৰহ (TCS) বোলা হয়।

**প্ৰশ্ন ৮। এইটো খুবেই সাধাৰণ কথা যে ই-কমাৰ্চ কোম্পানীৰ গ্ৰাহকসকলে সামগ্ৰী ওভতাই দিয়ে। এই ধৰণৰ ওভতাই দিয়া সামগ্ৰীসমূহৰ ক্ষেত্ৰত কি ব্যৱস্থা হয়?**

**উত্তৰ ঃ** একোটা ই-কমাৰ্চ কোম্পানীয়ে কৰযোগ্য যোগানৰ মুঠ মূল্যৰ ওপৰতহে কৰ সংগ্ৰহ কৰিব লাগে। আন কথাত ক'বলৈ গ'লে, ওভতাই দিয়া যোগানৰ মূল্য কৰযোগ্য যোগানৰ সৰ্বমুঠ মূল্যৰ সৈতে মিলাই লোৱা হয়।

**প্ৰশ্ন ৯। 'কৰযোগ্য যোগানৰ মুঠ মূল্য'** (net value of taxable supplies) **মানে কি?**

**উত্তৰ ঃ** 'কৰযোগ্য যোগানৰ মুঠ মূল্য' মানে হৈছে সামগ্ৰী অথবা সেৱা অথবা উভয়ৰে কৰযোগ্য যোগানৰ সৰ্বমুঠ মূল্য, ইয়াৰ ভিতৰত ই-কমাৰ্চ অপাৰেটৰে সমস্ত কৰ

পৰিশোধ কৰিবলগীয়া অন্য সেৱাসমূহ অন্তৰ্ভুক্ত নহয়, যি সেৱা এনে অপাৰেটৰৰ জৰিয়তে সকলো পঞ্জীভুক্ত লোকে যিকোনো মাহত সম্পন্ন কৰে আৰু উল্লিখিত মাহত কৰযোগ্য যোগানৰ যি সৰ্বমুঠ মূল্যৰ পৰা হ্ৰাস কৰি যোগনীয়াৰক ওভতাই দিয়া হয়।

**প্ৰশ্ন ১০। প্ৰতিজন ই-কমাৰ্চ অপাৰেটৰে প্ৰকৃত যোগনীয়াৰৰ হৈ কৰ সংগ্ৰহ কৰিব লাগেনে?**

**উত্তৰ ঃ** হয়, প্ৰতিজনে ই-কমাৰ্চ অপাৰেটৰে কৰ সংগ্ৰহ কৰিব লাগে, য'ত উক্ত যোগানৰ ক্ষেত্ৰত থকা বিবেচনা ই-কমাৰ্চ অপাৰেটৰজনে সংগ্ৰহ কৰে।

**প্ৰশ্ন ১১। ই-কমাৰ্চ অপাৰেটৰজনে কোন সময়ত এনে সংগ্ৰহ কৰিব লাগে?**

**উত্তৰ ঃ** ই-কমাৰ্চ অপাৰেটৰজনে যোগান সম্পন্ন কৰা মাহতে এই সংগ্ৰহ কৰিব লাগে।

**প্ৰশ্ন ১২। ই-কমাৰ্চ অপাৰেটৰজনে এনে টি চি এছ চৰকাৰৰ একাউণ্টত জমা কৰাৰ সময় সীমা কি?**

**উত্তৰ ঃ** অপাৰেটৰজনে সংগ্ৰহ কৰা ধনৰাশি সংগ্ৰহ কৰাৰ মাহটোৰ সমাপ্তিৰ ১০ দিনৰ ভিতৰত সংশ্লিষ্ট চৰকাৰক পৰিশোধ কৰিব লাগে।

**প্ৰশ্ন ১৩। এই টি চি এছৰ 'ক্ৰেডিট' প্ৰকৃত যোগনীয়াৰে কেনেকৈ দাবী কৰিব পাৰে?**

**উত্তৰ ঃ** সংশ্লিষ্ট চৰকাৰক অপাৰেটৰজনে জমা দিয়া টি চি এছ অপাৰেটৰজনে দাখিল কৰা বিৰৰণৰ ভিত্তিত প্ৰকৃত পঞ্জীভুক্ত যোগনীয়াৰৰ কেছ লেজাৰত প্ৰতিফলিত হ'ব (যাৰ একাউণ্টত এনে ধৰণৰ সংগ্ৰহ জমা হ'ব)। প্ৰকৃত যোগনীয়াৰজনে যোগান সম্পন্ন কৰোতে কৰৰ দায়বদ্ধতা পূৰণ কৰাৰ সময়ত ইয়াক প্ৰয়োগ কৰিব পাৰিব।

**প্ৰশ্ন ১৪। ই-কমাৰ্চ অপাৰেটৰে কোনো বিৰৰণ দাখিল কৰিব লাগেনে? মন্তব্যত দাখিল কৰিবলগীয়া সবিশেষ কি কি?**

**উত্তৰ ঃ** হয়, প্ৰতিজন অপাৰেটৰে তেওঁৰ জৰিয়তে কাৰ্যকৰী হোৱা সামগ্ৰী অথবা সেৱাৰ বাহিৰা যোগানৰ সবিশেষসহ বৈদ্যুতিনভাৱে একোটা বিৰৰণ দাখিল কৰিব

লাগে, এই বিৰৰণত সন্নিৱিষ্ট থাকিব লাগিব, অপাৰেটৰজনৰ জৰিয়তে ওভতাই দিয়া সামগ্ৰী আৰু/অথবা সেৱা, আৰু যি মাহত টি চি এছ হিচাপে তেওঁ ধনৰাশি সংগ্ৰহ কৰে সেই মাহৰ ১০দিনৰ ভিতৰত এনে বিৰৰণ দাখিল কৰিব লাগিব। অপাৰেটৰজনে লগতে যি বৰ্ষত কৰ সংগ্ৰহ কৰে সেই বিত্তীয় বৰ্ষৰ সমাপ্তিৰ পিছত ডিচেম্বৰৰ ৩১দিনৰ ভিতৰত এক বাৰ্ষিক বিৰৰণ দাখিল কৰিব লাগিব।

**প্ৰশ্ন ১৫। ই-কমাৰ্চ ব্যৱস্থাৱলীত মিলথকা (matching)ৰ ধাৰণা কি আৰু ই কেনেকৈ কাম কৰে?**

**উত্তৰ ঃ** একোটা কেলেণ্ডাৰ মাহত সংগৃহীত ধন আৰু যোগানৰ সবিশেষ আৰু প্ৰতিজন অপাৰেটৰে তেওঁৰ বিৰৰণত দাখিল কৰা তথ্য একেটা কেলেণ্ডাৰ মাহ বা যিকোনো পৰৱৰ্তী কেলেণ্ডাৰ মাহত সংশ্লিষ্ট যোগনীয়াৰে তেওঁৰ বৈধ হিচাপ-নিকাচৰ বিৰৰণত (return) দাখিল কৰা তথ্যৰ সৈতে মিলি যাব। যদি অপাৰেটৰজনে তেওঁৰ মন্তব্যত ঘোষণা কৰাৰ দৰে বাহিৰা যোগান (outward supply)ৰ সবিশেষ, যাৰ ওপৰত কৰ সংগ্ৰহ কৰা হ'ল, যোগনীয়াৰৰ দ্বাৰা ঘোষিত সবিশেষ তথ্যৰ সৈতে নিমিলে তেতিয়া এনে অমিল দুয়োজন লোককে অৱগত কৰোৱা হ'ব।

**প্ৰশ্ন ১৬। যদি সবিশেষ নিমিলাকৈ থাকে তেতিয়া কি হ'ব?**

**উত্তৰ ঃ** যিকোনো পৰিশোধৰে সম্পৰ্কযুক্ত একোটা যোগানৰ মূল্যৰ ক্ষেত্ৰত যদি কোনো বৈসাদৃশ্য পৰিলক্ষিত হয় আৰু এনে বৈসাদৃশ্য হোৱা মাহটোৰ বাবে যোগনীয়াৰে তেওঁৰ বৈধ হিচাপৰ বিৰৰণত শুধৰণি নকৰে, তেতিয়া যিটো কেলেণ্ডাৰ মাহত এনে বৈসাদৃশ্যৰ বিষয়ে অৱগত কৰা হৈছিল তেনে মাহৰ পৰৱৰ্তী মাহত উল্লিখিত যোগনীয়াৰৰ মুঠ উৎপাদন দায়বদ্ধতা (output liability)ত সংযোজিত হ'ব। সংশ্লিষ্ট যোগনীয়াৰজনে যাৰ উৎপাদন কৰ দায়বদ্ধতাত যিকোনো পৰিমাণ সংযোজিত হ'ব, তেওঁ উক্ত কৰ আৰোপ কৰাৰ তাৰিখৰ পৰা পৰিশোধৰ তাৰিখলৈকে সুতসহ আদায় দিব লাগিব।

***

# ঠিকা কাম (Job Work)

৯। <u>ঠিকা কাম (Job Work)</u>

**প্ৰশ্ন ১। ঠিকা কাম বা জব ৱৰ্ক কি?**

**উত্তৰ ঃ** ঠিকা কাম (job work)মানে হৈছে এজন পঞ্জীভুক্ত কৰযোগ্য লোকৰ সামগ্ৰীৰ যিকোনো ধৰণৰ ব্যৱস্থা কৰা (treatment) বা প্ৰক্ৰিয়া (process) কৰাৰ বাবে অন্য এজনে লোৱা কাম আৰু সেই মতেই লোকজনক 'জব-ৱৰ্কাৰ' বা ঠিকা-কৰ্মী বুলি কোৱা হয় আৰু সামগ্ৰীখিনি যিজন লোকৰ তেওঁক কোৱা হয় 'প্ৰধান' (principal)।

এই সংজ্ঞা অধিসূচনা নং ২১৪/৮৬চি ই তাৰিখ ২৩ মাৰ্চ, ১৯৮৬ত দিয়া সংজ্ঞাতকৈ যথেষ্ট ব্যাপক, ইয়াক সংশোধন কৰা হৈছে, য'ত ঠিকা কাম বা জব ৱৰ্কৰ সংজ্ঞা এনেদৰে দিয়া আছে যে জব-ৱৰ্কক উৎপাদন (manufacture)ৰ পৰিমাণ হিচাপে নিশ্চিত কৰিব বিচৰা হৈছিল। এনেদৰে জব-ৱৰ্কৰ সংজ্ঞাই নিজে এই কথা প্ৰতিপন্ন কৰিছে যে প্ৰস্তাৱিত জি এছ টি আমোলত জব-ৱৰ্কৰো সম্পৰ্কযুক্ত কৰাৰোপণৰ প্ৰাথমিক আঁচনিত পৰিৱৰ্তন সাধিত হৈছে।

**প্ৰশ্ন ২। এজন জব ৱৰ্কাৰলৈ এজন কৰযোগ্য লোকে প্ৰেৰণ কৰা সামগ্ৰী যোগান হিচাপে গণ্য হ'বনে আৰু জি এছ টি প্ৰযোজ্য হ'বনে? কিয়?**

**উত্তৰ ঃ** ইয়াক যোগান হিচাপে গণ্য কৰা নহয় যিহেতু যোগান বোলোতে সকলো ধৰণৰ যোগান যেনে বিক্ৰী, হস্তান্তৰ ইত্যাদিক বুজায়। অৱশ্যে পঞ্জীভুক্ত কৰযোগ্য লোকজনে (প্ৰধান), বুজাবুজিৰ অধীনত আৰু উল্লেখযোগ্য এনে ব্যৱস্থাৱলী সাপেক্ষে যিকোনো ধৰণৰ অৰ্জন (inputs) আৰু/অথবা মূলধনী সামগ্ৰী কৰ পৰিশোধন নকৰাকৈ একোজন ঠিকা কৰ্মীলৈ ঠিকা কামৰ বাবে আৰু তেওঁলোকৰ পৰৱৰ্তী অন্য ঠিকা কৰ্মীলৈ প্ৰেৰণ কৰিব পাৰে আৰু এনে ধৰণৰ অৰ্জন/মূলধনী সামগ্ৰী ঠিকা কাম শেষ হোৱাৰ পিছত বা সেইবিলাক অৰ্জন/মূলধনী সামগ্ৰী প্ৰেৰণ কৰাৰ এবছৰ/তিনি বছৰৰ পিছত ওভতাই আনিব পাৰে, একোজন ঠিকা কৰ্মীৰ ব্যৱসায়ৰ স্থানৰ পৰা

ভাৰতৰ ভিতৰতে বা ৰপ্তানিৰ বাবে কৰ পৰিশোধ কৰি বা নকৰাকৈ ওভতাই আনিব পাৰে।

**প্ৰশ্ন ৩। একোজন ঠিকা কৰ্মীয়ে পঞ্জীয়ন ল'ব লাগেনে?**

**উত্তৰ ঃ** হয়। যিহেতু ঠিকা কাম এটা সেৱা, সেয়ে ঠিকা কৰ্মীয়ে পঞ্জীয়ন ল'ব লাগে যদিহে তেওঁৰ বাৰ্ষিক উপাৰ্জন উল্লিখিত সীমাৰ অধিক হয়।

**প্ৰশ্ন ৪। যদি প্ৰধান (principal)ৰ পণ্য-সামগ্ৰী জব-ৱৰ্কাৰৰ চৌহদৰ পৰা পোনপটীয়াকৈ যোগান ধৰা হয়, তেতিয়া জব-ৱৰ্কাৰৰ মুঠ উপাৰ্জনত অন্তৰ্ভুক্ত হ'বনে?**

**উত্তৰ ঃ** নহয়, ই প্ৰধানজনৰ মুঠ উপাৰ্জনত অন্তৰ্ভুক্ত হ'ব। অৱশ্যে, ঠিকা কাম কৰিবৰ বাবে ঠিকা কৰ্মীয়ে ব্যৱহাৰ কৰা সামগ্ৰী অথবা সেৱাৰ মূল্য ঠিকা কৰ্মীয়ে যোগান ধৰা সেৱাৰ মূল্যত অন্তৰ্ভুক্ত হ'ব।

**প্ৰশ্ন ৫। এজন প্ৰধান (principal)য়ে অৰ্জন আৰু মূলধনী সামগ্ৰী তেওঁৰ চৌহদলৈ ননাকৈ পোনে পোনে ঠিকা কৰ্মীৰ চৌহদলৈ পঠিয়াব পাৰেনে?**

**উত্তৰ ঃ** হয়, প্ৰধানজনক তেনে কৰিবলৈ অনুমতি দিয়া হয়। অৰ্জন বা মূলধনী সামগ্ৰীৰ ওপৰত পৰিশোধ কৰা 'ইনপুট টেক্স ক্ৰেডিট'-ও এনে পৰিস্থিতিত প্ৰধানজনে আহৰণ কৰিব পাৰে। অৰ্জন বা মূলধনী সামগ্ৰী এবছৰ বা তিনি বছৰৰ পাছত একাদিক্ৰমে ওভতাই ল'বই লাগিব অন্যথা মূল লেনদেনটো যোগান হিচাপে পৰিগণিত হ'ব আৰু প্ৰধানজনে সেই অনুসৰি কৰ দিব লাগিব।

**প্ৰশ্ন ৬। নিজৰ চৌহদলৈ ওভোতাই নানি জব-ৱৰ্কাৰৰ চৌহদৰ পৰাই পোনপটীয়াকৈ সামগ্ৰী প্ৰধানজনে যোগান ধৰিব পাৰেনে?**

**উত্তৰ ঃ** হয়, কিন্তু এনে ক্ষেত্ৰত প্ৰধানজনে এনে জব-ৱৰ্কাৰৰ চৌহদক তেওঁৰ ব্যৱসায়ৰ অতিৰিক্ত স্থান হিচাপে ঘোষণা কৰা থাকিব লাগিব। যদি ঠিকা কৰ্মী এজন পঞ্জীভুক্ত লোক হয় তেতিয়া ঠিকা কৰ্মীজনৰ চৌহদৰ পৰা পোনপটীয়াকৈ সামগ্ৰী

যোগান ধৰিব পাৰিব। আয়ুক্তই সামগ্ৰীৰ জাননীও দিব পাৰে য'ত ঠিকা কামৰ বাবে প্ৰেৰণ কৰা সামগ্ৰী ঠিকা কৰ্মীৰ চৌহদৰ পৰা পোনপটীয়াকৈ যোগান ধৰিব পাৰে।

**প্ৰশ্ন ৭। কি পৰিস্থিতিত ঠিকা কৰ্মীৰ চৌহদক তেওঁৰ ব্যৱসায়ৰ অতিৰিক্ত স্থান হিচাপে ঘোষণা নকৰাকৈ ঠিকা কৰ্মী বা জব ৱৰ্কাৰৰ চৌহদৰ পৰা প্ৰধানজনে পোনপটীয়াকৈ সামগ্ৰীৰ যোগান ধৰিব পাৰে?**

**উত্তৰ ঃ** জব-ৱৰ্কাৰৰ ব্যৱসায়ৰ স্থানৰ পৰা ইয়াক এক অতিৰিক্ত ব্যৱসায়ৰ স্থান হিচাপে ঘোষণা নকৰাকৈ পোনপটীয়াকৈ সামগ্ৰী দুটা পৰিস্থিতিত যোগান ধৰিব পাৰে, সেয়া হৈছে যিক্ষেত্ৰত জব ৱৰ্কাৰজন এজন পঞ্জীভুক্ত কৰযোগ্য লোক বা য'ত প্ৰধানজনে যোগান ধৰিব লগীয়া এনে সামগ্ৰীৰ বিষয়ে আয়ুক্তই জাননী দিব পাৰে।

**প্ৰশ্ন ৮। একোজন জব-ৱৰ্কাৰলৈ প্ৰেৰণ কৰা ইনপুট/মূলধনী সামগ্ৰী (capital goods)ৰ ক্ষেত্ৰত আই টি চি লোৱাৰ ব্যৱস্থাৱলী কি কি?**

**উত্তৰ ঃ** প্ৰধানজনে একোজন জব ৱৰ্কাৰলৈ প্ৰেৰণ কৰা ইনপুট বা মূলধনী সামগ্ৰীৰ ক্ৰেডিট ল'বলৈ অৰ্হতা লাভ কৰিব যদিহে তেওঁৰ ব্যৱসায়ৰ স্থানত গ্ৰহণ কৰাৰ পিছত সেইবিলাক প্ৰেৰণ কৰা হয় বা এনে ইনপুট অথবা মূলধনী সামগ্ৰী তেওঁৰ ব্যৱসায়ৰ স্থানলৈ প্ৰথমে ননাকৈ পোনপটীয়াকৈ একোজন ঠিকা কৰ্মীলৈ প্ৰেৰণ কৰা হয়। অৱশ্যে, ইনপুট বা মূলধনী সামগ্ৰীসমূহ, কাম সম্পন্ন হোৱাৰ পাছত ওভতাই ল'বলগীয়া হয় বা ঠিকা কৰ্মীৰ চৌহদৰ পৰা যোগান ধৰা হয়, এনেক্ষেত্ৰত সেইবিলাক পঠিয়াই দিয়াৰ এবছৰ বা তিনি বছৰৰ ভিতৰত ওভতাই ল'ব লাগে।

**প্ৰশ্ন ৯। ঠিকা কৰ্মীৰ ব্যৱসায়ৰ স্থানৰ পৰা ওভতাই দিয়া বা যোগান ধৰা ইনপুট বা মূলধনী সামগ্ৰী নিৰ্ধাৰিত সময় মতে গ্ৰহণ নকৰিলে কি হ'ব?**

**উত্তৰ ঃ** প্ৰধানজনে উভতি অহা সামগ্ৰী গ্ৰহণ নকৰিলে বা নিৰ্ধাৰিত সময় সীমাৰ ভিতৰত ঠিকা কৰ্মীৰ ব্যৱসায়ৰ স্থানৰ পৰা যোগান নধৰিলে, এনে ইনপুট বা মূলধনী সামগ্ৰী প্ৰধানজনে ঠিকা কৰ্মীক যোগান ধৰা বুলি গণ্য কৰা হ'ব। উল্লিখিত ইনপুট বা

মূলধনী সামগ্ৰী ব্যৱসায়ৰ স্থানলৈ প্ৰেৰণ কৰাৰ দিনাই (বা যলৈ ইনপুট বা মূলধনী সামগ্ৰীবিলাক পোনপটীয়াকৈ প্ৰেৰণ কৰা হৈছিল সেই স্থানত ঠিকা কৰ্মীয়ে গ্ৰহণ কৰাৰ তাৰিখকে) যোগান ধৰা বুলি গণ্য কৰা হ'ব। এনেদৰেই প্ৰধানজন কৰ পৰিশোধৰ যোগ্য হ'ব।

**প্ৰশ্ন ১০। সঘনে ব্যৱহাৰ হোৱা আৰু স্থায়ীভাৱে ব্যৱহাৰ হোৱা কিছুমান মূলধনী সামগ্ৰী এবাৰ ব্যৱহাৰৰ পিছত সাধাৰণতে দুনাই ব্যৱহাৰ নহয়। ঠিকা কামৰ ব্যৱস্থাৱলী এনে ধৰণৰ সামগ্ৰীৰ ক্ষেত্ৰত কি ব্যৱস্থা আছে?**

**উত্তৰ ঃ** Mould, Dies, Jigs আৰু Fixtures বা Toolsৰ ক্ষেত্ৰত তিনি বছৰৰ ভিতৰত মূলধনী সামগ্ৰী ওভতাই অনাৰ বিধি প্ৰযোজ্য নহয়।

**প্ৰশ্ন ১১। ঠিকা কামৰ সময়ত সৃষ্টি হোৱা পেলনীয়া আৰু আৱৰ্জনাৰ ক্ষেত্ৰত কি কৰা হ'ব?**

**উত্তৰ ঃ** ঠিকা কামৰ সময়ত সৃষ্টি হোৱা পেলনীয়া আৰু আৱৰ্জনা ঠিকা কৰ্মীয়ে তেওঁৰ ব্যৱসায়ৰ স্থানৰ পৰা, কৰ পৰিশোধ কৰি পোনপটীয়াকৈ যোগান ধৰিব পাৰে, যদিহে তেওঁ পঞ্জীভুক্ত হয়। তেওঁ পঞ্জীভুক্ত নহ'লে, প্ৰধানজনে কৰ পৰিশোধ কৰি সেয়া যোগান ধৰিব পাৰিব।

**প্ৰশ্ন ১২। ঠিকা কামৰ বাবে মধ্যৱৰ্তী সামগ্ৰীও প্ৰেৰণ কৰিব পাৰিনে?**

**উত্তৰ ঃ** হয়, ঠিকা কামৰ ক্ষেত্ৰত 'ইনপুট' বুলি কওঁতে প্ৰধানজনে বা ঠিকা কৰ্মীয়ে ইনপুট ব্যৱহাৰ কৰাৰ সময়ত যিকোনো ব্যৱস্থাপনা প্ৰক্ৰিয়াত উৎপন্ন হোৱা মধ্যৱৰ্তী সামগ্ৰীকো ধৰা হয়।

**প্ৰশ্ন ১৩। সঠিক হিচাপ-নিকাচৰ ক্ষেত্ৰত জড়িত হৈ থকা কাম-কাজ পৰিচালনাৰ বাবে কোন দায়বদ্ধ?**

**উত্তৰ ঃ** ইনপুট আৰু মূলধনী সামগ্ৰী প্ৰয়োগ হোৱা ঠিকা কামৰ সঠিক হিচাপ-নিকাচ পৰিচালনাৰ দায়বদ্ধতা সম্পূৰ্ণৰূপে প্ৰধানজনৰ।

**প্ৰশ্ন ১৪। সকলো শাখাৰ সামগ্ৰীতে ঠিকা কামৰ ব্যৱস্থাৱলী প্ৰযোজ্যনে ?**

**উত্তৰ ঃ** নহয়, ঠিকা কামৰ সৈতে সম্পৰ্কযুক্ত ব্যৱস্থাৱলী কেৱল তেতিয়াহে প্ৰযোজ্য হয় যেতিয়া পঞ্জীভুক্ত কৰযোগ্য লোকজনে কৰযোগ্য সামগ্ৰী প্ৰেৰণ কৰিব বিচাৰে। আন কথাত ক'বলৈ গ'লে, এই ব্যৱস্থাৱলী কৰ ৰেহাই দিয়া বা কৰৰ অযোগ্য সামগ্ৰীৰ ক্ষেত্ৰত প্ৰযোজ্য নহয় বা প্ৰেৰণ কৰা ব্যক্তিজন পঞ্জীভুক্ত কৰযোগ্য লোক নহ'লেও এই ব্যৱস্থাৱলী প্ৰযোজ্য নহয়।

**প্ৰশ্ন ১৫। প্ৰধানজনে ঠিকা কামৰ ব্যৱস্থাৱলী অনুসৰণ কৰাটো বাধ্যতামূলকনে ?**

**উত্তৰ ঃ** নহয়, প্ৰধানজনে বিশেষ ব্যৱস্থাৱলী অনুসৰণ নকৰাকৈয়ে জি এছ টি পৰিশোধ কৰি ইনপুট বা মূলধনী সামগ্ৰী প্ৰেৰণ কৰিব পাৰে। এনে ক্ষেত্ৰত, ঠিকা কৰ্মীজনে 'ইনপুট টেক্স ক্ৰেডিট' ল'ব আৰু জি এছ টি পৰিশোধ কৰি প্ৰক্ৰিয়াকৃত সামগ্ৰী ওভতাই যোগান ধৰিব (ঠিকা কাম সম্পূৰ্ণ হোৱাৰ পিছত)।

**প্ৰশ্ন ১৬। ঠিকা কৰ্মী আৰু প্ৰধানজন একেখন ৰাজ্য বা কেন্দ্ৰীয় শাসিত অঞ্চলৰ হ'ব লাগেনে ?**

**উত্তৰ ঃ** নালাগে, আই জি এছ টি আইন আৰু একেদৰে ইউ টি জি এছ টি আইনত ঠিকা কাম সম্পৰ্কীয় ব্যৱস্থাৱলী উল্লেখ কৰা আছে, সেয়ে ই আৱশ্যকীয় নহয় আৰু সেয়ে ঠিকা কৰ্মী আৰু প্ৰধানজন একেখন ৰাজ্যৰ হ'ব পাৰে বা একেখন কেন্দ্ৰীয় শাসিত অঞ্চলৰ হ'ব পাৰে বা বেলেগ ৰাজ্যৰ আৰু বেলেগ কেন্দ্ৰীয় শাসিত অঞ্চলৰ হ'ব পাৰে।

***

# ইনপুট টেক্স ক্রেডিট (Input Tax Credit)

১০। <u>ইনপুট টেক্স ক্ৰেডিট (Input Tax Credit)</u>

**প্ৰশ্ন ১। 'ইনপুট টেক্স' কি?**

**উত্তৰ ঃ** 'ইনপুট টেক্স' মানে হৈছে একোজন পঞ্জীভুক্ত লোকলৈ কৰা সামগ্ৰী অথবা সেৱা অথবা উভয়ৰে যোগানৰ ওপৰত আৰোপ কৰা কেন্দ্ৰীয় কৰ (চি জি এছ টি), ৰাজ্যিক কৰ (এছ জি এছ টি), সমন্বিত কৰ (আই জি এছ টি) আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ কৰ (ইউ টি জি এছ টি)। ইয়াৰ লগত বিপৰীত মাচুলৰ ভিত্তিত পৰিশোধ কৰা কৰ আৰু সামগ্ৰীৰ আমদানিৰ ওপৰত আৰোপিত সেৱা কৰ তথা সমন্বিত কৰ অন্তৰ্ভুক্ত আছে। সংযোগ মাচুলৰ অধীনত পৰিশোধ কৰা কৰ ইয়াত অন্তৰ্ভুক্ত নহয়।

**প্ৰশ্ন ২। বিপৰীত মাচুল (reverse charge) হিচাপে পৰিশোধ কৰা জি এছ টি ইনপুট টেক্স ৰূপে গণ্য কৰিব পাৰিনে?**

**উত্তৰ ঃ** হয়, ইনপুট টেক্সৰ সংজ্ঞাত বিপৰীত মাচুলৰ অধীনত পৰিশোধ কৰিবলগীয়া কৰ অন্তৰ্ভুক্ত থাকে।

**প্ৰশ্ন ৩। 'ইনপুট' সামগ্ৰী, ইনপুট সেৱা অথবা মূলধনী সামগ্ৰীৰ ওপৰত পৰিশোধ কৰা কৰ (চি জি এছ টি/আই জি এছ টি/এছ জি এছ টি) ইনপুট টেক্সত অন্তৰ্ভুক্ত থাকেনে?**

**উত্তৰ ঃ** হয়, ইনপুট সামগ্ৰী, ইনপুট সেৱা আৰু মূলধনী সামগ্ৰীৰ ওপৰত পৰিশোধ কৰা কৰ ইয়াৰ অন্তৰ্ভুক্ত। মূলধনী সামগ্ৰীৰ ওপৰত পৰিশোধ কৰা কৰৰ নিৰিখো এটা কিস্তিত পাবৰ বাবে অনুমতি দিয়া হৈছে।

**প্ৰশ্ন ৪। জি এছ টিৰ অধীনত সকলো ইনপুট টেক্সৰ 'ক্ৰেডিট' সামগ্ৰীৰ যোগানৰ ওপৰত নে সেৱাৰ যোগানৰ ওপৰত আৰোপিত হয়?**

**উত্তৰ ঃ** একোজন পঞ্জীভুক্ত লোকে ব্যৱসায়ৰ অগ্ৰগতি হিচাপে, অন্য চৰ্তাৱলী আৰু প্ৰতিবন্ধকতা অনুসৰি তেওঁ ব্যৱহাৰ কৰা বা ব্যৱহাৰ কৰিবলৈ ইচ্ছা কৰা সামগ্ৰী অথবা সেৱা অথবা উভয়ৰে যোগানৰ ওপৰত আৰোপিত ইনপুট টেক্সৰ 'ক্ৰেডিট' ল'বলৈ যোগ্যতাসম্পন্ন।

**প্ৰশ্ন ৫। আই টি চি পাবৰ বাবে আৱশ্যকীয় ব্যৱস্থাৱলী কি কি?**

**উত্তৰ ঃ** নিম্নোল্লিখিত চাৰিটা ব্যৱস্থা বন্দোৱস্ত কৰা হৈছে ঃ

(ক) তেওঁৰ পৰামৰ্শ অনুসৰি, কৰ চালান বা ডেবিট নোট বা এনেধৰণৰ অন্য কৰ পৰিশোধ কৰা নথি থাকিব লাগিব;

(খ) তেওঁ সামগ্ৰী অথবা সেৱা অথবা উভয়কে গ্ৰহণ কৰিব লাগিব;

(গ) যোগনীয়াৰজনে যোগানৰ ক্ষেত্ৰত আৰোপিত কৰ চৰকাৰক প্ৰকৃতাৰ্থত পৰিশোধ কৰিব লাগিব; আৰু

(ঘ) অনুচ্ছেদ ৩৯ৰ অধীনত কৰযোগ্য লোকজনে হিচাপৰ বিৰৰণ (return) দাখিল কৰিব লাগিব।

**প্ৰশ্ন ৬। যেতিয়া একোখন চালানৰ বিপৰীতে সামগ্ৰীক অংশ হিচাপে বা কিস্তিকৈ লাভ কৰা হয়, তেতিয়া এজন পঞ্জীভুক্ত ব্যক্তিয়ে কেনেদৰে আই টি চি লাভ কৰিব?**

**উত্তৰ ঃ** কেৱল শেহতীয়া অংশ বা কিস্তিৰ প্ৰাপ্তিৰ ওপৰতহে পঞ্জীভুক্ত ব্যক্তিজন 'ক্ৰেডিট' লাভ কৰাৰ যোগ্য হ'ব।

**প্ৰশ্ন ৭। যোগনীয়াৰক কৰসহ ধৰা যোগানৰ বাবে বিবেচনাৰ ধনৰাশি পৰিশোধ নকৰাকৈ এজন লোকে 'ইনপুট টেক্স ক্ৰেডিট' ল'ব পাৰেনে?**

**উত্তৰ ঃ** হয়, গ্ৰহণ কৰোতাই আই টি চি ল'ব পাৰে। কিন্তু চালান জাৰি কৰাৰ তাৰিখৰ পৰা ১৮০দিনৰ ভিতৰত কৰ সহ তেওঁ বিবেচনাৰ ধনৰাশি দিব লাগে। বিপৰীত মাচুলৰ ভিত্তিত কৰ পৰিশোধ কৰিবলগীয়া হ'লে এই চৰ্ত প্ৰযোজ্য নহয়।

**প্ৰশ্ন ৮। পঞ্জীভুক্ত লোকজনে লোৱা আই টি চিৰ কি হ'ব যদিহে তেওঁ চালান জাৰি কৰাৰ তাৰিখৰ পৰা ১৮০ দিনৰ ভিতৰত বিবেচনাৰ ধনৰাশি পৰিশোধ নকৰে?**

**উত্তৰ ঃ** আই টি চিৰ ধনৰাশি লোকজনৰ বহিৰ্গমন কৰৰ দায়বদ্ধতা (output tax liability) ত সংযোগ হ'ব। তেওঁ সুতো দিব লাগিব। অৱশ্যে বিবেচনাৰ ধনৰাশি

আৰু কৰ পৰিশোধ কৰি তেওঁ আকৌ আই টি চি ল'ব পাৰে।

**প্ৰশ্ন ৯। কৰযোগ্য লোকৰ বাহিৰে অন্য লোকক সামগ্ৰী আদায় দিলে কোনে আই টি চি লাভ কৰিব ?**

**উত্তৰ ঃ** তেনে ক্ষেত্ৰত ধৰি লোৱা হ'ব যে এনে কৰযুক্ত লোক নিৰ্দেশ অনুসৰি এটা তৃতীয়পক্ষক সামগ্ৰী আদায় দিয়া হৈছে আৰু  পঞ্জীভুক্ত লোকজনে সামগ্ৰীখিনি গ্ৰহণ কৰিছে। সেয়ে যাৰ নিৰ্দেশ অনুসৰি সামগ্ৰীখিনি তৃতীয় ব্যক্তিক আদায় দিয়া হৈছে সেই লোকজনৰ বাবে আই টি চি উপলব্ধ হ'ব।

**প্ৰশ্ন ১০। আই টি চি লোৱাৰ সময় সীমা কি আৰু ইয়াৰ কাৰণসমূহ কি কি ?**

**উত্তৰ ঃ** বিত্তীয় বৰ্ষৰ সমাপ্তিৰ পিছৰ ছেপ্টেম্বৰ মাহৰ বাবে অনুচ্ছেদ ৩৯ৰ অধীনত 'ৰিটাৰ্ণ' দাখিল কৰাৰ নিৰ্ধাৰিত তাৰিখৰ পিছত সামগ্ৰী অথবা সেৱাৰ যোগানৰ বাবে এজন পঞ্জীভুক্ত লোকে কোনোধৰণৰ চালান বা ডেবিট নোটৰ ক্ষেত্ৰত আই টি চি ল'ব নোৱাৰে, যাৰ প্ৰতি এনেধৰণৰ শেহতীয়া বাৰ্ষিক হিচাপৰ প্ৰতিবেদন বা ইনভইচ/ডেবিট নোটৰ সৈতে সম্পৰ্কযুক্ত ইনভইচ দাখিল কৰিলে, যিটোৱে আগতীয়াকৈ হয়। সেয়ে আই টি চি লোৱাৰ উচ্চ সময় সীমা হৈছে পৰৱৰ্তী বিত্তীয় বৰ্ষৰ ২০ অক্টোবৰ বা বাৰ্ষিক হিচাপৰ প্ৰতিবেদন দাখিলৰ তাৰিখ, যিটোৱে আগতীয়াকৈ হয়।

এই নিষেধাজ্ঞাৰ অন্তৰালৰ যুক্তি হৈছে এইটোৱেই যে পৰৱৰ্তী বিত্তীয় বৰ্ষৰ ছেপ্টেম্বৰৰ পিছত বাৰ্ষিক হিচাপত কোনো পৰিৱৰ্তন অনুমোদিত নহয়। যদি ছেপ্টেম্বৰৰ আগতেই বাৰ্ষিক হিচাপ দাখিল কৰা হয়, তেতিয়া বাৰ্ষিক হিচাপ দাখিল কৰাৰ পিছত কোনো পৰিৱৰ্তন সাধন কৰিব নোৱাৰিব।

**প্ৰশ্ন ১১। আয় কৰ আইন ১৯৬১ৰ ব্যৱস্থাৱলীৰ অধীনত মূলধনী সামগ্ৰীৰ ব্যয়ৰ কৰ উপাদানৰ ওপৰত পঞ্জীভুক্ত কৰযোগ্য লোকজনে মূল্য হ্ৰাসকৰণ (depreciation) দাবী কৰিলে, এনে ক্ষেত্ৰত আই টি চি দিয়া হ'বনে ?**

**উত্তৰ ঃ** উল্লিখিত কৰ উপাদানৰ ওপৰত 'ইনপুট টেক্স ক্রেডিট' দিয়া নহ'ব, যাৰ ক্ষেত্ৰত মূলৰ হ্রাসকৰণ দাবী কৰা হয়।

**প্রশ্ন ১২। কৰযোগ্য সামগ্রী অথবা সেৱা অথবা উভয়ৰে যোগানৰ বাবে ব্যৱহাৰিত প্রতিটো 'ইনপুট'ৰ ওপৰত পৰিশোধ কৰা কৰৰ নিৰিখ জি এছ টিৰ অধীনত অনুমোদিতনে ?**

**উত্তৰ ঃ** হয়, আইনখনত উল্লিখিত সামগ্রীৰ এখন সৰু তালিকাৰ বাহিৰে, সকলো সামগ্রীৰ ক্ষেত্ৰতে 'ক্রেডিট' গ্ৰহণযোগ্য। এই তালিকাত প্ৰধানকৈ ব্যক্তিগত উপভোগৰ সামগ্রী, যাৰ ব্যৱহাৰৰ পৰিণতিত একোটা স্থাৱৰ সম্পত্তি (গছ আৰু যন্ত্ৰ-পাতিৰ বাহিৰে), দূৰসংযোগ টাৱাৰ, ফেক্টৰী চৌহদৰ বাহিৰত থকা পাইপ লাইন ইত্যাদি আৰু কৰ এৰাই চলাৰ তদন্তৰ পৰিণতি হিচাপে পৰিশোধ কৰা কৰ অন্তৰ্ভুক্ত থাকে।

**প্রশ্ন ১৩। এজন কৰযোগ্য লোক তথ্য প্ৰযুক্তিৰ ব্যৱসায়ত আছে। তেওঁ তেওঁৰ কাৰ্যবাহী সঞ্চালকসকলৰ ব্যৱহাৰৰ বাবে এখন মটৰ গাড়ী কিনিলে। এনে মটৰ গাড়ী ক্ৰয়ত পৰিশোধ কৰা জি এছ টিৰ ক্ষেত্ৰত তেওঁ আই টি চি পাব পাৰেনে ?**

**উত্তৰ ঃ** নোৱাৰে, মটৰ গাড়ীৰ ওপৰত আই টি চি কেৱল তেতিয়াহে পাব পাৰে যেতিয়া কৰযোগ্য লোকজন যাত্ৰী অথবা পণ্য-সামগ্ৰী কঢ়িওৱা ব্যৱসায়ত থাকে বা মটৰ গাড়ীৰ ওপৰত প্ৰশিক্ষণ দিয়া সেৱা তেওঁ প্ৰদান কৰে।

**প্রশ্ন ১৪। কেতিয়াবা বিভিন্ন কাৰণত সামগ্ৰী নষ্ট হয় বা হেৰাই যায়। তেতিয়া এনে সামগ্ৰীৰ ক্ষেত্ৰত একোজন লোক আই টি চি ল'ব পাৰে ?**

**উত্তৰ ঃ** নোৱাৰে, হেৰোৱা, চুৰি হোৱা, নষ্ট হোৱা বা কামত নহা সামগ্ৰীৰ ক্ষেত্ৰত একোজন লোকে আই টি চি ল'ব নোৱাৰে। লগতে, উপহাৰ হিচাপে দিয়া বা বিনামূলীয়া আহি হিচাপে দিয়া সামগ্ৰীৰ ক্ষেত্ৰতো আই টি চি অনুমোদিত নহয়।

**প্রশ্ন ১৫। একোজন পঞ্জীভুক্ত লোকে ব্যাৱসায়িক উদ্দেশ্যত নিৰ্মিত একোটা ভৱনৰ নিৰ্মাণত ব্যৱহৃত সামগ্ৰী অথবা সেৱাৰ বাবে আই টি চি পাব পাৰেনে ?**

**উত্তৰ ঃ** নোৱাৰে, বৃক্ষ আৰু যন্ত্ৰ-পাতিৰ বাহিৰে অন্য স্থাৱৰ সম্পত্তিৰ নিৰ্মাণৰ বাবে ব্যৱহৃত সামগ্ৰী অথবা সেৱাৰ ওপৰত একোজন লোকক আই টি চি অনুমোদন দিয়া নহয়। কেৱল বৃক্ষ আৰু যন্ত্ৰ-পাতিয়েহে আধাৰ ভিত্তিত মাটিৰ সৈতে খাপ খাই থকা সঁজুলি, আহিলা পাতি বা গাঁথনিগত সহযোগিতা সামৰি লয়, আৰু অন্য বস্তুৰ মাজত মাটি আৰু ভৱন বাহিৰত ৰাখে।

**প্ৰশ্ন ১৬। নতুনকৈ পঞ্জীভুক্ত এজন লোকৰ ক্ষেত্ৰত আই টি চিৰ ব্যৱস্থা কি হ'ব?**

**উত্তৰ ঃ** পঞ্জীয়নৰ বাবে আবেদন কৰা একোজন লোকে পঞ্জীয়ন মঞ্জুৰ কৰাৰ ঠিক আগদিনা জমা থকা 'ইনপুট'ৰ বাবে আৰু অৰ্দ্ধ-সম্পূৰ্ণ বা সম্পূৰ্ণ সামগ্ৰীৰ ক্ষেত্ৰত 'ইনপুট টেক্স ক্ৰেডিট' ল'ব পাৰে। যদি লোকজন পঞ্জীয়ন ল'বৰ যোগ্য হয় আৰু তেওঁ পঞ্জীয়নৰ বাবে যোগ্য হোৱাৰ তাৰিখৰ পৰা ৩০দিনৰ ভিতৰত আবেদন কৰে, তেতিয়া জমা থকা 'ইনপুট'ৰ কৰৰ নিৰিখ আৰু কৰ পৰিশোধৰ বাবে যোগ্য হোৱাৰ তাৰিখৰ ঠিক আগদিনা জমা থকা অৰ্দ্ধ-সম্পূৰ্ণ বা সম্পূৰ্ণ সামগ্ৰীৰ ক্ষেত্ৰত তেওঁ 'ইনপুট টেক্স ক্ৰেডিট' ল'ব পাৰে।

**প্ৰশ্ন ১৭। ২০১৭ৰ ১ আগষ্টত কৰ পৰিশোধ কৰিবলৈ এজন লোক দায়বদ্ধ হ'ল আৰু তেওঁ ২০১৭ৰ ১৫ আগষ্টত পঞ্জীয়ন লাভ কৰিলে। এনে লোক কেতিয়া জমা থকা 'ইনপুট'ৰ বাবে 'ইনপুট টেক্স ক্ৰেডিট' পাবলৈ সক্ষম হ'বঃ**

**(ক) ১আগষ্ট, ২০১৭**

**(খ) ৩১ জুলাই, ২০১৭**

**(গ) ১৫ আগষ্ট, ২০১৭**

**(ঘ) তেওঁ বিগত সময়ছোৱাৰ বাবে 'ক্ৰেডিট' পাব নোৱাৰে।**

**উত্তৰ** ঃ ৩১ জুলাই, ২০১৭।

**প্ৰশ্ন ১৮। ইচ্ছাকৃতভাৱে পঞ্জীয়ন লাভ কৰা একোজন লোকৰ ক্ষেত্ৰত জমা থকা 'ইনপুট'ৰ ওপৰত 'ইনপুট টেক্স ক্ৰেডিট'ৰ যোগ্যতা কি ?য**

**উত্তৰ ঃ** ঐচ্ছিক পঞ্জীয়ন লাভ কৰা একোজন লোক, পঞ্জীয়নৰ ঠিক আগদিনা জমা থকা 'ইনপুট', অৰ্দ্ধ-সম্পূৰ্ণ সামগ্ৰী আৰু সম্পূৰ্ণ সামগ্ৰীৰ ক্ষেত্ৰত 'ইনপুট টেক্স ক্ৰেডিট' পোৱাৰ যোগ্য।

**প্ৰশ্ন ১৯। একোজন পঞ্জীভুক্ত লোকৰ সংবিধানত কিবা পৰিৱৰ্তন হ'লে 'ইনপুট' কৰৰ সক্ষমতা কি হ'ব?**

**উত্তৰ ঃ** পঞ্জীভুক্ত লোকজনক 'ইনপুট টেক্স ক্ৰেডিট' হস্তান্তৰ কৰিবলৈ অনুমতি প্ৰদান কৰা হ'ব, যিবিলাক তেওঁৰ ইলেকট্ৰনিক ক্ৰেডিট লেজাৰৰ নতুন প্ৰতিষ্ঠানৰ বাবে অব্যৱহৃত হৈ থাকে, কোৱা হৈছে যে দায়বদ্ধতা হস্তান্তৰৰ বাবে এক নিৰ্দিষ্ট ব্যৱস্থা আছে।

**প্ৰশ্ন ২০। য'ত সামগ্ৰী অথবা সেৱা অথবা উভয়ে এজন কৰযোগ্য লোকে কৰযোগ্য আৰু কৰ অযোগ্য যোগান প্ৰযোজ্য হোৱাকৈ ব্যৱহাৰ কৰি থাকে, তেনে ক্ষেত্ৰত পঞ্জীভুক্ত কৰযোগ্য লোকজনৰ ক্ষেত্ৰত 'ইনপুট টেক্স ক্ৰেডিট' পৰ্যাপ্তনে?**

**উত্তৰ ঃ** কেৱল কৰযোগ্য যোগানৰ ক্ষেত্ৰত প্ৰযোজ্য হোৱা সামগ্ৰী অথবা সেৱা অথবা উভয়ৰ 'ইনপুট টেক্স ক্ৰেডিট' পঞ্জীভুক্ত লোকে ল'ব পাৰে। নীতি-নিয়মত যোগ্যতাসম্পন্ন নিৰিখৰ গণনাৰ ধৰণ দিয়া হ'ব।

**প্ৰশ্ন ২১। যদি কেৱল কৰযোগ্য যোগানৰ ক্ষেত্ৰতহে সামগ্ৰী অথবা সেৱা অথবা উভয়ৰে 'ইনপুট টেক্স ক্ৰেডিট' প্ৰযোজ্য হয়, তেতিয়া ৰপ্তানি কৰোতে কৰ ৰেহাই দিয়া যোগানৰ ক্ষেত্ৰত 'ইনপুট টেক্স ক্ৰেডিট' হেৰুৱাবলগীয়া নহ'বনে?**

**উত্তৰ ঃ** 'ইনপুট টেক্স ক্ৰেডিট' অনুমোদন কৰাৰ উদ্দেশ্যে কৰযোগ্য যোগানৰ পৰিসৰত শূন্য নিৰিখৰ যোগান সামৰি লোৱা হৈছে। শূন্য নিৰিখৰ যোগানৰ পৰিসৰ সমন্বিত সামগ্ৰী অথবা সেৱা কৰ আইনত উল্লেখ কৰা হৈছে য'ত কৰ ৰেহাই দিয়া যোগানকো অন্তৰ্ভুক্ত কৰা হৈছে।

**প্ৰশ্ন ২২। তলৰ কোনটো 'ক্ৰেডিট' পোৱাৰ উদ্দেশ্যে কৰযোগ্য যোগানৰ গণনাত অন্তৰ্ভুক্ত হৈছে?**

**(ক) শূন্য নিৰিখৰ যোগান**

**(খ) কৰ কৰ্তন কৰা যোগান**

**(গ) দুয়োটা**

**উত্তৰ ঃ** শূন্য নিৰিখৰ যোগান।

**প্ৰশ্ন ২৩। য'ত এজন পঞ্জীভুক্ত লোকে গ্ৰহণ কৰা সামগ্ৰী অথবা সেৱা অথবা ব্যৱসায়ৰ উদ্দেশ্যে আংশিকভাৱে আৰু অন্য উদ্দেশ্যত আংশিকভাৱে ব্যৱহাৰ কৰা হয়, তেতিয়া লোকজনে 'ইনপুট টেক্স ক্ৰেডিট' পাবনে?**

**উত্তৰ ঃ** কেৱল পঞ্জীভুক্ত লোকেহে ব্যৱসায়ৰ উদ্দেশ্যে সামগ্ৰী অথবা সেৱা অথবা উভয়ৰে ক্ষেত্ৰত 'ইনপুট টেক্স ক্ৰেডিট' ল'ব পাৰে। এনেদৰে পাব পৰা 'ক্ৰেডিট'ৰ গণনাৰ ধৰণ নিয়মাৱলীয়ে নিৰূপন কৰিব।

**প্ৰশ্ন ২৪। সংলগ্ন আঁচনিৰ (compounding scheme)অধীনত কগৰ পৰিশোধ কৰি থকা এজন লোকে উক্ত সংলগ্ন সময় সীমা অতিক্ৰম কৰি এজন নিয়মীয়া কৰযোগ্য লোকত পৰিণত হ'ল। তেওঁ আই টি চি পাব পাৰেনে আৰু যদি পাৰে কোন তাৰিখৰ পৰা?**

**উত্তৰ ঃ** জমা থকা ইনপুটৰ ক্ষেত্ৰত আৰু জমা থকা অৰ্দ্ধ-সম্পূৰ্ণ বা সম্পূৰ্ণ সামগ্ৰীৰ ক্ষেত্ৰত আৰু মূলধনী সামগ্ৰীৰ ওপৰত (নিৰ্ধাৰিত শতকৰা নিৰিখত হ্ৰাস কৰা) যি তাৰিখৰ পৰা তেওঁ সংযোগ আঁচনিৰ বাবে যোগ্যতাসম্পন্ন নহয় বুলি প্ৰতিপন্ন পয় সেই তাৰিখৰ ঠিক পিছদিনাৰ পৰা তেওঁ আই টি চি পাব পাৰে। সক্ষমতাপূৰ্ণ নিৰিখ গণনাৰ ধৰণ নিয়মাৱলীয়ে প্ৰদান কৰিব।

**প্ৰশ্ন ২৫। বেংক সেৱাৰ কোম্পানীসমূহৰ ক্ষেত্ৰত কোনো বিশেষ ব্যৱস্থাৱলী আছেনে?**

**উত্তৰ ঃ** বিশেষীকৃত সেৱাৰ যোগানৰ সৈতে জড়িত একোটা নন-বেংকিং বিত্তীয়

কোম্পানীৰ লগতে একোটা বেংক সেৱাৰ কেম্পানী বা বেংকিং প্ৰতিষ্ঠানে হয় আংশিক 'ক্ৰেডিট' লাভ কৰিব নহয় সক্ষম 'ইনপুট টেক্স ক্ৰেডিট'ৰ ৫০ শতাংশ লাভ কৰিব।

**প্ৰশ্ন ২৬। এজন পঞ্জীভুক্ত ব্যক্তি শ্ৰীযুত 'ক'ই ৩০ জুলাই, ২০১৭ লৈকে সংযোগ আঁচনিৰ অধীনত কৰ পৰিশোধ কৰি আছিল। অৱশ্যে, ৩১ জুলাই, ২০১৭ৰ পৰা কাৰ্যকৰী হোৱাকৈ শ্ৰীযুত 'ক' নিয়মীয়া আঁচনিৰ অধীনত কৰ পৰিশোধৰ যোগ্য হ'ল। তেওঁ আই টি চিৰ বাবে যোগ্য হ'বনে?**

**উত্তৰ ঃ** ৩০জুলাই, ২০১৭ত জমা থকা 'ইনপুট' আৰু জমা থকা অৰ্দ্ধ-সম্পূৰ্ণ বা সম্পূৰ্ণ সামগ্ৰীৰ 'ইনপুট' আৰু মূলধনী সামগ্ৰীৰ (পৰামৰ্শ দিব পৰা এনে শতাংশ অনুসৰি হ্ৰাস কৰা) 'ইনপুট'ৰ বাবে 'ক' 'ইনপুট টেক্স ক্ৰেডিট' পোৱাৰ যোগ্য।

**প্ৰশ্ন ২৭। শ্ৰীযুত 'খ'ই ৫ জুন, ২০১৭ত স্বেচ্ছামূলক পঞ্জীয়নৰ বাবে আবেদন কৰিলে আৰু ২২জুন, ২০১৭ত পঞ্জীয়ন লাভ কৰিলে। শ্ৰীযুত 'খ' কেতিয়া জমা থকা 'ইনপুট'ৰ ওপৰত 'ইনপুট টেক্স ক্ৰেডিট' পাবলৈ যোগ্য?**

**উত্তৰ ঃ** ২১জুন, ২০১৭ত জমা থকা 'ইনপুট' আৰু অৰ্দ্ধ-সম্পূৰ্ণ বা সম্পূৰ্ণ সামগ্ৰীৰ ক্ষেত্ৰত থকা 'ইনপুট'ৰ বাবে শ্ৰীযুত 'খ' 'ইনপুট টেক্স ক্ৰেডিট' পাবলৈ যোগ্য। শ্ৰীযুত 'খ'ই মূলধনী সামগ্ৰীৰ ক্ষেত্ৰত 'ইনপুট টেক্স ক্ৰেডিট' ল'ব নোৱাৰে।

**প্ৰশ্ন ২৮। সংযোগ আঁচনিৰ বাবে ইচ্ছা কৰি থকা বা তেওঁ যোগান ধৰা সামগ্ৰী অথবা সেৱা অথবা দুয়োটা সম্পূৰ্ণৰূপে কৰৰ পৰা ৰেহাই পোৱা এজন পঞ্জীভুক্ত লোকে লাভ কৰা ইনপুট টেক্স ক্ৰেডিট'ৰ ক্ষেত্ৰত কি হ'ব?**

**উত্তৰ ঃ** পঞ্জীভুক্ত লোকজনে তেনে বিকল্প লাভৰ বাবে কৰা অনুশীলনৰ তাৰিখৰ বা কৰ কৰ্তনৰ তাৰিখৰ ঠিক আগদিনা থকা জমাৰ ক্ষেত্ৰত হোৱা 'ইনপুট টেক্স ক্ৰেডিট'ৰ সমপৰিমাণৰ ধনৰাশি পৰিশোধ কৰিব লাগিব। মূলধনী সামগ্ৰীৰ ক্ষেত্ৰত, পৰিশোধ কৰিবলগীয়া ধনৰাশি এক নিৰ্দেশিত শতাংশ পৰিমাণত হ্ৰাস কৰি গণনা কৰা এই পৰিশোধ ক্ৰেডিট লেজাৰত পৰ্যাপ্ত ধন থাকিলে, ইলেক্ট্ৰনিক ক্ৰেডিট লেজাৰ 'ডেবিট'

কৰি, বা ইলেকট্ৰনিক কেছ লেজাৰ ‘ডেবিট’ কৰি এই পৰিশোধ কৰিব পাৰি। যদি ক্ৰেডিট লেজাৰত কোনোধৰণৰ বাকী থাকি যায়, তেতিয়া ই কম পৰিব।

**প্ৰশ্ন ২৯। আই টি চি প্ৰাপ্তিৰ সময়সীমাৰ ওপৰত কিবা প্ৰতিবন্ধকতা আছে নেকি?**

**উত্তৰ ঃ** নতুন পঞ্জীয়নৰ ক্ষেত্ৰত, সংযোগৰ পৰা সাধাৰণ আঁচনিলৈ পৰিৱৰ্তনত, কৰ ৰেহাইৰ পৰা কৰাযোগ্য যোগানলৈ, এনেধৰণৰ যোগানৰ সৈতে সম্পৰ্কযুক্ত কৰ চালান জাৰি কৰাৰ তাৰিখৰ পৰা এবছৰ শেষ হোৱাৰ পিছত সংশ্লিষ্ট লোকজনে আই টি চি লাভ কৰিব নোৱাৰে।

**প্ৰশ্ন ৩০। য'ত গ্ৰহণ কৰোতাই দাখিল কৰা আভ্যন্তৰীণ যোগানৰ সবিশেষ যোগনীয়াৰে তেওঁৰ বৈধ হিচাপৰ বিৱৰণত দাখিল কৰা বাহিৰা যোগানৰ সবিশেষৰ সৈতে নিমিলে তেতিয়া কি হ'ব?**

**উত্তৰ ঃ** অমিলৰ ক্ষেত্ৰত, উভয় পক্ষৰ সৈতে যোগাযোগ কৰা হ'ব। যদি অমিল সংশোধন কৰা নহয়, তেতিয়া এনেধৰণৰ অমিলৰ বিষয়ে তথ্য আদান প্ৰদানৰ মাহৰ ঠিক পৰৱৰ্তী মাহত গ্ৰহণ কৰোতাৰ বাহিৰা যোগানৰ দায়বদ্ধতাৰ সৈতে এই ধনৰাশি সংযোজিত হ'ব।

**প্ৰশ্ন ৩১। কেৱল সাদৃশ্যৰ পিছতহে ‘ইনপুট টেক্স ক্ৰেডিট’ অনুমোদিত হয়নে?**

**উত্তৰ ঃ** নহয়, দুমাহৰ বাবে চৰ্ত সাপেক্ষে ‘ইনপুট টেক্স ক্ৰেডিট’ অনুমোদিত হয়। এই প্ৰণালীৰ জৰিয়তে খাপ খোৱা যোগানৰ সবিশেষ আৰু বৈসাদৃশ্য সংশ্লিষ্ট যোগনীয়াৰ আৰু গ্ৰহণ কৰোতাক অৱগত কৰা হয়। বিসংগতি থাকি গ'লে, ইতিমধ্যে লোৱা আই টি চি স্বয়ংক্ৰিয়ভাৱে উভতি আহিব।

**প্ৰশ্ন ৩২। সকলো দায়বদ্ধতাৰ পৰিশোধৰ বাবে চৰ্তসাপেক্ষে অনুমোদিত আই টি চি ব্যৱহাৰ কৰিব পাৰিনে?**

**উত্তৰ ঃ** নোৱাৰি, চৰ্তসাপেক্ষে অনুমোদিত আই টি চি কেৱল হিচাপ-নিকাচত স্বনিৰূপিত বহিৰ্গমনৰ পৰিশোধৰ ক্ষেত্ৰতহে প্ৰযোজ্য।

**প্ৰশ্ন ৩৩। করযোগ্য লোকে যোগান ধৰা, ইতিমধ্যে আই টি চি লোৱা মূলধনী সামগ্ৰীৰ ক্ষেত্ৰত কৰৰ প্ৰভাৱ কি হ'ব?**

**উত্তৰ ঃ** মূলধনী সামগ্ৰী বা সৰঞ্জাম আৰু যন্ত্ৰ-পাতিৰ যোগানৰ ক্ষেত্ৰত, যিবিলাকৰ ওপৰত 'ইনপুট টেক্স ক্ৰেডিট' লোৱা হৈছে, পঞ্জীভুক্ত লোকজনে উল্লিখিত মূলধনী সামগ্ৰী বা সৰঞ্জামৰ ওপৰত লোৱা 'ইনপুট টেক্স ক্ৰেডিট'ৰ সমপৰিমাণৰ ধনৰাশি পৰিশোধ কৰিব আৰু এই ক্ষেত্ৰত পৰামৰ্শযোগ্য শতাংশৰ নিৰিখ অনুসৰি হ্ৰাস কৰা যন্ত্ৰ-পাতি অনুসৰি বা এনে মূলধনী সামগ্ৰীৰ লেনদেন মূল্যৰ ওপৰত আৰোপিত কৰ, যিটোৱেই অধিক হয়, প্ৰযোজ্য হ'ব।

**প্ৰশ্ন ৩৪। এজন পঞ্জীভুক্ত লোকে কৰা মূলধনী সামগ্ৰীৰ যোগানৰ ক্ষেত্ৰত প্ৰযোজ্য কৰ কি হ'ব, যি এনে মূলধনী সামগ্ৰীৰ ওপৰত আই টি চি লৈছে?**

**উত্তৰ ঃ** পঞ্জীভুক্ত লোকজনে নিৰ্দেশিত শতাংশ নিৰিখত হ্ৰাস কৰা আই টি চিৰ সমপৰিমাণত বা লেনদেন মূল্যৰ ওপৰত আৰোপিত কৰৰ সমপৰিমাণত, যিটোৱেই অধিক হয়, ধনৰাশি পৰিশোধ কৰিব। কিন্তু ব্যৱহাৰ নকৰি আঁতৰাই দিয়া ইটা, বোকা মাটি আৰু সাঁচ, ব্যৱহাৰ কৰি পেলাই দিয়া সামগ্ৰী আৰু এবাৰ ব্যৱহাৰ হোৱা সামগ্ৰী, যেতিয়া এইবিলাকক পেলনীয়া হিচাপে যোগান ধৰা হয় তেতিয়া লোকজনে লেনদেন মূল্যৰ ওপৰত কৰ পৰিশোধ কৰিব পাৰে।

***

# জি এছ টিত ‘ইনপুট ছাৰ্ভিচ ডিষ্ট্ৰিবিউটৰ’ৰ ধাৰণা
(Concept of Input Service Distributor in GST)

১১। জি এছ টিত 'ইনপুট ছাৰ্ভিচ ডিষ্ট্ৰিবিউটৰ'ৰ ধাৰণা

**প্ৰশ্ন ১। 'ইনপুট ছাৰ্ভিচ ডিষ্ট্ৰিবিউটৰ' (আই এছ ডি) কি?**

**উত্তৰ ঃ** আই এছ ডি বুলিলে সামগ্ৰী আৰু/ সেৱাৰ যোগনীয়াৰৰ এটা কাৰ্যালয় বুজায় যি অনুচ্ছেদ ২৩ৰ অধীনত 'ইনপুট' সেৱা গ্ৰহণ কৰাৰ বিনিময়ত দিয়া কৰৰ চালান গ্ৰহণ কৰে আৰু ওপৰত উল্লেখ কৰা কাৰ্যালয়ৰ বাবে একে PAN থকা এজন যোগনীয়াৰক উল্লিখিত কৰযোগ্য সামগ্ৰী আৰু/অথবা সেৱা যোগান ধৰাৰ বিনিময়ত পৰিশোধ কৰা চি জি এছ টি (ৰাজ্যিক আইনত এছ জি এছ টি) আৰু/অথবা আই জি এছ টিৰ নিৰিখ বিতৰণৰ উদ্দেশ্যে নিৰ্ধাৰিত কৰৰ চালান বা এনে অন্য নথি জাৰি কৰে। এই ক্ৰেডিট বিতৰণৰ উদ্দেশ্যে, আই এছ ডিক সেৱাৰ যোগনীয়াৰ হিচাপে ধৰা হয়।

**প্ৰশ্ন ২। আই এছ ডি হিচাপে পঞ্জীয়নৰ বাবে কি কি লাগে?**

**উত্তৰ ঃ** একোজন আই এছ ডিয়ে সেৱাৰ বিবেচিত যোগনীয়াৰ হিচাপে পঞ্জীয়ন আহৰণ কৰিব লাগে। আই এছ ডিৰ ক্ষেত্ৰত পঞ্জীয়নৰ অন্তিম সীমা প্ৰযোজ্য নহয়। চলিত আমোলৰ (অৰ্থাৎ সেৱা কৰৰ অধীনত) আই এছ ডিৰ পঞ্জীয়ন জি এছ টি আমোলত স্থানান্তৰিত নহ'ব। চলিত সকলো আই এছ ডিয়ে একোজন আই এছ ডি হিচাপে কাম কৰিব বিচাৰিলে নতুন আমোলত নতুন পঞ্জীয়ন আহৰণ কৰিব লাগিব।

**প্ৰশ্ন ৩। 'ক্ৰেডিট' বিতৰণৰ বাবে ব্যৱস্থাৱলী/নিষেধাজ্ঞা কি কি?**

**উত্তৰ ঃ** 'ক্ৰেডিট'ৰ বিতৰণ ইয়াৰ বাবে বিশেষভাৱে প্ৰস্তুত কৰা নথিৰ জৰিয়তে কৰা হ'ব। উল্লিখিত নথিত বিতৰণ কৰা 'ইনপুট টেক্স ক্ৰেডিট'ৰ পৰিমাণ থাকিব।

**প্ৰশ্ন ৪। একোজন আই এছ ডিয়ে সকলো যোগনীয়াৰকে 'ইনপুট টেক্স ক্ৰেডিট' বিতৰণ কৰিব পাৰেনে?**

**উত্তৰ ঃ** নোৱাৰে, 'ইনপুট সেৱা'ৰ 'ইনপুট টেক্স ক্ৰেডিট' কেৱল সেইসকল পঞ্জীভুক্ত লোকৰ মাজতহে বিতৰণ কৰা হ'ব যি ব্যৱসায়ৰ অগ্ৰগতিত 'ইনপুট সেৱা' ব্যৱহাৰ

কৰে।

**প্ৰশ্ন ৫। বহু সময়ত একোজন যোগনীয়াৰে ব্যৱসায়ৰ অগ্ৰগতিৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা 'ইনপুট সেৱা'ৰ দুটা অংশৰ মাজত এটাৰ সৈতে আনটোৰ সম্পৰ্ক (one-to-one link) প্ৰতিষ্ঠা কৰাটো সম্ভৱ নহয়। এনে পৰিস্থিতিত আই এছ ডিয়ে কেনেকৈ আই টি চিৰ বিতৰণ কৰিব?**

**উত্তৰ ঃ** এনে পৰিস্থিতিত, এটা সূত্ৰৰ আধাৰত বিতৰণ কৰা হ'ব। প্ৰথমতে, 'ইনপুট টেক্স ক্ৰেডিট'ৰ সেইসকল গ্ৰহণ কৰোতাৰ মাজত বিতৰণ সম্পন্ন কৰা হ'ব, যাক প্ৰদান কৰা 'ইনপুট সেৱা' আৰোপ কৰাৰ যোগ। দ্বিতীয়তে, কেৱল কাম কৰি থকা গোটসমূহৰ মাজতহে বিতৰণ সম্পন্ন কৰা হ'ব। তৃতীয়তে, যাক 'ইনপুট সেৱা' প্ৰদান কৰা হয় আৰু সেয়া আৰোপ কৰাৰ যোগ্য, তেনে সৰ্বমুঠ কৰণৰ সময়ছোৱাত গ্ৰহণ কৰোতাৰ একোখন ৰাজ্য বা কেন্দ্ৰীয় শাসিত অঞ্চলত হোৱা বাৰ্ষিক উপাৰ্জনৰ অনুপাত অনুসৰি বিতৰণ সম্পন্ন কৰা হ'ব। শেষত, বিতৰণ কৰা নিৰিখ বিতৰণ কৰিবৰ বাবে থকা নিৰিখতকৈ অধিক হ'ব নালাগিব।

**প্ৰশ্ন ৬। আই এছ ডি পৰিসৰৰ বাবে ব্যৱহৃত প্ৰতিদান কি?**

**উত্তৰ ঃ** আই এছ ডিৰ উদ্দেশ্যে ব্যৱহৃত প্ৰতিদানত সংবিধানৰ সপ্তম অনুসূচীৰ তালিকা-১ৰ অন্তৰ্ভুক্তি ৮৪আৰু তালিকা-২ৰ অন্তৰ্ভুক্তি ৫১ আৰু ৫৪ৰ অধীনত আৰোপিত কোনোধৰণৰ শুল্ক বা কৰ নাথাকে।

**প্ৰশ্ন ৭। আই এছ ডিয়ে হিচাপৰ বিৱৰণ দাখিল কৰিব লাগেনে?**

**উত্তৰ ঃ** হয়, আই এছ ডিয়ে পৰৱৰ্তী মাহৰ ১৩ তাৰিখে মাহেকীয়া হিচাপৰ বিৱৰণ দাখিল কৰিব লাগে।

**প্ৰশ্ন ৮। এটা কেম্পানীৰ একাধিক আই এছ ডি থাকিব পাৰেনে?**

**উত্তৰ ঃ** হয়, বিভিন্ন কাৰ্য যেনে— নিৰ্মাণ বিভাগ, নিৰাপত্তা বিভাগ ইত্যাদিৰ বাবে পৃথক আই এছ ডি প্ৰয়োগ কৰিব পাৰে।

**প্ৰশ্ন ৯। আই এছ ডিয়ে অতিৰিক্তভাৱে/ভুলবশতঃ বিতৰণ কৰা ক্ৰেডিট পুনৰুদ্ধাৰৰ ব্যৱস্থাৱলী কি কি?**

**উত্তৰ ঃ** অতিৰিক্তভাৱে /ভুলবশতঃ বিতৰণ কৰা ক্ৰেডিট অনুচ্ছেদ ৭৩বা ৭৪ৰ অধীনত পদক্ষেপ গ্ৰহণ কৰি সুতৰ সৈতে গ্ৰহণ কৰোতাৰ পৰা ক্ৰেডিট পুনৰুদ্ধাৰ কৰিব পাৰি।

**প্ৰশ্ন ১০। বেলেগ বেলেগ ৰাজ্যত থকা গোটক আই জি এছ টি হিচাপে আই এছ ডিয়ে চি জি এছ টি আৰু আই জি এছ টিৰ 'ক্ৰেডিট' বিতৰণ কৰিব পাৰেনে?**

**উত্তৰ ঃ** হয়, বেলেগ বেলেগ ৰাজ্যত থকা গোটৰ বাবে একোজন আই এছ ডিয়ে আই জি এছ টি হিচাপে চি জি এছ টি 'ক্ৰেডিট' আৰু আই জি এছ টি হিচাপে আই জি এছ টি 'ক্ৰেডিট' বিতৰণ কৰিব পাৰে।

**প্ৰশ্ন ১১। একোজন আই এছ ডিয়ে বেলেগ বেলেগ ৰাজ্যত থকা গোটক আই জি এছ টি 'ক্ৰেডিট' হিচাপে এছ জি এছ টি 'ক্ৰেডিট' বিতৰণ কৰিব পাৰেনে?**

**উত্তৰ ঃ** হয়, একোজন আই এছ ডিয়ে বেলেগ বেলেগ ৰাজ্যত থকা গোটক আই জি এছ টি হিচাপে এছ জি এছ টি 'ক্ৰেডিট' বিতৰণ কৰিব পাৰে ।

**প্ৰশ্ন ১২। আই এছ ডিয়ে চি জি এছ টি 'ক্ৰেডিট' হিচাপে চি জি এছ টি আৰু আই জি এছ টি 'ক্ৰেডিট' বিতৰণ কৰিব পাৰেনে?**

**উত্তৰ ঃ** হয়, একেখন ৰাজ্যত থকা গোটসমূহৰ বাবে একোজন আই এছ ডিয়ে চি জি এছ টি হিচাপে চি জি এছ টি 'ক্ৰেডিট' বিতৰণ কৰিব পাৰে।

**প্ৰশ্ন ১৩। এছ জি এছ টি ক্ৰেডিট হিচাপে এছ জি এছ টি আৰু আই জি এছ টি 'ক্ৰেডিট' বিতৰণ কৰিব পাৰেনে?**

**উত্তৰ ঃ** হয়, একেখন ৰাজ্যত থকা গোটসমূহৰ বাবে আই এছ ডিয়ে এছ জি এছ টি আৰু আই জি এছ টি 'ক্ৰেডিট' বিতৰণ কৰিব পাৰে।

**প্ৰশ্ন ১৪। একোজন আই এছ ডিৰ সকলো গ্ৰহণ কৰোতাৰ মাজত কেনেকৈ উমৈহতীয়া 'ক্ৰেডিট' বিতৰণ কৰিব?**

**উত্তৰ ঃ** সকলো গ্ৰহণ কৰোতাই ব্যৱহাৰ কৰা উমৈহতীয়া 'ক্ৰেডিট' আই এছ ডিয়ে pro rataৰ ভিত্তিত বিতৰণ কৰিব, অৰ্থাৎ সকলো গ্ৰহণ কৰোতাৰ মুঠ উপাৰ্জনৰ ভিত্তিত প্ৰতিজন গ্ৰহণ কৰোতাৰ উপাৰ্জন অনুসৰি 'ক্ৰেডিট' বিতৰণ কৰা হ'ব।

**প্ৰশ্ন ১৫। ৰাজ্যৰ বাহিৰৰ গ্ৰহণ কৰোতাক আই এছ ডিয়ে চি জি এছ টি আৰু আই জি এছ টি 'ক্ৰেডিট'——— হিচাপে বিতৰণ কৰিব পাৰে।**

(ক) আই জি এছ টি

(খ) চি জি এছ টি

(গ) এছ জি এছ টি

**প্ৰশ্ন ১৬। ৰাজ্যৰ ভিতৰতে আই এছ ডিয়ে চি জি এছ টি 'ক্ৰেডিট'—— হিচাপে বিতৰণ কৰিব পাৰে।**

**(ক) আই জি এছ টি**

**(খ) চি জি এছ টি**

**(গ) এছ জি এছ টি**

**(ঘ) ওপৰৰ যিকোনো।**

**উত্তৰ ঃ** (খ) চি জি এছ টি।

**প্ৰশ্ন ১৭। একাধিক যোগনীয়াৰে ব্যৱহাৰ কৰা ইনপুট সেৱাৰ ওপৰত পৰিশোধ কৰা কৰৰ নিৰিখ————।**

**(ক) এনে ৰাজ্যত উপাৰ্জনৰ pro rataৰ ভিত্তিত এনে ইনপুট সেৱা ব্যৱহাৰ কৰা যোগনীয়াৰসকলৰ মাজত বিতৰণ কৰা হয়।**

**(খ) সকলো যোগনীয়াৰৰ মাজত সমানে বিতৰণ কৰা হয়।**

**(গ) কেৱল এজন যোগনীয়াৰক দিয়া হয়।**

**(ঘ) বিতৰণ কৰিব নোৱাৰি।**

**উত্তৰ ঃ** (ক) এনে ৰাজ্যত উপাৰ্জনৰ pro rataৰ ভিত্তিত এনে ইনপুট সেৱা ব্যৱহাৰ কৰা যোগনীয়াৰসকলৰ মাজত বিতৰণ কৰা হয়।

**প্ৰশ্ন ১৮। বিতৰণ কৰা অতিৰিক্ত ‘ক্ৰেডিট’ আই এছ ডিৰ পৰা কৰিব পাৰেনে?**

**উত্তৰ ঃ** নোৱাৰি, বিতৰণ কৰা অতিৰিক্ত ‘ক্ৰেডিট’ কেৱল গ্ৰহণ কৰোতাৰ পৰা সুতৰ সৈতে পুনৰুদ্ধাৰ কৰিব পাৰে, আই এছ ডিৰ পৰা নোৱাৰে। ক্ৰেডিট পুনৰুদ্ধাৰৰ বাবে অনুচ্ছেদ ৭৩ বা ৭৪ৰ ব্যৱস্থাৱলী প্ৰযোজ্য হ’ব।

**প্ৰশ্ন ১৯। আইনখনৰ ব্যৱস্থাৱলী উলংঘা কৰি বিতৰণ কৰা ‘ক্ৰেডিট’ৰ পৰিণতি কি?**

**উত্তৰ ঃ** আইনখনৰ ব্যৱস্থাৱলী উলংঘা কৰি বিতৰণ কৰা ‘ক্ৰেডিট’ যাক বিতৰণ কৰা হৈছে সেই গোটৰ পৰা সুতসহ পুনৰুদ্ধাৰ কৰিব পাৰি।

***

# হিচাপৰ বিৰৰণৰ প্ৰক্ৰিয়া আৰু 'ইনপুট টেক্স ক্ৰেডিট'ৰ সাদৃশ্য

# (Return Process and matching of Input Tax Credit)

## ১২। হিচাপৰ বিৰৰণৰ (return) প্ৰক্ৰিয়া আৰু 'ইনপুট টেক্স ক্ৰেডিট'ৰ সাদৃশ্য

**প্ৰশ্ন ১। হিচাপৰ বিৰৰণ (return)ৰ উদ্দেশ্য কি?**

**উত্তৰ ঃ** (ক) কৰ প্ৰশাসনলৈ তথ্য হস্তান্তৰৰ বাবে এটা পদ্ধতি;

(খ) কৰ প্ৰশাসনৰ সন্মতি পৰীক্ষা কৰা কাৰ্যক্ৰম;

(গ) নিৰ্দিষ্ট সীমাবদ্ধ সময়ৰ ভিতৰত কৰদাতাৰ কৰ দায়ৰদ্ধতাৰ চূড়ান্তকৰণ, নিৰ্ধাৰিত সময়ৰ বাবে কৰৰ দায়বদ্ধতা ঘোষণা কৰা;

(ঘ) নীতি নিৰ্ধাৰণ কৰা (taking policy decision)ৰ বাবে আৱশ্যকীয় 'ইনপুট' প্ৰদান কৰা;

(ঙ) কৰ প্ৰশাসনৰ হিচাপ-নিকাচ আৰু ফাকি বিৰোধী কাৰ্যক্ৰম পৰিচালনা।

**প্ৰশ্ন ২। জি এছ টিৰ আমোলত কোনে হিচাপৰ বিৰৰণ দাখিল কৰিব লাগে?**

**উত্তৰ ঃ** প্ৰতিজন পঞ্জীভুক্ত কৰযোগ্য লোক —যি কৰ পৰিশোধৰ অন্তিম সীমা (threshold) অতিক্ৰম কৰে। এজন যোগনীয়াৰৰ যেতিয়া মুঠ উপাৰ্জন ন লাখ টকাৰ অধিক হয় তেতিয়া তেওঁ পঞ্জীভুক্ত হ'ব লাগে; কিন্তু দহ লাখ টকাৰ অতিক্ৰম কৰিলেহে তেওঁ কৰযোগ্য লোক হয়। সেয়ে যেতিয়া তেওঁ দহ লাখ টকাৰ অন্তিম সীমা অতিক্ৰম কৰে তেতিয়া তেওঁ হিচাপৰ বিৰৰণ দাখিল কৰিব লাগে। আন কেতবোৰ শ্ৰেণীৰ লোকো আছে যি পঞ্জীভুক্ত হ'ব লাগে আৰু তেতিয়া তেওঁলোকে হিচাপৰ বিৰৰণ দাখিল কৰিব লাগে, এনে লোকৰ শ্ৰেণীত আছে আন্তঃৰাজ্যিক যোগনীয়াৰ, টি ডি এছ কৰ্তনকাৰী, ই-কমাৰ্চ অপাৰেটৰসকল, ই-কমাৰ্চ অপাৰেটৰৰ জৰিয়তে পণ্য-সামগ্ৰীৰ যোগান ধৰা যোগনীয়াৰ ইত্যাদি (অনুসূচী ৩ আৰু ৰেজিষ্ট্ৰেচন চেণ্টাৰৰ প্ৰশ্ন ৬)।

**প্ৰশ্ন ৩। হিচাপৰ বিৰৰণত কেনে ধৰণৰ বাহিৰা (outward) যোগানৰ সবিশেষ দাখিল কৰিব লাগে?**

**উত্তৰ ঃ** একোজন সাধাৰণ কৰদাতাই একোটা মাহত সম্পন্ন কৰা বিভিন্ন ধৰণৰ

# হিচাপৰ বিৱৰণৰ প্ৰক্ৰিয়া আৰু 'ইনপুট টেক্স ক্ৰেডিট'ৰ সাদৃশ্য
# (Returns Process and matching of Input Tax Credit)

যোগান, যেনে পঞ্জীভুক্ত লোকক কৰা বাহিৰা যোগান, পঞ্জীভুক্ত নোহোৱা লোকক (উপভোক্তা) কৰা বাহিৰা যোগান, ক্ৰেডিট/ডেবিট নোটৰ (Credit/Debit Note) সবিশেষ, শূন্য নিৰিখৰ, কৰ্তন হোৱা আৰু জি এছ টি নোহোৱা (non-GST) যোগান, ৰপ্তানি আৰু ভৱিষ্যতৰ যোগান সন্দৰ্ভত গ্ৰহণ কৰা আগধনৰ ক্ষেত্ৰত জি এছ টি আৰ ১ত বাহিৰা যোগানৰ সবিশেষ দাখিল কৰিব লাগে।

**প্ৰশ্ন ৪। জি এছ টি আৰ-১ৰ সৈতে চালান (invoice)ৰ স্কেন কৰা কপি আপলোড কৰিব লাগেনে?**

**উত্তৰ ঃ** নহয়, চালানৰ স্কেন কৰা কপি আপলোড কৰিব নালাগে। কেৱল চালানৰ পৰা কেতবোৰ নিৰ্ধাৰিত ক্ষেত্ৰৰ তথ্যহে আপলোড কৰিব লাগে।

**প্ৰশ্ন ৫। সকলো চালান আপলোড কৰিব লাগেনে?**

**উত্তৰ ঃ** নহয়, এইটো নিৰ্ভৰ কৰে B2B নে B2C লগতে ৰাজ্যৰ ভিতৰুৱা (Intra-state) নে আন্তঃৰাজ্যিক (Inter-state) যোগান তাৰ ওপৰত।

B2B যোগানৰ ক্ষেত্ৰত, ৰাজ্যৰ ভিতৰুৱাই হওক বা আন্তঃৰাজ্যিক যোগানেই হওক, সকলো চালান আপলোড কৰিব লাগিব। কিয় তেনে কৰিব লাগে? কাৰণ গ্ৰহণ কৰোতাই আই টি চি ল'ব, চালানৰ সাদৃশ্য ৰক্ষা কৰিব লাগিব। B2C যোগানৰ ক্ষেত্ৰত সাধাৰণতে আপলোডিঙৰ প্ৰয়োজন নহ'ব পাৰে যিহেতু ক্ৰেতাই আই টি চি নল'ব। অৱশ্যে তথাপি স্থানভিত্তিক নীতি বজাই ৰাখিবলৈ আন্তঃৰাজ্যিক B2B যোগানত ২.৫ লাখ টকাৰ অধিক মূল্যৰ চালান আপলোড কৰিব লাগিব। ২.৫ লাখ টকাৰ তলৰ ৰাজ্যৰ আভ্যন্তৰীণ যোগানৰ বাবে আৰু সকলো ৰাজ্যৰ ভিতৰুৱা চালানৰ বাবে ৰাজ্যভিত্তিক সাৰাংশই (summary) যথেষ্ট।

**প্ৰশ্ন ৬। চালানত থকা প্ৰতিটো সামগ্ৰীৰ বিৱৰণ আপলোড কৰিব লাগিবনে?**

**উত্তৰ ঃ** নালাগে, দৰাচলতে বিৱৰণ আপলোড কৰিব নালাগে। পণ্য-সামগ্ৰী যোগানৰ ক্ষেত্ৰত কেৱল HSN Code আৰু সেৱাৰ যোগানৰ ক্ষেত্ৰত Accounting code

সন্নিৱিষ্ট  কৰিব লাগিব। দাখিল কৰোতাই আপলোড কৰিব লগা ডিজিটৰ (অংক) ন্যূনতম সংখ্যা নিৰ্ভৰ কৰিব অন্তিম বছৰত হোৱা তেওঁৰ উপাৰ্জনৰ (turnover) ওপৰত।

**প্ৰশ্ন ৭। প্ৰতিটো লেনদেনৰ মূল্য সন্নিৱিষ্ট কৰিব লাগেনে? এই ক্ষেত্ৰত বিবেচনাৰ কি ব্যৱস্থা আছে?**

**উত্তৰ ঃ** হয়, কেৱল মূল্যই নহয়, বৰঞ্চ কৰযোগ্য মূল্যও সন্নিৱিষ্ট কৰিব লাগিব। কিছুমান ক্ষেত্ৰত দুয়োটা বেলেগ বেলেগ হ'ব পাৰে।

এই ক্ষেত্ৰত বিবেচনাৰ ব্যৱস্থা নাই, কিন্তু অনুসূচী ১ৰ মতে যোগান, কৰযোগ্য মূল্য আপলোড কৰিব লাগিব।

**প্ৰশ্ন ৮। এজন গ্ৰহণ কৰোতাই তেওঁৰ জি এছ টি আৰ-২ত তেনে তথ্য সন্নিৱিষ্ট কৰিব পাৰেনে যিটো যোগনীয়াৰে নকৰিলে?**

**উত্তৰ ঃ** হয়, গ্ৰহণ কৰোতাৰ যোগনীয়াৰে আপলোড নকৰা চালানবিলাক তেওঁ নিজে সন্নিৱিষ্ট কৰিব পাৰে। এনে চালানবিলাকৰ 'ক্ৰেডিট'ও ব্যৱস্থা অনুসৰি দিয়া হ'ব কিন্তু সাদৃশ্য থাকিব লাগিব। বৈসাদৃশ্য প্ৰতিস্থা হ'লে, যদিও যোগনীয়াৰে চালানবিলাক আপলোড কৰা নাই, তেওঁলোকৰ দুয়োজনকে অৱগত কৰোৱা হ'ব। যদি বৈসাদৃশ্য শুধৰোৱা হয়, ব্যৱস্থাগত 'ক্ৰেডিট' নিশ্চিত কৰা হ'ব। অৱগত কৰোৱাৰ পিছতো যদি বৈসাদৃশ্য অব্যাহত থাকে, ব্যৱস্থা অনুসৰি প্ৰদান কৰা 'ক্ৰেডিট' ওভতাই লোৱা হ'ব।

**প্ৰশ্ন ৯। কৰযোগ্য লোকজনে জি এছ টি আৰ -২ত যিকোনো তথ্য সন্নিৱিষ্ট কৰিব লাগে নে সকলো জি এছ টি আৰ ১ৰ পৰা স্বয়ংক্ৰিয়ভাৱে সন্নিৱিষ্ট হয়?**

**উত্তৰ ঃ** যিহেতু জি এছ টি আৰ-২ৰ এটা বৃহৎ অংশ স্বয়ংক্ৰিয়ভাৱে সন্নিৱিষ্ট হ'ব, সেয়ে আমদানিৰ সবিশেষ, অপঞ্জীভুক্ত বা সংযোজন (composition) যোগনীয়াৰৰ পৰা কৰা ক্ৰয়ৰ সবিশেষ আৰু কৰ্তন/অ-জি এছ টি (non-GST)/ জি এছ টিবিহীন (nil-GST) যোগান ইত্যাদিৰ সবিশেষৰ দৰে তথ্য কেৱল গ্ৰহণ

কৰোতাই ভৰাব পাৰে।

**প্ৰশ্ন ১০। যদি চালানবিলাক নিমিলে তেতিয়া কি হ'ব? আই টি চি দিয়া হ'ব নে নহয়? যদি দিয়া নহয়, যোগনীয়াৰৰ বিৰুদ্ধে কি ব্যৱস্থা লোৱা হ'ব?**

**উত্তৰ ঃ** যদি বিপৰীত পক্ষৰ জি এছ টি আৰ-১ত থকা চালানৰ সৈতে জি এছ টি আৰ-২ত থকা চালান নিমিলে, এই বিষয়ে দুয়োকে জনোৱাৰ পিছতো যদি শুধৰণি কৰা নহয় আৰু বৈসাদৃশ্য অব্যাহত থাকে, তেন্তে আই টি চি ওভতাই লোৱা হ'ব। বৈসাদৃশ্য দুটা কাৰণত হ'ব পাৰে। প্ৰথমতে, গ্ৰহণ কৰোতাৰ ফালে হোৱা ভুলৰ বাবে এনে হ'ব পাৰে, আৰু তেতিয়া পৰৱৰ্তী পদক্ষেপৰ প্ৰয়োজন নহয়। দ্বিতীয়তে, তেতিয়াও এনে হোৱাটো সম্ভৱ যেতিয়া উল্লিখিত চালান যোগনীয়াৰে জাৰি কৰিলে যদিও তেওঁ ইয়াক আপলোড নকৰে আৰু ইয়াৰ ওপৰত কৰ পৰিশোধ কৰে। এনে পৰিস্থিতিত যোগনীয়াৰৰ বিৰুদ্ধে পুনৰুদ্ধাৰ (recovery) পদক্ষেপ লোৱা হ'ব। চমুকৈ ক'বলৈ গ'লে সকলো বৈসাদৃশ্য তেতিয়াই হয়, যেতিয়া যোগনীয়াৰে একোটা যোগান সম্পন্ন কৰি ইয়াৰ ওপৰত কৰ পৰিশোধ নকৰে।

**প্ৰশ্ন ১১। যোগনীয়াৰে পিছত ভুলটো বুজি পালে আৰু তথ্য সন্নিৱিষ্ট কৰিলে বিপৰীত 'ইনপুট টেক্স ক্ৰেডিট'ৰ ক্ষেত্ৰত আইনগত ব্যৱস্থা কি হ'ব?**

**উত্তৰ ঃ** যিকোনো পৰ্যায়ত, কিন্তু পৰৱৰ্তী বিত্তীয় বছৰৰ ছেপ্টেম্বৰৰ পূৰ্বে যোগনীয়াৰে চালান আপলোড কৰিব পাৰে আৰু যি মাহত তেওঁ চালান আপলোড কৰে সেই মাহৰ তেওঁৰ জি এছ টি আৰত এনে ভুল হোৱা চালানৰ ওপৰত কৰ আৰু সুত পৰিশোধ কৰা সুতো জি এছ টি এনত থকা এক স্বয়ংক্ৰিয় পদ্ধতিৰ জৰিয়তে গ্ৰহণ কৰোতাক ওভোতাই দিয়া হ'ব।

**প্ৰশ্ন ১২। জি এছ টি আৰ-২ৰ বিশেষত্ব কি?**

**উত্তৰ ঃ** জি এছ টি আৰ ২ৰ বিশেষত্ব হৈছে যে এজন গ্ৰহণ কৰোতাই গ্ৰহণ কৰা যোগানৰ সবিশেষ বিপৰীত পক্ষৰ যোগনীয়াৰে তেওঁৰ জি এছ টি আৰ১ত দাখিল

কৰা সবিশেষৰ ভিত্তিত স্বয়ংক্ৰিয়ভাৱে সন্নিৱিষ্ট হ'ব পাৰে।

**প্ৰশ্ন ১৩। অস্বীকাৰ কৰা আই টি চি পুনৰ সংস্থাপিত কৰিব পাৰিনে?**

**উত্তৰ ঃ** Reversalৰ পিছত অথচ পৰৱৰ্তী বিত্তীয় বৰ্ষৰ ছেপ্টেম্বৰৰ ভিতৰত যদি যোগনীয়াৰে চালান আপলোড কৰে, আগতীয়াকৈ reverse কৰা 'ক্ৰেডিট'; reversalৰ সময়ত পৰিশোধ কৰা সুতৰ ওৱাপোছ (refund)সহ পুনৰ সংস্থাপিত হ'ব।

**প্ৰশ্ন ১৪। সংযোজন আঁচনিৰ (composition scheme) অধীনস্থ কৰদাতায়ো জি এছ টি আৰ-১ আৰু জি এছ টি আৰ-২ দাখিল কৰিব লাগেনে?**

**উত্তৰ ঃ** নালাগে। সংযোগ কৰদাতাই কোনো বাহিৰা বা ভিতৰুৱা যোগানৰ বিৱৰণ দাখিল কৰিব নালাগে। বছৰৰ এক চতুৰ্থাংশ (quarterly)ৰ সমাপ্তিৰ পিছৰ মাহৰ প্ৰথম দিনাৰ ভিতৰত জি এছ টি আৰ ৪ ফৰ্মত তেওঁলোকে এটা তিনিমহীয়া (quarterly) হিচাপৰ বিৰৰণ দাখিল কৰিব লাগে। যিহেতু তেওঁলোক কোনো ইনপুট টেক্স ক্ৰেডিটৰ বাবে অৰ্হতাসম্পন্ন নহয়, তেওঁলোকৰ বাবে জি এছ টি আৰ-২ৰ প্ৰাসংগিকতা নাই আৰু যিহেতু তেওঁলোকে তেওঁলোকৰ গ্ৰহণ কৰোতালৈ কোনো ক্ৰেডিট ঠেলি নিদিয়ে, সেয়ে তেওঁলোকৰ বাবে জি এছ টি আৰ ১ৰ কোনো প্ৰাসংগিকতা নাই। তেওঁলোকৰ হিচাপৰ বিৰৰণত তেওঁলোকে কৰ পৰিশোধৰ সবিশেষৰ লগতে বাহিৰা যোগানৰ সবিশেষ সাৰাংশ ঘোষণা কৰিব লাগে। তেওঁলোকে তেওঁলোকৰ তিনিদফীয়া হিচাপৰ বিৰৰণত ক্ৰয়ৰ সবিশেষো দিব লাগে, যাৰ বেছিভাগ স্বয়ংক্ৰিয়ভাৱে সন্নিৱিষ্ট হ'ব।

**প্ৰশ্ন ১৫। ইনপুট ছাৰ্ভিচ ডিষ্ট্ৰিবিউটৰে (ISD) তেওঁলোকৰ হিচাপৰ বিৰৰণত বাহিৰা আৰু ভিতৰুৱা যোগানৰ পৃথক বৰ্ণনা দাখিল কৰিব লাগেনে?**

**উত্তৰ ঃ** নালাগে, আই এছ ডিসকলে কেৱল জি এছ টি-৬ত এটা হিচাপৰ বিৰৰণ দাখিল কৰিব লাগে আৰু সেয়া প্ৰদানকাৰীৰ পৰা তেওঁলোকে লাভ কৰা ক্ৰেডিটৰ

সবিশেষ আৰু প্ৰতিপোষকসকলক (subsidiaries) তেওঁলোকে বিতৰণ কৰা 'ক্ৰেডিট'ৰ সবিশেষ বিৰৰণত থাকিব লাগে। যিহেতু তেওঁলোকৰ বিৰৰণত এই দিশবোৰ সামৰি লোৱা হয়, সেয়ে ভিতৰুৱা আৰু বাহিৰা যোগানৰ বৰ্ণনা পৃথকে দাখিল কৰিব নালাগে।

**প্ৰশ্ন ১৬। এজন কৰদাতাই তেওঁৰ হৈ উৎসতে কৰ্তন কৰা কৰৰ নিৰিখ কেনেকৈ পায়? 'ক্ৰেডিট' পাবলৈ তেওঁ যাৰ পৰা কৰ্তন কৰা হৈছে তেওঁৰ (diductee) পৰা টি ডি এছ প্ৰমাণপত্ৰ দাখিল কৰিব লাগেনে?**

**উত্তৰ ঃ** জি এছ টিৰ অধীনত কৰ্তন কৰোতা (diductor)ই যি মাহত কৰ্তন কৰা হয় সেই মাহৰ পৰৱৰ্তী মাহৰ দহ দিনৰ ভিতৰতে দাখিল কৰিবলগীয়া জি এছ টি আৰ ৭ প্ৰপত্ৰত তেওঁৰ হিচাপৰ বিৰৰণত সকলো কৰ্তনৰ diducteeভিত্তিক সবিশেষ দাখিল কৰিব। কৰ্তন কৰোতাই আপলোড কৰা কৰ্তনৰ সবিশেষ যাৰ পৰা কৰ্তন কৰা হয় তেওঁৰ (diductee) জি এছ টি আৰ ২ত স্বয়ংক্ৰিয়ভাৱে সন্নিৱিষ্ট হ'ব। কৰদাতাই তেওঁৰ হৈ কৰা কৰ্তনৰ বাবে 'ক্ৰেডিট' পাবলৈ তেওঁৰ জি এছ টি আৰ ২ত এই সবিশেষ নিশ্চিত কৰিব লাগিব। এই 'ক্ৰেডিট' পাবলৈ তেওঁ বস্তুগত বা বৈদ্যুতিন ৰূপত কোনো প্ৰমাণ পত্ৰ দাখিল কৰিব নালাগে। এই প্ৰমাণ পত্ৰ কৰদাতাৰ তথ্য সংৰক্ষণৰ বাবেহে আৰু উমৈহতীয়া প'ৰ্টেলৰ পৰা ডাউনল'ড কৰিব পাৰিব।

**প্ৰশ্ন ১৭। বাৰ্ষিক হিচাপৰ বিৰৰণ কোনসকলে দাখিল কৰিব লাগে?**

**উত্তৰ ঃ** অস্থায়ী কৰদাতা আৰু সংযোজন আঁচনিৰ (composition scheme) অধীনস্থ কৰদাতাসকলৰ বাহিৰে জি এছ টি আৰ-১ৰ পৰা ৩লৈ হিচাপৰ বিৰৰণ দাখিল কৰা সকলো কৰদাতাই একোটা বাৰ্ষিক হিচাপৰ বিৰৰণ দাখিল কৰিব লাগে। অস্থায়ী কৰদাতা, অনা-আবাসিক কৰদাতা, আইএছডিসকল আৰু উৎসতে কৰ কৰ্তন কৰিবলৈ কৰ্তৃত্বপ্ৰাপ্ত লোকসকলে বাৰ্ষিক হিচাপৰ বিৰৰণ দাখিল কৰিব নালাগে।

**প্ৰশ্ন ১৮। একোটা বাৰ্ষিক হিচাপৰ বিৰৰণ আৰু একোটা চূড়ান্ত বিৰৰণ** (final

**return) এটাই আৰু একে হয়নে?**

**উত্তৰ ঃ** নহয়, বাৰ্ষিক হিচাপৰ বিৰৰণ (annual return) এজন সাধাৰণ বা এজন মিশ্ৰণ (compounding) কৰদাতা হিচাপে কৰ পৰিশোধ কৰি থকা প্ৰতিজন পঞ্জীভুক্ত কৰযোগ্য লোকে দাখিল কৰিব লাগে। চূড়ান্ত হিচাপৰ বিৰৰণ কেৱল সেইসকল পঞ্জীভুক্ত কৰযোগ্য লোকে দাখিল কৰিব লাগে, যি পঞ্জীয়ন বাতিলকৰণৰ বাবে আবেদন কৰিছে। বাতিলকৰণৰ তাৰিখ বা বাতিলকৰণৰ নিৰ্দেশৰ তাৰিখৰ পৰা তিনি মাহৰ ভিতৰত ইয়াক দাখিল কৰিব লাগে।

**প্ৰশ্ন ১৯। যদি কিবা পৰিৱৰ্তন সাধন কৰিবলগীয়া হয়, দাখিল কৰা হিচাপৰ বিৰৰণ কেনেকৈ সংশোধন কৰিব পাৰি?**

**উত্তৰ ঃ** জি এছ টিত যিহেতু ব্যক্তিগত লেনদেনৰ সবিশেষৰ পৰা হিচাপৰ বিৰৰণ প্ৰস্তুত কৰা হয়, সেয়ে একোটা সংশোধিত বিৰৰণ থকাৰ আৱশ্যক নহয়। এলানি চালান বা ডেবিট/ক্ৰেডিট নোটত পৰিৱৰ্তন সাধন কৰিবলগীয়া হ'লেহে একোটা হিচাপৰ বিৰৰণ সংশোধনৰ আৱশ্যক হয়। ইতিমধ্যে দাখিল কৰা হিচাপৰ বিৰৰণ সংশোধন কৰাৰ পৰিৱৰ্তে সংশোধিত হ'বলগীয়া সেই লেনদেনৰ সবিশেষ (চালান বা ডেবিট/ক্ৰেডিটৰ পৰিৱৰ্তন সাধন কৰিবলৈ পদ্ধতিয়ে (system) অনুমতি দিব। পূৰ্বতে ঘোষিত সবিশেষ সংশোধনৰ উদ্দেশ্যে বিশেষভাৱে ব্যৱস্থা কৰা টেবুলবিলাকত যিকোনো ভৱিষ্যৎ জি এছ টি আৰ ১/২ত সেইবিলাক সংশোধন কৰিব পাৰি।

**প্ৰশ্ন ২০। কৰদাতাই কেনেকৈ তেওঁলোকৰ হিচাপৰ বিৰৰণ দাখিল কৰিব পাৰে?**

**উত্তৰ ঃ** কৰদাতাই বৰ্ণনা (statements) আৰু হিচাপৰ বিৰৰণ (returns) দাখিল কৰিবৰ বাবে বিভিন্ন ধৰণৰ পদ্ধতি থাকিব। প্ৰথমতে, তেওঁলোকে উমৈহতীয়া প'ৰ্টেলত অনলাইনত পোনপটীয়াকৈ বৰ্ণনা আৰু হিচাপৰ বিৰৰণ দাখিল কৰিব পাৰে। অৱশ্যে ই আমনিদায়ক হ'ব পাৰে আৰু বৃহৎসংখ্যক চালান থকা কৰদাতাক দীৰ্ঘ সময় লাগিব পাৰে। প্ৰতিজন কৰদাতাৰ বাবে, একোটা 'অফলাইন' (offline) ব্যৱস্থা প্ৰদান কৰা

হ'ব আৰু স্বয়ংক্ৰিয়ভাৱে সন্নিৱিষ্ট সবিশেষ ডাউনলোড আৰু উমৈহতীয়া প'ৰ্টেলত চিবিলাক আপলোড কৰাৰ পিছত অফলাইনত বৰ্ণনা প্ৰস্তুত কৰিবৰ বাবে তাক ব্যৱহাৰ কৰিব পাৰিব। জি এছ টি এনে 'জি এছ টি সুবিধা প্ৰভাইডাৰ্ছ'ৰ এটা ইক'ছীষ্টেমৰো বিকাশ ঘটাইছে যিটোৱে উমৈহতীয়া প'ৰ্টেলৰ সৈতে সমন্বয় সাধন কৰিব।

**প্ৰশ্ন ২১। জি এছ টিৰ অধীনত এক সুচল সন্মতিৰ বাবে এজন নিষ্ঠাবান কৰদাতাই কোনবোৰ কথা নিশ্চিত কৰিব লাগে?**

**উত্তৰ ঃ** জি এছ টিৰ অধীনত সবাতোকৈ গুৰুত্বপূৰ্ণ কথাবোৰৰ অন্যতম হৈছে পৰৱৰ্তী মাহৰ ১০ দিনৰ ভিতৰত জি এছ টি আৰ ১ত বাহিৰা যোগানৰ সবিশেষ সময়মতে আপলোড কৰা। এই কথা কিমান উত্তম ৰূপত নিশ্চিত কৰিব পাৰি সেয়া নিৰ্ভৰ কৰিব কৰদাতাই জাৰি কৰা বিটুবি চালানৰ সংখ্যাৰ ওপৰত। যদি সংখ্যাটো সৰু হয়, তেতিয়া কৰদাতাই এবাৰ গৈয়ে সকলো তথ্য আপলোড কৰিব পাৰে। অৱশ্যে যদি চালানৰ সংখ্যা ডাঙৰ হয়, তেতিয়া চালানবিলাক (বা ডেবিট/ক্ৰেডিট নোটছ) নিয়মীয়াকৈ আপলোড কৰিব লাগে। আনকি এক প্ৰকৃত সময়ৰ ভিত্তিত জি এছ টিয়ে এনে চালানৰ নিয়মীয়া আপলোডিঙৰ অনুমতি দিব। বৰ্ণনাটো প্ৰকৃতাৰ্থত দাখিল কৰালৈকে, পদ্ধতিটোৱে কৰদাতাক আপলোড কৰা চালানবিলাক আপলোড কৰিলে কৰদাতাৰ বাবে সদায়ে লাভদায়ক হ'ব। অন্তিম মুহূৰ্তত কৰা দৌৰা-দৌৰিয়ে আপলোডিং জটিল কৰি তুলিব আৰু সম্ভাব্য ব্যৰ্থতা আৰু বেমেজালিৰ আশংকা বৃদ্ধি পাব। দ্বিতীয়তে নিশ্চিত কৰিবলগীয়া কথাটো হৈছে কৰদাতাই তেওঁলোকৰ যোগনীয়াৰে কৰা ভিতৰুৱা যোগানৰ চালানবিলক আপলোডিং কৰাৰ ওপৰত চকু ৰাখিব লাগিব। কোনো ধৰণৰ বিশৃংখলতা আৰু বিলম্ব নোহোৱাকৈ 'ইনপুট টেক্স ক্ৰেডিট'ৰ পৰ্যাপ্ততা নিশ্চিত কৰাত ই সহায়ক হ'ব। গ্ৰহণ কৰোতাই তেওঁলোকৰ যোগনীয়াৰক নিৰ্ধাৰিত তাৰিখত বা অন্তিম সময়ত কৰাৰ পৰিৱৰ্তে নিয়মীয়াকৈ তেওঁলোকৰ চালানবিলাক আপলোড কৰিবলৈ উৎসাহ দিব পাৰে। এই পদ্ধতিয়ে

গ্ৰহণ কৰোতাক তেওঁলোকৰ সৈতে সম্পৰ্কযুক্ত চালানবিলাক যোগনীয়াৰে আপলোড কৰিছেনে নাই সেয়া চোৱাৰ সুযোগ দিব। জি এছ টি এন পদ্ধতিয়ে একোজন কৰদাতাৰ সন্মতিৰ স্তৰৰ বিষয়ে পূৰ্বৰ অভিলেখ, বিশেষকৈ একোজন যোগনীয়াৰে জাৰি কৰা চালানৰ বাবে হোৱা স্বয়ংক্ৰিয় বৈপৰীত্য (auto reversals)ৰ বিষয়ে সবিশেষ সম্বলিত তেওঁৰ যোগান চালানবিলাক সময় মতে আপলোড কৰাৰ পূৰ্বৰ অভিলেখ প্ৰদান কৰিব। জি এছ টিৰ উমৈহতীয়া প'ৰ্টেলৰ জৰিয়তে সমগ্ৰ ভাৰতৰে তথ্য এঠাইতে উপলব্ধ হ'ব যি কৰদাতাসকলক মূল্যৱান সেৱা আগবঢ়াব পাৰিব। চালানৰ নিয়মীয়া আপলোডিং যিমান পাৰি সিমান সহজ কৰি তুলিবলৈ চেষ্টা চলাই থকা হৈছে আৰু আশা কৰা হৈছে যে এক সক্ষম ইক'-ছীষ্টেমে এই উদ্দেশ্যত বিকাশ লাভ কৰিব। জি এছ টিৰ অধীনত সহজ আৰু সুবিধাজনক সন্মতিৰ বাবে কৰদাতাসকলে এই ইক'-ছীষ্টেমৰ যথাৰ্থ ব্যৱহাৰ কৰা দৰকাৰ।

**প্ৰশ্ন ২২। কৰদাতাৰ বাবে নিজে হিচাপৰ বিৰৰণ দাখিল কৰাটো বাধ্যতামূলক নেকি?**

**উত্তৰ ঃ** নহয়, এজন পঞ্জীভুক্ত কৰদাতা লোকে কেন্দ্ৰীয় বা ৰাজ্যিক কৰ প্ৰশাসনৰ দ্বাৰা বিধিগতভাৱে অনুমোদিত একোজন কৰ বিৰৰণ প্ৰস্তুত কৰ্তা (Tax Return Preparer)ৰ জৰিয়তেও তেওঁৰ হিচাপৰ বিৰৰণ দাখিল কৰিব পাৰে।

**প্ৰশ্ন ২৩। নিৰ্ধাৰিত তাৰিখৰ ভিতৰত হিচাপৰ বিৰৰণ দাখিল নকৰিলে পৰিণতি কি হ'ব?**

**উত্তৰ ঃ** নিৰ্ধাৰিত তাৰিখৰ ভিতৰত হিচাপৰ বিৰৰণ দাখিল কৰা একোজন পঞ্জীভুক্ত কৰদাতাই সৰ্বাধিক পাঁচ হাজাৰ টকা প্ৰযোজ্য হোৱাকৈ বিলম্ব হোৱা প্ৰতিদিনৰ বাবে এশ টকাৰ বিলম্ব মাচুল (Late fees) আদায় দিব লাগিব।

***

# কৰ নিৰ্ধাৰণ আৰু হিচাপ-নিকাচ
# (Assessment and Audit)

১৩ । <u>কৰ নিৰ্ধাৰণ আৰু হিচাপ-নিকাচ </u>(Assessment and Audit)

**প্ৰশ্ন ১ ঃ এই আইনৰ অধীনত পৰিশোধ কৰিবলগীয়া কৰ নিৰ্ধাৰণৰ বাবে কোন দায়বদ্ধ ?**

উত্তৰ ঃ এই আইনৰ অধীনত পঞ্জীভূক্ত প্ৰতিজন লোকে একোটা কৰ সময়সীমাৰ বাবে তেওঁ পৰিশোধ কৰিবলগীয়া কৰ নিজেই নিৰ্ধাৰণ কৰিব আৰু এনে নিৰ্ধাৰণৰ পিছত তেওঁ অনুসূচী ২৭ৰ অধীনত প্ৰয়োজনীয় হিচাপ-নিকাচৰ বিৱৰণ দাখিল কৰিব।

**প্ৰশ্ন ২ ঃ গ্ৰহণ কৰোতাই ওভতাই দিয়া পণ্য-সামগ্ৰীৰ কৰ ব্যৱস্থাৰ বাবে এম জি এলত কিবা বিধি আছেনে ?**

উত্তৰ ঃ হয়, এম জি এলত অনুসূচী ৪৪ত সন্নিৱিষ্ট ব্যাখ্যাত এনে ব্যৱস্থাৰ কথা উল্লেখ আছে। ইয়াত কোৱা হৈছে যে প্ৰাসংগিক চালানৰ তাৰিখৰ পৰা ছমাহৰ ভিতৰত গ্ৰহণ কৰোতাই যোগনীয়াৰক ওভতাই দিয়া ভিতৰুৱা যোগান হিচাপে গৃহীত পণ্য-সামগ্ৰীৰ ক্ষেত্ৰত, এনে যোগানৰ বাবে পৰিশোধ কৰিবলগীয়া কৰৰ পৰিমাণ পূৰ্বতে এনে ভিতৰুৱা যোগানৰ ক্ষেত্ৰত লাভ কৰা 'ইনপুট টেক্স ক্ৰেডিট'ৰ সমান হ'ব। এই বিধিত প্ৰয়োজন অনুসৰি নিশ্চিত কৰা হৈছে যে যদি গ্ৰহণ কৰোতাই যোগনীয়াৰক ইয়াৰ যোগানৰ প্ৰকৃত তাৰিখৰ পৰা ছমাহৰ ভিতৰত পণ্য-সামগ্ৰী ওভতাই দিয়ে, এনেদৰে ওভতাই দিয়া পণ্য-সামগ্ৰীৰ ওপৰত তেওঁৰ কৰৰ দায়বদ্ধতা পূৰ্বৰ দৰে একে থাকিব যিটো পূৰ্বৰ যোগানৰ সময়ত আছিল। চালানৰ প্ৰকৃত যোগানৰ তাৰিখৰ পৰা যদি ছমাহৰ পিছত পণ্য-সামগ্ৰী ওভতাই দিয়া হয়, প্ৰযোজ্য হ'বলগীয়া কৰৰ নিৰিখ হ'ব, এনেদৰে ওভতাই দিয়াৰ তাৰিখত বৰ্তি থকা নিৰিখৰ সমান।

**প্ৰশ্ন ৩ ঃ ২০১৭ৰ এপ্ৰিল মাহত 'এ'য়ে 'বি'ক পণ্য-সামগ্ৰী যোগান ধৰিছিল, এই পণ্য-সামগ্ৰী ২০১৭ৰ জুন মাহত 'এ'য়ে 'বি'ক ওভতাই দিলে। এই পণ্য-সামগ্ৰীৰ ওপৰত 'এ'য়ে আৰোপ কৰা কৰৰ নিৰিখ আছিল ১৮ শতাংশ। ২০১৭ৰ মে' মাহত এই নিৰিখ ১৮.৫ শতাংশলৈ সংশোধিত হয়। 'বি'য়ে 'এ'ক ওভতাই দিয়া এনে**

**ভিতৰুৱা যোগানৰ ওপৰত পৰিশোধ কৰিবলগীয়া কৰৰ পৰিমাণ কি হ'ব?**

উত্তৰ ঃ ১৮ শতাংশ।

**প্ৰশ্ন ৪ ঃ একোটা ব্যৱস্থাৰ ভিত্তিত (provisional basis) এজন কৰযোগ্য লোকে কেতিয়া কৰ পৰিশোধ কৰিব পাৰে?**

উত্তৰ ঃ যিহেতু এজন কৰযোগ্য লোকে স্ব-নিৰ্ধাৰণৰ ভিত্তিত কৰ পৰিশোধ কৰিব লাগে, গতিকে ব্যৱস্থাৰ ভিত্তিত কৰ পৰিশোধ কৰাৰ অনুৰোধ কৰদাতাজনৰ পৰা আহিব লাগিব, তাৰ পিছতহে ন্যায্য বিষয়াই অনুমতি প্ৰদান কৰিব। আন কথাত ক'বলৈ গ'লে কৰ বিষয়াই ব্যৱস্থাৰ ভিত্তিত কৰ পৰিশোধৰ বাবে নিজাববীয়াকৈ নিৰ্দেশ দিব নোৱাৰে। ইয়াক এম জি এলৰ অনুচ্ছেদ ৪৪এত নিৰ্ধাৰণ কৰা আছে। ন্যায্য বিষয়াই এক নিৰ্দেশনা জাৰী কৰাৰ পিছতহে ব্যৱস্থাৰ ভিত্তিত কৰ পৰিশোধ কৰিব পাৰিব। এই উদ্দেশ্যে কৰযোগ্য লোকজনে ন্যায্য বিষয়াক এটা লিখিত অনুৰোধ দাখিল কৰিব লাগিব, য'ত এটা ব্যৱস্থাৰ ভিত্তিত কৰ পৰিশোধৰ কাৰণ সন্নিবিষ্ট থাকিব লাগিব। এনেধৰণৰ অনুৰোধ কৰযোগ্য লোকজনে কেৱল তেতিয়াহে কৰিব পাৰিব যেতিয়া তেওঁ নিৰ্ধাৰণ কৰিবলৈ সক্ষম নহয় ঃ

ক) তেওঁ যোগান ধৰিবলগীয়া পণ্য-সামগ্ৰী অথবা সেৱাৰ মূল্য, বা

খ) তেওঁ যোগান ধৰিবলগীয়া পণ্য-সামগ্ৰী অথবা সেৱাৰ কৰ নিৰিখ নিৰ্ধাৰণ।

এনে ক্ষেত্ৰসমূহত কৰযোগ্য লোকজনে নিৰ্ধাৰিত প্ৰ-পত্ৰত এটা 'ব'ণ্ড' (bond) কাৰ্যকৰী কৰিব লাগিব, আৰু ইয়াৰ নিশ্চয়তা বা নিৰাপত্তা ন্যায্য বিষয়াজনে উপযুক্ত বুলি গণ্য কৰিব লাগিব।

**প্ৰশ্ন ৫ ঃ চূড়ান্ত কৰ নিৰ্ধাৰণ কৰিবলগীয়া শেহতীয়া সময় কি?**

উত্তৰ ঃ ন্যায্য বিষয়াৰ দ্বাৰা ব্যৱস্থাগত নিৰ্ধাৰণৰ নিৰ্দেশনা জাৰি কৰাৰ পৰা ছমাহৰ ভিতৰত বিষয়াজনে চূড়ান্ত কৰ নিৰ্ধাৰণ নিৰ্দেশনা অনুমোদন কৰিব লাগে। অৱশ্যে, উত্থাপন কৰা উপযুক্ত কাৰণৰ ভিত্তিত আৰু লিখিতভাৱে নথিভুক্ত কৰিবলগীয়া

যুক্তিসমূহৰ ভিত্তিত ওপৰত উল্লিখিত ছমাহ বৃদ্ধি কৰিব পাৰি ঃ

ক) ছমাহ অতিক্ৰম কৰি পৰৱৰ্তী সময়ৰ বাবে যুটীয়া/অতিৰিক্ত আয়ুক্তৰ দ্বাৰা, আৰু

খ) এনেধৰণৰ পৰৱৰ্তী সময়ৰ বাবে আয়ুক্তই উপযুক্ত বুলি ভাবিলে।

**প্ৰশ্ন ৬ ঃ যদি কৰৰ দায়বদ্ধতা চূড়ান্ত নিৰ্ধাৰণত ব্যৱস্থাগত নিৰ্ধাৰণতকৈ বেছি হয়, তেতিয়া কৰযোগ্য লোকজনে সুত ভৰিব লাগেনে?**

উত্তৰ ঃ হয়। মূলতে কৰ পৰিশোধ কৰিবলগীয়া তাৰিখৰ পৰা তেওঁ প্ৰকৃতাৰ্থত পৰিশোধ কৰা তাৰিখলৈকে তেওঁ সুত দিবলৈ দায়বদ্ধ।

**প্ৰশ্ন ৭ ঃ এম জি এলৰ অনুচ্ছেদ ৪৫ৰ অধীনত হিচাপৰ বিৱৰণত ধৰা পৰা বৈসাদৃশ্যৰ বাবে সঠিক ব্যাখ্যা দাখিল নকৰিলে বিষয়াই কি পদক্ষেপ গ্ৰহণ কৰিব পাৰে?**

উত্তৰ ঃ যদি কৰযোগ্য লোকজনে তেওঁক অৱগত কৰোৱাৰ পৰা ৩০ দিনৰ ভিতৰত (সংশ্লিষ্ট বিষয়াৰ দ্বাৰা বঢ়াব পাৰি) এটা সন্তোষজনক ব্যাখ্যা আগনবঢ়ায় বা উক্ত বৈসাদৃশ্য মানি লোৱাৰ পিছত এক যুক্তিসংগত সময়ৰ ভিতৰত সংশোধনৰ পদক্ষেপ গ্ৰহণ নকৰে, ন্যায্য বিষয়াজনে নিম্নোল্লিখিত যিকোনো ব্যৱস্থাৱলীৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰিব পাৰে ঃ

ক) আইনখনৰ অনুচ্ছেদ ৪৯ৰ অধীনত হিচাপ-নিকাচ কৰাৰ ব্যৱস্থা কৰিব পাৰে;

খ) অনুচ্ছেদ ৫০ৰ অধীনত এক বিশেষ হিচাপ-নিকাচৰ নিৰ্দেশ দিব পাৰে, যিটো আয়ুক্তই এই উদ্দেশ্যে মনোনীত কৰা এজন চাৰ্টাৰ্ড একাউণ্টেণ্টৰ দ্বাৰা বা এজন কষ্ট একাউণ্টেণ্টৰ দ্বাৰা কৰাব লাগিব; বা

গ) আইনখনৰ অনুচ্ছেদ ৬০ৰ অধীনত পৰিদৰ্শন, অনুসন্ধান আৰু জব্দ কৰাৰ পদক্ষেপ গ্ৰহণ কৰিব পাৰে; বা

ঘ) আইনখনৰ অনুচ্ছেদ ৫১ৰ অধীনত কৰ নিৰ্ণয়ৰ পদক্ষেপ গ্ৰহণ কৰিব

পাৰে।

**প্ৰশ্ন ৮ ঃ অনুচ্ছেদ ৪৬ৰ অধীনত কৰ নিৰ্ধাৰণ সম্পূৰ্ণ কৰাৰ পূৰ্বে ন্যায্য বিষয়াই কৰযোগ্য লোকলৈ কোনো জাননী দিব লাগেনে?**

উত্তৰ ঃ যিহেতু এই ব্যৱস্থা 'উত্তম বিচাৰ কৰ নিৰ্ধাৰণ' (best judgment assessment)ৰ সৈতে সম্পৰ্কযুক্ত গতিকে কৰযোগ্য লোকজনলৈ এখন জাননী প্ৰেৰণ কৰাৰ আৱশ্যক নহয়।

**প্ৰশ্ন ৯ ঃ আইনৰ (অনুচ্ছেদ ২৭ বা ৩১ৰ অধীনত) হিচাপৰ বিৱৰণ দাখিল কৰা এজন কৰযোগ্য লোক ব্যৰ্থ হ'লে কৰ বিষয়াই কি আইনী পদক্ষেপ গ্ৰহণ কৰিব?**

উত্তৰ ঃ ন্যায্য বিষয়াজনে প্ৰথমে এম জি এলৰ অনুচ্ছেদ ৩২ৰ অধীনত ব্যৰ্থ কৰযোগ্য লোকজনলৈ এখন জাননী জাৰি কৰিব, য'ত তেওঁক এক নিৰ্ধাৰিত সময়ৰ ভিতৰত হিচাপৰ বিৱৰণ দাখিল কৰিবলৈ কোৱা হ'ব, যি সময় এম জি এলৰ অনুচ্ছেদ ৪৬ অনুসৰি কমেও পোন্ধৰ দিন হ'ব। যদি কৰযোগ্য লোকজনে এই নিৰ্ধাৰিত সময়ৰ ভিতৰত হিচাপৰ বিৱৰণ দাখিল কৰাত ব্যৰ্থ হয় ন্যায্য বিষয়াজনে তেওঁৰ ওচৰত থকা সকলো প্ৰাসংগিক তথ্য-পাতিৰ আধাৰত নিজা সৰ্বোত্তম বিচাৰৰ ভিত্তিত ব্যৰ্থ লোকজনৰ কৰৰ দায়বদ্ধতা নিৰ্ধাৰণ কৰাৰ পদক্ষেপ গ্ৰহণ কৰিব। এই ক্ষমতা এম জি এলৰ অনুচ্ছেদ ৪৬ৰ অধীনত প্ৰদান কৰা হৈছে।

**প্ৰশ্ন ১০ ঃ অনুচ্ছেদ ৪৬ৰ অধীনত জাৰি কৰা একোটা উত্তম বিচাৰ নিৰ্ধাৰণ (best judgment assessment)ৰ নিৰ্দেশ কি পৰিস্থিতিত বাতিল কৰিব পাৰি?**

উত্তৰ ঃ এম জি এলৰ অনুচ্ছেদ ৪৬ৰ অধীনত ন্যায্য বিষয়াই জাৰি কৰা উত্তম বিচাৰ নিৰ্দেশনা স্বয়ংক্ৰিয়ভাৱে বাতিল হ'ব, যদিহে কৰযোগ্য লোকজনে ব্যৰ্থ হোৱা সময়খিনিৰ বাবে (অৰ্থাৎ তেওঁ নিৰ্ধাৰণ কৰা মতে হিচাপৰ বিৱৰণ যদি দাখিল কৰে আৰু কৰ পৰিশোধ কৰে), উত্তম বিচাৰ নিৰ্ধাৰণৰ নিৰ্দেশ লাভ কৰাৰ ৩০ দিনৰ ভিতৰত এটা বৈধ হিচাপৰ বিৱৰণ দাখিল কৰে।

**প্ৰশ্ন ১১ ঃ অনুচ্ছেদ ৪৬ আৰু ৪৭ৰ অধীনত নিৰ্দেশনা জাৰি কৰাৰ সময়সীমা কি ?**

উত্তৰ ঃ অনুচ্ছেদ ৪৬ বা ৪৭ৰ অধীনত এটা নিৰ্ধাৰণ নিৰ্দেশনা জাৰি কৰাৰ সময়সীমা হৈছে বাৰ্ষিক হিচাপৰ বিৱৰণ দাখিলৰ তাৰিখৰ পৰা তিনি বা পাঁচ বছৰ।

**প্ৰশ্ন ১২ ঃ কৰ পৰিশোধ কৰিবলৈ দায়বদ্ধ কিন্তু পঞ্জীয়ন আহৰণত ব্যৰ্থ এজন লোকৰ ক্ষেত্ৰত ল'বলগীয়া আইনগত পদক্ষেপ কি ?**

উত্তৰ ঃ এম জি এলৰ অনুচ্ছেদ ৪৭ত কোৱা হৈছে যে এনে ক্ষেত্ৰত, ন্যায্য বিষয়াজনে কৰৰ দায়বদ্ধতা নিৰ্ধাৰণ কৰিব পাৰে আৰু প্ৰাসংগিক কৰ সময়ৰ বাবে তেওঁৰ উত্তম বিচাৰৰ এক নিৰ্দেশনা জাৰি কৰিব পাৰে। অৱশ্যে এনে নিৰ্দেশনা যাৱতীয় কৰ পৰিশোধ নকৰা বিত্তীয় বৰ্ষৰ বাবে দাখিল কৰা বাৰ্ষিক হিচাপৰ বিৱৰণৰ তাৰিখৰ পৰা পাঁচ বছৰৰ ভিতৰত জাৰি কৰিব লাগিব।

**প্ৰশ্ন ১৩ ঃ কি পৰিস্থিতিত এজন কৰ বিষয়াই সাৰাংশ নিৰ্ধাৰণ (Summary Assessment)ৰ ব্যৱস্থা কৰিব পাৰে ?**

উত্তৰ ঃ এম জি এলৰ অনুচ্ছেদ ৪৮ অনুসৰি ৰাজহৰ স্বাৰ্থ সুৰক্ষিত কৰিবৰ বাবে তেতিয়াই সাৰাংশ নিৰ্ধাৰণৰ ব্যৱস্থা কৰিব পাৰে ঃ

ক) ন্যায্য বিষয়াজনৰ ওচৰত এই প্ৰমাণ যেতিয়া থাকে যে আইনখনৰ অধীনত এজন কৰযোগ্য লোকে কৰ পৰিশোধৰ দায়বদ্ধতা অস্বীকাৰ কৰে, আৰু

খ) ন্যায্য বিষয়াজনে যেতিয়া বিশ্বাস কৰে যে এটা কৰ নিৰ্ধাৰণৰ নিৰ্দেশ জাৰি কৰাত বিলম্ব হ'লে ৰাজহৰ স্বাৰ্থত ওলোটা প্ৰভাৱ পৰিব।

অতিৰিক্ত আয়ুক্ত/যুটীয়া আয়ুক্তৰ পৰা অনুমতি বিচৰাৰ পিছত এনে নিৰ্দেশনা জাৰি কৰিব পাৰে।

**প্ৰশ্ন ১৪ ঃ আবেদনৰ দ্বাৰা শুধৰণি কৰাৰ বাহিৰে একোটা সাৰাংশ নিৰ্ধাৰণ নিৰ্দেশনাৰ বিপৰীতে পদক্ষেপ গ্ৰহণ কৰাৰ বাবে কৰযোগ্য লোকৰ হাতত অন্য পদক্ষেপ আছেনে?**

উত্তৰ ঃ এজন কৰযোগ্য লোক যাৰ বিৰুদ্ধে এটা সাৰাংশ নিৰ্ধাৰণ নিৰ্দেশনা জাৰি হৈছে, তেওঁ এই নিৰ্দেশনা লাভ কৰাৰ পৰা ত্ৰিশ দিনৰ ভিতৰত ন্যায়িক অতিৰিক্ত/যুটীয়া আয়ুক্তৰ ওচৰত ইয়াৰ বাতিলৰ বাবে আবেদন জনাব পাৰে। যদি উক্ত বিষয়াজনে নিৰ্দেশনাটো অসংগত বুলি বিবেচনা কৰে তেতিয়া তেওঁ ইয়াক বাতিল কৰিব পাৰে আৰু এম জি এলৰ অনুচ্ছেদ ৫১অনুসৰি ন্যায্য বিষয়াজনক কৰ দায়বদ্ধতা নিৰ্ণয় কৰিবলৈ নিৰ্দেশ দিব পাৰে। অতিৰিক্ত/যুটীয়া আয়ুক্তই সাৰাংশ নিৰ্ধাৰণ নিৰ্দেশনাটো অসংগত বুলি বিবেচনা কৰিলে নিজাববীয়াকৈ একেধৰণৰ এক পদক্ষেপ গ্ৰহণ কৰিব পাৰে। (এম জি এলৰ অনুচ্ছেদ ৪৮)

**প্ৰশ্ন ১৫ ঃ কৰযোগ্য লোকজনৰ বিৰুদ্ধে সাৰাংশ নিৰ্ধাৰণ নিৰ্দেশনা জাৰি কৰাটো প্ৰয়োজনীয় নেকি?**

উত্তৰ ঃ নহয়, যেতিয়া পণ্য-সামগ্ৰী পৰিবহনৰ অৱস্থাত থাকে বা একোটা গুদামঘৰত জমা থাকে, আৰু কৰযোগ্য লোকজনে এনে পণ্য-সামগ্ৰীৰ ক্ষেত্ৰত নিশ্চিত হ'ব নোৱাৰে, এনেকুৱা কিছুমান বিশেষ ক্ষেত্ৰত এনে পণ্য-সামগ্ৰীৰ দায়িত্বত থকা লোকজন কৰযোগ্য লোক হ'ব আৰু কৰৰ ক্ষেত্ৰত নিৰ্ধাৰিত হ'ব (এম জি এলৰ অনুচ্ছেদ ৪৮)।

**প্ৰশ্ন ১৬ ঃ কৰযোগ্য লোকজনৰ হিচাপ-নিকাচ কোনে কৰিব?**

উত্তৰ ঃ এম জি এলৰ অনুচ্ছেদ ৪৯ অনুসৰি এটা সাধাৰণ বা বিশেষ নিৰ্দেশনাৰ দ্বাৰা তেওঁৰ আয়ুক্তই কৰ্তৃত্ব প্ৰদান কৰা এজন চি জি এছ টি বা এছ জি এছ টিৰ বিষয়াই এই

কাম কৰিব পাৰে। উল্লিখিত সময়ছোৱাত সুচলতা আৰু হিচাপ-নিকাচৰ ধৰণ নিৰ্দেশিত হ'ব।

**প্ৰশ্ন ১৭ ঃ এই হিচাপ-নিকাচ কৰাৰ পূৰ্বে কোনো আগতীয়া যোগাযোগৰ প্ৰয়োজন আছেনে ?**

উত্তৰ ঃ হয়। আগতীয়া যোগাযোগৰ প্ৰয়োজন আছে আৰু কৰযোগ্য লোকজনক হিচাপ-নিকাচ কৰাৰ কমেও পোন্ধৰ দিনৰ আগত জনাব লাগে।

**প্ৰশ্ন ১৮ ঃ হিচাপ-নিকাচ সম্পূৰ্ণ কৰিবলগীয়া সময়সীমা কি ?**

উত্তৰ ঃ হিচাপ-নিকাচ ব্যৱস্থাপনা কৰাৰ তাৰিখৰ পৰা তিনি মাহৰ ভিতৰত বা আয়ুক্তই অনুমোদন জনোৱা অনুসৰি অতিৰিক্ত সৰ্বাধিক ছমাহৰ ভিতৰত সম্পূৰ্ণ কৰিব লাগে।

**প্ৰশ্ন ১৯ ঃ হিচাপ-নিকাচ ব্যৱস্থাপনা কৰা (commencement of audit) মানে কি ?**

উত্তৰ ঃ 'হিচাপ-নিকাচ ব্যৱস্থাপনা কৰা' যথেষ্ট গুৰুত্বপূৰ্ণ। কিয়নো এই আৰম্ভ কৰা তাৰিখৰ সৈতে সংগতি ৰাখি এক নিৰ্ধাৰিত সময়ৰ ভিতৰত হিচাপ-নিকাচ সম্পূৰ্ণ কৰিব লাগে। হিচাপ-নিকাচ আৰম্ভ কৰা বুলিলে তলত লিখা কথাখিনি বুজায় ঃ

ক) হিচাপ-নিকাচ কৰ্তৃপক্ষই বিচৰা তথ্য-পাতি/হিচাপ-নিকাচ তেওঁলোকক দিয়াৰ তাৰিখ, বা

খ) কৰযোগ্য লোকজনৰ ব্যৱসায়ৰ স্থানত হিচাপ-নিকাচৰ প্ৰকৃত প্ৰতিষ্ঠান।

**প্ৰশ্ন ২০ ঃ হিচাপ-নিকাচৰ জাননী লাভ কৰোতে কৰযোগ্য লোকজনৰ কৰিবলগীয়া কি ?**

উত্তৰ ঃ কৰযোগ্য লোকজনে কৰিব লাগে ঃ

ক) কর্তৃপক্ষই জব্দ কৰা বা লাভ কৰা হিচাপ-নিকাচ/তথ্য-পাতিৰ সংশোধন কৰা,

খ) হিচাপ-নিকাচ কৰিবৰ বাবে কর্তৃপক্ষক আৱশ্যক হ'ব পৰা এনে তথ্য যোগান ধৰা, আৰু

গ) হিচাপ-নিকাচ সময় মতে সম্পূর্ণ কৰিবলৈ সহায় আগবঢ়োৱা।

**প্রশ্ন ২১ ঃ হিচাপ-নিকাচৰ সমাপ্তিত ন্যায্য বিষয়াজনে কি কৰিব লাগে?**

উত্তৰ ঃ বিলম্ব নকৰাকৈ কৰযোগ্য লোকজনক ন্যায্য বিষয়াজনে তেওঁ পোৱা তথ্য, এনে তথ্যৰ কাৰণবিলাক আৰু এইবিলাকৰ ক্ষেত্ৰত কৰযোগ্য লোকজনৰ অধিকাৰ আৰু দায়বদ্ধতা অৱগত কৰিব লাগে।

**প্রশ্ন ২২ ঃ কি পৰিস্থিতিত একোটা বিশেষ হিচাপ-নিকাচ কৰিব পাৰি?**

উত্তৰ ঃ কিছুমান সীমিত পৰিস্থিতিত একোটা বিশেষ হিচাপ-নিকাচ কৰিব পাৰি য'ত পৰীক্ষা-নিৰীক্ষা বা অনুসন্ধান কৰাৰ সময়ত এই কথা পৰিলক্ষিত হয় যে একোটা জটিল পৰিস্থিতি আছে বা ৰাজহৰ পৰিমাণ অধিক। এম জি এলৰ অনুচ্ছেদ ৫০ত ক্ষমতা প্রদান কৰা হৈছে।

**প্রশ্ন ২৩ ঃ বিশেষ হিচাপ-নিকাচৰ বাবে কোনে জাননী জাৰি কৰিব পাৰে?**

উত্তৰ ঃ সহকাৰী/উপ-আয়ুক্তই বিশেষ হিচাপ-নিকাচৰ জাননী জাৰি কৰিব পাৰে যদিহে আয়ুক্তই আগতীয়াকৈ অনুমোদন জনায়।

**প্রশ্ন ২৪ ঃ বিশেষ হিচাপ-নিকাচ কোনে কৰিব?**

উত্তৰ ঃ আয়ুক্তৰ দ্বাৰা মনোনীত একোজন চার্টার্ড একাউণ্টেণ্ট বা কষ্ট একাউণ্টেণ্টে হিচাপ-নিকাচ কৰিব পাৰে।

**প্ৰশ্ন ২৫ ঃ হিচাপ-নিকাচৰ প্ৰতিবেদন দাখিল কৰিবলৈ সময়সীমা কি ?**

উত্তৰ ঃ ৯০ দিনৰ ভিতৰত বা পৰৱৰ্তী সময়ত ৯০ দিনতকৈ প্ৰসাৰিত সময়ৰ ভিতৰত হিচাপ পৰীক্ষকে (auditor) প্ৰতিবেদন দাখিল কৰিব লাগে।

**প্ৰশ্ন ২৬ ঃ বিশেষ হিচাপ-নিকাচৰ ব্যয় কোনে বহন কৰিব ?**

উত্তৰ ঃ হিচাপ পৰীক্ষকক দিবলগীয়া মাননীকে ধৰি পৰীক্ষা আৰু হিচাপ-নিকাচৰ বাবে হোৱা ব্যয় আয়ুক্তই নিৰ্ধাৰণ আৰু বহন কৰিব।

**প্ৰশ্ন ২৭ ঃ বিশেষ হিচাপ-নিকাচৰ পিছত কৰ কৰ্তৃপক্ষসমূহে কি পদক্ষেপ ল'ব ?**

উত্তৰ ঃ এম জি এ লৰ অনুচ্ছেদ ৫১ৰ অধীনত বিশেষ হিচাপ-নিকাচৰ তথ্য/পৰীক্ষা-নিৰীক্ষাৰ ভিত্তিত পদক্ষেপ গ্ৰহণ কৰিব পাৰি।

***

# পুনৰ পৰিশোধ বা ওৰাপোচ (Refund)

১৪ । <u>পুনৰ পৰিশোধ বা ওৰাপোচ</u> (Refund)

**প্ৰশ্ন ১ ঃ পুনৰ পৰিশোধ বা ওৰাপোচ (Refund) কি ?**

উত্তৰ ঃ এম জি এলৰ অনুচ্ছেদ ৩৮ত পুনৰ পৰিশোধ বা ওৰাপোচ (ৰিফাণ্ড)ৰ বিষয়ে আলোচনা কৰা হৈছে। অনুচ্ছেদ ৩৮ (২)ৰ অধীনত 'ৰিফাণ্ড'ত অন্তৰ্ভূক্ত থাকে ভাৰতৰ বাহিৰলৈ ৰপ্তানি কৰা পণ্য-সামগ্ৰী আৰু/অথবা সেৱাৰ ওপৰত কৰৰ ৰিফাণ্ড বা ভাৰতৰ বাহিৰলৈ ৰপ্তানি কৰা পণ্য-সামগ্ৰী আৰু/অথবা সেৱাৰ ক্ষেত্ৰত ব্যৱহৃত 'ইনপুট ছাৰ্ভিচেজ', বা ৰপ্তানি হিচাপে পৰিগণিত পণ্য-সামগ্ৰীৰ যোগানৰ ওপৰত কৰৰ ৰিফাণ্ড, বা অব্যৱহৃত 'ইনপুট টেক্স ক্ৰেডিট'ৰ ৰিফাণ্ড।

**প্ৰশ্ন ২ ঃ অব্যৱহৃত 'ইনপুট টেক্স ক্ৰেডিট'ক 'ৰিফাণ্ড' হিচাপে ধৰিব পাৰিনে ?**

উত্তৰ ঃ হয়। অনুচ্ছেদ ৩৮ৰ উপ-অনুচ্ছেদ (২)ত উল্লিখিত নিম্নোল্লিখিত ঘটনাবোৰৰ ক্ষেত্ৰতহে ঃ

(১) পণ্য-সামগ্ৰীৰ ৰপ্তানি যিবিলাকৰ ওপৰত ৰপ্তানি শুল্ক পৰিশোধ কৰিব নালাগে;

(২) সেৱাৰ ৰপ্তানি;

(৩) য'ত 'আউটপুট'ৰ ওপৰত আৰোপিত কৰৰ নিৰীখতকৈ 'ইনপুট'ৰ ওপৰত আৰোপিত কৰৰ নিৰীখ অধিক হিচাপে 'ক্ৰেডিট' সংগ্ৰহ কৰা হয়।

**প্ৰশ্ন ৩ ঃ ভাৰতৰ বাহিৰলৈ ৰপ্তানি কৰা পণ্য-সামগ্ৰীৰ ক্ষেত্ৰত নিৰ্ধাৰিত অব্যৱহৃত আই টি চিৰ ওপৰত ৰপ্তানি শুল্ক প্ৰযোজ্যনে ?**

উত্তৰ ঃ নহয় (এম জি এলৰ অনুচ্ছেদ ৩৮ (২)ৰ দ্বিতীয় ব্যৱস্থা অনুসৰি)।

**প্ৰশ্ন ৪ ঃ বিত্তীয় বৰ্ষৰ শেষত (জি এছ টি বলৱৎ হোৱাৰ পিছত) জমা থকা পণ্য**

**সামগ্ৰীৰ আই টি চি ওভতাই পাবনে ?**

উত্তৰ ঃ নাপায়। ইয়াক ধাৰাবাহিকভাৱে আগুৱাই নিয়া হ'ব।

**প্ৰশ্ন ৫ ঃ ধৰি লোৱা হ'ল এজন কৰযোগ্য লোকে এজন আন্তঃৰাজ্যিক/ৰাজ্যৰ ভিতৰুৱা যোগনীয়াৰ বুলি ভুলক্ৰমে আই জি এছ টি/চি জি এছ টি/এছ জি এছ টি পৰিশোধ কৰিলে, কিন্তু যাৰ প্ৰকৃতি পৰৱৰ্তী সময়ত স্পষ্ট কৰা হয়। ভুলবশতঃ পৰিশোধ কৰা আই জি এছ টিৰ বিপৰীতে চি জি এছ টি/এছ জি এছ টি মিলাই ল'ব পাৰিবনে ?**

উত্তৰ ঃ নোৱাৰি। তেওঁ সঠিক কৰ পৰিশোধ কৰিব লাগিব আৰু ভুলবশতঃ পৰিশোধ কৰা কৰৰ ৰিফাণ্ড দাবী কৰিব লাগিব (আই জি এছ টিৰ অনুচ্ছেদ ৩০ আৰু জি এছ টিৰ অনুচ্ছেদ ৫৩)।

**প্ৰশ্ন ৬ ঃ দূতাৱাসবিলাকে বা ৰাষ্ট্ৰসংঘই কৰা ক্ৰয় কৰযোগ্য নে কৰ্তনযোগ্য ?**

উত্তৰ ঃ ইয়াৰ ওপৰত কৰ আৰোপিত হ'ব, যাক পিছত তেওঁলোকে ৰিফাণ্ড হিচাপে দাবী কৰিব পাৰিব।

[(ইউনাইটেড নেচন্স অৰ্গেনাইজেচন আৰু কনছুলেট বা দূতাৱাসবিলাকে একোটা একক পৰিচয় নম্বৰ (Unique Identity Number) ল'ব লাগে আৰু তেওঁলোকে কৰা ক্ৰয় যোগনীয়াৰৰ বাহিৰা যোগানৰ হিচাপৰ বিৱৰণত তেওঁলোকৰ নম্বৰৰ বিপৰীতে প্ৰতিফলিত হ'ব আৰু কৰৰ ৰিফাণ্ড মঞ্জুৰ কৰিব পাৰিব। নিয়মাৱলীত এটা পৃথক প্ৰক্ৰিয়া অৱগত কৰা হ'ব। জি এছ টি অনুচ্ছেদ ১৯ (৬)]

**প্ৰশ্ন ৭ ঃ ৰিফাণ্ড লোৱাৰ সময়সীমা কি ?**

উত্তৰ ঃ এম জি এলৰ অনুচ্ছেদ ৩৮-ত দিয়া ব্যাখ্যা অনুসৰি সংশ্লিষ্ট লোকজনে প্ৰাসংগিক তাৰিখৰ পৰা দুবছৰ শেষ হোৱাৰ আগতে আবেদন দাখিল কৰিব লাগিব।

**প্ৰশ্ন ৮ ঃ ৰিফাণ্ডৰ ক্ষেত্ৰত নিমিলা আহৰণ (unjust enrichment)ৰ নীতি প্ৰযোজ্যনে?**

উত্তৰ ঃ হয়। অনুচ্ছেদ ৩৮ৰ উপ-অনুচ্ছেদ (২)ত উল্লেখ থকা মতে (ওপৰৰ ২ নং প্ৰশ্নতো উল্লেখ কৰা হৈছে) ৰপ্তানি আৰু অব্যৱহৃত আই টি চিৰ ৰিফাণ্ডৰ বাহিৰে অন্য ক্ষেত্ৰসমূহত।

**প্ৰশ্ন ৯ ঃ উপভোক্তালৈ কৰ ঠেলি দিয়াৰ ক্ষেত্ৰত ৰিফাণ্ড অনুমোদিত হ'বনে?**

উত্তৰ ঃ হয়। অৱশ্যে এনেদৰে নিৰ্ধাৰিত ধনৰাশি 'কনজিউমাৰ ওৱেলফেয়াৰ ফাণ্ড'লৈ যাব।

**প্ৰশ্ন ১০ ঃ ৰিফাণ্ড অনুমোদিত কৰাৰ কিবা সময়সীমা আছেনে?**

উত্তৰ ঃ হয়। সকলো ক্ষেত্ৰতে এই সময় হৈছে ৯০ দিন, কেৱল অনুচ্ছেদ ৩৮ৰ উপ-অনুচ্ছেদ (৪এ)ত উল্লিখিত কিছুমান বিশেষ শ্ৰেণীৰ ৰপ্তানিকাৰীক ওভতাই দিবলগীয়া দাবীকৃত সৰ্বমুঠ ধনৰ ৮০ শতাংশৰ অধিক ৰিফাণ্ড হোৱাৰ বাহিৰে। যদি ৩০ মাহৰ ভিতৰত ৰিফাণ্ড অনুমোদিত নহয়, বিভাগে সুত পৰিশোধ কৰিব লাগিব।

**প্ৰশ্ন ১১ ঃ বিভাগে ৰিফাণ্ড আবদ্ধ কৰি ৰাখিব পাৰেনে?**

উত্তৰ ঃ হয়। নিম্নোল্লিখিত পৰিস্থিতিত ৰিফাণ্ড আবদ্ধ কৰি ৰাখিব পাৰে ঃ

- পঞ্জীভুক্ত ব্যৱসায়ীজনে (dealer) হিচাপৰ বিৱৰণ দাখিল নকৰালৈকে;

- আবেদন লোৱা কৰ্তৃপক্ষ/ন্যায়াধীকৰণ/আদালতৰ দ্বাৰা বন্ধ নকৰা যিকোনো ধৰণৰ কৰ, সুত বা অৰ্থদণ্ড যদি পঞ্জীভুক্ত কৰযোগ্য লোকজনে পৰিশোধ কৰিব লাগে, এনে কৰ, সুত বা অৰ্থদণ্ড পৰিশোধ নকৰালৈকে;

(যিকোনো ব্যৱসায়ীৰ পুনৰ পৰিশোধ কৰিবলগীয়া ধনৰাশিৰ পৰা ন্যায্য বিষয়াজনে পৰিশোধ নকৰাকৈ থকা কৰ কৰ্তনো কৰিব পাৰিব।)

- এম জি এলৰ অনুচ্ছেদ ৩৮ (৯) অনুসৰি আয়ুক্ত/বোৰ্ডে ৰিফাণ্ড বা ওৱাপোচ আবদ্ধ কৰি ৰাখিব পাৰে, যদিহে ওৱাপোচৰ নিৰ্দেশনা (order of refund) আবেদনৰ অধীনত থাকে আৰু তেওঁ বিবেচনা কৰে যে এনেধৰণৰ ওৱাপোচৰ মঞ্জুৰীয়ে ৰাজহত বিৰূপ প্ৰভাৱ পেলাব।

**প্ৰশ্ন ১২ ঃ ওপৰৰ ১১ (গ)ত আলোচনা কৰাৰ দৰে যদি 'ৰিফাণ্ড' ৩৮ (৯)ৰ অধীনত আবদ্ধ কৰি ৰখা হয়, তেতিয়া কৰযোগ্য লোকজনক সুত দিয়া হ'বনে?**

উত্তৰ ঃ আবেদন নাইবা পৰৱৰ্তী পদক্ষেপৰ পৰিণাম স্বৰূপে যদিহে কৰযোগ্য লোকজন 'ৰিফাণ্ড'ৰ যোগ্য হয় তেতিয়া তেওঁ সুত লাভৰো যোগ্য হ'ব।

**প্ৰশ্ন ১৩ ঃ 'ৰিফাণ্ড'ৰ বাবে কিবা ন্যূনতম অন্তিম সীমা আছেনে?**

উত্তৰ ঃ যদিহে ধনৰ পৰিমাণ ১০০০/- টকাতকৈ কম হয় তেতিয়া 'ৰিফাণ্ড' মঞ্জুৰ কৰা নহয়। (এম জি এলৰ অনুচ্ছেদ ৩৮ (১১)

**প্ৰশ্ন ১৪ ঃ পূৰ্বৰ আইনৰ পৰা উদ্ভৱ হোৱা 'ৰিফাণ্ড' কেনেকৈ পৰিশোধ কৰা হ'ব?**

উত্তৰ ঃ পূৰ্বৰ আইনৰ পৰা উদ্ভৱ হোৱা 'ৰিফাণ্ড' পূৰ্বৰ আইন অনুসৰিয়েই পৰিশোধ কৰা হ'ব আৰু (চিজিএছটিৰ অধীনত) বা পূৰ্বৰ আইনৰ ব্যৱস্থা অনুসৰি (এছজিএছটিৰ অধীনত) নগদ পৰিশোধ কৰা হ'ব আৰু আইটিচি হিচাপে উপলব্ধ নহ'ব (এমজিএলৰ অনুচ্ছেদ ১৫৬, ১৫৭ আৰু ১৫৮)।

**প্ৰশ্ন ১৫ ঃ নথি-পত্ৰ পৰীক্ষা কৰাৰ পূৰ্বে 'ৰিফাণ্ড' পৰিশোধ কৰিব পাৰিনে?**

উত্তৰ ঃ ব্যৱসায়ী (dealer)ৰ জাননীকৃত শাখাৰ ৰপ্তানি 'ৰিফাণ্ড'ৰ বাবে অনুচ্ছেদ

৩৮ (৪এ)ত উল্লেখ কৰা মতে এই সম্পৰ্কীয় ব্যৱস্থাৱলী আৰু নিষেধাজ্ঞা অনুসৰি পৰীক্ষা কৰাৰ পূৰ্বে ৮০% ‘ৰিফাণ্ড’ মঞ্জুৰ কৰিব পাৰি।

**প্ৰশ্ন ১৬ ঃ ৰপ্তানিৰ অধীনত ‘ৰিফাণ্ড’ৰ ক্ষেত্ৰত ‘ৰিফাণ্ড’ মঞ্জুৰ কৰিবৰ বাবে বিআৰচি আৱশ্যকীয়নে ?**

উত্তৰ ঃ যিহেতু ৰপ্তানি কৰাৰ তাৰিখৰ পৰা ৰপ্তানি সম্পৰ্কীয় অগ্ৰগতি সম্পন্ন কৰিবৰ বাবে ৰপ্তানিকাৰীয়ে এবছৰ সময় লাভ কৰে, সেয়ে ‘ৰিফাণ্ড’ আবেদনৰ সময়ত বিআৰচি পৰ্যাপ্ত নহ’বও পাৰে। কিন্তু যদি ৰপ্তানিৰ অগ্ৰগতিবিলাক আগতীয়াকৈ গ্ৰহণ কৰা হয়, তেতিয়া বিআৰচি পৰ্যাপ্ত হ’ব পাৰে। এনেদৰে সৰ্বাধিক এবছৰ সময়ৰ ভিতৰত বা আৰবিআয়ে নিৰ্দেশনাযোগে প্ৰসাৰিত কৰা সময়ৰ ভিতৰত বিআৰচিৰ সবিশেষ দাখিল কৰাৰ ওপৰত ‘ৰিফাণ্ড’ নিৰ্ভৰ কৰিব। জিএছটি-মডিউলৰ সৈতে ডিজিএফটিৰ ই-বিআৰচি মডিউল সমন্বিত কৰা হ’ব।

অৱশ্যে সেৱাৰ ৰপ্তানিৰ বাবে ‘ৰিফাণ্ড’ অনুমোদনৰ পূৰ্বে বিআৰচিৰ আৱশ্যক হ’ব।

**প্ৰশ্ন ১৭ ঃ নিমিলা আহৰণ (unjust enrichment)ৰ নীতি ৰপ্তানিৰ ক্ষেত্ৰত নে ধৰি লোৱা (deemed) যোগানৰ ক্ষেত্ৰত প্ৰযোজ্য হ’ব ?**

উত্তৰ ঃ নিমিলা আহৰণৰ নীতি পণ্য-সামগ্ৰী অথবা সেৱাৰ প্ৰকৃত ৰপ্তানিৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়, যিহেতু গ্ৰহণ কৰোতাজন কৰযোগ্য অঞ্চলৰ বাহিৰত থাকে। অৱশ্যে ধৰি লোৱা যোগান (deemed supply)ৰ ক্ষেত্ৰত ই প্ৰযোজ্য হ’ব।

**প্ৰশ্ন ১৮ ঃ লোকজনে কেনেকৈ প্ৰমাণ কৰিব যে নিমিলা আহৰণৰ নীতি তেওঁৰ ক্ষেত্ৰত প্ৰযোজ্য নহয় ?**

উত্তৰ ঃ সংশ্লিষ্ট লোকজনে তেওঁৰ আবেদনৰ সৈতে একেলগে এনে নথি-পত্ৰ বা সাক্ষ্য-প্ৰমাণ দাখিল কৰিব লাগিব যাৰ জৰিয়তে এই কথা প্ৰতিপন্ন হয় যে কৰ আৰু

সুতৰ পৰিমাণ, যিয়েই নহওক, এনে কৰৰ ওপৰত পৰিশোধ কৰা বা আন যিকোনো পৰিমাণৰ ওপৰত পৰিশোধ কৰা, যাৰ সৈতে সংগতি ৰাখি এনেধৰণৰ 'ৰিফাণ্ড' দাবী কৰা হৈছে, সেয়া আন যিকোনো লোকলৈ তেওঁ ঠেলি দিয়া নাই। (অনুচ্ছেদ ৩৮ (৩)(বি)

তদুপৰি, কৰদাতাক সকাহ দিবৰ বাবে ওপৰত উল্লিখিত উপ-অনুচ্ছেদত লগতে কোৱা হৈছে যে যদি দাবী কৰা 'ৰিফাণ্ড'ৰ পৰিমাণ ৫ লাখ টকাতকৈ কম হয়, তেতিয়া এটা স্ব-ঘোষণা (self-declearation) হে কেৱল আৱশ্যকীয়।

**প্ৰশ্ন ১৯ ঃ বৰ্তমান ভিএটি/চিএছটিৰ অধীনত জলপথৰ ৰপ্তানিকাৰীয়ে (merchant exporter) এখন ঘোষণা প্ৰ-পত্ৰ দাখিল কৰি কৰ পৰিশোধ নকৰাকৈ পণ্য-সামগ্ৰী ক্ৰয় কৰিব পাৰে। জিএছটিত এই ব্যৱস্থা থাকিবনে ?**

উত্তৰ ঃ নাথাকে। জিএছটিত এনে ব্যৱস্থা নাথাকিব। তেওঁলোকে কৰ পৰিশোধৰ ওপৰত পণ্য-সামগ্ৰী ক্ৰয় কৰিব লাগিব আৰু অনুচ্ছেদ ৩৮(২)ত আলোচনা কৰাৰ দৰে সংগৃহীত আইটিচিৰ 'ৰিফাণ্ড' দাবী কৰিব পাৰিব।

**প্ৰশ্ন ২০ ঃ বৰ্তমান কেন্দ্ৰীয় আইনৰ অধীনত ৰপ্তানিকাৰীসকলক শুল্ক পৰিশোধ কৰা 'ইনপুট' আহৰণ কৰিবৰ বাবে, ইয়াৰ ওপৰত আইটিচি লাভ কৰিবৰ বাবে আৰু শুল্ক পৰিশোধৰ ওপৰত পণ্য-সামগ্ৰী ৰপ্তানি কৰিবলৈ (আইটিচি ব্যৱহাৰ কৰাৰ পিছত) অনুমতি প্ৰদান কৰা হৈছে আৰু তাৰ পিছত ৰপ্তানিৰ ওপৰত পৰিশোধ কৰা শুল্কৰ 'ৰিফাণ্ড' দাবী কৰিবলৈ অনুমতি দিয়া হৈছে। এই ব্যৱস্থা জিএছটিত অব্যাহত থাকিবনে ?**

উত্তৰ ঃ জিএছটি আমোলত ৰপ্তানি শূণ্য-নিৰীখৰ (zero rated) হ'ব। যাৰ অৰ্থ হৈছে এইটোৱেই যে ৰপ্তানি কৰা পণ্য-সামগ্ৰীৰ ওপৰত কোনোধৰণৰ প্ৰকৃত কৰৰ দায়বদ্ধতা আৰোপিত নহ'ব যদিও এনে ৰপ্তানিৰ 'ইনপুট'বিলাকৰ বাবে কৰ পৰিশোধ

কৰা হ'ব। জিএছটিৰ অধীনত আমদানিকৃত চূড়ান্ত পণ্য-সামগ্ৰী (finished goods)ৰ দৰে সংগৃহীত 'ইনপুট'ৰ ওপৰত 'ৰিফাণ্ড' অনুমতিযোগ্য হ'ব।

***

# দাবী আৰু পুনৰুদ্ধাৰ

## (Demands and Recovery)

## ১৫। দাবী আৰু পুনৰুদ্ধাৰ (Demands and Recovery)

**প্ৰশ্ন ১ ঃ আংশিকভাৱে পৰিশোধ কৰা বা নকৰা বা অশুদ্ধ ৰূপত 'ৰিফাণ্ড' কৰা কৰ বা অশুদ্ধ ৰূপত লাভ কৰা বা ব্যৱহাৰ কৰা 'ইনপুট টেক্স ক্ৰেডিট'ৰ ক্ষেত্ৰত কোনটো অনুচ্ছেদ প্ৰযোজ্য ?**

উত্তৰ ঃ জালিয়াতি/তথ্য গোপন কৰা/ভুল বৰ্ণনা ইত্যাদিৰ ক্ষেত্ৰত কোনো আবেদন জনোৱা নহ'লে অনুচ্ছেদ ৫১এ আৰু য'ত জালিয়াতি/তথ্য গোপন কৰা/ভুল বৰ্ণনা ইত্যাদিৰ উপাদান আছে তেতিয়া অনুচ্ছেদ ৫১বি।

**প্ৰশ্ন ২ ঃ অনুচ্ছেদ ৫১এৰ অধীনত জাননী জাৰি কৰাৰ পূৰ্বে লোকজনৰ ওপৰত সুতসহ দাবীৰ পৰিমাণৰ ওপৰত পৰিশোধ কৰিবলগীয়া কৰ আৰোপ কৰিব পাৰিনে ?**

উত্তৰ ঃ হয়। এনে ক্ষেত্ৰবোৰত ন্যায্য বিষয়াই কোনো জাননী জাৰি কৰিব নোৱাৰে।

**প্ৰশ্ন ৩ ঃ যদি অনুচ্ছেদ ৫১এৰ অধীনত জাননী জাৰি কৰা হয় আৰু তাৰ পিছত জাননীমতে পৰিশোধ কৰা হয়, তেতিয়া এই ঘটনাৰ আইনসংগত পদক্ষেপৰ প্ৰয়োজন থাকেনে ?**

উত্তৰ ঃ য'ত এজন লোকক অনুচ্ছেদ ৫১এৰ উপ-অনুচ্ছেদ (১)ৰ অধীনত এখন জাননী জাৰি কৰা হয়, তেওঁ এই জাননী জাৰি কৰাৰ ৩০ দিনৰ ভিতৰত সুতসহ কৰ পৰিশোধ কৰে, তেতিয়া কোনো অৰ্থদণ্ড ভৰিব নালাগে আৰু এনে জাননীৰ ক্ষেত্ৰত থকা সকলো প্ৰক্ৰিয়া সমাপ্ত কৰিব পৰা হ'ব।

**প্ৰশ্ন ৪ ঃ অনুচ্ছেদ ৫১এ/বিৰ অধীনত কাৰণ দৰ্শোৱা জাননী (Show Cause Notice) জাৰি কৰিবৰ বাবে প্ৰাসংগিক তাৰিখ কি ?**

উত্তৰ ঃ প্ৰাসংগিক তাৰিখ হৈছে বাৰ্ষিক হিচাপৰ বিৱৰণ দাখিল কৰাৰ তাৰিখটো, য'ত

এনেধৰণৰ হিচাপৰ বিৱৰণ প্ৰকৃতাৰ্থত দাখিল কৰা হৈছে বা য'ত বাৰ্ষিক হিচাপৰ বিৱৰণ দাখিল কৰিবলগীয়া নিৰ্ধাৰিত তাৰিখত দাখিল কৰা হোৱা নাই।

**প্ৰশ্ন ৫ ঃ অনুচ্ছেদ ৫১এ/বিৰ অধীনত এছচিএন জাৰি কৰিবৰ বাবে বা বিধিগত ব্যৱস্থা গ্ৰহণ কৰিবলৈ কোনো সময়সীমা আছেনে?**

উত্তৰ ঃ এছচিএন জাৰি কৰিবলৈ কোনো সময়সীমা নাই। অৱশ্যে এছচিএন জাৰি কৰা আৰু বিধিগত ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰক্ৰিয়া প্ৰাসংগিক তাৰিখৰ পৰা তিনি বছৰৰ ভিতৰত (অনুচ্ছেদ ৫১এ অনুসৰি) আৰু পাঁচ বছৰৰ ভিতৰত (অনুচ্ছেদ ৫১বি অনুসৰি) সম্পূৰ্ণ কৰিব লাগিব।

**প্ৰশ্ন ৬ ঃ অনুচ্ছেদ ৫১বিৰ অধীনত জাননী জাৰি কৰাৰ পূৰ্বে সুতসহ দাবী কৰা ধনৰ পৰিমাণৰ ওপৰত লোকজনে কৰ পৰিশোধ কৰিব লাগেনে?**

উত্তৰ ঃ হয়। উপ-অনুচ্ছেদ (১) বা উপ-অনুচ্ছেদ (২)ৰ অধীনস্থ এটা বৰ্ণনাৰ অধীনত জাননী জাৰি কৰাৰ পূৰ্বে এজন কৰ আৰোপ কৰিব পৰা লোকৰ ওচৰত এটা সুযোগ থাকিব যাৰ জৰিয়তে তেওঁ সুতসহ কৰৰ পৰিমাণ পৰিশোধ কৰিব পাৰে আৰু পোন্ধৰ শতাংশ অৰ্থদণ্ড ভৰিব পাৰে, ইয়াৰ বাবে তেওঁ নিজাববীয়াকৈ নিৰ্ধাৰণ কৰিব পাৰে বা ন্যায্য বিষয়াজনে অৱগত কৰিব পাৰে, আৰু এনে পৰিশোধৰ ওপৰত, যিহেতু কৰ পৰিশোধ কৰা হ'ল সেয়ে জাননী জাৰি কৰা নহ'ব।

**প্ৰশ্ন ৭ ঃ যদি অনুচ্ছেদ ৫১বিৰ অধীনত জাননী জাৰি কৰা হয় আৰু তাৰ পিছত জাননী পাওঁতাই ধনাদায় কৰে, এইক্ষেত্ৰত বিধিগত ব্যৱস্থা গ্ৰহণৰ কোনো আৱশ্যকতা থাকেনে?**

উত্তৰ ঃ নাথাকে, যদিহে কৰ/সুত আৰু অৰ্থদণ্ড পৰিশোধ কৰা হয়। উপ-অনুচ্ছেদ (১)ৰ অধীনত জাননী জাৰি কৰা লোকজনে এনে জাননী জাৰি কৰাৰ ৩০ দিনৰ

ভিতৰত ২৫% অৰ্থদণ্ডৰ লগতে সুতসহ কৰ পৰিশোধ কৰে, তেনে ক্ষেত্ৰত এই জাননীৰ প্ৰক্ৰিয়া সমাপ্ত কৰিব পাৰে।

**প্ৰশ্ন ৮ ঃ অনুচ্ছেদ ৫১ বিৰ অধীনত এখন জাননীৰ বিধিগত ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে কৰৰ দাবী আৰু অৰ্থদণ্ড নিশ্চিত কৰি নিৰ্দেশনা জাৰি কৰা হ'লে, জাননী পাওঁতাই হ্ৰাস কৰা (reduced) অৰ্থদণ্ড পৰিশোধ কৰাৰ কিবা সুবিধা আছেনে?**

উত্তৰ ঃ হয়। নিৰ্দেশনা জাৰি কৰাৰ ৩০ দিনৰ ভিতৰত তেওঁ কৰ/সুত আৰু ৫০% অৰ্থদণ্ড পৰিশোধ কৰিব লাগে। য'ত অনুচ্ছেদ ৫১বিৰ উপ-অনুচ্ছেদ (৬)ৰ অধীনত এটা নিৰ্দেশনা লাভ কৰা কোনো লোকে এনে নিৰ্দেশনাৰ ৩০ দিনৰ ভিতৰত এনে কৰৰ ৫০%ৰ সমপৰিমাণৰ অৰ্থদণ্ড আৰু সুতসহ কৰ পৰিশোধ কৰিলে, উল্লিখিত কৰৰ ক্ষেত্ৰত গ্ৰহণ কৰা সকলো প্ৰক্ৰিয়া সমাপ্ত কৰিব পাৰে।

**প্ৰশ্ন ৯ ঃ য'ত জাননী জাৰি কৰা হৈছে যদিও তিনি বছৰ (অনুচ্ছেদ ৫১ এ)/৫ বছৰ (৫১ বি)ৰ ভিতৰত নিৰ্দেশনা জাৰি কৰা নহ'লে ঘটনাবিলাকৰ ক্ষেত্ৰত (অনুচ্ছেদ ৫১ এ আৰু বি উভয়ৰে) কি ঘটিব?**

উত্তৰ ঃ অনুচ্ছেদ ৫১এ (৭)ত উল্লেখ কৰাৰ দৰে তিনি বছৰৰ ভিতৰত বা অনুচ্ছেদ ৫১বি (৭)ত উল্লেখ কৰাৰ দৰে পাঁচ বছৰৰ ভিতৰত যদি নিৰ্দেশনা জাৰি কৰা নহয় আৰ্হি জিএছটি আইন অনুসৰি বিধিগত ব্যৱস্থাৰ প্ৰক্ৰিয়া সমাপ্ত কৰিব পাৰি।

**প্ৰশ্ন ১০ ঃ এজন লোকে যদি অন্য এজন লোকৰ পৰা কৰ সংগ্ৰহ কৰে অথচ সেয়া চৰকাৰৰ ঘৰত জমা নকৰে তেতিয়া কি হ'ব?**

উত্তৰ ঃ এমজিএলৰ অনুচ্ছেদ ৫২ অনুসৰি এই আইনৰ অধীনত কৰ হিচাপে অন্য কোনো লোকৰ পৰা যিকোনো পৰিমাণ সংগ্ৰহ কৰা প্ৰতিজন লোকে কেন্দ্ৰীয় বা ৰাজ্যিক চৰকাৰে পোৰাকৈ উল্লিখিত পৰিমাণ জমা কৰিব লাগিব, যি যোগানৰ বিপৰীতে

এই ধনৰাশি সংগ্ৰহ কৰা হৈছিল সেয়া কৰযোগ্য হওক বা নহওক।

**প্ৰশ্ন ১১ ঃ অনুচ্ছেদ ৫২ৰ ব্যৱস্থা অনুসৰি এজন লোকে সংগৃহীত কৰ জমা নকৰিলে কি পদক্ষেপ গ্ৰহণ কৰা হ'ব।**

উত্তৰ ঃ জাননী জাৰি কৰা হ'ব। প্ৰাকৃতিক ন্যায়ৰ নীতি অনুসৰণ কৰা হ'ব আৰু জাননী জাৰি কৰা হ'ব। মন কৰিবলগীয়া যে জাননী জাৰি কৰাৰ এবছৰৰ ভিতৰত এনে নিৰ্দেশনা বৈষম্যহীনভাৱে জাৰি কৰিব লাগিব। অৱশ্যে কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰাৰ কোনো সময়সীমা নাই। এনেদৰে এই ক্ষেত্ৰবিলাকত ১০ বছৰৰ পিছতো শুল্ক আদায় কৰিব পাৰি।

**প্ৰশ্ন ১২ ঃ কৰ সংগ্ৰহ কৰা হৈছে অথচ পৰিশোধ কৰা হোৱা নাই, এনে ক্ষেত্ৰত অনুচ্ছেদ ৫২ৰ অধীনত জাননী জাৰি কৰিবলৈ কিবা সময়সীমা আছেনে?**

উত্তৰ ঃ নাই। এইক্ষেত্ৰত কোনো সময়সীমা নাই। কোনো সময়সীমা নোহোৱাকৈ এনে ঘটনা ধৰা পৰিলে জাননী জাৰি কৰিব পাৰি। এবাৰ জাননী জাৰি কৰা হ'লে জাননী জাৰি কৰাৰ তাৰিখৰ পৰা এবছৰৰ ভিতৰত নিৰ্দেশনা অনুমোদিত হ'ব লাগে।

**প্ৰশ্ন ১৩ ঃ কৰ আদায় কৰাৰ বাবে ন্যায্য বিষয়াৰ হাতত কি পদ্ধতি আছে?**

উত্তৰ ঃ ন্যায্য বিষয়াৰ হাতত নিম্নোল্লিখিত বিকল্পবিলাক আছে ঃ

ক) ন্যায্য বিষয়াজনে নিজে এনে লোকৰ জিম্মাত থকা যিকোনো ধনৰ পৰা পৰিশোধ কৰিবলগীয়া ধনৰাশি কৰ্তন কৰিব পাৰে বা আন কোনো নিৰ্দিষ্ট বিষয়াক দায়িত্ব দিব পাৰে;

খ) ন্যায্য বিষয়াজনে নিজে এনে লোকৰ জিম্মাত থকা যিকোনো পণ্য-সামগ্ৰী জব্দ কৰি আৰু বিক্ৰী কৰি তেওঁ পৰিশোধ কৰিবলগীয়া ধনৰাশি আদায় কৰিব পাৰে বা আন কোনো নিৰ্দিষ্ট বিষয়াক দায়িত্ব দিব পাৰে;

গ) ন্যায্য বিষয়াজনে এখন লিখিত জাননীৰ জৰিয়তে যিজন লোকৰ পৰা ধন আদায় কৰিব লাগে তেওঁক বা তেনে লোকৰ হৈ ধন আহৰণ কৰা কোনো লোকক কেন্দ্ৰীয় অথবা একোখন ৰাজ্য চৰকাৰে পোৱাকৈ নিৰ্ধাৰিত ধন জমা দিবলৈ ক'ব পাৰে;

ঘ) পৰিশোধ কৰিবলগীয়া ধন পৰিশোধ নকৰা পৰ্যন্ত ক্ষমতাশীল কৰ্তৃপক্ষৰ অনুমোদন সাপেক্ষে ন্যায্য বিষয়াজনে এনে লোকৰ মালিকানাধীন যিকোনো স্থাৱৰ বা অস্থাৱৰ সম্পত্তি জব্দ কৰি ৰাখিব পাৰে; যদি নিৰ্ধাৰিত দেনা এনেদৰে জব্দ কৰাৰ ৩০ দিনৰ ভিতৰত পৰিশোধ নকৰাকৈ থাকে, তেতিয়া তেওঁ উল্লিখিত সম্পত্তি বিক্ৰী কৰিব পাৰে আৰু এনে বিক্ৰয়ৰ অগ্ৰগতি হিচাপে তেওঁ পৰিশোধ কৰিবলগীয়া ধন আৰু পৰিশোধ নকৰাকৈ থকা বিক্ৰয়ৰ ব্যয় আদায় দি উদ্বৃত্ত ধন এনে লোকক পৰিশোধ কৰিব পাৰে;

ঙ) ন্যায্য বিষয়াজনে এনে লোকৰ পৰা পাবলগীয়া ধন নিৰ্দিষ্ট কৰি নিজে স্বাক্ষৰ কৰি এখন প্ৰমাণ-পত্ৰ প্ৰস্তুত কৰিব পাৰে আৰু ইয়াক সংশ্লিষ্ট জিলাৰ সমাহৰ্তালৈ (Collector) প্ৰেৰণ কৰিব পাৰে য'ত এনে লোকৰ মালিকানাধীন কোনো সম্পত্তি থাকে বা তেওঁ বসবাস কৰে বা ব্যৱসায় কৰে আৰু এনে প্ৰমাণ-পত্ৰ পোৱাৰ পিছত সমাহাৰ্তাজনে এনে লোকৰ পৰা নিৰ্ধাৰিত ধনৰাশি আদায় কৰিবৰ বাবে পদক্ষেপ গ্ৰহণ কৰিব পাৰে, যদিহে ই ভূমি-ৰাজহৰ আওতাত পৰে।

**প্ৰশ্ন ১৪ ঃ কিস্তি হিচাপত কৰৰ দেনা পৰিশোধ কৰিবলৈ ন্যায্য বিষয়াই অনুমতি দিব পাৰেনে?**

উত্তৰ ঃ হয়। স্ব-নিৰ্ধাৰিত কৰৰ বাহিৰে আন ক্ষেত্ৰসমূহত পাৰে। আয়ুক্ত/মুখ্য আয়ুক্তই পৰিশোধৰ সময় বঢ়াই দিব পাৰে বা এই আইনৰ অধীনত দিবলগীয়া যিকোনো ধনৰ পৰিমাণ অনুমোদিত কৰিব পাৰে, কেৱল যিকোনো হিচাপৰ বিৱৰণত স্ব-নিৰ্ধাৰিত

দায়বদ্ধতাৰ ক্ষেত্ৰত এনে কৰিব নোৱাৰে, এনে লোকে ২৪ মাহৰ অতিক্ৰম নকৰাকৈ অনুচ্ছেদ ৩৬ৰ অধীনত সুত পৰিশোধৰ ব্যৱস্থাৰে এইক্ষেত্ৰত দিয়া নিষেধাজ্ঞা আৰু চৰ্তাৱলী মানি মাহেকীয়া কিস্তিত পৰিশোধ কৰিব পাৰে। অৱশ্যে, নিৰ্ধাৰিত তাৰিখত যিকোনো একোটা কিস্তি পৰিশোধ কৰাত ব্যৰ্থ হ'লে, এনে তাৰিখত পৰিশোধ কৰিবলগীয়া বাকী থকা সমগ্ৰ ধনৰাশি পৰৱৰ্তী সময়ত পৰিশোধৰ যোগ্য হ'ব আৰু পৰৱৰ্তী কোনো জাননী অবিহনেই আদায় কৰা হ'ব।

**প্ৰশ্ন ১৫ ঃ নিৰ্ধাৰিত কৰৰ দাবী অধিক বুলি আবেদনত উল্লেখ কৰিলে বা পুনৰ পৰীক্ষা কৰাৰ পদ্ধতি কি হ'ব ?**

উত্তৰ ঃ বৰ্ধিত দেনাৰ ক্ষেত্ৰতহে দাবী কৰা ধনৰ জাননী (notice of demand) জাৰি কৰিব লাগে। আবেদন/পুনৰ পৰীক্ষা (revision) বাতিল কৰাৰ পূৰ্বে ইতিমধ্যে ধনৰ পৰিমাণ নিশ্চিত কৰা হ'লে, এনেদৰে বাতিল কৰাৰ ঠিক আগে আগে যদি এনে পৰ্যায়ৰ উদ্ভৱ হয় য'ত এনে প্ৰক্ৰিয়া নিৰ্ভৰশীল, তেতিয়া আদায় কৰাৰ প্ৰক্ৰিয়া অব্যাহত ৰাখিব পাৰি।

**প্ৰশ্ন ১৬ ঃ যদি কৰ পৰিশোধ কৰিবলৈ দায়বদ্ধ একোজন লোকৰ কোনো নিৰ্দিষ্ট কৰৰ দায়বদ্ধতা থাকে আৰু ঠিক সেই সময়তে তেওঁ অন্য এজন লোকলৈ তেওঁৰ ব্যৱসায় হস্তান্তৰ কৰে, বাকী থকা কৰৰ দায়বদ্ধতাৰ ক্ষেত্ৰত কি হ'ব ?**

উত্তৰ ঃ য'ত কৰ পৰিশোধৰ বাবে দায়বদ্ধ কোনো লোকে তেওঁৰ ব্যৱসায় বিক্ৰী, উপাহৰ, লীজ, লীভ আৰু অনুজ্ঞাপত্ৰ, ভাড়া বা আন যিকোনো ধৰণে সামগ্ৰিক বা আংশিকভাৱে হস্তান্তৰ কৰে, তেতিয়া এনে লোক আৰু যাক ব্যৱসায় হস্তান্তৰ কৰা হৈছে সেই লোকজন উভয়ে যুটীয়াভাৱে আৰু এনেধৰণৰ হস্তান্তৰৰ পূৰ্বে বা তাৰ পিছত নিৰ্ধাৰিত অথচ পৰিশোধ নকৰা কৰ, সুত বা অৰ্থদণ্ড পৰিশোধ কৰিবলৈ কঠোৰভাৱে দায়বদ্ধ।

**প্ৰশ্ন ১৭ ঃ কোম্পানী (কৰযোগ্য লোক) দেউলীয়া (liquidation) হ'লে কৰৰ দেনাৰ কি হ'ব?**

উত্তৰ ঃ যেতিয়া কোনো কোম্পানী দেউলীয়া হৈ যায় আৰু দেউলীয়া হোৱাৰ আগতে বা পাছত নিৰ্ধাৰিত যিকোনো কৰ বা আন দেনা আদায় নকৰাকৈ থাকিলে, যি সময়ত কৰ পৰিশোধ কৰিবলগীয়া আছিল সেই সময়ৰ প্ৰতিজন সঞ্চালক, যুটীয়াভাৱে আৰু কঠোৰভাৱে দেনা পৰিশোধ কৰিবলৈ বাধ্য। অন্যথা প্ৰতিজন লোকে আয়ুক্তক এনেকৈ ভাবিবলৈ প্ৰমাণ দাখিল কৰা হ'ব যে কোনোধৰণৰ সামূহিক অৱহেলাৰ বাবে এনে অনাদায় সম্ভৱ হোৱা নাই, কোম্পানীৰ কাম-কাজত কৰা ভ্ৰান্তি বা কৰ্তব্য পালন কৰাৰ ক্ষেত্ৰত তেওঁ কৰা অৱহেলাৰেই ই পৰিণতি।

**প্ৰশ্ন ১৮ ঃ অংশিদাৰী (partnership) ব্যৱসায়ৰ (কৰযোগ্য লোক) ক্ষেত্ৰত দিবলৈ বাকী থকা কৰৰ বাবে অংশীদাৰসকলৰ দায়বদ্ধতা কি?**

উত্তৰ ঃ যিকোনো ফাৰ্মৰ অংশীদাৰসকল যিকোনো কৰ, সুত বা অৰ্থদণ্ড দিবলৈ যুটীয়াভাৱে আৰু কঠোৰতাৰে দায়বদ্ধ। ফাৰ্ম/অংশীদাৰে যিকোনো অংশীদাৰৰ অৱসৰৰ বিষয়ে লিখিতভাৱে জাননীৰ জৰিয়তে আয়ুক্তক অৱগত কৰিব লাগিব, উক্ত তাৰিখত বা তাৰ পৰৱৰ্তী সময়ত নিৰ্ধাৰিত, এনেদৰে অৱসৰ গ্ৰহণ কৰাৰ আগলৈকে পৰিশোধ কৰিবলগীয়া কৰ, সুত বা অৰ্থদণ্ড এনে অংশীদাৰৰ ওপৰত থাকিব। অৱসৰ গ্ৰহণ কৰাৰ তাৰিখৰ পৰা এমাহৰ ভিতৰত যদি অৱগত কৰোৱা নহয়, তেতিয়া আয়ুক্তই এনে অৱগতি লাভ নকৰা তাৰিখলৈকে এনে অংশীদাৰৰ দায়বদ্ধতা অব্যাহত থাকিব।

**প্ৰশ্ন ১৯ ঃ তেনে কৰযোগ্য লোকৰ কৰৰ দায়বদ্ধতা কি হ'ব, যি কনিষ্ঠ লোকৰ (minor) ব্যৱসায় কোনো অভিভাৱক/ন্যাসৰক্ষী বা এজেণ্টে চলায়?**

উত্তৰ ঃ কোনো কনিষ্ঠ লোক আন অক্ষম লোকৰ হৈ বা এনে কনিষ্ঠ/অক্ষম লোকৰ

মুনাফাৰ বাবে কোনো অভিভাৱক/ন্যাসৰক্ষী/প্ৰতিনিধিয়ে ব্যৱসায় চলালে আৰু এইক্ষেত্ৰত পৰিশোধ কৰিবলগীয়া যিকোনো কৰ, সুত বা অৰ্থদণ্ড এনে অভিভাৱক/ন্যাসৰক্ষী/প্ৰতিনিধিৰ পৰা আদায় কৰা হ'ব।

**প্ৰশ্ন ২০ ঃ এজন কৰযোগ্য লোকৰ সম্পত্তি ক'ৰ্ট অফ ৱাৰ্ডছ (Court of Wards) নিয়ন্ত্ৰণাধীন হ'লে কি হ'ব?**

উত্তৰ ঃ যেতিয়া এজন কৰযোগ্য লোকৰ মালিকানাধীন সম্পত্তি বা কোনো ব্যৱসায়ৰ ক্ষেত্ৰত উদ্ভৱ হোৱা পৰিশোধ কৰিবলগীয়া যিকোনো কৰ, সুত বা অৰ্থদণ্ড ক'ৰ্ট অফ ৱাৰ্ডছ/এডমিনিষ্ট্ৰেটৰ জেনেৰেল/অফিচিয়েল ট্ৰাষ্টি/যিকোনো আদালতৰ নিৰ্দেশনাৰ অধীনত নিযুক্তি গ্ৰহণ কৰোতা বা পৰিচালকৰ ক্ষেত্ৰত সুত বা অৰ্থদণ্ড এনে ক'ৰ্ট অফ ৱাৰ্ডছ/এডমিনিষ্ট্ৰেটৰ জেনেৰেল/অফিচিয়েল ট্ৰাষ্টি/যিকোনো আদালতৰ নিৰ্দেশনাৰ অধীনত নিযুক্তি গ্ৰহণ কৰোতা বা পৰিচালকৰ পৰা আদায় কৰা হ'ব আৰু একোজন কৰযোগ্য লোকৰ পৰা আদায়ৰ যোগ্য হ'ব।

***

# জিএছটিত আবেদন, পুনৰীক্ষণ আৰু পুনৰ সংশোধন
(Appeals, Review and Revision in GST)

১৬। <u>জিএছটিত আবেদন, পুনৰীক্ষণ আৰু পুনৰ সংশোধন</u> (Appeals, Review and Revision in GST)

**প্ৰশ্ন ১ ঃ কোনো লোকে তেওঁৰ বিৰুদ্ধে জাৰি কৰা কোনো নিৰ্দেশনা বা সিদ্ধান্তত দ্বিমত হ'লে আবেদন কৰাৰ অধিকাৰ লাভ কৰিবনে?**

উত্তৰ ঃ হয়। যিকোনো লোকে তেওঁৰ বিৰুদ্ধে জাৰি কোনো নিৰ্দেশনা বা সিদ্ধান্তত দ্বিমত হ'লে আবেদন কৰাৰ অধিকাৰ লাভ কৰিব। এই নিৰ্দেশনা বা সিদ্ধান্ত এক 'বিচাৰক কৰ্তৃপক্ষ' (adjudicating authority)ৰ দ্বাৰা জাৰি হ'ব লাগিব।

অৱশ্যে, কিছুমান সিদ্ধান্ত বা নিৰ্দেশনা (অনুচ্ছেদ ৯৩ত উল্লেখ কৰা মতে) আবেদনযোগ্য নহয়।

**প্ৰশ্ন ২ ঃ যেতিয়া জিএছটিৰ আয়ুক্তই ভাবে যে জাৰি কৰা নিৰ্দেশনা বিধিসন্মত আৰু সঠিক নহয়, তেতিয়া তেওঁ নিজেই উক্ত সিদ্ধান্ত সলনি কৰিব পাৰেনে?**

উত্তৰ ঃ নোৱাৰে। জিএছটিৰ আয়ুক্তই নিৰ্দেশনা সলনি কৰিব নোৱাৰে। আৰ্হি আইনত চিজিএছটি আৰু এছজিএছটিৰ বাবে এইক্ষেত্ৰত বেলেগ বেলেগ ব্যৱস্থাৱলী আছে। অনুচ্ছেদ ৭৯ (২) অনুসৰি চিজিএছটিৰ বাবে, জিএছটিৰ আয়ুক্তই যদি কোনো নিৰ্দেশনা বা সিদ্ধান্ত (কোনো বিচাৰক কৰ্তৃপক্ষই জাৰি কৰা) বিধিসন্মত বা সঠিক নহয় বুলি ঠাৱৰ কৰে, তেতিয়া তেওঁ কোনবোৰ বিষয়ত উক্ত নিৰ্দেশনা বিধিসন্মত আৰু সঠিক নহয় বুলি বিবেচনা কৰিছে সেই সন্দৰ্ভত নিৰ্ণয় কৰিবৰ বাবে বিষয়বোৰ উল্লেখ কৰি এক নিৰ্দেশনা জাৰি কৰিব পাৰে আৰু তেওঁৰ তলতীয়া এজন জিএছটি বিষয়াক First Appellate Authority (FAA)ৰ ওচৰত এখন আবেদন দাখিল কৰিবলৈ ক'ব পাৰে। তাৰ পিছত এনে আবেদন FAAই আবেদন হিচাপে গণ্য কৰিব পাৰে।

**প্ৰশ্ন ৩ ঃ First Appellate Authority (FAA)ৰ ওচৰত আবেদন দাখিল কৰাৰ**

**সময়সীমা কি?**

উত্তৰ ঃ নিৰ্দেশনা বা সিদ্ধান্ত জনোৱাৰ তাৰিখৰ পৰা তিনিমাহৰ ভিতৰত সময়সীমা নিৰ্ধাৰণ কৰা হৈছে।

**প্ৰশ্ন ৪ ঃ চিজিএছটিৰ আয়ুক্তৰ নিৰ্দেশনাৰ পিছতে দাখিল কৰা বিভাগীয় আপীল/আবেদনৰ ক্ষেত্ৰতো এই সময়সীমা প্ৰযোজ্য হয়নে?**

উত্তৰ ঃ হয়। এনে আবেদনৰ ক্ষেত্ৰতো ই প্ৰযোজ্য। যিবিলাক আবেদন হিচাপে গণ্য কৰিব পাৰি আৰু এনে আবেদনৰ ক্ষেত্ৰত আবেদনৰ সকলো ব্যৱস্থা প্ৰযোজ্য।

**প্ৰশ্ন ৫ ঃ আবেদন দাখিল কৰাৰ ক্ষেত্ৰত কৰা কোনো বিলম্ব ক্ষমা কৰিবৰ বাবে First Appellate Authority (FAA)ৰ কোনো ক্ষমতা আছেনে?**

উত্তৰ ঃ হয়। আবেদন দাখিল কৰিবৰ বাবে নিৰ্ধাৰিত তিনিমাহৰ সমাপ্তিৰ পিছত আৰু এমাহলৈকে (৩+১) তেওঁ ক্ষমা কৰিব পাৰে, ইয়াৰ বাবে অনুচ্ছেদ ৭৯(৪)ৰ ব্যৱস্থা অনুসৰি 'উপযুক্ত কাৰণ' থাকিব লাগিব।

**প্ৰশ্ন ৬ ঃ আবেদন পত্ৰত নিৰ্দিষ্টকৈ নিদিয়া অতিৰিক্ত পটভূমি অনুমতি দিবলৈ First Appellate Authority (FAA)ৰ কোনো ক্ষমতা আছেনে?**

উত্তৰ ঃ হয়। যদি তেওঁ নিশ্চিত হয় যে উক্ত ত্ৰুটি ইচ্ছাকৃত নহয় বা অযুক্তিকৰ তেতিয়া তেওঁৰ অতিৰিক্ত পটভূমিক অনুমতি দিয়াৰ ক্ষমতা আছে।

**প্ৰশ্ন ৭ ঃ First Appellate Authority (FAA)য়ে জাৰি কৰা নিৰ্দেশনা কাক দিব লাগে?**

উত্তৰ ঃ First Appellate Authority (FAA)য়ে নিৰ্দেশনাৰ কপি আবেদনকাৰীক (Appellant) আৰু বিচাৰক কৰ্তৃপক্ষক দিয়াৰ লগতে একোটাকৈ কপি চিজিএছটি

আৰু এছজিএছটিৰ বিধিসংগত আয়ুক্তক দিব লাগে।

**প্ৰশ্ন ৮ ঃ প্ৰতিখন আবেদনৰ লগত বাধ্যতামূলকভাৱে আগতীয়াকৈ জমা দিবলগীয়া ধনৰ পৰিমাণ কি ?**

উত্তৰ ঃ বিবদমান ধনৰাশিৰ ১০% (অৱশ্যে এছজিএছটিৰ বাবে, কেতবোৰ অতিৰিক্ত ব্যৱস্থা আছে যাৰ বাবে আৰ্হি আইন উল্লেখ কৰিব পাৰি, প্ৰশ্ন নং-১২ আৰু ১৩ চাওক)।

**প্ৰশ্ন ৯ ঃ বিবদমান ধনৰাশি কি ?**

উত্তৰ ঃ এমজিএলৰ অনুচ্ছেদ ৭৯(৬)ৰ ব্যাখ্যা অনুসৰি বিবদমান ধনৰাশি (amount in dispute) বুলিলে অন্তৰ্ভুক্ত হ'ব ঃ

(১) অনুচ্ছেদ ৪৬ বা ৪৭ বা ৪৮ বা ৫১ৰ অধীনত নিৰ্ধাৰিত ধনৰাশি;

(২) জিএছটি ক্ৰেডিট ৰুলছ ২০১---ৰ বিধি ---ৰ অধীনত পৰিশোধ কৰিবলগীয়া ধনৰাশি; আৰু

(৩) আৰোপিত মাচুল বা অৰ্থদণ্ডৰ পৰিমাণ।

**প্ৰশ্ন ১০ ঃ একোখন আবেদনত এফএএই শুল্ক/জৰিমনা/অৰ্থদণ্ডৰ পৰিমাণ বৃদ্ধি কৰি মূল কৰ্তৃপক্ষই জাৰি কৰা একোটা নিৰ্দেশনাৰ পৰা ৰিফাণ্ড/আইটিচিৰ পৰিমাণ হ্ৰাস কৰি একোটা নিৰ্দেশনা জাৰি কৰিব পাৰেনে ?**

উত্তৰ ঃ মাচুল বা আৰ্থদণ্ড বা জৰিমনা বৃদ্ধি কৰি ক্ৰোক কৰা (confiscation) বা 'ৰিফাণ্ড'ৰ পৰিমাণ বা 'ইনপুট টেক্স ক্ৰেডিট' হ্ৰাস কৰাৰ ক্ষেত্ৰত এক নিৰ্দেশনা জাৰি কৰিবলৈ এফএএক ক্ষমতা প্ৰদান কৰা হৈছে, লগতে কোৱা হৈছে যে প্ৰস্তাৱিত হানিকাৰক নিৰ্দেশনাৰ বিৰুদ্ধে কাৰণ দৰ্শাবলৈ আবেদনকাৰীক যুক্তিসংগত সুযোগ

দিব লাগিব। (অনুচ্ছেদ ৭৯ (১০)ৰ প্ৰথম ব্যৱস্থা)

এনেদৰে শুল্ক বৃদ্ধি কৰা বা আইটিচিৰ সুবিধা ভুলকৈ লোৱাৰ প্ৰশ্নত, এফএএই কেৱল তেতিয়াহে এনে পদক্ষেপ গ্ৰহণ কৰিব পাৰে যেতিয়া প্ৰস্তাৱিত নিৰ্দেশনাৰ বিপৰীতে আবেদনকাৰীক নিৰ্দিষ্ট এছচিএন দিয়া হয় আৰু অনুচ্ছেদ ৫১ৰ অধীনত নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত উক্ত নিৰ্দেশনা জাৰি কৰিব লাগে। (অনুচ্ছেদ ৭৯ (১০)ৰ দ্বিতীয় ব্যৱস্থা)

**প্ৰশ্ন ১১ ঃ (কেৱল চিজিএছটি আইনৰ বাবে) এছজিএছটিৰ অধীনত** First Appellate Authority**ৰ ওচৰত আবেদন দাখিল কৰিবলৈ আবেদন দাখিলৰ পূৰ্বে পূৰ্ব-জমা** (pre-deposit) **সন্দৰ্ভত কি ব্যৱস্থা আছে?**

উত্তৰ ঃ আবেদন দাখিল কৰাৰ পূৰ্বে বিবদমান ধনৰাশিৰ ১০% পৰিশোধ কৰিব লাগিব। চিজিএছটি আৰু এছজিএছটি উভয়ৰে ক্ষেত্ৰত ই উমৈহতীয়া। অৱশ্যে এছজিএছটিৰ বাবে, এই ১০%ৰ উপৰিও আবেদনকাৰীয়ে লগতে ‘এনেধৰণৰ বিবদমান নিৰ্দেশনাৰ পৰা উদ্ভৱ হোৱা কৰ, সুত, জৰিমনা, মাচুল আৰু অৰ্থদণ্ডৰ অংশ সম্পূৰ্ণৰূপে পৰিশোধ কৰিব লাগিব, যিহেতু তেওঁ উক্ত নিৰ্দেশনা মানি লৈছে।’

তদুপৰি এছজিএছটিৰ আয়ুক্তই যদি কোনো ঘটনাক গুৰুতৰ (serious case) বুলি বিবেচনা কৰে, তেতিয়া বিভাগীয় কৰ্তৃপক্ষই বিবদমান ধনৰাশিৰ ৫০%ৰ অধিক নোহোৱাকৈ পূৰ্ব-জমাৰ পৰিমাণতকৈ অধিক পৰিমাণৰ ধনৰ নিৰ্দেশনা দিবৰ বাবে এফএএক আবেদন কৰিব পাৰে।

**প্ৰশ্ন ১২ ঃ (কেৱল এছজিএছটি আইনৰ বাবে) ‘গুৰুতৰ ঘটনা’** (serious case)**ৰ অৰ্থ কি?**

উত্তৰ ঃ এই সংজ্ঞাৰ অৰ্থ হৈছে একোটা ঘটনা য’ত একোটা বিবদমান কৰৰ দায়বদ্ধতা

জড়িত হৈ আছে যাৰ পৰিমাণ ২৫ কোটি টকাতকৈ কম নহয় আৰু য'ত এছজিএছটিৰ আয়ুক্তজনে এই মত পোষণ কৰে যে (লিখিতভাৱে নথিভুক্ত কৰিবলগীয়া কাৰণসহ) কৰদাতাজনৰ বিৰুদ্ধে বিভাগৰ এটা অত্যন্ত ভাল গোচৰ আছে।

**প্ৰশ্ন ১৩ ঃ এছজিএছটিৰ আয়ুক্তই তেওঁৰ তলতীয়া বিষয়াৰ দ্বাৰা এই আইনৰ অধীনত জাৰি কৰা কোনো নিৰ্দেশনা পুনৰীক্ষণ কৰিব পাৰেনে?**

উত্তৰ ঃ হয়। এছজিএছটি আইনৰ অনুচ্ছেদ ৮০ (১)ত আয়ুক্তজনক তেওঁৰ যিকোনো অন্য তলতীয়া বিষয়াই জাৰি কৰা যিকোনো নিৰ্দেশনা পৰীক্ষা কৰিবলৈ বা বিষয়াজনক মাতি পঠিয়াবলৈ কৰ্তৃত্ব প্ৰদান কৰা হৈছে আৰু যদিহে নিম্ন কৰ্তৃপক্ষই জাৰি কৰা নিৰ্দেশনা ৰাজহৰ ক্ষেত্ৰত পূৰ্ব-ন্যায়িক হিচাপে ভ্ৰান্তিমূলক বুলি তেওঁ বিবেচনা কৰে, তেতিয়া তেওঁ যাৰ বিপৰীতে আবেদন কৰা হৈছে তেওঁৰ শুনানি গ্ৰহণ কৰাৰ সুযোগ প্ৰদানৰ পিছত উক্ত নিৰ্দেশনা পুনৰীক্ষণ কৰিব পাৰে।

**প্ৰশ্ন ১৪ ঃ এছজিএছটিৰ আয়ুক্তই এনেধৰণৰ পুনৰীক্ষণ স্থগিত ৰাখি তেওঁৰ তলতীয়া বিষয়াই জাৰি কৰা যিকোনো নিৰ্দেশনাৰ কাৰ্যকৰীকৰণ স্থগিত ৰাখি নিৰ্দেশনা জাৰি কৰিব পাৰেনে?**

উত্তৰ ঃ হয়।

**প্ৰশ্ন ১৫ ঃ এছজিএছটিৰ অধীনত তলতীয়া বিষয়াৰ নিৰ্দেশনা পুনৰীক্ষণ কৰাৰ ক্ষেত্ৰত আয়ুক্তই লাভ কৰা ক্ষমতাৰ কিবা প্ৰতিবন্ধকতা আছে নেকি?**

উত্তৰ ঃ হয়। আয়ুক্তই কোনো নিৰ্দেশনা পুনৰীক্ষণ কৰিব নোৱাৰিব, যদিহে

ক) অনুচ্ছেদ ৭৯ বা অনুচ্ছেদ ৮২ বা অনুচ্ছে ৮৭ বা অনুচ্ছেদ ৮৮ৰ অধীনত উক্ত নিৰ্দেশনা এক আবেদন হিচাপে (appeal) গণ্য হয়; বা

খ) পুনৰীক্ষিত হ'ব লাগে বুলি দিয়া সিদ্ধান্ত বা নিৰ্দেশনা জাৰি কৰাৰ পিছত তিনি বছৰতকৈ অধিক কাল অতিক্ৰান্ত হ'লে।

এইবিলাক আৰু কিছুমান অন্য প্ৰতিবন্ধকতাৰ সবিশেষ জানিবৰ বাবে এমজিএলৰ অনুচ্ছেদ ৮০ চাওক।

**প্ৰশ্ন ১৬ ঃ আবেদন অগ্ৰাহ্য কৰিবলৈ ন্যায়াধিকৰণে কেতিয়া ক্ষমতা লাভ কৰে?**

উত্তৰ ঃ যেতিয়া আবেদনত এই কথা অন্তৰ্ভুক্ত থাকে ঃ

- কৰৰ পৰিমাণ; বা
- ইনপুট টেক্স ক্ৰেডিট; বা
- কৰৰ ক্ষেত্ৰত হোৱা পাৰ্থক্য; বা
- ইনপুট টেক্স ক্ৰেডিটত হোৱা পাৰ্থক্য; বা
- জৰিমনাৰ পৰিমাণ; বা
- মাচুলৰ পৰিমাণ; বা
- নিৰ্দেশিত জৰিমনাৰ পৰিমান

যদি ১,০০,০০০/- টকাতকৈ কম হয়, তেতিয়া এনেধৰণৰ আবেদন গ্ৰহণ কৰিবলৈ ন্যায়াধিকৰণে অস্বীকাৰ কৰিব পাৰে। [এমজিএলৰ অনুচ্ছেদ ৮২ (২)]

**প্ৰশ্ন ১৭ ঃ ন্যায়াধিকৰণৰ আগত আবেদন দাখিলৰ কিবা সময়সীমা আছেনে?**

উত্তৰ ঃ দাখিল কৰা আবেদনৰ বিপৰীতে নিৰ্দেশনা লাভ কৰাৰ পৰা তিনিমাহ।

**প্ৰশ্ন ১৮ ঃ তিনিমাহৰ সময়সীমাৰ বাহিৰত আবেদন দাখিল কৰিবৰ বাবে ন্যায়াধিকৰণে বিলম্বৰ বাবে ক্ষমা কৰিব পাৰেনে? যদি পাৰে, কিমান সময়লৈকে?**

উত্তৰ ঃ হয়। ন্যায়াধিকৰণে এনে বিলম্বৰ বাবে আবেদনকাৰীয়ে দৰ্শোৱা উপযুক্ত কাৰণৰ ভিত্তিত নিৰ্ধাৰিত তিনিমাহৰ সময়সীমাৰ বাহিৰত যিকোনো সময়ৰ বাবে বিলম্ব ক্ষমা কৰিব পাৰে।

**প্ৰশ্ন ১৯ ঃ ন্যায়াধিকৰণৰ আগত উপৰা-উপৰি আপত্তিৰ ক্ষেত্ৰত স্মাৰক পত্ৰ (memorendum) দাখিলৰ সময়সীমা কি?**

উত্তৰ ঃ আবেদন লাভ কৰাৰ তাৰিখৰ পৰা ৪৫ দিন।

**প্ৰশ্ন ২০ ঃ চিজিএছটি আৰু এছজিএছটিৰ ব্যৱস্থাৱলীৰ অধীনত (ন্যায়াধিকৰণৰ আগত) দাখিল কৰা আবেদনৰ পাৰ্থক্যসমূহ কেনেধৰণৰ?**

উত্তৰ ঃ (১) এফএএই যাৰ বিৰুদ্ধে এনে নিৰ্দেশনা জাৰি কৰিছে আৰু যিলোকে এই নিৰ্দেশনা মানি ল'ব বিচৰা নাই, এছজিএছটি আইনৰ অনুচ্ছেদ ৮২ৰ অধীনত এনে লোকে দাখিল কৰা আবেদন চিজিএছটি আইনৰ অনুচ্ছেদ ৮২ত সন্নিৱিষ্ট ব্যৱস্থাৱলীৰ সৈতে সাদৃশ্য থকা হ'ব লাগিব আৰু সেই সন্দৰ্ভত হোৱা আলোচনা এছজিএছটিৰ অনুচ্ছেদ ৮২ৰ ক্ষেত্ৰতো সমানে প্ৰযোজ্য হ'ব।

(২) ওপৰত উল্লেখ কৰাখিনিৰ উপৰিও এছজিএছটি আইনৰ অনুচ্ছেদ ৮২ৰ ব্যৱস্থাত আয়ুক্তৰ দ্বাৰা জাৰি কৰা পুনৰীক্ষণমূলক নিৰ্দেশনাৰ বিৰুদ্ধে Appellate Tribunalত দাখিল কৰিবলগীয়া একোখন আবেদনো সামৰি লোৱা হৈছে।

(৩) অৱশ্যে, চিজিএছটি আইন অনুসৰি এফএএৰ নিৰ্দেশনাৰ বিৰুদ্ধে ৰাজহে দাখিল কৰিবলগীয়া আবেদন সম্পৰ্কীয় ব্যৱস্থাৱলী এছজিএছটি আইনত উল্লেখ কৰা হোৱা নাই, যিহেতু পুনৰীক্ষণৰ ক্ষমতা (এফএএই জাৰি কৰা নিৰ্দেশনাৰ বিৰুদ্ধে, যি ৰাজ্যত আয়ুক্তৰ তলতীয়া বিষয়া) এছজিএছটিৰ আয়ুক্তক অৰ্পণ কৰা হৈছে।

(৪) ইয়াৰ লগতে এছজিএছটি আইনৰ অধীনত অসন্তুষ্ট লোকজনে বিবদমান নিৰ্দেশনাৰ

পৰা উদ্ভৱ হোৱা স্বীকৃত কৰ, সুত, জৰিমনা, মাচুল আৰু অৰ্থদণ্ড সম্পূৰ্ণৰূপে আগতীয়াকৈ জমা দিব লাগিব।

**প্ৰশ্ন ২১ ঃ আগতীয়াকৈ জমা কৰা ধনৰাশি (pre-deposit amount)ৰ 'ৰিফাণ্ড'ত সুত পৰিশোধ কৰিব লাগেনে?**

উত্তৰ ঃ হয়। এমজিএলৰ অনুচ্ছেদ ৮৫ অনুসৰি। অনুচ্ছেদ ৭৯ৰ উপ-অনুচ্ছেদ (৬)/(৪)ৰ অধীনত বা অনুচ্ছেদ ৮২ৰ উপ-অনুচ্ছেদ (১০)/(৭)ৰ অধীনত আবেদনকাৰীয়ে জমা কৰা ধনৰাশি এফএএ বা Appellate Tribunalৰ নিৰ্দেশনা অনুসৰি ওভতাই দিব লাগে, এনে ধনৰাশিক পৰিশোধ কৰাৰ তাৰিখৰ পৰা ওভতাই দিয়া তাৰিখলৈকে এনে 'ৰিফাণ্ড'ৰ ওপৰত অনুচ্ছেদ ৩৯ত নিৰ্দিষ্ট কৰি দিয়া নিৰিখত সুত দিব লাগে।

**প্ৰশ্ন ২২ ঃ ন্যায়াধিকৰণে জাৰি কৰা নিৰ্দেশনাৰ ওপৰত দাখিল কৰা আবেদন কোন 'ফ'ৰাম'ত থাকে?**

উত্তৰ ঃ উচ্চ ন্যায়ালয়ত। যদি উচ্চ ন্যায়ালয়ে গণ্য কৰে যে এনেধৰণৰ আবেদনত আইনৰ প্ৰশ্ন জড়িত হৈ আছে (অনুচ্ছেদ ৮৭ (১)। অৱশ্যে ন্যায়াধিকৰণে জাৰি কৰা উক্ত নিৰ্দেশনা যদি এনে এটা বিষয়ৰ সৈতে সম্পৰ্কযুক্ত য'ত ৰাজ্যৰ ভিতৰুৱা বা আন্তঃৰাজ্যিক লেন-দেনৰ ক্ষেত্ৰত পৃথক দৃষ্টিভংগীৰে দুখন বা ততোধিক ৰাজ্য, বা এখন ৰাজ্য আৰু কেন্দ্ৰ জড়িত থাকে; বা এনে একোটা বিষয় য'ত যোগানৰ স্থানক লৈ দুখন বা ততোধিক ৰাজ্য, বা এখন ৰাজ্য আৰু কেন্দ্ৰৰ মত-পাৰ্থক্য হয়, তেতিয়া এনে নিৰ্দেশনাৰ বিৰুদ্ধে জনোৱা আবেদন উচ্চতম ন্যায়ালয়ত থাকিব আৰু উচ্চ ন্যায়ালয়ত নাথাকে।

**প্ৰশ্ন ২৩ ঃ উচ্চ ন্যায়ালয়ত আবেদন দাখিল কৰিবৰ বাবে সময়সীমা কি?**

উত্তৰ ঃ নিৰ্দেশনাৰ বিৰুদ্ধে দাখিল কৰা আবেদন গ্ৰহণৰ পৰা ১৮০ দিন। অৱশ্যে, উপযুক্ত কাৰণ দৰ্শালে উচ্চ ন্যায়ালয়ে পৰৱৰ্তী বিলম্ব ক্ষমা কৰিব পাৰে।

***

# আগতীয়া মীমাংসা

# (Advance Ruling)

১৭। আগতীয়া মীমাংসা (Advance Ruling)

**প্ৰশ্ন ১ ঃ আগতীয়া মীমাংসাৰ অৰ্থ কি ?**

উত্তৰ ঃ আৰ্হি চিজিএছটি/জিএছটিৰ অনুচ্ছেদ ৯৪ অনুসৰি 'আগতীয়া মীমাংসা' (advance ruling) মানে হৈছে অনুচ্ছেদ ৯৭ত বৰ্ণিত বিভিন্ন বিষয় বা বিভিন্ন প্ৰশ্ন আৰু সেই সন্দৰ্ভত দাখিল কৰা আবেদনৰ (অনুচ্ছেদ ৯৯) ওপৰত কৰ্তৃপক্ষই একোজন আবেদনকাৰীক দিয়া একোটা লিখিত সিদ্ধান্ত।

**প্ৰশ্ন ১ ঃ অনুচ্ছেদ ৯৭ত বৰ্ণিত কোনবোৰ বিষয়ৰ বাবে আগতীয়া মীমাংসা বিচাৰিব পাৰি ?**

উত্তৰ ঃ তলত দিয়া বিষয়বোৰৰ বাবে আগতীয়া মীমাংসা বিচাৰিব পাৰি ঃ

(ক) এই আইনৰ অধীনত যিকোনো পণ্য-সামগ্ৰী অথবা সেৱাৰ শ্ৰেণী বিভাজন;

(খ) কৰৰ নিৰিখৰ ওপৰত এক আৰোপনসহ এই আইনৰ ব্যৱস্থাৱলীৰ অধীনত জাৰি কৰা অধিসূচনাৰ প্ৰয়োগ;

(গ) এই আইনৰ ব্যৱস্থাৱলীৰ অধীনত পণ্য-সামগ্ৰী অথবা সেৱাৰ মূল্য নিৰূপণৰ উদ্দেশ্যে গ্ৰহণ কৰিবলগা নীতি;

(ঘ) পৰিশোধ কৰা বা কৰিবলগা কৰৰ 'ইনপুট টেক্স ক্ৰেডিট'ৰ গ্ৰহণযোগ্যতা;

(ঙ) এই আইনৰ অধীনত যিকোনো পণ্য-সামগ্ৰী অথবা সেৱাৰ ওপৰত পৰিশোধ কৰিবলগা দেনাৰ নিৰ্ধাৰণ;

(চ) এই আইনৰ অধীনত আবেদনকাৰী পঞ্জীভুক্ত হ'ব লাগেনে নালাগে;

(ছ) যিকোনো পণ্য-সামগ্ৰী অথবা সেৱাৰ নিৰিখ অথবা একোটা পণ্য-সামগ্ৰী অথবা সেৱাৰ যোগানৰ পৰিণতিৰ ক্ষেত্ৰত আবেদনকাৰীয়ে কৰা কোনো নিৰ্দিষ্ট কামৰ ক্ষেত্ৰত।

**প্ৰশ্ন ৩ ঃ আগতীয়া মীমাংসাৰ এক ব্যৱস্থাপনা থকাৰ উদ্দেশ্য কি ?**

উত্তৰ ঃ এনে এক কৰ্তৃপক্ষ গঠন কৰাৰ বিস্তৃত উদ্দেশ্য হৈছে ঃ

১। আবেদনকাৰীয়ে গ্ৰহণ কৰিবলগীয়া একোটা কামৰ সৈতে সংগতি ৰাখি আগতীয়াকৈ কৰৰ দায়বদ্ধতাৰ নিশ্চয়তা প্ৰদান কৰা;

২। বিদেশী প্ৰত্যক্ষ বিনিয়োগ (Foreign Dirrect Investment) আকৰ্ষণ কৰা;

৩। মোকৰ্দমা হ্ৰাস কৰা;

৪। স্বচ্ছ আৰু খৰচীবিহীনভাৱে খৰতকীয়াকৈ মীমাংসা দিয়া।

**প্ৰশ্ন ৪ ঃ জিএছটিৰ অধীনত আগতীয়া মীমাংসাৰ কৰ্তৃপক্ষৰ** (Authority for Advance Rulings)**ৰ গঠন কি হ'ব ?**

উত্তৰ ঃ আগতীয়া মীমাংসাৰ কৰ্তৃপক্ষ (এএআৰ)ত থাকিব এজন চিজিএছটি সদস্য আৰু এজন এছজিএছটি সদস্য। তেওঁলোকক কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰে পৰ্যায়ক্ৰমে নিযুক্তি দিব। এই নিযুক্তিৰ বাবে তেওঁলোকৰ শিক্ষাগত অৰ্হতা আৰু সক্ষমতাৰ বিষয়ে আৰ্হি জিএছটি নিয়মাৱলীত উল্লেখ থাকিব। (অনুচ্ছেদ ৯৫)

**প্ৰশ্ন ৫ ঃ আগতীয়া মীমাংসাৰ আবেদন-গ্ৰহণ কৰ্তৃপক্ষ** (Appellate Authority for Advance Rulings) **কি আৰু ইয়াৰ গঠন কেনেকৈ হ'ব ?**

উত্তৰ ঃ আগতীয়া মীমাংসাৰ আবেদন-গ্ৰহণ কৰ্তৃপক্ষ (এএএআৰ)ই এএআৰে দিয়া

আগতীয়া মীমাংসাৰ বিৰুদ্ধে কৰা আবেদনৰ শুনানি গ্ৰহণ কৰিব। ই গঠিত হ'ব দুজন সদস্য অৰ্থাৎ চেণ্ট্ৰেল ব'ৰ্ড অফ এক্সাইজ এণ্ড কাষ্টম্ছ (চিবিইচি)ৰ দ্বাৰা নিয়োজিত চিজিএছটিৰ মুখ্য আয়ুক্ত আৰু আবেদনকাৰীৰ ওপৰত ন্যায়িক ক্ষমতা থকা এছজিএছটিৰ আয়ুক্ত। (অনুচ্ছেদ ৯৬)

**প্ৰশ্ন ৬ ঃ জিএছটিৰ অধীনত এএআৰ আৰু এএএআৰ কেনেকৈ গঠিত হ'ব?**

উত্তৰ ঃ প্ৰতিখন ৰাজ্যৰ বাবে একোখনকৈ এএআৰ আৰু এএএআৰ থাকিব।(অনুচ্ছেদ ৯৫ আৰু ৯৬)

**প্ৰশ্ন ৭ ঃ কাৰ ক্ষেত্ৰত আগতীয়া মীমাংসা প্ৰযোজ্য হ'ব?**

উত্তৰ ঃ অনুচ্ছেদ ১০২ত কোৱা হৈছে যে এএআৰ অথবা এএএআৰে দিয়া একোটা আগতীয়া মীমাংসা কেৱল আবেদনকাৰীৰ ওপৰত আৰু আবেদনকাৰীৰ ন্যায়সংগত কৰ কৰ্তৃপক্ষৰ ওপৰত প্ৰযোজ্য হ'ব। ই স্পষ্টভাৱে এই অৰ্থ কৰিছে যে একোটা আগতীয়া মীমাংসা ৰাজ্যত একেদৰে সংস্থাপিত কৰযোগ্য লোকৰ ক্ষেত্ৰত প্ৰযোজ্য নহ'ব। ই কেৱল এটা আগতীয়া মীমাংসাৰ বাবে আবেদন কৰা লোকজনৰ ওপৰতহে প্ৰযোজ্য হ'ব।

**প্ৰশ্ন ৮ ঃ আগতীয়া মীমাংসা প্ৰয়োগৰ সময়সীমা কি?**

উত্তৰ ঃ আগতীয়া মীমাংসা প্ৰয়োগ কৰিবৰ বাবে আইনত নিৰ্ধাৰিত সময়সীমা উল্লেখ কৰা নাই। তাৰ পৰিৱৰ্তে অনুচ্ছেদ ১০২ত, কোৱা হৈছে যে আগতীয়া মীমাংসা সেই সময়লৈকে প্ৰযোজ্য হ'ব যেতিয়া আগতীয়া মীমাংসাৰ সপক্ষে থকা আইন, কাৰ্য-কাৰণ অথবা পৰিস্থিতি সলনি হয়।

**প্ৰশ্ন ৯ ঃ প্ৰদান কৰা একোটা আগতীয়া মীমাংসা বাতিল কৰিব পাৰিনে?**

উত্তৰ ঃ অনুচ্ছেদ ১০৩ত কোৱা হৈছে যে যদি এএআৰ আৰু এএএআৰে গণ্য কৰে

যে আবেদনকাৰীয়ে জালিয়াতি অথবা প্ৰকৃত কাৰ্য-কাৰণ গোপন কৰি অথবা প্ৰকৃত কাৰ্য-কাৰণৰ অপব্যাখ্যা কৰি আগতীয়া মীমাংসা আহৰণ কৰিছে তেনে ক্ষেত্ৰত ইয়াক স্থগিত বা বাতিল কৰিব পাৰিব। এনে এক পৰিস্থিতিত চিজিএছটি/এছজিএছটি আইনৰ সকলো ব্যৱস্থা আবেদনকাৰীৰ ওপৰত এনেদৰে প্ৰয়োগ কৰা হ'ব, যেন এনে আগতীয়া মীমাংসা কেতিয়াও কৰা হোৱা নাই (কিন্তু যি সময়ত আগতীয়া মীমাংসা দিয়া হয় সেই সময়ক বাদ দি আৰু সেই সময়লৈকে যি সময় পৰ্যন্ত উক্ত নিৰ্দেশনা বাতিল কৰা বুলি ঘোষণা জাৰি কৰা হয়)। আগতীয়া মীমাংসা বাতিল কৰা বুলি কৰা একোটা ঘোষণা কেৱল আবেদনকাৰীৰ শুনানি গ্ৰহণ কৰাৰ পিছতহে কৰিব পাৰি।

**প্ৰশ্ন ১০ ঃ আগতীয়া মীমাংসা আহৰণৰ প্ৰক্ৰিয়া কি ?**

উত্তৰ ঃ অনুচ্ছেদ ৯৭ আৰু ৯৮ত আগতীয়া মীমাংসা আহৰণৰ প্ৰক্ৰিয়া সম্পৰ্কে উল্লেখ আছে। অনুচ্ছেদ ৯৭ত কোৱা হৈছে যে আগতীয়া মীমাংসা আহৰণ কৰিব বিচৰা আবেদনকাৰীয়ে একোটা নিৰ্ধাৰিত প্ৰ-পত্ৰত আৰু নিৰ্ধাৰিত ধৰণে এএআৰলৈ আবেদন কৰিব লাগিব। প্ৰ-পত্ৰৰ আৰ্হি আৰু আবেদন কৰাৰ সবিশেষ প্ৰক্ৰিয়াৰ বিষয়ে আৰ্হি জিএছটি নিয়মাৱলী উল্লেখ কৰা থাকিব।

অনুচ্ছেদ ৯৮ত আগতীয়া মীমাংসাৰ বাবে জনোৱা আবেদনৰ প্ৰক্ৰিয়া সম্পৰ্কে কোৱা হৈছে। এএআৰে আবেদনৰ এটা কপি সেই বিষয়াজনলৈ প্ৰেৰণ কৰিব যাৰ ন্যায়িক জিম্মাত আবেদনকাৰীজন পৰে আৰু সকলো যাৱতীয় তথ্য-পাতি প্ৰেৰণ কৰিব। তাৰ পিছত এএআৰে তথ্য পাতিৰ লগতে আবেদনখন পৰীক্ষা কৰি চাব পাৰে আৰু আবেদনকাৰীৰ শুনানিও গ্ৰহণ কৰিব পাৰে। তাৰ পিছত তেওঁ আবেদনখন স্বীকাৰ বা নাকচ কৰি এটা নিৰ্দেশনা জাৰি কৰিব পাৰে।

**প্ৰশ্ন ১১ ঃ কি পৰিস্থিতিৰ অধীনত আগতীয়া মীমাংসাৰ বাবে জনোৱা আবেদন নিশ্চিতভাৱে নাকচ কৰিব পাৰি ?**

উত্তৰ ঃ অনুচ্ছেদ ৯৮ (২)ৰ অধীনত উল্লিখিত কেতবোৰ নিৰ্দিষ্ট পৰিস্থিতিত আবেদন নাকচ কৰিব পাৰি, সেইবিলাক তলত উল্লেখ কৰা হ'ল ঃ

(ক) যদি আবেদনত উত্থাপন কৰা প্ৰশ্ন যিকোনো এফএএ, এপীলেট ট্ৰিবিউনেল বা আদালতত আবেদনকাৰীৰ গোচৰত ইতিমধ্যে নিষ্পত্তি নোহোৱাকৈ আছে;

(খ) যদি আবেদনত উত্থাপিত প্ৰশ্ন ইতিমধ্যে এফএএ, এপীলেট ট্ৰিবিউনেল বা যিকোনো আদালতে সিদ্ধান্ত গ্ৰহণ কৰা বিষয় সন্দৰ্ভত হয়;

(গ) আবেদনত উত্থাপিত প্ৰশ্ন যদি এই আইনৰ যিকোনো ব্যৱস্থাৱলীৰ অধীনত আবেদনকাৰীৰ গোচৰত যিকোনো পৰ্যায়ত ইতিমধ্যে নিষ্পত্তি নোহোৱাকৈ থকা বিষয়ৰ সৈতে একে হয়;

(ঘ) আবেদনত উত্থাপিত প্ৰশ্ন যদি ন্যায় বিচাৰকাৰী কৰ্তৃপক্ষ বা গণনাকাৰী কৰ্তৃপক্ষৰ দ্বাৰা, যিয়েই প্ৰযোজ্য হয়, আবেদনকাৰীৰ গোচৰৰ ক্ষেত্ৰত একোটা বিষয়ত ইতিমধ্যে সিদ্ধান্ত গ্ৰহণ কৰা বিষয়ৰ সৈতে একে হয়;

যদি আবেদন নাকচ কৰা হয় আবেদনৰ কাৰণবিলাক প্ৰদান কৰি এক মৌখিক নিৰ্দেশনাৰ জৰিয়তে কৰিব লাগিব।

**প্ৰশ্ন ১২ ঃ আবেদন গ্ৰহণ কৰিলে এএআৰে অনুসৰণ কৰিবলগীয়া প্ৰক্ৰিয়া কি ?**

উত্তৰ ঃ যদি আবেদন গ্ৰহণ কৰা হয়, এএআৰে আবেদন গ্ৰহণৰ ৯০ দিনৰ ভিতৰত এই কথা ঘোষণা কৰিব লাগিব। ইয়াৰ মীমাংসা প্ৰদান কৰাৰ আগতে ই আবেদন পৰীক্ষা কৰিব আৰু আবেদনকাৰীয়ে বা সংশ্লিষ্ট বিভাগীয় বিষয়াই দাখিল কৰা যিকোনো পৰৱৰ্তী বিষয় পৰীক্ষা কৰিব।

মীমাংসা প্ৰদান কৰাৰ আগতে এএআৰে নিশ্চিতভাৱে আবেদনকাৰী বা

চিজিএছটি/এছজিএছটিৰ ন্যায়সংগত বিষয়াৰ দৰে তেওঁৰ কৰ্তৃত্বপ্ৰাপ্ত প্ৰতিনিধিৰ শুনানি গ্ৰহণ কৰিব লাগিব।

**প্ৰশ্ন ১৩ ঃ এএআৰৰ সদস্যসকলৰ মাজত মতৰ পাৰ্থক্য থাকিলে কি হ'ব?**

উত্তৰ ঃ এএআৰৰ সদস্য দুজনৰ মাজত যদি মতৰ পাৰ্থক্য থাকে তেতিয়া তেওঁলোকে এএএআৰলৈ বিষয়টো সন্দৰ্ভত শুনানি গ্ৰহণ কৰিবৰ বাবে তেওঁলোকৰ মতৰ পাৰ্থক্য থকা বিষয় বা বিষয়বোৰ প্ৰেৰণ কৰিব। যদি এএআৰে তেওঁলোকলৈ প্ৰেৰণ কৰা বিষয় (বিলাক)ৰ ক্ষেত্ৰত এএএআৰৰ সদস্যসকলো এক মীমাংসাত আহিবলৈ অসমৰ্থ হয়, তেতিয়া এএএআৰৰ পৰ্যায়ত বৈসাদৃশ্য ৰৈ যোৱা প্ৰশ্নৰ ক্ষেত্ৰত কোনো আগতীয়া মীমাংসা দিব নোৱাৰিব।

**প্ৰশ্ন ১৪ ঃ এএআৰৰ নিৰ্দেশনাৰ বিৰুদ্ধে আবেদন কৰাৰ বাবে কি ব্যৱস্থাৱলী আছে?**

উত্তৰ ঃ আৰ্হি জিএছটি আইনৰ অনুচ্ছেদ ৯৯ আৰু ১০০ত এএএআৰত আবেদন কৰাৰ ব্যৱস্থাৱলীৰ বিষয়ে উল্লেখ আছে।

এএআৰৰ সিদ্ধান্তৰ ক্ষেত্ৰত আবেদনকাৰী যদি সন্তুষ্ট নহয় তেতিয়া তেওঁ এএএআৰত আবেদন দাখিল কৰিব পাৰে। একেদৰে, চিজিএছটি/এছজিএছটিৰ নিৰ্ধাৰিত বা ন্যায়সংগত বিষয়া এএআৰৰ সিদ্ধান্তৰ সৈতে একমত নহয়, তেতিয়াও তেওঁ এএএআৰত আবেদন দাখিল কৰিব পাৰে। চিজিএছটি/এছজিএছটিৰ নিৰ্ধাৰিত বিষয়া মানে হৈছে এজন বিষয়া, যাক আগতীয়া মীমাংসাৰ বাবে দাখিল কৰা একোখন আবেদনৰ ক্ষেত্ৰত চিজিএছটি/এছজিএছটি প্ৰশাসনে নিয়োগ কৰে। সাধাৰণ পৰিস্থিতিত, সংশ্লিষ্ট বিষয়াজনেই সেইজন বিষয়া হ'ব যাৰ ন্যায়িক জিম্মাত আবেদনখন পৰে। এনে ক্ষেত্ৰসমূহত সংশ্লিষ্ট বিষয়াজনেই ন্যায়সংগত চিজিএছটি/এছজিএছটি বিষয়া হ'ব।

যিকোনো আবেদন আগতীয়া মীমাংসা লাভ কৰাৰ তাৰিখৰ পৰা ৩০ দিনৰ ভিতৰত দাখিল কৰিব লাগিব। এই আবেদন নিৰ্ধৰিত প্ৰ-পত্ৰত দিব লাগিব আৰু নিৰ্ধাৰিত পদ্ধতিৰে পৰীক্ষা কৰা হ'ব লাগিব। আৰ্হি জিএছটি নিয়মাৱলীত এই সন্দৰ্ভত উল্লেখ থাকিব।

এপীলেট অথৰিটীয়ে একোখন আবেদন দাখিলৰ ৯০ দিনৰ ভিতৰত আবেদনৰ পক্ষসমূহৰ শুনানি গ্ৰহণ কৰাৰ পিছত নিশ্চিতভাৱে এটা নিৰ্দেশনা জাৰি কৰিব লাগিব। যদি আবেদনত উল্লিখিত কোনো বিষয়া সন্দৰ্ভত এএএআৰৰ সদস্যসকলৰ মাজত মতৰ পাৰ্থক্য হয় তেতিয়া ধৰি লোৱা হ'ব যে আবেদনৰ অধীনত উত্থাপিত প্ৰশ্নৰ ক্ষেত্ৰত আগতীয়া মীমাংসা জাৰি কৰা হোৱা নাই।

**প্ৰশ্ন ১৫ ঃ এএআৰ আৰু এএএআৰে মীমাংসাত ভুল শুধৰণিৰ বাৰে নিৰ্দেশ দিব পাৰেনে?**

উত্তৰ ঃ হয়। আইনখনৰ অনুচ্ছেদ ১০১ত এএআৰ আৰু এএএআৰক নিৰ্দেশনা জৰি কৰাৰ পৰা ছমাহ সময়ৰ ভিতৰত উক্ত তথ্যৰ পৰা উদ্ভৱ হোৱা যিকোনো ভুল শুধৰাবলৈ তেওঁলোকৰ নিৰ্দেশনাৰ সংশোধন কৰিবলৈ ক্ষমতা প্ৰদান কৰা হৈছে। এনেধৰণৰ ভুল কৰ্তৃপক্ষই ইয়াৰ নিজৰ তৎপৰতাত লক্ষ্য কৰিব পাৰে বা আবেদনকাৰীয়ে বা নিৰ্ধাৰিত বা ন্যায়সংগত ছিজিএচটি/এছজিএছটি বিষয়াই দৃষ্টিগোচৰ কৰাব পাৰে। যদি এনেদৰে কৰা শুধৰণিৰ ফলত কৰৰ দায়বদ্ধতা বৃদ্ধি কৰিবলগীয়া হয় বা 'ইনপুট টেক্স ক্ৰেডিট'ৰ পৰিমাণ হ্ৰাস কৰিবলগীয়া হয়, নিৰ্দেশনা জৰি কৰাৰ পূৰ্বে আবেদনকাৰীৰ শুনানি নিশ্চিতভাৱে গ্ৰহণ কৰিব লাগিব।

***

**নিষ্পত্তি আয়োগ** (বাদদিয়া হৈছে)

Settelment Commission(omitted)

# পৰিদৰ্শন, খানাতালাচ, জব্দ আৰু গ্ৰেপ্তাৰ

# (Inspection, Search, Seizure and Arrest)

## ১৯। পৰিদৰ্শন, খানাতালাচ, জব্দ আৰু গ্ৰেপ্তাৰ (Inspection, Search, Seizure and Arrest)

**প্ৰশ্ন ১ ঃ 'খানাতালাচ' (Search)ৰ অৰ্থ কি ?**

উত্তৰ ঃ আইনৰ অভিধানমতে আৰু বিভিন্ন ন্যায়িক উদ্ধৃতিত 'খানাতালাচ' শব্দটোৱে, সাধাৰণ ভাষাত, কিবা লুকুৱাই ৰখা বস্তু বা একোটা অপৰাধৰ প্ৰমাণ আৱিষ্কাৰ কৰাৰ উদ্দেশ্যে একোটা চৰকাৰী ব্যৱস্থাপনা একোখন ঠাই, অঞ্চল, ব্যক্তি, বস্তু ইত্যাদিলৈ যোৱা, তন্ন-তন্নকৈ চোৱা বা সতৰ্কতাৰে পৰীক্ষা কৰা বুজায়। আইনৰ সঠিক আৰু বৈধ কৰ্তৃপক্ষৰ অধীনতহে কেৱল একোজন লোক বা বাহন বা চৌহদ ইত্যাদিত খানাতালাচ কৰিব পাৰে।

**প্ৰশ্ন ২ ঃ 'পৰিদৰ্শন' (Inspection) শব্দটোৰ অৰ্থ কি ?**

উত্তৰ ঃ এমজিএলৰ অধীনত 'পৰিদৰ্শন' এটা নতুন ব্যৱস্থা। কোনো কৰযোগ্য লোকৰ ব্যৱসায়ৰ স্থানত বা কোনো লোকৰ, যিজন পণ্য-সামগ্ৰী পৰিবহনত জড়িত বা যিজন একোটা ভড়াল বা গুদাম ঘৰৰ স্বত্বাধিকাৰী বা পৰিচালক আদিৰ ব্যৱসায়ৰ যিকোনো স্থানত প্ৰৱেশ কৰিবলৈ বিষয়াসকলক ক্ষমতা প্ৰদান কৰিবলৈ ই খানাতালাচীতকৈ তুলনামূলকভাৱে এটা সহজ ব্যৱস্থা।

**প্ৰশ্ন ৩ ঃ 'পৰিদৰ্শন' কৰিবলৈ কোনে নিৰ্দেশ দিব পাৰে আৰু কি পৰিস্থিতিৰ অধীনত ?**

উত্তৰ ঃ এমজিএলৰ অনুচ্ছেদ ৬০ অনুসৰি কেৱল তেতিয়াহে চিজিএছটি/এছজিএছটিৰ একোজন বিষয়াই পৰিদৰ্শন কৰিব পাৰে যেতিয়া যুটীয়া আয়ুক্ত তাতোকৈ ওপৰৰ পৰ্যায়ৰ এজন বিষয়াই লিখিত কৰ্তৃত্ব প্ৰদান কৰে। একোজন যুটীয়া আয়ুক্ত বা তাতোকৈ ওপৰৰ পৰ্যায়ৰ একোজন বিষয়াই কেৱল তেতিয়াহে এনে কৰ্তৃত্ব প্ৰদান কৰিব পাৰে যদি সংশ্লিষ্ট লোকজনে নিম্নোল্লিখিতবিলাকৰ এটা কৰিছে বুলি বিশ্বাস কৰিবলৈ তেওঁৰ

ওচৰত যুক্তি থাকে ঃ

১। যোগানৰ যিকোনো লেনদেন গোপন কৰা;

২। হাতত থকা পণ্য-সামগ্ৰীৰ জমা গোপন কৰা;

৩। 'ইনপুট টেক্স ক্ৰেডিট'ৰ অতিৰিক্ত দাবী কৰা;

৪। কৰ এৰাই চলিবলৈ চিজিএছটি/এছজিএছটিৰ যিকোনো ব্যৱস্থা অৱমাননা কৰা;

৫। একোজন পৰিবহনকাৰী বা ভড়ালঘৰৰ স্বত্বাধিকাৰীয়ে কৰ পৰিশোধৰ পৰা গোপনে পণ্য-সামগ্ৰী ৰখা বা তেওঁৰ হিচাপ-নিকাচ বা পণ্য-সামগ্ৰী এনেধৰণে ৰখা যি কৰ ফাঁকি দিব।

**প্ৰশ্ন ৪ ঃ এই অনুচ্ছেদৰ অধীনত যিকোনো লোকৰ যিকোনো সম্পত্তি/চৌহদৰ পৰিদৰ্শন কৰিবলৈ ন্যায্য বিষয়াজনে কৰ্তৃত্ব প্ৰদান কৰিব পাৰেনে?**

উত্তৰ ঃ নোৱাৰে। নিম্নোল্লিখিতবিলাকৰ যিকোনোতে পৰিদৰ্শন কৰিবলৈ চিজিএছটি/এছজিএছটিৰ একোজন বিষয়াক কৰ্তৃত্ব দিব পাৰে ঃ

১। এজন কৰযোগ্য লোকৰ ব্যৱসায়ৰ যিকোনো স্থান;

২। পণ্য-সামগ্ৰীৰ পৰিবহনত জড়িত যিকোনো লোকৰ ব্যৱসায়ৰ স্থান, তেওঁ এজন পঞ্জীভুক্ত লোক হওক বা নহওক;

৩। একোটা গুদাম বা ভড়ালৰ স্বত্বাধিকাৰী বা পৰিচালকৰ ব্যৱসায়ৰ যিকোনো স্থান।

**প্ৰশ্ন ৫ ঃ এমজিএলৰ ব্যৱস্থা অনুসৰি খানাতালাচী আৰু জব্দ কৰিবলৈ কোনে নিৰ্দেশ দিব পাৰে?**

উত্তৰ ঃ যুটীয়া আয়ুক্ত বা তাতোকৈ ওপৰৰ পৰ্যায়ৰ একোজন বিষয়াই এজন বিষয়াক লিখিত ৰূপত পণ্য-সামগ্ৰী, নথি-পত্ৰ বা বয়-বস্তুৰ খানাতালাচী আৰু জব্দ কৰিবলৈ কৰ্তৃত্ব প্ৰদান কৰিব পাৰে। কেৱল তেতিয়াহে এনে কৰ্তৃত্ব প্ৰদান কৰিব পাৰে যেতিয়া এনেদৰে বিশ্বাস কৰিবলৈ যুটীয়া আয়ুক্তজনৰ ওচৰত যুক্তি আছে যে ক্ৰোক কৰিবৰ (Confiscation) বাবে বিধিসংগত কোনো পণ্য-সামগ্ৰী বা কোনো বিৱৰণৰ সৈতে সংগত কোনো নথি-পত্ৰ বা বহী-পত্ৰ বা বয়-বস্তু কোনো ঠাইত লুকুৱাই ৰখা আছে।

**প্ৰশ্ন ৬ ঃ 'বিশ্বাস কৰিবলৈ যুক্তি'** (reasons to believe)**ৰ অৰ্থ কি ?**

উত্তৰ ঃ বিশ্বাস কৰিবলৈ যুক্তি বা কাৰণ মানে হৈছে প্ৰকৃত সত্যৰ জ্ঞান, যি প্ৰত্যক্ষ জ্ঞান নহবও পাৰে, তেতিয়াই তাৰ আধাৰত এজন কৰ্তৃত্বশীল লোকে, সেই সত্যবোৰৰ বিষয়ে অৱগত হৈ একেটা বিষয় যুক্তিসংগতভাৱে সমাপ্ত কৰিব পাৰে। আইপিচি ১৮৬০ৰ অনুচ্ছেদ ২৬ অনুসৰি, 'এজন লোকৰ একোটা কথা 'বিশ্বাস কৰিবলৈ যুক্তি' থকা বুলি ধৰা হয়, যদি তেওঁ সেইদৰে বিশ্বাস কৰিবলৈ কিন্তু অন্য ধৰণৰ নহয় বুলি কাৰণ থাকে।' 'বিশ্বাস কৰিবলৈ যুক্তি'ৰ জৰিয়তে এক বস্তুগত নিৰ্ণয় (objective determination)ৰ কথা ভবা হয় যাৰ ভিত্তি হৈছে এক বিশুদ্ধ বিষয়গত বিবেচনাৰ (purely subjective consideration) পৰা পৃথক বুদ্ধিমান তৎপৰতা আৰু মূল্যায়ন। ই প্ৰাসংগিক উপাদান আৰু পৰিস্থিতিৰ ওপৰত আধাৰিত এজন সৎ আৰু যুক্তিনিষ্ঠ লোকৰ কাম হ'ব লাগিব।

**প্ৰশ্ন ৭ ঃ পৰিদৰ্শন বা খানাতালাচী আৰু জব্দ কৰিবৰ বাবে কৰ্তৃত্ব প্ৰদান কৰাৰ পূৰ্বে ন্যায্য বিষয়াজনে এনে 'বিশ্বাস কৰিবলৈ যুক্তি'বিলাক লিখিতভাৱে নথিভুক্ত কৰাটো বাধ্যতামূলকনে ?**

উত্তৰ ঃ খানাতালাচীৰ বাবে কৰ্তৃত্ব প্ৰদান কৰাৰ পূৰ্বে ন্যায্য বিষয়াজনে এনে বিশ্বাসৰ কাৰণবোৰ যদিও উল্লেখ কৰিব নালাগে, তেওঁ সেই উপাদান বা বিষয়বোৰ প্ৰকাশ

কৰিব লাগে যিবিলাকৰ ওপৰত তেওঁৰ বিশ্বাস গঢ় লৈছিল। 'বিশ্বাস কৰিবলৈ যুক্তি' প্ৰতিটো ঘটনাৰ ক্ষেত্ৰতে একেৰাহে নথিভুক্ত কৰাৰ দৰকাৰ নাই। অৱশ্যে, যদি বিষয়বিলাক/তথ্যবিলাক খানাতালাচীৰ চমন জাৰি কৰাৰ পূৰ্বে বা খানাতালাচী কৰাৰ পূৰ্বে নথিভুক্ত কৰা হয়, তেতিয়া ভাল হয়।

**প্ৰশ্ন ৮ ঃ খানাতালাচীৰ চমন** (Search Warrant) **কি আৰু ইয়াৰ সূচীবোৰ কি কি ?**

উত্তৰ ঃ খানাতালাচী বা অনুসন্ধান কৰিবৰ বাবে লাভ কৰা লিখিত কৰ্তৃত্বক সাধাৰণতে খানাতালাচীৰ চমন বোলা হয়। খানাতালাচীৰ চমন জাৰি কৰিবলৈ ক্ষমতাপ্ৰাপ্ত কৰ্তৃপক্ষ হৈছে যুটীয়া আয়ুক্ত বা ওপৰৰ পৰ্যায়ৰ কোনো বিষয়া। এনে খানাতালাচীয়ে খানাতালাচী কৰিবৰ বাবে যোগ্য বুলি কোনো যুক্তিসংগত কাৰণ থকাৰ কথা সূচাব লাগিব। খানাতালাচীৰ চমনত তলৰ সবিশেষ থাকিব লাগে ঃ

১। আইনৰ অধীনত উলংঘা;

২। খানাতালাচী কৰিবলগীয়া চৌহদ;

৩। খানাতালাচীৰ বাবে কৰ্তৃত্বপ্ৰাপ্ত লোকৰ নাম আৰু পদবী;

৪। জাৰি কৰা বিষয়াৰ নামৰ লগতে তেওঁৰ 'ৰাউণ্ড ছীল'সহ সম্পূৰ্ণ পদবীৰ বিৱৰণ;

৫। জাৰি কৰাৰ তাৰিখ আৰু স্থান;

৬। তালাচীৰ চমনৰ ক্ৰমিক নম্বৰ;

৭। বৈধতাৰ সময়সীমা অৰ্থাৎ এদিন নে দুদিন ইত্যাদি।

**প্ৰশ্ন ৯ ঃ এমজিএলৰ ব্যৱস্থাৱলীৰ অধীনত কেতিয়া পণ্য-সামগ্ৰী ক্ৰোক কৰিবৰ**

**যোগ্য ?**

উত্তৰ ঃ আৰ্হি জিএছটি আইনৰ অনুচ্ছেদ ৭০ অনুসৰি, যেতিয়া কোনো লোকে নিম্নোল্লিখিত কাম কৰে তেতিয়া পণ্য-সামগ্ৰী ক্ৰোক কৰাৰ যোগ্য ঃ

(১) এই আইনৰ যিকোনো ব্যৱস্থাৱলী বা নিয়মাৱলীৰ বিপৰীতে কৰ ফাঁকি দিয়াৰ উদ্দেশ্যে কৰা যিকোনো পণ্য-সামগ্ৰীৰ যোগান;

(২) এই আইনৰ অধীনত কৰ পৰিশোধ কৰিবলৈ দায়বদ্ধ যিকোনো পণ্য-সামগ্ৰীৰ হিচাপ দাখিল নকৰা;

(৩) পঞ্জীয়নৰ বাবে আবেদন নকৰাকৈ এই আইনৰ অধীনত কৰৰ বাবে দায়বদ্ধ যিকোনো পণ্য-সামগ্ৰীৰ যোগান;

(৪) চিজিএছটি/এছজিএছটি আইনৰ যিকোনো ব্যৱস্থাৱলী বা তাৰ অধীনস্থ যিকোনো নিয়মাৱলী ভংগ কৰি কৰ ফাঁকি দিয়াৰ প্ৰৱণতা।

**প্ৰশ্ন ১০ ঃ আইনসংগত খানাতালাচীৰ সময়ত এজন বিষয়াই কি ক্ষমতা প্ৰয়োগ কৰিব পাৰে?**

উত্তৰ ঃ খানাতালাচী বা অনুসন্ধান চলোৱা একোজন বিষয়াৰ হাতত তালাচী চলোৱা চৌহদৰ পৰা তালাচী চলাই পণ্য-সামগ্ৰী জব্দ কৰাৰ (যিবিলাক জব্দ কৰাৰ যোগ্য) আৰু নথি-পত্ৰ, কিতাপ-বহী বা বস্তু-বাহানি (এমজিএলৰ যিকোনো পদক্ষেপৰ সৈতে সংগত) জব্দ কৰাৰ ক্ষমতা থাকে। খানাতালাচীৰ সময়ত চৌহদটোত সোমাবলৈ নিদিলে তালাচী চলাবলৈ কৰ্তৃত্বপ্ৰাপ্ত বিষয়াজনৰ তাৰ দুৱাৰ ভাঙি খোলাৰ ক্ষমতা আছে। একেদৰে, চৌহদটোৰ ভিতৰত খানাতালাচী চলাই থকাৰ সময়ত, যিকোনো আলমাৰী বা বাকচত কিবা পণ্য-সমাগ্ৰী, হিচাপ, পঞ্জীয়ন বা নথি-পত্ৰ লুকুৱাই ৰখা বুলি সন্দেহ হ'লে আৰু তেনে আলমাৰী বা বাকচ খুলিবলৈ নিদিলে তেওঁ সেইবোৰ

ভাঙি খুলিব পাৰে। চৌহদটোত প্ৰৱেশত যদি বাধা দিয়া হয় তেওঁ সেইটো ছীল কৰিবও পাৰে।

**প্ৰশ্ন ১১ ঃ খানাতালাচ চলাবৰ বাবে কি প্ৰক্ৰিয়া আছে?**

উত্তৰ ঃ এমজিএলৰ অনুচ্ছেদ ৬০(৮)ত কোৱা হৈছে যে খানাতালাচীত নিশ্চিতভাৱে 'ক'ড অফ ক্ৰিমিনেল প্ৰচিডিউৰ, ১৯৭৩' অনুসৰি চলাব লাগে। 'ক'ড অফ ক্ৰিমিনেল প্ৰচিডিউৰ'ৰ অনুচ্ছেদ ১০০ত খানাতালাচীৰ প্ৰক্ৰিয়া বৰ্ণনা কৰা হৈছে।

**প্ৰশ্ন ১২ ঃ খানাতালাচীৰ সময়ত মানি চলিবলগীয়া প্ৰাথমিক আৱশ্যকতাবোৰ কি কি?**

উত্তৰ ঃ খানাতালাচীৰ সময়ত নিম্নোল্লিখিত নীতিসমূহ মানি চলিব লাগে ঃ

- ন্যায্য বিষয়াই জাৰি কৰা এক বৈধ খানাতালাচীৰ চমন (search warrant) নোহোৱাকৈ চৌহদৰ খানাতালাচী চলাব নালাগে।

- আৱাসস্থলীলৈ যোৱা খানাতালাচীকাৰী দলটোৰ সৈতে অনবৰতে এগৰাকী মহিলা বিষয়া থাকিব লাগিব।

- খানাতালাচী আৰম্ভ কৰাৰ পূৰ্বে চৌহদটোৰ দায়িত্বত থকা লোকজনক তেওঁলোকৰ পৰিচয়-পত্ৰ দেখুৱাই তেওঁলোকৰ পৰিচয় প্ৰকাশ কৰিব লাগে।

- খানাতালাচী আৰম্ভ কৰাৰ আগতে খানাতালাচীৰ চমনখন চৌহদটোৰ দায়িত্বত থকা লোকজনক দেখুৱাই তালাচী কাৰ্যকৰী কৰিব লাগে আৰু চমনখন তেওঁ চোৱা বুলি প্ৰতিপন্ন কৰি তাৰ ওপৰত চৌহদৰ দায়িত্বত থকা লোকজনৰ চহী ল'ব লাগে। তালাচীৰ চমনখনৰ ওপৰত কমেও দুজন সাক্ষীৰ চহী ল'ব লাগে।

- কমেও দুজন স্থানীয় নিৰপেক্ষ সাক্ষীৰ উপস্থিতিত খানাতালাচী

চলাব লাগে। যদি এনে কোনো স্থানীয় বাসিন্দা নাথাকে/অনিচ্ছুক হয়, তেতিয়া অন্য কোনো স্থানৰ বাসিন্দাক উক্ত খানাতালাচীৰ সাক্ষী হ'বলৈ ক'ব লাগে। সাক্ষীসকলক উক্ত খানাতালাচীৰ বিষয়ে বৰ্ণনা কৰিব লাগে।

- তালাচী প্ৰক্ৰিয়া আৰম্ভ কৰাৰ পূৰ্বে উক্ত তালাচী চলোৱা বিষয়াৰ দলটো আৰু লগত থকা সাক্ষীসকলে তালাচী চলোৱা চৌহদটোৰ দায়িত্বত থকা লোকজনক তেওঁলোকৰ ব্যক্তিগত তালাচীৰ বাবে নিজকে সমৰ্পন কৰিব লাগে। একেদৰে, খানাতালাচী সম্পূৰ্ণ হোৱাৰ পিছত সকলো বিষয়া আৰু সাক্ষীসকলে আকৌ তেওঁলোকৰ ব্যক্তিগত তালাচীৰ বাবে নিজকে সমৰ্পন কৰিব লাগে।

- উক্ত খানাতালাচীৰ বিৱৰণৰ পাঁচনামা/মহাজাৰ ঘটনাস্থলীতে আৱশ্যকীয়ভাৱে প্ৰস্তুত কৰিব লাগে। অন্তত উদ্ধাৰ কৰা আৰু জব্দ/আটক কৰা সকলো সামগ্ৰী, নথিপত্ৰ প্ৰস্তুত কৰিব আৰু পাঁচনামা/মহাজাৰত তালিকাভুক্ত হ'ব লাগে। পাঁচনামা/মহাজাৰ আৰু জব্দ/আটক কৰা সামগ্ৰী/নথিপত্ৰৰ তালিকাত সাক্ষী, দায়িত্বত থকা লোক/চৌহদৰ স্বত্বাধিকাৰীয়ে, যাৰ আগত এই খানাতালাচী চলোৱা হয়, একেলগে চহী কৰিব লাগে আৰু উক্ত খানাতালাচী চলাবলৈ বিধিগতভাৱে কৰ্তৃত্বপ্ৰাপ্ত বিষয়াজনে চহী কৰিব লাগে।

- খানাতালাচী হৈ যোৱাৰ পিছত, বিধিগতভাৱে কাৰ্যকৰী কৰা খানাতালাচীৰ চমনখন এই তালাচীৰ পৰিণতিসম্বলিত এটা প্ৰতিবেদনসহ জাৰি কৰা বিষয়াজনলৈ মূল ৰূপত ঘূৰাই দিব লাগে। তালাচীত ভাগ লোৱা বিষয়াসকলৰ নামো তালাচীৰ চমনখনৰ ওলোটাফালে লিখিব পাৰি।

- তালাচীৰ চমন জাৰি কৰা কৰ্তৃপক্ষই তালাচীৰ চমন জাৰি কৰা আৰু ঘূৰাই দিয়াৰ তথ্য আৰু ব্যৱহৃত তালাচীৰ চমনখন অভিলেখ হিচাপে ৰাখিব লাগে।

- পাঁচনামা/মহাজাৰৰ তালিকাসহ ইয়াৰ কপি যাৰ সন্মতিত তালাচী চলোৱা হ'ল চৌহদৰ সেই দায়িত্বত থকা লোক/স্বত্বাধিকাৰীক দিব লাগে।

**প্ৰশ্ন ১৩ ঃ অন্য যিকোনো পৰিস্থিতিৰ অধীনত একোজন চিজিএছটি/এছজিএছটি বিষয়াই ব্যাৱসায়িক চৌহদত প্ৰৱেশ কৰিব পাৰেনে?**

উত্তৰ ঃ হয়। এমজিএলৰ অনুচ্ছেদ ৬৪ অনুসৰিও প্ৰৱেশ কৰিব পাৰে। আইনৰ এই ব্যৱস্থাৰ অৰ্থ হৈছে চিজিএছটি/এছজিএছটি আইনৰ অনুচ্ছেদ ৫০ৰ অধীনত মনোনীত চিজিএছটি/এছজিএছটিৰ একোটা হিচাপ-নিকাচ কৰা দল বা চি এণ্ড এজি বা এজন ব্যায়ৰ হিচাপ পৰীক্ষক বা চাৰ্টাৰ্ড একাউণ্টেণ্টক ৰাজহৰ স্বাৰ্থ ৰক্ষা কৰিবৰ বাবে প্ৰয়োজন হ'ব পৰা যিকোনো হিচাপ-নিকাচ, পৰীক্ষা, সংশোধন আৰু তালাচীৰ উদ্দেশ্যে একোটা তালাচীৰ চমন জাৰী নকৰাকৈ যিকোনো ব্যাৱসায়িক চৌহদত প্ৰৱেশ কৰিবলৈ দিয়া। অৱশ্যে, চিজিএছটি বা এছজিএছটিৰ অতিৰিক্ত/যুটীয়া আয়ুক্তৰ পৰ্যায়ৰ এজন বিষয়াৰ দ্বাৰা এক লিখিত কৰ্তৃত্ব জাৰি কৰিব লাগিব। এই ব্যৱস্থাই একোটা ব্যাৱসায়িক চৌহদত প্ৰৱেশৰ দিহা কৰিছে যিটো এজন কৰযোগ্য লোকৰ দ্বাৰা ব্যৱসায়ৰ এটা প্ৰধান বা অতিৰিক্ত স্থান হিচাপে পঞ্জীভুক্ত নহয় অথচ য'ত হিচাপ-নিকাচৰ বহী-পত্ৰ, নথিপত্ৰ, কম্পিউটাৰ ইত্যাদি আছে যিবিলাক এজন কৰযোগ্য লোকৰ হিচাপ-নিকাচ বা হিচাপ-নিকাচৰ পৰীক্ষাৰ বাবে প্ৰয়োজনীয়।

**প্ৰশ্ন ১৪ ঃ কেতিয়া খানাতালাচীক অবৈধ বুলি কোৱা হ'ব? একোটা অবৈধ খানাতালাচীৰ সময়ত সংগৃহীত সাক্ষ্য প্ৰমাণ বিচাৰ প্ৰক্ৰিয়াত গ্ৰহণযোগ্য হ'বনে?**

উত্তৰ ঃ এটা বৈধ খানাতালাচীৰ চমন নোহোৱাকৈ কৰা খানাতালাচী (অৰ্থাৎ এক ক্ষমতাপ্ৰাপ্ত কৰ্তৃপক্ষৰ বাহিৰে আনে জাৰি কৰা বা তালাচীৰ চমন নোহোৱাকৈ) আইনৰ কৰ্তৃত্ব নথকা অবৈধ খানাতালাচী হিচাপে গণ্য। অৱশ্যে, এই যুক্তিৰ বাবে, অভিযুক্তই মুনাফা পাব নোৱাৰে। সেইমতে, একোটা অবৈধ তালাচীৰ সময়ত সংগৃহীত সাক্ষ্য-

প্ৰমাণ আৰু জব্দ বিচাৰ আৰু ন্যায়িক ব্যৱস্থাৰ প্ৰক্ৰিয়াত গ্ৰহণযোগ্য বুলি বিবেচিত।

**প্ৰশ্ন ১৫ ঃ 'জব্দ'** (Seizure) **শব্দৰ অৰ্থ কি ?**

উত্তৰ ঃ আৰ্হি জিএছটি আইনত 'জব্দ' শব্দটোৰ বিশেষ সংজ্ঞা দিয়া নাই। Law Lexicon Dictionaryত 'জব্দ' বা 'seizure'ক আইনগত প্ৰক্ৰিয়াৰ অধীনত একোজন বিষয়াৰ দ্বাৰা সম্পত্তি বাজেয়াপ্ত কৰা (possession) বুলি সংজ্ঞায়িত কৰা হৈছে। ই সাধাৰণতে ব্যৱহাৰ হয়— সম্পত্তিৰ গৰাকী বা যাৰ দখলত আছে তেওঁ আৰু যি এই বাজেয়াপ্তকৰণ বা দখলৰ বিৰোধিতা কৰিছে তেওঁৰ ইচ্ছাৰ বিৰুদ্ধে বলপূৰ্বক দখল কৰা।

**প্ৰশ্ন ১৬ ঃ পণ্য-সামগ্ৰী আৰু বাহন** (conveyances) **আটক কৰাৰ কিবা ক্ষমতা এমজিএলৰ আছেনে ?**

উত্তৰ ঃ হয়। এমজিএলৰ অনুচ্ছেদ ৬৯ৰ অধীনত পণ্য-সামগ্ৰীৰ লগতে সেয়া কঢ়িওৱা বাহন (যেনে ট্ৰাক বা অন্য ধৰণৰ বাহন) আটক কৰাৰ ক্ষমতা একোজন বিষয়াৰ আছে। এমজিএলৰ ব্যৱস্থাৱলী উলংঘা কৰি পৰিবহন কৰি থকা বা পৰিবহনৰ কালত জমা কৰি ৰখা এনে পণ্য-সামগ্ৰীৰ ক্ষেত্ৰত এয়া কৰিব পাৰে। যিবিলাক পণ্য-সামগ্ৰী ৰাখি থোৱা হৈছে বা ভড়ালত জমা আছে অথচ হিচাপত অন্তৰ্ভুক্ত কৰা নাই সেইবিলাকো জব্দ কৰিব পাৰে। এনেধৰণৰ পণ্য-সামগ্ৰী আৰু বাহন প্ৰযোজ্য কৰ পৰিশোধ কৰাৰ পিছত বা সমপৰিমানৰ বন্ধক (security)ৰ ওপৰত মোকলাই দিব পাৰে।

**প্ৰশ্ন ১৭ ঃ 'জব্দ'** (Seizure) **আৰু 'আটক'** (Detention)**ৰ মাজত আইনত কি পাৰ্থক্য ?**

উত্তৰ ঃ সম্পত্তিৰ গৰাকীক বা উক্ত সম্পত্তি দখল কৰি থকা লোকজনক লগ ধৰিবলৈ

বিচাৰিলে কৰা অস্বীকাৰত এক নিৰ্দিষ্ট সময়ত এক আইনী নিৰ্দেশনা/জাননীৰ জৰিয়তে আয়ত্বাধীন কৰাই হৈছে আটক। জব্দ হৈছে বিভাগৰ দ্বাৰা পণ্য-সামগ্ৰীৰ প্ৰকৃত দখল হস্তগত কৰা। পণ্য-সামগ্ৰী ক্ৰোক কৰাৰ (confiscation) যোগ্য বুলি সন্দেহ ওপজিলে আটক কৰাৰ বা detantionৰ নিৰ্দেশ জাৰি কৰা হয়। জব্দ কেৱল তেতিয়াহে কৰিব পাৰি যেতিয়া তদন্ত/খানাতালাচীৰ পিছত যুক্তিসংগত বিশ্বাস ওপজে যে পণ্য-সামগ্ৰী ক্ৰোক কৰাৰ যোগ্য।

**প্ৰশ্ন ১৮ ঃ খানাতালাচী বা জব্দ কৰাৰ ক্ষেত্ৰত এমজিএলত কি সুৰক্ষা (safe-guard) দিয়া হৈছে?**

উত্তৰ ঃ খানাতালাচী বা জব্দ কৰাৰ ক্ষেত্ৰত আৰ্হি ছিজিএছটি/এছজিএছটিৰ অনুচ্ছেদ ৬০ত কেতবোৰ নিৰ্দিষ্ট সুৰক্ষা দিয়া হৈছে। সেইবিলাক তলত দিয়া ধৰণৰ ঃ

১। জব্দ কৰা পণ্য-সামগ্ৰী বা নথি-পত্ৰ সিবিলাকৰ পৰীক্ষা কৰাৰ বাবে আৰশ্যকীয় সময়ছোৱাৰ বাহিৰত ৰাখি থব নালাগিব;

২। যাৰ জিম্মাৰ পৰা নথিপত্ৰ জব্দ কৰা হয় সেই লোকজনে নথি-পত্ৰৰ ফটোকপি ল'ব পাৰে;

৩। জব্দ কৰা পণ্য-সমাগ্ৰীৰ বাবে ইয়াৰ জব্দ কৰণৰ ৬০দিনৰ ভিতৰত যদি এখন জাননী জাৰি কৰা নহয়, যাৰ দখলৰ পৰা ইয়াক জব্দ কৰা হৈছিল সেইজন লোকক পণ্য-সামগ্ৰী ঘূৰাই দিব লাগিব। ন্যায়সংগত ভিত্তিত সৰ্বাধিক ছমাহৰ বাবে এই ৬০ দিনৰ সময় বৃদ্ধি কৰিব পাৰি;

৪। জব্দ কৰা বিষয়াজনে জব্দ কৰা পণ্য-সামগ্ৰীৰ এখন তালিকা প্ৰস্তুত কৰিব লাগিব;

৫। আৰ্হি জিএছটি নিয়মাৱলীৰ অধীনত নিৰ্দিষ্ট কৰা কেতবোৰ শাখাৰ পণ্য-

সামগ্ৰী (যেনে নষ্ট হ'ব পৰা, অনিশ্চিত ইত্যাদি) জব্দ কৰাৰ পিছতে তৎক্ষণাত দিহা কৰিব (dispose) পাৰিব;

৬। খানাতালাচী আৰু জব্দৰ সৈতে সম্পৰ্কযুক্ত 'ক'ড অফ ক্ৰিমিনেল প্ৰচিডিউৰ ১৯৭৩'ৰ ব্যৱস্থাৱলী প্ৰযোজ্য হ'ব। অৱশ্যে ক'ড অফ ক্ৰিমিনেল প্ৰচিডিউৰৰ অনুচ্ছেদ ১৬৫ৰ উপ-অনুচ্ছেদ (৫)ৰ সৈতে সংগতি ৰাখি এটা গুৰুত্বপূৰ্ণ পৰিৱৰ্তন— খানাতালাচীৰ সময়ত প্ৰস্তুত কৰা যিকোনো তথ্য উক্ত অপৰাধৰ বিচৰাধীন এলেকাৰ ক্ষমতাপ্ৰাপ্ত নিকটৱৰ্তী দণ্ডাধীশৰ ওচৰলৈ প্ৰেৰণ কৰাৰ পৰিৱৰ্তে ইয়াক প্ৰধান আয়ুক্ত/চিজিএছটিৰ আয়ুক্ত/এছজিএছটিৰ আয়ুক্তলৈ প্ৰেৰণ কৰিব লাগিব।

**প্ৰশ্ন ১৯ ঃ কৰযোগ্য পণ্য-সামগ্ৰী পৰিবহনৰ সময়ত লগত কিবা বিশেষ নথি-পত্ৰ নিব লাগেনে?**

উত্তৰ ঃ এমজিএলৰ অনুচ্ছেদ ৬১ৰ অধীনত, এখন বাহন পৰিবহন কৰিবৰ বাবে দায়িত্বত থকা একোজন লোকে ৫০ হাজাৰ টকাৰ অধিক মূল্যৰ এনে সামগ্ৰী পৰিবহনৰ ক্ষেত্ৰত নিৰ্ধাৰিত নথি-পত্ৰ লগত নিব লাগিব।

**প্ৰশ্ন ২০ ঃ 'গ্ৰেপ্তাৰ' (arrest) শব্দটোৰে কি বুজোৱা হয়?**

উত্তৰ ঃ আৰ্হি জিএছটি আইনত 'গ্ৰেপ্তাৰ' শব্দটিৰ সংজ্ঞা দিয়া নাই। অৱশ্যে ন্যায়িক উচ্চাৰণ অনুসৰি ই— 'কেতবোৰ আনিসংগত নিৰ্দেশনা বা কৰ্তৃপক্ষৰ অধীনত একোজন লোকক জিম্মালৈ অনা' বুজায়। আন কথাত ক'বলৈ গ'লে আইনসংগত চমনৰ ক্ষমতা বা বৰণেৰে (power and colour) যেতিয়া এজন লোকক লোৱা হয় আৰু তেওঁৰ স্বাধীনতা বাতিল কৰা হয় (restrain) তেতিয়াই তেওঁক গ্ৰেপ্তাৰ কৰা বুলি কোৱা হয়।

**প্ৰশ্ন ২১ ঃ এমজিএলৰ অধীনত কেতিয়া এজন ন্যায্য বিষয়াই একোজন লোকৰ**

**'গ্ৰেপ্তাৰ'ৰ কৰ্তৃত্ব প্ৰদান কৰিব পাৰে?**

উত্তৰ ঃ চিজিএছটি/এছজিএছটিৰ আয়ুক্তই এজন চিজিএছটি/এছজিএছটি বিষয়াক কোনো লোকক গ্ৰেপ্তাৰ কৰিবলৈ কৰ্তৃত্ব প্ৰদান কৰিব পাৰে যদি তেওঁৰ ওচৰত এই বিশ্বাস কৰিবলৈ যুক্তি থাকে যে চিজিএছটি/এছজিএছটি আইনৰ অনুচ্ছেদ ৭৩(১)(i), ৭৩(১)(ii) আৰু ৭৩(২)ৰ অধীনত নিৰ্ধাৰিত এটা শাস্তি পাবৰ জোখাৰে লোকজনে এটা অপৰাধ সংঘটিত কৰিছে। ইয়াৰ আৱশ্যকীয় অৰ্থ হৈছে এয়ে যে যি ক্ষেত্ৰত কৰ ফাঁকি ৫০ লাখ টকাৰ অধিক বা যি ক্ষেত্ৰত এজন লোকক পূৰ্বতে আৰ্হি চিজিএছটি/এছজিএছটি আইনৰ অনুচ্ছেদ ৭৩ৰ অধীনত এটা অপৰাধৰ বাবে দোষী সাব্যস্ত কৰা হয়, কেৱল তেতিয়াহে এজন লোকক গ্ৰেপ্তাৰ কৰিব পাৰে।

**প্ৰশ্ন ২২ ঃ একোজন গ্ৰেপ্তাৰ হোৱা লোকক এমজিএলৰ অধীনত কি সুৰক্ষা প্ৰদান কৰা হৈছে?**

উত্তৰ ঃ একোজন গ্ৰেপ্তাৰ হোৱা লোকক এমজিএলৰ অধীনত কিছুমান নিৰ্দিষ্ট সুৰক্ষা প্ৰদান কৰা হৈছে। সেইবিলাক হৈছে ঃ

১। যদি কোনো লোকক কোনো অপৰাধ সংক্ৰান্তত গ্ৰেপ্তাৰ কৰা হয় তেওঁক গ্ৰেপ্তাৰৰ পটভূমি সম্পৰ্কে লিখিতভাৱে অৱগত কৰিব লাগিব আৰু গ্ৰেপ্তাৰ কৰাৰ পৰা ২৪ ঘণ্টাৰ ভিতৰত এজন দণ্ডাধীশৰ ওচৰত হাজিৰ কৰাব লাগিব;

২। যদি এজন লোকক আদালতৰ অনুমতি নোহোৱাকৈ আৰক্ষীয়ে আইনৰ আওতালৈ আনিব নোৱৰা (non-cognizable) আৰু জামিনযোগ্য অভিযোগত গ্ৰেপ্তাৰ কৰা হয়, তেতিয়া চিজিএছটি/এছজিএছটিৰ উপ/সহকাৰী আয়ুক্তই তেওঁক জামিনত মুক্তি দিব পাৰে আৰু তেওঁ ক'ড অফ ক্ৰিমিনেল প্ৰচিডিউৰ, ১৯৭৩ৰ অনুচ্ছেদ ৪৩৬ৰ অধীনত থকা ব্যৱস্থাৱলী অনুসৰি একোটা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াৰ দৰে আইনৰ আওতাত থাকিব;

৩। সকলো গ্রেপ্তাৰ ক'ড অফ ক্রিমিলে প্রচিডিউৰ ১৯৭৩ৰ ব্যৱস্থাৱলী অনুসৰি হ'ব।

**প্রশ্ন ২৩ ঃ গ্রেপ্তাৰৰ সময়ত ল'বলগীয়া আগতীয়া ব্যৱস্থা কি ?**

উত্তৰ ঃ ক'ড অফ ক্রিমিনেল প্রচিডিউৰ, ১৯৭৩ (১৯৭৪ৰ ২)ৰ গ্রেপ্তাৰ সম্পৰ্কীয় ব্যৱস্থাৱলী আৰু তাৰ পৰৱৰ্তী প্রক্রিয়া নিশ্চিতভাৱে প্রযোজ্য হ'ব। সেয়ে চিজিএছটি/এছজিএছটিৰ সকলো ক্ষেত্ৰ বিষয়াই ক'ড অফ ক্রিমিনেল প্রচিডিউৰ, ১৯৭৩ (চিআৰপিচি)ৰ বিষয়ে সম্পূৰ্ণৰূপে সতৰ্ক থাকিব লাগিব।

এটা মন কৰিবলগীয়া ব্যৱস্থা হৈছে চিআৰপিচি, ১৯৭৩ৰ অনুচ্ছেদ ৫৭, য'ত কোৱা হৈছে যে বিনা চমনে গ্রেপ্তাৰ হোৱা একোজন লোকক উক্ত গোচৰৰ পৰিস্থিতিৰ অধীনত যুক্তিসংগত সময়তকৈ অধিক দীঘলীয়া সময়ৰ বাবে আটক কৰি ৰাখিব নোৱাৰিব আৰু এই সময় ২৪ ঘণ্টাৰ বেছি হ'ব নালাগিব (গ্রেপ্তাৰ কৰা ঠাইৰ পৰা দণ্ডাধীশৰ আদালতলৈ যোৱাৰ সময়খিনি বাদ দি)। এই সময়ছোৱাৰ ভিতৰত চিআৰপিচিৰ অনুচ্ছেদ ৫৬ত কোৱামতে, গ্রেপ্তাৰ সম্পন্ন কৰা লোকজনে বিনা চমনে গ্রেপ্তাৰ হোৱা লোকজনক উক্ত গোচৰত থকা ন্যায়িক দায়িত্বসম্পন্ন দণ্ডাধীশৰ ওচৰত হাজিৰ কৰাব লাগিব।

ডি কে বসু বনাম পশ্চিমবংগ চৰকাৰৰ মাজত ১৯৯৭ (১) এছচিচি ৪১৬ত হোৱা এটা গোচৰৰ উল্লেখযোগ্য ৰায়ত মাননীয় উচ্চতম ন্যায়ালয়ে গ্রেপ্তাৰ কৰাৰ সময়ত অনুসৰণ কৰিবলগীয়া নিৰ্দিষ্ট নিয়মাৱলী নিৰ্ধাৰণ কৰি দিয়ে। যিহেতু বিষয়টো আৰক্ষীৰ সৈতে সম্পৰ্কযুক্ত, সেয়ে গ্রেপ্তাৰ কৰাৰ ক্ষমতা থকা সকলো বিভাগে ইয়াক অনুসৰণ কৰা দৰকাৰ। এইবিলাক তলত দিয়া ধৰণৰ ঃ

১। গ্রেপ্তাৰ সম্পন্ন কৰা আৰু গ্রেপ্তাৰ কৰা লোকজনক জেৰা কৰা আৰক্ষীৰ লোকে তেওঁলোকৰ পদবীসহ প্রকৃত, দৃষ্টিযোগ্য আৰু স্পষ্ট পৰিচয় বহন কৰিব

লাগে। গ্রেপ্তাৰ কৰা লোকজনক জেৰা কৰা এনেধৰণৰ সকলো আৰক্ষীৰ লোকৰ তথ্য-পাতি এখন পঞ্জীয়ন বহীত নিশ্চিত বহী নথিভুক্ত কৰিব লাগে।

২। গ্রেপ্তাৰ সম্পন্ন কৰা আৰক্ষী বিষয়াই গ্রেপ্তাৰ কৰাৰ সময়ত গ্রেপ্তাৰৰ এক বিৰৰণ (memo) প্রস্তুত কৰিব লাগে আৰু এনে বিৰৰণ কমেও এজন সাক্ষীৰ দ্বাৰা প্রত্যায়িত (attested) কৰাব লাগিব, যিজন গ্রেপ্তাৰ কৰা লোকজনৰ পৰিয়ালৰ সদস্য হ'ব পাৰে বা যি ঠাইৰ পৰা লোকজনক গ্রেপ্তাৰ কৰা হৈছে সেই ঠাইৰ এজন সন্মানীয় ব্যক্তি হ'ব লাগিব। ইয়াত গ্রেপ্তাৰ কৰা লোকজনৰ উপৰোৱা চহী (counter sign.) আৰু গ্রেপ্তাৰৰ সময় আৰু তাৰিখ থাকিব লাগিব।

৩। যিজন লোকক গ্রেপ্তাৰ বা আটক কৰা হৈছে আৰু এখন আৰক্ষী চকীত বা জেৰা কেন্দ্ৰত বা অন্য লক-আপত ৰখা হৈছে, তেওঁ এজন বন্ধু বা সম্পৰ্কীয় বা তেওঁ জনা অন্য কোনো লোকক বা তেওঁৰ ভালৰ বাবে চিন্তা কৰা কোনো লোকক তেওঁক গ্রেপ্তাৰ কৰাৰ কথা আৰু যি নিৰ্দিষ্ট ঠাইত আটক কৰি ৰখা হৈছে, সেই সম্পৰ্কে যিমান সোনকালে পাৰি কাৰ্যকৰী হোৱাকৈ অৱগত কৰিব লাগিব, অন্যথা গ্রেপ্তাৰৰ বিৰৰণৰ প্রত্যায়ণ সাক্ষীজনেই (attesting witness) এনেকুৱা এজন বন্ধু বা গ্রেপ্তাৰ হোৱা লোকজনৰ সম্পৰ্কীয় বুলি গণ্য হ'ব।

৪। গ্রেপ্তাৰৰ সময়, স্থান আৰু গ্রেপ্তাৰ কৰা লোকজনক জিম্মাত ৰখা ঠাইৰ বিষয়ে আৰক্ষীয়ে জনাব লাগিব আৰু সেই অনুসৰি গ্রেপ্তাৰ হোৱা লোকজনৰ বন্ধু বা সম্পৰ্কীয় যদি জিলা নগৰৰ বাহিৰত থাকে তেতিয়া তেওঁলোকক উক্ত জিলাৰ 'লীগেল এইড অৰ্গেনাইজেচন' আৰু সেই ঠাইৰ সংশ্লিষ্ট আৰক্ষী চকীয়ে গ্রেপ্তাৰ হোৱাৰ পিছত ৮-১২ ঘণ্টাৰ ভিতৰত 'টেলিগ্ৰাফিক' ব্যৱস্থাৰে যোগাযোগ কৰিব লাগিব।

৫। লোকজনক গ্রেপ্তাৰ কৰা সন্দৰ্ভত আটক কৰাৰ ঠাইত 'ডায়েৰী'ত এটা অন্তৰ্ভূক্তি কৰিব লাগিব য'ত লোকজনৰ পৰৱৰ্তী বন্ধু, যাক এই গ্রেপ্তাৰৰ বিষয়ে

অৱগত কৰা হৈছে আৰু যাৰ জিম্মাত গ্ৰেপ্তাৰ হোৱা লোকজন আছে সেই আৰক্ষী বিষয়াৰ নাম আৰু তথ্য-পাতি সন্নিৱিষ্ট হ'ব লাগিব।

৬। গ্ৰেপ্তাৰ হোৱা লোকজনে যদি অনুৰোধ কৰে, তেতিয়া তেওঁক গ্ৰেপ্তাৰ কৰাৰ সময়ত স্বাস্থ্য পৰীক্ষা কৰাব লাগিব আৰু যদি তেওঁৰ শৰীৰত গুৰুতৰ বা সামান্য কিবা আঘাত প্ৰতিপন্ন হয়, সেই সময়ত সেয়া নথিভুক্ত হ'ব লাগিব। এনেদৰে কৰা পৰীক্ষাৰ বিৱৰণ (Inspection Memo)ত গ্ৰেপ্তাৰ হোৱা লোকজন আৰু গ্ৰেপ্তাৰ কাৰ্যকৰী কৰা আৰক্ষী বিষয়া উভয়ে চহী কৰিব লাগিব আৰু ইয়াৰ কপি গ্ৰেপ্তাৰ হোৱা লোকজনক দিব লাগিব।

৭। গ্ৰেপ্তাৰ হোৱা লোকজনক তেওঁ জিম্মাত থকাৰ সময়ছোৱাত প্ৰতি ৪৮ ঘণ্টাৰ মূৰে-মূৰে প্ৰশিক্ষিত চিকিৎসকৰ দ্বাৰা স্বাস্থ্য পৰীক্ষা কৰাব লাগিব, যিজন চিকিৎসক সংশ্লিষ্ট ৰাজ্য বা কেন্দ্ৰীয় শাসিত অঞ্চলৰ স্বাস্থ্য সেৱাৰ সঞ্চালকৰ দ্বাৰা অনুমোদিত হ'ব লাগিব বা স্বাস্থ্য সেৱাৰ সঞ্চালকে সকলো খণ্ড বা জিলাৰ বাবে গঠন কৰি দিয়া পৃথক 'পেনেল'ৰ অন্তৰ্ভুক্ত হ'ব লাগিব।

৮। গ্ৰেপ্তাৰৰ বিৱৰণকে ধৰি ওপৰত উল্লেখ কৰা সকলো নথি-পত্ৰৰ কপি দণ্ডাধীশলৈ তেওঁৰ অভিলেখৰ বাবে প্ৰেৰণ কৰিব লাগিব।

৯। জেৰাৰ সময়ত গ্ৰেপ্তাৰ হোৱা লোকজনক তেওঁৰ অধিবক্তাৰ সৈতে লগ হোৱাৰ অনুমতি দিব পাৰি, যদিও জেৰা চলি থাকোতে নহয়।

১০। সকলো জিলা আৰু ৰাজ্যিক মুখ্য কাৰ্যালয়ত একোটা আৰক্ষী নিয়ন্ত্ৰণ কক্ষ থাকিব লাগে যাক গ্ৰেপ্তাৰ আৰু গ্ৰেপ্তাৰ হোৱা লোকৰ জিম্মা সম্পৰ্কীয় তথ্য গ্ৰেপ্তাৰ সম্পন্ন কৰা বিষয়াজনে গ্ৰেপ্তাৰ কাৰ্যকৰী কৰাৰ পৰা ১২ ঘণ্টাৰ ভিতৰত অৱগত কৰিব লাগে আৰু আৰক্ষী নিয়ন্ত্ৰণ কক্ষত এই কথা সকলোৰে দেখাকৈ এখন জাননী ফলকত আঁৰি দিব লাগিব।

**প্ৰশ্ন ২৪ ঃ চিবিঁইচিৰ অধীনত অনুসৰণ কৰিবলগীয়া গ্ৰেপ্তাৰৰ বিস্তাৰিত নিৰ্দেশনা কি ?**

উত্তৰ ঃ গ্ৰেপ্তাৰ কৰাৰ সিদ্ধান্ত গোচৰৰ পৰা গোচৰ (case-to-case)ৰ ভিত্তিত হ'ব লাগে, এই ক্ষেত্ৰত বিভিন্ন কাৰক বিবেচনা কৰিব লাগে, যেনে অপৰাধৰ প্ৰকৃতি আৰু গভীৰতা, ফাঁকি দিয়া কৰৰ পৰিমান বা জালিয়াতিৰে আহৰণ কৰা 'ক্ৰেডিট', সাক্ষ্য-প্ৰমাণৰ প্ৰকৃতি আৰু মানদণ্ড, মিছা সাক্ষ্য-প্ৰমাণ দাঙি ধৰাৰ সম্ভাৱনীয়তা বা প্ৰভাৱিত হোৱা সাক্ষী, তদন্ত প্ৰক্ৰিয়াৰ সৈতে সহযোগ ইত্যাদি। গোচৰৰ প্ৰকৃত সত্যতা সতৰ্কতাৰে বিবেচনা কৰাৰ পিছত গ্ৰেপ্তাৰ কৰাৰ ক্ষমতা কাৰ্যকৰী কৰিব লাগে, এনে বিবেচনাৰ ভিতৰত আছে ঃ

১। অভিযোগৰ সঠিক তদন্ত নিশ্চিত কৰা;

২। এনে লোক পলাই যোৱাত বাধা দিয়া;

৩। পণ্য-সামগ্ৰীৰ সংগঠিত চোৰাং বেহা বা গোপন কৰি বহিঃশুল্ক ফাকি দিয়া;

৪। মিছা/ বেনামী, ভুৱা নাম ব্যৱহাৰ কৰি বা নথকা লোকৰ নামেৰে/আইইচিৰে আমদানি/ৰপ্তানিৰ মূল পৰিকল্পনাকাৰী ইত্যাদি;

৫। কৰ ফাঁকি দিবলৈ কৰা পৰিকল্পনাৰ যদি সাক্ষ্য থাকে আৰু বেয়া মনৰ/জালিয়াতি যদি স্পষ্ট হয়;

৬। সাক্ষ্য-প্ৰমাণ বিকৃত কৰাৰ সম্ভাৱনীয়তা প্ৰতিৰোধ;

৭। সাক্ষীক পক্ষপাতী কৰা বা প্ৰভাৱান্বিত কৰা; আৰু

৮। কমেও এক কোটি টকাৰ অধিক তথা বৃহৎ পৰিমাণৰ কৰ বা সেৱা কৰ

ফাকি।

**প্ৰশ্ন ২৫ ঃ আদালতৰ অনুমতি নোহোৱাকৈ আৰক্ষীয়ে আইনৰ আওতালৈ আনিব পৰা (cognizable) অপৰাধ কি ?**

উত্তৰ ঃ সাধাৰণতে আদালতৰ অনুমতি নোহোৱাকৈ আৰক্ষীয়ে আইনৰ আওতালৈ আনিব পৰা অপৰাধ বুলিলে গুৰুতৰ অপৰাধবিলাকক বুজায়, যিবিলাকৰ ক্ষেত্ৰত চমন নোহোৱাকৈয়ে আৰক্ষী বিষয়াই গ্ৰেপ্তাৰ কৰিব পাৰে আৰু একোখন আদালতৰ নিৰ্দেশনা লৈ বা নোলোৱাকৈ তদন্ত আৰম্ভ কৰিব পাৰে।

**প্ৰশ্ন ২৬ ঃ আদালতৰ অনুমতি নোহোৱাকৈ আৰক্ষীয়ে আইনৰ আওতালৈ আনিব নোৱৰা (non-cognizable) অপৰাধ কি ?**

উত্তৰ ঃ আদালতৰ অনুমতি নোহোৱাকৈ আৰক্ষীয়ে আইনৰ আওতালৈ আনিব নোৱৰা অপৰাধ বুলিলে তুলনামূলকভাৱে কম গুৰুত্বপূৰ্ণ অপৰাধবিলাকক বুজায়, যিবিলাকৰ ক্ষেত্ৰত চমন নোহোৱাকৈ আৰক্ষী বিষয়াই গ্ৰেপ্তাৰ কৰিব নোৱাৰে আৰু একোখন আদালতৰ নিৰ্দেশনা নোলোৱাকৈ তদন্ত আৰম্ভ কৰিব নোৱাৰে।

**প্ৰশ্ন ২৭ ঃ এমজিএলৰ অধীনত কগনিজেবল আৰু নন-কগনিজেবল অপৰাধ কি ?**

উত্তৰ ঃ এমজিএলৰ অনুচ্ছেদ ৭৩(৪)ত কোৱা হৈছে যে কৰযোগ্য পণ্য-সামগ্ৰী আৰু/অথবা সেৱা ক্ষেত্ৰত সংঘটিত অপৰাধ, য'ত ফাকি দিয়া কৰৰ পৰিমাণ ২.৫কোটি টকাৰো অধিক, সেইবিলাক 'কগনিজেবল' আৰু 'নন-কগনিজেবল' অপৰাধ। আইনখনৰ অধীনৰ অন্য অপৰাধবিলাক নন-কগনিজেবল আৰু জামিনযোগ্য।

**প্ৰশ্ন ২৮ ঃ এমজিএলৰ অধীনত এজন ন্যায্য বিষয়াই কেতিয়া চমন জাৰি কৰিব পাৰে ?**

উত্তৰ ঃ এমজিএলৰ অনুচ্ছেদ ৬৩ত একোজন বিধিগতভাৱে কৰ্তৃত্বপ্ৰাপ্ত

চিজিএছটি/এছজিএছটি বিষয়াক চমন জাৰি কৰি বিষয়াজনৰ সন্মুখত হাজিৰ হ'বলৈ কোনো লোকক নির্দেশ দিয়াৰ ক্ষমতা প্রদা কৰা হৈছে, এনেদৰে চমন জাৰি কৰি প্ৰমাণ দিবলৈ বা একোটা নথি দাখিল কৰিবলৈ বা বিষয়াজনে কৰি থকা যিকোনো তদন্তত আৱশ্যকীয় আন যিকোনো বস্তু দাখিল কৰিবলৈ নির্দেশ দিব পাৰে। নথি-পত্র বা অন্য বস্তু দাখিল কৰিবলৈ জাৰি কৰা একোখন চমনৰ জৰিয়তে যালৈ চমন জাৰি কৰা হয় সেই লোকজনৰ দখলত বা নিয়ন্ত্ৰণত থকা কেতবোৰ নির্দিষ্ট নথি-পত্র বা বয়-বস্তু বা এক নির্দিষ্ট বিৱৰণৰ সকলো নথি-পত্র বা সকলো বয়-বস্তু দাখিল কৰিবলৈ নির্দেশ দিব পাৰে।

**প্ৰশ্ন ২৯ ঃ এনেদৰে চমন জাৰি কৰা লোকজনৰ দায়বদ্ধতা কি?**

উত্তৰ ঃ যিজন লোকক চমন জাৰি কৰা হয় তেওঁ নিজে উপস্থিত হ'বলৈ বা এজন কর্তৃত্বপ্রাপ্ত প্রতিনিধি উপস্থিত হ'বলৈ ন্যায়সংগতভাৱে বাধ্য আৰু তেওঁ চমন জাৰি কৰা বিষয়াজনৰ সন্মুখত যিকোনো বিষয়ৰ সত্যতা উপস্থাপন কৰিবলৈ বাধ্য আৰু আৱশ্যকীয় তথা পৰীক্ষাৰ বাবে প্ৰয়োজনীয় বিষয়বস্তু, নথিপত্র আৰু অন্যান্য বয়-বস্তু দাখিল কৰিবলৈ বাধ্য।

**প্ৰশ্ন ৩০ ঃ চমন অনুসৰি হাজিৰ নহ'লে কি পৰিণতি হ'ব?**

উত্তৰ ঃ যিজন বিষয়াই চমন জাৰি কৰিছে তেওঁৰ সন্মুখত হাজিৰ হোৱাটো এক ন্যায়িক প্রক্রিয়া। যদি কোনো লোকে কোনো যুক্তিসংগত ন্যায় অবিহনে চমনত উল্লেখ কৰা তাৰিখত হাজিৰ নহয়, তেতিয়া ভাৰতীয় দণ্ডবিধি (আইপিচি)ৰ অনুচ্ছেদ ১৭৪ৰ অধীনত তেওঁৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰিব পাৰি। যদি তেওঁ চমনৰ নির্দেশনা এৰাই চলি পলায়ন কৰে তেতিয়া আইপিচিৰ ১৭২ অনুচ্ছেদৰ অধীনত তেওঁৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰিব পাৰি আৰু যদি তেওঁ দাখিল কৰিবলগীয়া নথিপত্র বা বৈদ্যুতিন তথ্য-পাতি দাখিল নকৰে, তেতিয়া তেওঁৰ বিৰুদ্ধে আইপিচিৰ

অনুচ্ছেদ ১৭৫ৰ অধীনত ব্যৱস্থা গ্ৰহণ কৰিব পাৰি। যদি তেওঁ মিছা সাক্ষী দিয়ে তেতিয়া তেওঁৰ বিৰুদ্ধে আইপিচিৰ অনুচ্ছেদ ১৯৩ৰ অধীনত ব্যৱস্থা গ্ৰহণ কৰিব পাৰি। তদুপৰি যাৰ বিৰুদ্ধে চমন জাৰি কৰা হৈছে তেনে লোক যদি চিজিএছটি/এছজিএছটি বিষয়াৰ আগত হাজিৰ নহয়, তেতিয়া তেওঁৰ বিৰুদ্ধে এমজিএলৰ অনুচ্ছেদ ৬৬ (৩)(ডি)ৰ অধীনত ২৫ হাজাৰ টকা পৰ্যন্ত অৰ্থদণ্ড প্ৰযোজ্য হ'ব।

**প্ৰশ্ন ৩১ ঃ চমন জাৰি কৰাৰ পৰামৰ্শাৱলী কি কি ?**

উত্তৰ ঃ বিত্ত মন্ত্ৰালয়, ৰাজহ বিভাগৰ চেণ্ট্ৰেল ব'ৰ্ড অফ এক্সাইজ এণ্ড কাষ্টম্‌ছ (চিবিইছি)য়ে এই কথা নিশ্চিত কৰিবলৈ সময়ে সময়ে পৰামৰ্শাৱলী জাৰি কৰি আহিছে যে কৰ্মক্ষেত্ৰত চমনৰ ব্যৱস্থাৱলীৰ ভুল প্ৰয়োগ হ'ব নালাগে। এই পৰামৰ্শাৱলীৰ কেতবোৰ গুৰুত্বপূৰ্ণ আলোকপাত তলত দিয়া হ'ল ঃ

১। কৰ দিবলগীয়া লোকে সহযোগ নকৰিলে শেষ উপায় হিচাপে চমন জাৰি কৰিব লাগে আৰু শীৰ্ষ পৰিচালন বিভাগৰ বাবে এই অনুচ্ছেদ ব্যৱহৃত হ'ব নালাগে;

২। চমনৰ ভাষা খহটা আৰু আইনী হ'ব নালাগে যি গ্ৰহণ কৰোতাৰ অপ্ৰয়োজনীয় মানসিক দুঃচিন্তা আৰু ব্যাকুলতা বৃদ্ধি কৰে;

৩। সহকাৰী আয়ুক্তৰ পৰ্যায়তকৈ নিম্নখাপৰ নোহোৱা একোজন বিষয়াৰ পৰা আগতীয়া লিখিত অনুমতি লাভ কৰাৰ পিছতহে অধীক্ষকসকলে চমন জাৰি কৰিব লাগে আৰু চমন জাৰি কৰাৰ কাৰণবিলাক লিখিতভাৱে নথিভুক্ত হ'ব লাগে;

৪। যেতিয়া কাৰ্যকৰী কৰাৰ ভিত্তিত, এনে আগতীয়া অনুমতি লোৱাটো সম্ভৱপৰ নহয়, তেতিয়া এনে বিষয়াৰ পৰা মৌখিক/টেলিফোনিক অনুমতি নিশ্চিতভাৱে ল'ব লাগিব আৰু ইয়াক লিখি ৰাখিব লাগিব আৰু যিমান পাৰি সোনকালে

উক্ত বিষয়াজনক এনে অনুমতি সন্দৰ্ভত লগ ধৰিব লাগিব;

৫। চমন জাৰি কৰা সকলো গোচৰতে, চমন জাৰি কৰা বিষয়াজনে গোচৰৰ ফাইলত এটা প্ৰতিবেদন বা সংক্ষিপ্ত বিৱৰণ দাখিল কৰিব লাগিব আৰু ইয়াক চমন জাৰি কৰিবলৈ কৰ্তৃত্ব প্ৰদান কৰা বিষয়াজনৰ ওচৰত দাখিল কৰিব লাগিব;

৬। একোটা বৃহৎ কোম্পানী বা একোটা ৰাজহুৱা খণ্ডৰ চৰকাৰৰ অধীনস্থ প্ৰতিষ্ঠানৰ জ্যেষ্ঠ পৰিচালন বিষয়া যেনে চিইঅ', চিএফঅ', মহাপ্ৰৱন্ধকক সাধাৰণতে প্ৰথম পদক্ষেপতে চমন জাৰি কৰিব নালাগে। তেওঁলোকক তেতিয়াহে চমন জাৰি কৰিব লাগে যেতিয়া ৰাজহৰ ক্ষতি হ'ব পৰা সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত তেওঁলোক জড়িত হৈ থকা বুলি তদন্তত তথ্য পোৱা যায়।

**প্ৰশ্ন ৩২ ঃ চমন জাৰি কৰোতে মানিবলগীয়া আগতীয়া ব্যৱস্থাসমূহ কি কি ?**

উত্তৰ ঃ এজন লোকৰ বিৰুদ্ধে চমন জাৰি কৰোতে সাধাৰণতে তলত দিয়া ব্যৱস্থাসমূহ মানি চলিব লাগে ঃ

১। ন্যায়গতভাৱে নিশ্চিত নোহোৱাকৈ হাজিৰ হ'বৰ বাবে একোখন চমন জাৰি কৰিব নালাগে। কেৱল তেতিয়াহে চমন জাৰি কৰাৰ ক্ষমতা কাৰ্যকৰী কৰিব লাগে যেতিয়া একোটা তদন্ত চলি থাকে আৰু উক্ত লোকজনৰ উপস্থিতি আৱশ্যকীয় বুলি গণ্য হয়;

২। সাধাৰণতে বাৰে বাৰে চমন জাৰি কৰিব নালাগে। যিমান দূৰ কাৰ্যকৰী কৰিব পাৰি, অভিযুক্ত বা সাক্ষীৰ স্বীকাৰোক্তি কম সংখ্যক লোকৰ উপস্থিতিত নথিভুক্ত কৰিব লাগে;

৩। চমনত দিয়া উপিস্থিতিৰ সময় মানি চলিব লাগে। কোনো লোকক তেওঁৰ স্বীকাৰোক্তি নথিভুক্ত কৰিবৰ বাবে দীঘলীয়া সময় অপেক্ষা কৰাই ৰাখিব নালাগে,

যদিহে এক নীতিগত কৌশল হিচাপে এই সন্দৰ্ভত অত্যন্ত সতৰ্কতাৰে সিদ্ধান্ত গ্ৰহণ কৰা হয়, কেৱল তেতিয়াহে তেনে কৰিব লাগে;

৪। অগ্ৰাধিকাৰভিত্তিত, কাৰ্যালয়ৰ কৰ্মসময়ত স্বীকাৰোক্তি নথিভুক্ত কৰিব লাগে; অৱশ্যে একোটা ব্যতিক্ৰম ক্ষেত্ৰত গোচৰৰ প্ৰকৃত সত্য অনুসৰি সময় আৰু স্থান নিৰ্বিশেষে স্বীকাৰোক্তি নথিভুক্ত কৰিব পাৰিব।

**প্ৰশ্ন ৩৩ ঃ চিজিএছটি/এছজিএছটি বিষয়াসকলক সহায় কৰিবৰ বাবে কোনো বিষয়াৰ শ্ৰেণী আছেনে?**

উত্তৰ ঃ এমজিএলৰ অনুচ্ছেদ ৬৫ৰ অধীনত চিজিএছটি/এছজিএছটি বিষয়াসকলক এমজিএল কাৰ্যকৰী কৰাত নিম্নোল্লিখিত বিষয়াসকলক সহায় কৰিবলৈ ক্ষমতা প্ৰদান কৰা হৈছে। এমজিএলত নিৰ্দিষ্ট কৰি দিয়া শ্ৰেণীবিলাক তলত দিয়া ধৰণৰ ঃ

১। আৰক্ষী;

২। সীমাশুল্ক (customs);

৩। জিএছটি সংগ্ৰহত জড়িত ৰাজ্যিক/কেন্দ্ৰীয় চৰকাৰৰ বিষয়াবৰ্গ;

৪। ভূমি-ৰাজহ সংগ্ৰহত জড়িত ৰাজ্যিক/কেন্দ্ৰীয় চৰকাৰৰ বিষয়াবৰ্গ;

৫। সকলো গাঁও বিষয়া;

৬। কেন্দ্ৰীয়/ৰাজ্যিক চৰকাৰে জাননী দিব পৰা আন যিকোনো বিষয়াৰ শ্ৰেণী।

***

# অপৰাধ আৰু অৰ্থদণ্ড, আইনগত ব্যৱস্থা আৰু মাতমিট
(Offences and Penalties,

Prosecution and Compounding)

## ২০। অপৰাধ আৰু অৰ্থদণ্ড, আইনগত ব্যৱস্থা আৰু মাতমিট (Offences and Penalties, Prosecution and Compounding)

**প্ৰশ্ন ১ ঃ এমজিএলৰ অধীনত নিৰ্ধাৰিত অপৰাধবিলাক কি কি ?**

উত্তৰ ঃ আৰ্হি জিএছটি আইনৰ অধ্যায় ১৬ত অপৰাধ আৰু অৰ্থদণ্ডবিলাকৰ বিষয়ে উল্লেখ আছে। আইনখনত অনুচ্ছেদ ৬৬ত ২১টা অপৰাধ, ইয়াৰ লগতে অনুচ্ছেদ ৮ৰ অধীনত একোজন কৰযোগ্য লোকে মাতমিট বা নিষ্পত্তি লাভ কৰিবৰ হেতু অৰ্থদণ্ডৰ বিষয়েও উল্লেখ আছে। উল্লিখিত অপৰাধবিলাক এনেধৰণৰ ঃ

১। চালান নোহোৱাকৈ বা মিছা/অশুদ্ধ চালানেৰে যোগান সম্পন্ন কৰা;

২। যোগান সম্পন্ন নকৰাকৈ চালান দিয়া;

৩। তিনিমাহতকৈ অধিক সময়ৰ বাবে সংগৃহীত কৰ পৰিশোধ নকৰা;

৪। এমজিএলৰ নীতি অৱমাননা কৰি তিনিমাহতকৈ অধিক সময়ৰ বাবে সংগৃহীত কৰ পৰিশোধ নকৰা;

৫। উৎসতে কৰ্তন কৰিবলগীয়া কৰ কৰ্তন নকৰা বা কমকৈ কৰ্তন কৰা বা অনুচ্ছেদ ৩৭ৰ অধীনত উৎসতে কৰ্তন কৰা কৰ জমা নিদিয়া;

৬। অনুচ্ছেদ ৪৩ চিৰ অধীনত উৎসতে সংগ্ৰহ কৰিবলগীয়া কৰ সংগ্ৰহ নকৰা বা কমকৈ সংগ্ৰহ কৰা বা পৰিশোধ নকৰা;

৭। পণ্য-সামগ্ৰী আৰু/অথবা সেৱাৰ প্ৰকৃত ৰচিদ নোহোৱাকৈ 'ইনপুট টেক্স ক্ৰেডিট' আহৰণ/ব্যৱহাৰ কৰা;

৮। যিকোনো 'ৰিফাণ্ড' জালিয়াতিৰে আহৰণ কৰা;

৯। অনুচ্ছেদ ১৭ অৱমাননা কৰি 'ইনপুট ছাৰ্ভিচ ডিষ্ট্ৰিবিউটৰ'ৰ দ্বাৰা 'ইনপুট

টেক্স ক্রেডিট’ আহৰণ/বিতৰণ কৰা;

১০। কৰ ফাঁকি দিয়াৰ উদ্দেশ্যে মিছা তথ্য দাখিল কৰা বা বিত্তীয় তথ্যপাতিৰ জালিয়াতি কৰা বা ভুৱা হিচাপ-নিকাচ/নথিপত্ৰ দাখিল কৰা;

১১। কৰ পৰিশোধৰ বাবে দায়বদ্ধ হৈয়ো পঞ্জীয়ন কৰাত ব্যৰ্থতা;

১২। পঞ্জীয়নৰ বাবে বাধ্যতামূলক হোৱাৰ ক্ষেত্ৰত মিছা তথ্য দাখিল কৰা;

১৩। কোনো বিষয়াক তেওঁৰ কৰ্তব্য পালনত বাধা দিয়া বা প্ৰভাৱিত কৰা;

১৪। নিৰ্ধাৰিত নথিপত্ৰ নোহোৱাকৈ পণ্য-সামগ্ৰী পৰিবহন কৰা;

১৫। কৰ ফাঁকি দিয়াৰ উদ্দেশ্যে উপাৰ্জন লুকুৱাই ৰখা;

১৬। আইনত নিৰ্দিষ্ট কৰি দিয়া ধৰণে হিচাপ-নিকাচ/নথিপত্ৰৰ ব্যৱস্থা কৰাত ব্যৰ্থতা বা আইনত নিৰ্দিষ্ট কৰি দিয়া সময়ৰ বাবে হিচাপ-নিকাচ/নথিপত্ৰ ৰখাত ব্যৰ্থতা;

১৭। আইন/নীতি-নিয়ম অনুসৰি একোজন বিষয়াই বিচৰা তথ্য-পাতি/নথিপত্ৰ দাখিল কৰাত ব্যৰ্থতা বা যিকোনো ধৰণৰ কাৰ্যপন্থা চলি থকাৰ সময়ত মিছা তথ্য-পাতি/নথিপত্ৰ দাখিল কৰা;

১৮। ক্ৰোক কৰিবৰ বাবে যোগ্য যিকোনো পণ্য-সামগ্ৰীৰ যোগান/পৰিবহন/জমাকৰণ;

১৯। অন্য লোকৰ জিএছটিআইএন ব্যৱহাৰ কৰি চালান বা নথি-পত্ৰ দিয়া;

২০। যিকোনো বস্তুগত সাক্ষ্য বিকৃত/ধ্বংস কৰা;

২১। আইনৰ অধীনত আটক/জব্দ/সাঙুৰি লোৱা পণ্য-সামগ্ৰী নষ্ট/বিকৃত কৰা।

**প্ৰশ্ন ২ ঃ অৰ্থদণ্ড শব্দৰ অৰ্থ কি ?**

উত্তৰ ঃ এমজিএলত 'অৰ্থদণ্ড' শব্দটোৰ সংজ্ঞা দিয়া হোৱা নাই যদিও ন্যায়িক উচ্চাৰণ আৰু আইনগত নীতি-নিয়মত একোটা অৰ্থদণ্ডৰ প্ৰকৃতি এনেদৰে দিয়া আছে ঃ

- একোটা নিৰ্দিষ্ট অপৰাধৰ বাবে বিধিগতভাৱে ধাৰ্য কৰা একোটা অস্থায়ী অৰ্থদণ্ড বা এক নিৰ্দিষ্ট ধনৰাশি আয়োগক পৰিশোধ কৰিব লাগে;

- আইনে দিয়া একোটা অৰ্থদণ্ড বা কৰিবলৈ দিয়া কাম বা কিবা কাম কৰিবলৈ ব্যৰ্থ হ'লে একোটা পক্ষৰ সেয়াই হৈছে কৰ্তব্য।

**প্ৰশ্ন ৩ ঃ অৰ্থদণ্ড আৰোপ কৰোতে অনুসৰণ কৰিবলগীয়া সাধাৰণ শৃংখলাবোৰ কি কি ?**

উত্তৰ ঃ অৰ্থদণ্ড আৰোপ কৰাৰ প্ৰক্ৰিয়া কেতবোৰ নিৰ্দিষ্ট শৃংখলাবদ্ধতাৰ মাজেৰে সম্পন্ন হয়, যিবিলাক বিধি-ব্যৱস্থা, প্ৰাকৃতিক ন্যায়ৰ নীতি আৰু আন্তঃজাতিক বাণিজ্য আৰু চুক্তিসমূহক নিয়ন্ত্ৰণ কৰা নীতিসমূহৰ আধাৰত সম্পন্ন হয়। আইনখনৰ অনুচ্ছেদ ৬৮ত এই সাধাৰণ শৃংখলাসমূহ আলোকপাত কৰা হৈছে—

- বিষয়টো সন্দৰ্ভত যিজন লোকৰ বিৰুদ্ধে অভিযোগ উত্থাপন হয়, সেই লোকজনক এটা সুযোগ প্ৰদান কৰি সঠিক শুনানি গ্ৰহণ নকৰাকৈ আৰু এখন কাৰণ দৰ্শোৱাৰ জাননী জাৰি নকৰাকৈ অৰ্থদণ্ড আৰোপ কৰিব নালাগে;

- প্ৰকৃত সত্যাসত্যৰ সম্পূৰ্ণতা আৰু গোচৰৰ পৰিস্থিতিৰ ওপৰত অৰ্থদণ্ড নিৰ্ভৰ কৰিব লাগে;

- আৰোপিত অৰ্থদণ্ড অভিযোগত উল্লিখিত আইনৰ ব্যৱস্থাৱলী বা নিয়মাৱলী ভংগ কৰাৰ পৰ্যায় আৰু গভীৰতা অনুসৰি কাৰ্যকৰী হ'ব লাগে;

- অৰ্থদণ্ড আৰোপ কৰি দিয়া নিৰ্দেশনাত ব্যৱস্থাৱলী বা নিয়মাৱলী ভংগৰ প্ৰকৃতি নিৰ্দিষ্ট কৰিব লাগে;

- যি আইনৰ ব্যৱস্থাৱলীৰ অধীনত অৰ্থদণ্ড আৰোপ কৰা হয় সেয়া নিৰ্ধাৰিত হ'ব লাগে।

অনুচ্ছেদ ৬৮ত লগতে কোৱা হৈছে যে, কিছুমান বিশেষ ক্ষেত্ৰত কোনো পৰিপূৰক অৰ্থদণ্ড আৰোপ কৰিব নালাগে—

- যিকোনো সাধাৰণ উলংঘা (সাধাৰণ উলংঘাক এনেদৰে সংজ্ঞাবদ্ধ কৰা হৈছে য'ত ৫০০০ টকাতকৈ কম কৰ জড়িত হৈ থকা ব্যৱস্থাৱলী ভংগ কৰা হয়); বা

- আইনৰ বিধি অনুসৰি আৱশ্যকতা; বা

- নথিপত্ৰত সহজে শুধৰণি কৰিব পৰা ভুল/থাকি যোৱা (আইনখনত ইয়াক নথিভুক্ত কৰোতে ৰৈ যোৱা ভুল বুলি ব্যাখ্যা কৰা হৈছে), যিটো কোনোধৰণৰ জালিয়াতিৰ উদ্দেশ্যে বা ইচ্ছাকৃত অৱহেলাৰে কৰা হোৱা নাই।

তদুপৰি, এমজিএলত য'ত একোটা নিৰ্দিষ্ট ধনৰাশিৰ বা একোটা নিৰ্ধাৰিত শতাংশৰ অৰ্থদণ্ডৰ কথা উল্লেখ আছে, তেনে ক্ষেত্ৰত সেয়া প্ৰযোজ্য হ'ব।

**প্ৰশ্ন ৪ ঃ এমজিএলত আগবঢ়োৱা অৰ্থদণ্ডৰ পৰিমাণ কি ?**

উত্তৰ ঃ অনুচ্ছেদ ৬৬ (১)ত কোৱা হৈছে যে যিকোনো কৰযোগ্য লোকে অনুচ্ছেদ ৬৬ত উল্লিখিত যিকোনো অপৰাধ কৰিলে নিম্নোল্লিখিত পৰিমানতকৈ অধিক পৰিমানৰ অৰ্থদণ্ড প্ৰদান কৰিব পাৰিব ঃ

- ফাঁকি দিয়া, 'ৰিফাণ্ড' বা 'ক্ৰেডিট' হিচাপে জালিয়াতিৰে আহৰণ

কৰা, কৰ্তন নকৰা বা সংগ্ৰহ নকৰা বা কমকৈ কৰ্তন কৰা বা কমকৈ সংগ্ৰহ কৰা কৰৰ পৰিমাণ; বা

- ১০,০০০/- পৰিমাণৰ টকা;

তদুপৰি, অনুচ্ছেদ ৬৬ (২)ত কোৱা হৈছে যে যিকোনো পঞ্জীভুক্ত কৰযোগ্য লোকে যদি বাৰে বাৰে কৰ কমকৈ পৰিশোধ কৰে তেতিয়া তেওঁ অৰ্থদণ্ড পাবৰ যোগ্য হ'ব যাৰ পৰিমাণ তলত দিয়াবিলাকৰ দৰে হ'ব ঃ

- কমকৈ দিয়া কৰৰ ১০%, বা
- ১০,০০০ টকা।

**প্ৰশ্ন ৫ ঃ 'বাৰে বাৰে কমকৈ পৰিশোধ কৰা'ৰ ক্ষেত্ৰত অৰ্থদণ্ডৰ বিবেচনা কি হ'ব?**

উত্তৰ ঃ অনুচ্ছেদ ৬৬ (২)ত ব্যাখ্যা কৰা হৈছে যে যিকোনো ধাৰাবাহিক ছয়টা কৰ সময়ত দিবলগীয়া (tax period) তিনিটা 'ৰিটাৰ্ণ'ৰ ক্ষেত্ৰত কমকৈ পৰিশোধ কৰিলে অৰ্থদণ্ড আৰোপ কৰিবৰ জোখাৰে বাৰে বাৰে কমকৈ কৰা পৰিশোধ হিচাপে গণ্য কৰা হ'ব।

**প্ৰশ্ন ৬ ঃ কৰযোগ্য লোকৰ বাহিৰে আন কোনো লোকক অৰ্থদণ্ড বিহাৰ বিধান আছেনে?**

উত্তৰ ঃ হয়। অনুচ্ছেদ ৬৬ (৩)ত কোৱা হৈছে যে এনে কোনো লোকক ২৫,০০০/- টকা পৰ্যন্ত অৰ্থদণ্ড বিহিব পাৰে ঃ

- ২১টা অপৰাধৰ যিকোনো এটা সংঘটিত কৰা বা সহযোগ কৰা;
- ক্ৰোক কৰিবৰ বাবে যোগ্য যিকোনো পণ্য-সামগ্ৰীৰ যিকোনো ধৰণৰ লেনদেন;

- আইন উলংঘা কৰি সম্পন্ন কৰা যোগান গ্ৰহণ কৰা বা লেনদেন কৰা;
- চমন জাৰি কৰা একোট কৰ্তৃপক্ষৰ ওচৰত হাজিৰ হোৱাত ব্যৰ্থতা;
- আইনৰ অধীনত দিবলগীয়া যিকোনো যোগানৰ চালান, চালানৰ হিচাপ-নিকাচ দিয়াত ব্যৰ্থতা।

**প্ৰশ্ন ৭ ঃ আইন ভংগ কৰাৰ বাবে প্ৰদান কৰা অৰ্থদণ্ড কি যাৰ বাবে এমজিএলৰ অধীনত পৃথক অৰ্থদণ্ডৰ বিধান দিয়া নাই?**

উত্তৰ ঃ এমজিএলৰ অনুচ্ছেদ ৬৭ত কোৱা হৈছে যে এই আইনৰ অধীনত আগবঢ়োৱা আইনৰ যিকোনো বিধান বা নিয়মাৱলী ভংগ কৰা যিকোনো লোকৰ ক্ষেত্ৰত যদিহে কোনো পৃথক অৰ্থদণ্ডৰ বিধান দিয়া নাই তেতিয়া তেওঁৰ ক্ষেত্ৰত বিহিবলগীয়া অৰ্থদণ্ডৰ পৰিমান ২৫,০০০/- টকা পৰ্যন্ত হ'ব পাৰে।

**প্ৰশ্ন ৮ ঃ বৈধ নথিপত্ৰ নোহোৱাকৈ পণ্য-সামগ্ৰী পৰিবহন কৰা বা বহীপত্ৰত সঠিক তথ্য নাৰাখি কৰ এৰাই চলিব বিচাৰিলে কি পদক্ষেপ গ্ৰহণ কৰিব পাৰে?**

উত্তৰ ঃ যদি কোনো লোকে এই আইনৰ অধীনত নিৰ্দিষ্ট কৰি দিয়া নথিপত্ৰ (যেনে চালান আৰু ঘোষণা) নোহোৱাকৈয়ে পৰিবহনকালত কোনো পণ্য-সামগ্ৰী জমা ৰাখে বা পৰিবহন কৰে বা এনে সামগ্ৰী যোগান ধৰে বা তেওঁ চোৰা-চিতা কৰা বহীপত্ৰত নথিভুক্ত নকৰাকৈ জমা ৰাখে, তেতিয়া এনেধৰণৰ পণ্য-সামগ্ৰী আৰু সেয়া কঢ়িওৱা যিকোনো বাহনসহ আটক কৰিব পাৰে। এনেধৰণৰ পণ্য-সামগ্ৰী কেৱল তেতিয়াহে মোকলাই দিব পাৰে যেতিয়া প্ৰযোজ্য হ'বলগীয়া কৰ সুত আৰু অৰ্থদণ্ড পৰিশোধ কৰে বা উক্ত পৰিমাণৰ বন্ধক বা আমানত (security) দাখিল কৰে।

**প্ৰশ্ন ৯ ঃ কোনো এজন লোকে সংযোগ আঁচনি (composition scheme)ৰ বাবে যোগ্য নোহোৱাকৈ সেই আঁচনি আহৰণ কৰিলে তেওঁৰ ক্ষেত্ৰত অৰ্থদণ্ডৰ**

**বিধান কি?**

উত্তৰ ঃ অনুচ্ছেদ ৮(৩)ত কোৱা হৈছে যে যদি কোনো লোক তেওঁৰ কৰৰ দায়বদ্ধতাৰ বাবে সংযোজন আহৰণ কৰিছে আৰু তাৰ বাবে তেওঁ যোগ্য নহয় বুলি যদি প্ৰতিপন্ন হয় তেতিয়া সেই লোকজনে এই আইনৰ ব্যৱস্থাৱলীৰ অধীনত পৰিশোধ কৰিবলগীয়া কৰৰ সমপৰিমানৰ এক অৰ্থদণ্ড ভৰিব লাগিব, এয়া তেওঁৰ ওপৰত এজন সাধাৰণ কৰযোগ্য লোক হিচাপে আৰোপিত হ'ব আৰু এই অৰ্থদণ্ড তেওঁ পৰিশোধ কৰিবলগীয়া কৰৰ অতিৰিক্ত হ'ব।

**প্ৰশ্ন ১০ ঃ ক্ৰোক কৰা (confiscation) মানে কি?**

উত্তৰ ঃ 'ক্ৰোক' শব্দৰ সংজ্ঞা আইনখনত দিয়া নাই। এই শব্দটো ৰোমান আইনৰ পৰা উদ্ভৱ হৈছে য'ত সম্ৰাটৰ হাতলৈ কাঢ়ি অনা বা লৈ অহা বুজায় আৰু সাম্ৰাজ্যৰ ৰাজহ বা ৰাজকোষলৈ স্থানান্তৰ কৰা বুজায়। 'ক্ৰোক' কৰা শব্দৰ সংজ্ঞা 'আয়াৰ্ছ ল লেক্সিকন'ত এনেদৰে দিয়া আছে — 'অৰ্থদণ্ড হিচাপে চৰকাৰী ৰাজকোষলৈ অনাৰ উপযোগী (বেচৰকাৰী সম্পত্তি), ৰাষ্ট্ৰৰ বাবে ক্ষতিকৰ বুলি বিবেচিত সম্পত্তিৰ পৰা বঞ্চিত কৰা।'

**প্ৰশ্ন ১১ ঃ এমজিএলৰ অধীনত কি পৰিস্থিতিত পণ্য-সামগ্ৰী ক্ৰোক কৰিব পাৰি?**

উত্তৰ ঃ এমজিএলৰ অনুচ্ছেদ ৭০ৰ অধীনত, তেতিয়াই পণ্য-সামগ্ৰী ক্ৰোক কৰাৰ যোগ্য যেতিয়া কোনো লোকে ঃ

- এই আইনৰ যিকোনো বিধান ভংগ কৰি যিকোনো পণ্য-সামগ্ৰী যোগান ধৰে আৰু এনেধৰণৰ আইন উলংঘাই এই আইনৰ অধীনত পৰিশোধ কৰিবলগীয়া কৰৰ ফাঁকিৰ পথ মুকলি কৰে; বা

- এই আইনৰ অধীনত আৱশ্যকীয় ধৰণে যিকোনো পণ্য-সামগ্ৰীৰ

হিচাপ-নিকাচ নাৰাখে; বা

- এই আইনৰ অধীনত কৰ পৰিশোধ কৰিবলৈ বাধ্য অথচ পঞ্জীয়নৰ বাবে আবেদন নকৰাকৈ কৰা পণ্য-সামগ্ৰীৰ যিকোনো যোগান ধৰে; বা

- কৰ ফাঁকি দিয়াৰ উদ্দেশ্যে এই আইনৰ যিকোনো ব্যৱস্থা/নীতি-নিয়ম উলংঘা কৰে।

**প্ৰশ্ন ১২ ঃ ন্যায্য বিষয়াই ক্ৰোক কৰা পণ্য-সামগ্ৰীৰ কি হয়?**

উত্তৰ ঃ ক্ৰোক কৰিলে, ক্ৰোক কৰা সামগ্ৰীৰ চৰ্ত চৰকাৰৰ ওপৰত ন্যস্ত হয়, আৰু যি আৰক্ষী বিষয়াৰ প্ৰতি অনুৰোধ কৰা হয় তেনে প্ৰতিজন ন্যায্য আৰক্ষী বিষয়াই উক্ত পণ্য-সামগ্ৰী হস্তগত কৰাত সহায় কৰিব।

**প্ৰশ্ন ১৩ ঃ ক্ৰোক কৰাৰ পিছত উক্ত পণ্য-সামগ্ৰী মোকলাই নিবৰ বাবে সুযোগ দিয়া হ'বনে?**

উত্তৰ ঃ হয়। অনুচ্ছেদ ৭০ (৬) অনুসৰি, ক্ৰোক কৰা পণ্য-সামগ্ৰীৰ গৰাকী বা তাৰ দায়িত্বত থকা লোকক ক্ৰোক অনুসৰি জৰিমনা ভৰিবলৈ সুযোগ দিয়া হয় (ক্ৰোক কৰা সামগ্ৰীৰ বজাৰ মূল্যতকৈ অধিক পৰিমানৰ নহয়)। এই জৰিমনা এনে সামগ্ৰীৰ কৰ আৰু অন্য পৰিশোধ কৰিবলগীয়া মাচুলৰ অতিৰিক্ত হ'ব।

**প্ৰশ্ন ১৪ ঃ নিৰ্ধাৰিত নথিপত্ৰ নোহোৱাকৈ পণ্য-সামগ্ৰী কঢ়িওৱা কোনো বাহন ক্ৰোক কৰিব পাৰেনে?**

উত্তৰ ঃ হয়। অনুচ্ছেদ ৭১ত কোৱা হৈছে যে এই আইনৰ অধীনত নিৰ্ধাৰিত নথিপত্ৰ বা ঘোষণা নোহোৱাকৈ পণ্য-সামগ্ৰী কঢ়িওৱা যিকোনো বাহন ক্ৰোক কৰাৰ যোগ্য। অৱশ্যে, যদি বাহনখনৰ গৰাকীয়ে এই কথা প্ৰতিপন্ন কৰিব পাৰে যে নিৰ্দিষ্ট নথিপত্ৰ নোহোৱাকৈ পৰিবহন কৰা উক্ত পণ্য-সামগ্ৰীৰ বিষয়ে তেওঁ অৱগত নহয় বা তেওঁৰ

প্ৰতিনিধিয়ে সেই বিষয়ে নাজানে তেতিয়া পূৰ্বতে কৈ অহাৰ দৰে বাহনখন ক্ৰোক কৰাৰ যোগ্য নহ'ব। যদি বাহনখন পণ্য-সামগ্ৰী বা যাত্ৰী কঢ়িয়াবৰ বাবে ভাড়াত ব্যৱহৃত হয় তেতিয়া এনে বাহনৰ গৰাকীয়ে উক্ত পণ্য-সামগ্ৰীৰ ক্ষেত্ৰত পৰিশোধ কৰিবলগীয়া কৰৰ সমপৰিমানৰ এক জৰিমনা আদায় দিয়াৰ সুযোগ লাভ কৰিব। অনুচ্ছেদ ৭২ত কোৱা হৈছে যে অনুচ্ছেদ ৭০ বা ৭১ৰ অধীনত সম্পন্ন কৰা ক্ৰোক বা অৰ্থদণ্ডৰ সমান্তৰালকৈ এই আইনৰ অধীনত বিধান দিয়া আৱশ্যকীয় নথিপত্ৰ/ঘোষণা নোহোৱাকৈ পণ্য-সামগ্ৰী কঢ়িওৱা অপৰাধৰ বাবে থকা আন কোনো শাস্তি/পদক্ষেপ প্ৰযোজ্য হ'ব।

**প্ৰশ্ন ১৫ ঃ আইনগত ব্যৱস্থা (Prosecution) কি ?**

উত্তৰ ঃ আইনগত ব্যৱস্থা মানে হৈছে আইনগত প্ৰক্ৰিয়া সম্পন্ন কৰা বা তেনে কৰা প্ৰতিষ্ঠান; অপৰাধীৰ বিৰুদ্ধে আনুষ্ঠানিক দণ্ড কাৰ্যকৰী কৰাৰ প্ৰক্ৰিয়া। 'ক্ৰিমিনেল প্ৰচিডিউৰ ক'ড'ৰ অনুচ্ছেদ ১৯৮'ত 'আইনগত ব্যৱস্থা'ক এটা প্ৰতিষ্ঠান বুজাইছে আৰু একোজন লোকৰ বিৰুদ্ধে বিধিগত প্ৰক্ৰিয়া সম্পন্ন কৰা বুজাইছে।

**প্ৰশ্ন ১৬ ঃ এমজিএলৰ অধীনত আইনগত ব্যৱস্থাৰ বাবে চমন জাৰি কৰিবলগীয়া অপৰাধবোৰ কি কি ?**

উত্তৰ ঃ এমজিএলৰ অনুচ্ছেদ ৭৩ত এই আইনৰ অধীনস্থ গুৰুতৰ অপৰাধবিলাকৰ কথা উল্লেখ আছে যিবিলাকৰ বিৰুদ্ধে অপৰাধমূলক (criminal) আইনী ব্যৱস্থা গ্ৰহণ কৰিব পাৰি। এনেধৰণৰ ১২টা গুৰুতৰ অপৰাধৰ বিষয়ে তলত উল্লেখ কৰা হ'ল ঃ

১। একোখন চালান জাৰি নকৰাকৈ বা একোখন ভুৱা/অশুদ্ধ চালান জাৰি কৰি কৰা যোগান;

২। যোগান নকৰাকৈ চালান জাৰি কৰা;

৩। তিনি মাহতকৈ অধিক সময়ৰ বাবে সংগৃহীত কৰ পৰিশোধ কৰা;

৪। তিনি মাহতকৈ অধিক সময়ৰ বাবে এই আইন উলংঘা কৰি সংগ্ৰহ কৰা কোনো কৰ জমা নিদিয়া;

৫। পণ্য-সামগ্ৰী আৰু/অথবা সেৱাৰ প্ৰকৃত ৰচিদ নোহোৱাকৈ ‘ইনপুটৰ ক্ৰেডিট’ আহৰণ বা ব্যৱহাৰ কৰা;

৬। যিকোনো জালিয়াতিৰে ‘ৰিফাণ্ড’ আহৰণ কৰা;

৭। কৰ ফাঁকি দিয়াৰ উদ্দেশ্যে মিছা তথ্য দাখিল কৰা বা বিত্তীয় তথ্যপাতিৰ জালিয়াতি কৰা বা ভুৱা হিচাপ-নিকাচ/নথিপত্ৰ দাখিল কৰা;

৮। কোনো বিষয়াক তেওঁৰ কৰ্তব্য পালনত বাধা দিয়া বা প্ৰভাৱিত কৰা;

৯। ক্ৰোক কৰিবৰ বাবে যোগ্য যিকোনো পণ্য-সামগ্ৰীৰ যোগান/পৰিবহন/জমাকৰণ;

১০। এই আইন উলংঘা কৰি কৰা যোগান গ্ৰহণ/লেনদেন কৰা;

১১। আইন/নীতি-নিয়ম অনুসৰি একোজন বিষয়াই বিচৰা তথ্য-পাতি/নথিপত্ৰ দাখিল কৰাত ব্যৰ্থতা বা যিকোনো ধৰণৰ কাৰ্যপন্থা চলি থকাৰ সময়ত মিছা তথ্য-পাতি/নথিপত্ৰ দাখিল কৰা;

১২। ওপৰৰ ১১টা অপৰাধৰ যিকোনো এটা সংঘটিত কৰিবলৈ চেষ্টা কৰা বা এই ক্ষেত্ৰত আয়োগক বিপথে পৰিচালিত কৰিব বিচৰা।

**প্ৰশ্ন ১৭ ঃ এমজিএলৰ অধীনস্থ যিকোনো অপৰাধৰ শাস্তিৰ বিধান কি আছে?**

উত্তৰ ঃ অনুচ্ছেদ ৭৩ (১)ত আগবঢ়োৱা শাস্তিৰ বিধান এনেধৰণৰ ঃ

| জড়িত অপৰাধ | শাস্তি (....লৈ প্ৰসাৰিত কাৰাবাস) |
|---|---|
| ২৫০ লাখ টকাৰ অধিক কৰ ফাঁকি | ৫ বছৰ আৰু জৰিমনা |
| ৫০ লাখ টকাৰ পৰা ২৫০ লাখ টকাৰ কৰ ফাঁকি | ৩ বছৰ আৰু জৰিমনা |
| ২৫ লাখ টকাৰ পৰা ৫০ লাখ টকাৰ কৰ ফাঁকি | ১ বছৰ আৰু জৰিমনা |

অনুচ্ছেদ ৭৩ (২)ত কোৱা হৈছে যে এই অনুচ্ছেদত যিকোনো দ্বিতীয় বা পৰৱৰ্তী অপৰাধ কাৰাবাসৰ শাস্তিৰ বাবে যোগ্য হ'ব, যি কাৰাবাসৰ পৰিমাণ ৫ বছৰকৈ প্ৰসাৰিত হ'ব পাৰে আৰু এক অৰ্থদণ্ড প্ৰযোজ্য হ'ব। অৱশ্যে, কোনো অপৰাধৰ বাবে ছমাহৰ কম সময়ৰ বাবে কাৰাবাস নহ'ব।

**প্ৰশ্ন ১৮ ঃ এমজিএলৰ অধীনত কোনবিলাক আদালতৰ সন্মতি নোহোৱাকৈ আৰক্ষীয়ে মাতমিট কৰিব পৰা (cognizable) আৰু নোৱৰা (non-cognizable) অপৰাধ ?**

উত্তৰ ঃ এমজিএলৰ অনুচ্ছেদ ৭৩ (৩) আৰু ৭৩ (৪) অনুসৰি ঃ

- ২৫০ লাখতকৈ কম টকাৰ কৰ ফাঁকি দিয়া সকলো গোচৰ 'নন-কগনিজেবল' আৰু জামিনযোগ্য;
- ২৫০ লাখতকৈ অধিক টকাৰ কৰ ফাঁকি দিয়া সকলো গোচৰ 'কগনিজেবল' আৰু জামিন অযোগ্য;

**প্ৰশ্ন ১৯ ঃ আইনী ব্যৱস্থা গ্ৰহণ কৰিবৰ বাবে কৰ্তৃত্বশীল কৰ্তৃপক্ষৰ আগতীয়া অনুমোদনৰ প্ৰয়োজন আছেনে ?**

উত্তৰ ঃ হয়, ন্যায় সংগত কৰ্তৃপক্ষৰ আগতীয়া অনুমোদন নোহোৱাকৈ কোনো লোকৰ

বিৰুদ্ধে কোনো অপৰাধৰ বাবে আইনগত ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰে।

**প্ৰশ্ন ২০ ঃ এম জি এলৰ অধীনত অপৰাধ সংঘটিত কৰাৰ মানসিকতাসম্পন্ন লোকক (Mensrea) আইনগত ব্যৱস্থা গ্ৰহণ কৰিব পাৰেনে ?**

উত্তৰ ঃ হয়, অৱশ্যে, অনুচ্ছেদ ৭৫ ত এনে মানসিকতাৰ (অৰ্থাৎ অপৰাধ সংঘটিত কৰাৰ মানসিকতা (Culpable Mental State) বিষয়ে উল্লেখ আছে যদিও অপৰাধ সংঘটিত নকৰা পৰ্যন্ত তেওঁৰ বিৰুদ্ধে আইনগত ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰি; কিন্তু অপৰাধ সংঘটিত যাতে কৰিব নোৱাৰে আইনগতভাৱে তাৰ দিহা কৰিব পাৰে।

**প্ৰশ্ন ২১ ঃ অপৰাধ সংঘটিত কৰিব পৰা মানসিকতা (Culpable Mental State) কি ?**

উত্তৰ ঃ অপৰাধ সংঘটিত কৰিব পৰা মানসিকতা বুলিলে তেনে কাৰ্য সম্পন্ন কৰা বুজায় ঃ

- যি কাম ইচ্ছাকৃত;
- এনে কাম আৰু ইয়াৰ সংঘটন আগতীয়াকৈ বুজিব পাৰি আৰু নিয়ন্ত্ৰণযোগ্য;
- এনে কাৰ্য সম্পন্ন কৰা লোকক তেনে নকৰিবৰ বাবে জটিলতাবোৰ অতিক্ৰম কৰাব পাৰি;
- এনে লোকে এই কথা বিশ্বাস কৰে বা বিশ্বাস কৰিবলৈ যুক্তি থাকে যে উক্ত কাম আইনবিৰুদ্ধ।

**প্ৰশ্ন ২২ ঃ এম জি এলৰ অধীনত যিকোনো অপৰাধৰ বাবে একোটা কোম্পানীৰ বিৰুদ্ধে আইনগত ব্যৱস্থা গ্ৰহণ কৰিব পাৰিনে ?**

উত্তৰ ঃ হয়, এম জি এলৰ অনুচ্ছেদ ৭৭ত কোৱা হৈছে যে একোটা কোম্পানীৰ ব্যৱসায় পৰিচালনা কৰাৰ দায়িত্বত থকা প্ৰতিজন লোকৰ লগতে কোম্পানীটো নিজে ইয়াৰ দ্বাৰা সংঘটিত কৰা একোটা অপৰাধৰ বাবে আইনগত প্ৰক্ৰিয়া আৰু শাস্তি লাভৰ বাবে দায়বদ্ধ যদিহে এনে লোক কোম্পানীৰ উক্ত কামৰ দায়িত্বত থাকে। যদি কোম্পানীটোৱে এনে কোনো অপৰাধ সংঘটিত কৰে—

- সন্মতি/ সহযোগিতাৰে সংঘটিত হ'লে, বা
- নিজৰ অৱহেলাৰ বাবে যদি সংঘটিত হয়—

কোম্পানীটোৰ যিকোনো বিষয়াৰ দ্বাৰা ওপৰত উল্লিখিত কাৰ্য সম্পন্ন হ'লে তেনে বিষয়াক উল্লিখিত অপৰাধৰ বাবে দোষী সাব্যস্ত কৰিব পাৰে আৰু তেওঁৰ বিৰুদ্ধে আইনগত ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে সেই অনুসৰি শাস্তিও বিহিব পাৰে।

**প্ৰশ্ন ২৩ ঃ অপৰাধৰ মাতমিট (Compounding) কি?**

উত্তৰ ঃ 'ক'ড অৱ ক্ৰিমিনেল প্ৰচিডিঅ'ৰ'ৰ অনুচ্ছেদ ৩২০ত 'মাতমিট'ৰ সংজ্ঞা এনেদৰে দিছে— বিবেচনাৰ বাবে যিকোনো ব্যক্তিগত মনোভাবৰ বাবে আইনগত ব্যৱস্থাৰ পৰা আঁতৰাই ৰখা।

**প্ৰশ্ন ২৪ ঃ এম জি এলৰ অধীনত যিকোনো অপৰাধ মাতমিট কৰিব পাৰিনে?**

উত্তৰ ঃ হয়, এম জি এলৰ অনুচ্ছেদ ৭৮ অনুসৰি তলত দিয়াবিলাকৰ বাহিৰে আন যিকোনো অপৰাধ নিৰ্ধাৰিত পৰিমাণৰ ধনৰাশি (Compounding Amount) পৰিশোধ কৰাৰ পিছত আইনগত প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ আগতে বা পিছত মাতমিট কৰিব পাৰি ঃ

- ১২ টা প্ৰধান অপৰাধৰ ১ ৰ পৰা ৭ লৈ (ওপৰৰ প্ৰশ্ন ১৬ ত উল্লেখ

কৰা হৈছে), উল্লিখিত অপৰাধবিলাকৰ ক্ষেত্ৰত যদিহে কোনো লোকক পূৰ্বতে ৰেহাই দিয়া হৈছিল;

- ১২ টা প্ৰধান অপৰাধৰ ১ ৰ পৰা ৭ লৈ, যদি লোকজনৰ বিৰুদ্ধে উথাপিত অপৰাধ সংক্ৰান্তত পূৰ্বতে ৰেহাই দিয়া হৈছিল আৰু তেওঁ পুনৰ তেনে অপৰাধত লিপ্ত হয়;

- এছ জি এছ টি আইন বা আই জি এছ টি আইনৰ অধীনত এক কোটি টকাৰ অধিক মূল্যৰ কোনো যোগান সম্পন্ন কৰোতে সংঘটিত কৰা যিকোনো অপৰাধ (ওপৰত উল্লেখ কৰা অপৰাধবিলাকৰ বাহিৰে)ৰ বাবে কোনো লোকক যদি দোষী সাব্যস্ত কৰা হয় আৰু উল্লিখিত অপৰাধৰ ক্ষেত্ৰত যদি পূৰ্বতে তেওঁক ৰেহাই দিয়া হৈছিল;

- চি জি এছ টি/ এছ জি এছ টিৰ বাহিৰে এন ডি পি এছ এ বা এফ ই এম এ বা আন যিকোনো আইনৰ অধীনত সংঘটিত যিকোনো অপৰাধ;

- এই ক্ষেত্ৰত আন যিকোনো শাখাৰ অপৰাধ বা লোকক আইনৰ আওতালৈ আনিব পাৰে।

কেৱল কৰ, সুত পৰিশোধ কৰাৰ পিছতহে ৰেহাই অনুমোদিত হ'ব পাৰে আৰু অন্য যিকোনো আইনৰ অধীনত ইতিমধ্যে চলি থকা কোনো প্ৰক্ৰিয়াতে এই ৰেহায়ে প্ৰভাৱ নেপেলায়।

**প্ৰশ্ন ২৫ ঃ অপৰাধৰ ক্ষেত্ৰত ৰেহাই দিওঁতে কোনো ধৰণৰ আৰ্থিক সীমাবদ্ধতা আছেনে ?**

উত্তৰ ঃ হয়, আইনগত প্ৰক্ৰিয়াৰ পৰা ৰেহাইৰ ধনৰাশি (Compounding Amount) ৰ নিম্নতম সীমা তলত দিয়া পৰিমাণবিলাকতকৈ অধিক হ'ব লাগিব ঃ

- জড়িত হৈ থকা কৰৰ ৫০ শতাংশ, বা
- ১০,০০০ টকা।

আইনগত প্ৰক্ৰিয়াৰ পৰা ৰেহাইৰ ধনৰাশিৰ উচ্চতম সীমা তলত দিয়া পৰিমাণবিলাকতকৈ অধিক হ'ব লাগিব ঃ

- জড়িত হৈ থকা কৰৰ ১৫০ শতাংশ, বা
- ৩০,০০০ টকা।

**প্ৰশ্ন ২৬ ঃ এম জি এলৰ অধীনত যিকোনো অপৰাধৰ ৰেহাইৰ পৰিণতি কি ?**

উত্তৰ ঃ অনুচ্ছেদ ৭৭ ৰ উপ-অনুচ্ছেদ (৩)ত কোৱা হৈছে যে ৰেহাইৰ ধনৰাশি পৰিশোধ কৰাৰ পিছত এই আইনৰ অধীনত আৰম্ভ কৰিবলগীয়া প্ৰক্ৰিয়া আৰু ইতিমধ্যে আৰম্ভ কৰা অপৰাধমূলক গোচৰৰ প্ৰক্ৰিয়া পৰিহাৰ কৰা হ'ব।

***

# আই জি এছ টি আইনৰ অৱলোকন

(Overview of the IGST Act.)

## ২১। আই জি এছ টি আইনৰ অৱলোকন (Overview of the IGST Act)

**প্ৰশ্ন ১ ঃ আই জি এছ টি কি কি ?**

উত্তৰ ঃ সমন্বিত পণ্য-সামগ্ৰী আৰু সেৱা কৰ (Integrated Goods and Services Tax, আই জি এছ টি) মানে হৈছে আন্তঃৰাজ্যিক বাণিজ্যৰ পৰিক্ৰমাত যিকোনো পণ্য-সামগ্ৰী আৰু/ অথবা সেৱাৰ যোগানৰ ওপৰত আই জি এছ টি আইনৰ অধীনত আৰোপিত কৰ।

**প্ৰশ্ন ২ ঃ আন্তঃৰাজ্যিক যোগান (Inter-State Supplies) কি ?**

উত্তৰ ঃ আন্তঃৰাজ্যিক বাণিজ্যৰ পৰিক্ৰমাত পণ্য সামগ্ৰী আৰু/ অথবা সেৱাৰ যোগান বুলিলে তেনে যোগানক বুজায়, য'ত যোগনীয়াৰৰ স্থান আৰু যোগানৰ স্থান বেলেগ বেলেগ ৰাজ্যত হয়। (আই জি এছ টি আইনৰ অনুচ্ছেদ ৩ (১) আৰু ৩ (২)

**প্ৰশ্ন ৩ ঃ জি এছ টিৰ অধীনত পণ্য সামগ্ৰী আৰু সেৱাৰ আন্তঃৰাজ্যিক যোগানৰ ওপৰত কেনেদৰে কৰ আৰোপিত হ'ব ?**

উত্তৰ ঃ আন্তঃৰাজ্যিক যোগানৰ ওপৰত কেন্দ্ৰই আই জি এছ টি আৰোপ আৰু সংগ্ৰহ কৰিব। বিস্তৃতভাৱে আই জি এছ টি হ'ব চি জি এছ টি যোগ এছ জি এছ টি আৰু পণ্য-সামগ্ৰী আৰু সেৱাৰ সকলো আন্তঃৰাজ্যিক যোগানৰ ওপৰত ই আৰোপিত হ'ব। আন্তঃৰাজ্যিক বিক্ৰেতাই তেওঁৰ ক্ৰয়ৰ ওপৰত আই জি এছ টি, চি জি এছ টি আৰু এছ জি এছ টিৰ উপলব্ধ 'ক্ৰেডিট' মিলোৱাৰ পিছত মূল্য সংযোজন (Value Addition) ৰ ওপৰত আই জি এছ টি পৰিশোধ কৰিব। ৰপ্তানি কৰা ৰাজ্যখনে আই জি এছ টি পৰিশোধত ব্যৱহৃত এছ জি এছ টিৰ 'ক্ৰেডিট' কেন্দ্ৰলৈ হস্তান্তৰ কৰিব। আমদানি কৰা ব্যৱসায়ীজনে তেওঁৰ নিজৰ ৰাজ্যত দিবলগীয়া বাহিৰা যোগানৰ (out-put) কৰ পৰিশোধ কৰোতে আই জি এছ টিৰ 'ক্ৰেডিট' দাবী কৰিব। কেন্দ্ৰই আমদানি

কৰা ৰাজ্যখনলৈ এছ জি এছ টি পৰিশোধত ব্যৱহৃত আই জি এছ টিৰ 'ক্ৰেডিট' হস্তান্তৰ কৰিব। এই সম্পৰ্কীয় প্ৰাসংগিক তথ্যও কেন্দ্ৰীয় সংস্থাত দাখিল কৰিব লাগিব, যি সংস্থাই এটা পৰিষ্কৰণ প্ৰতিষ্ঠান হিচাপে কাম কৰিব আৰু দাবীসমূহ পৰীক্ষা কৰি সংশ্লিষ্ট চৰকাৰবিলাকক পুঁজি হস্তান্তৰ কৰিবলৈ ক'ব।

**প্ৰশ্ন ৪ ঃ খচৰা আই জি এছ টি আইনৰ উল্লেখযোগ্য বিশেষত্ববোৰ কি কি ?**

উত্তৰ ঃ খচৰা আই জি এছ টি আইনত ৩৩ টা অনুচ্ছেদ আছে, যিবিলাকক এঘাৰটা অধ্যায়ত ভাগ কৰা হৈছে। এই খচৰাৰ নিয়মাৱলীৰ জৰিয়তে পণ্য-সামগ্ৰীৰ যোগানৰ স্থান নিৰ্ণয়ৰ ব্যৱস্থা কৰা হৈছে। যি ক্ষেত্ৰত যোগানত পণ্য সামগ্ৰীৰ চলাচল জড়িত হৈ থাকে, তেনে ক্ষেত্ৰত যোগানৰ স্থানেই হ'ব সেই সময়ত পণ্য সামগ্ৰীৰ অৱস্থান (location), যি স্থানত গ্ৰহণ কৰোতাক প্ৰদান কৰিবৰ বাবে পণ্য-সামগ্ৰীৰ চলাচলৰ অন্ত পৰে। যি ক্ষেত্ৰত যোগানত পণ্য-সামগ্ৰীৰ চলাচল জড়িত হৈ নাথাকে, তেনে ক্ষেত্ৰত যোগানৰ স্থান হ'ব গ্ৰহণ কৰোতাক প্ৰদান কৰাৰ সময়ত এনে পণ্য সামগ্ৰীৰ অৱস্থান। একোটা নিৰ্দিষ্ট স্থানত পণ্য-সামগ্ৰী একত্ৰিকৰণ কৰাৰ ক্ষেত্ৰত, যোগানৰ স্থান হ'ব এনেদৰে একে ঠাইত আনি থোৱা বা একত্ৰীকৰণৰ স্থান। অৱশেষত কোনো যান-বাহনত উঠাই পণ্য-সামগ্ৰী যোগান ধৰাৰ ক্ষেত্ৰত যোগানৰ স্থান হ'ব যি স্থানত এনে পণ্য সামগ্ৰী যান-বাহনত উঠোৱা হয়।

**প্ৰশ্ন ৫ ঃ আই জি এছ টি আৰ্হিৰ সুবিধাৰাজি কি কি ?**

উত্তৰ ঃ আই জি এছ টি আৰ্হিৰ প্ৰধান সুবিধাৰাজি হৈছে ঃ

(ক) আন্তঃৰাজ্যিক লেনদেনৰ ক্ষেত্ৰত বাধাহীন আই টি চি শৃংখলা বজাই ৰখা;

(খ) আন্তঃৰাজ্যিক বিক্ৰেতা বা ক্ৰেতাৰ ক্ষেত্ৰত কৰৰ কোনো ধৰণৰ

আগতীয়া পৰিশোধ (upfront payment) নাথাকে;

(গ) যিহেতু কৰ পৰিশোধ কৰোতে আই টি চি ব্যৱহাৰ কৰা হৈছে, সেয়ে ৰপ্তানিকাৰী কাৰ্যত 'ৰিফাণ্ড'ৰ দাবী নাথাকে;

(ঘ) স্ব-নিৰীক্ষণ আৰ্হি;

(ঙ) কৰ ব্যৱস্থাক সহজ কৰি ৰখা বাবে কৰৰ নিৰপেক্ষতা নিশ্চিত হয়;

(চ) কৰদাতাৰ ওপৰত কোনো ধৰণৰ অতিৰিক্ত বোজা নপৰে আৰু সহজ-সৰল হিচাপ-নিকাচ হয়;

(ছ) কৰদাতাৰ সন্মতিৰ উচ্চস্তৰ নিশ্চিত কৰে আৰু এনেদৰে উচ্চ পৰিমাণৰ সংগ্ৰহ সম্পন্ন হয়। এই আৰ্হিয়ে ব্যৱসায়ৰ পৰা ব্যৱসায়লৈ (Business to Business)— এই ধাৰণাৰ সমান্তৰালকৈ ব্যৱসায়ৰ পৰা উপভোক্তালৈ (Business to Consumer) লেনদেন নিয়ন্ত্ৰণ কৰে।

**প্ৰশ্ন ৬ ঃ জি এছ টিৰ অধীনত আমদানি/ৰপ্তানিৰ ওপৰত কেনেদৰে কৰ আৰোপিত হ'ব?**

উত্তৰ ঃ সকলো আমদানি/ৰপ্তানিক আন্তঃৰাজ্যিক যোগান হিচাপে গণ্য কৰা হ'ব আৰু জি এছ টি (আই জি এছ টি) আৰোপিত হ'ব। কৰ আৰোপণ ব্যৱস্থাত স্থান সম্পৰ্কীয় নীতি মানি চলা হ'ব আৰু এছ জি এছ টিৰ ক্ষেত্ৰত কৰ ৰাজহ ৰাজ্যলৈ যাব, আনহাতে, আমদানিকৃত পণ্য-সামগ্ৰী আৰু সেৱা উপভোগ কৰা হ'ব। পণ্য-সামগ্ৰী আৰু সেৱাৰ আমদানিত পৰিশোধ কৰা আই জি এছ টিৰ 'আই টি চি' হিচাপে সকলো ব্যৱস্থা সম্পূৰ্ণৰূপে উপলব্ধ হ'ব। (আই জি এছ টি আইনৰ অনুচ্ছেদ ২ (চি)

**প্ৰশ্ন ৭ ঃ আই জি এছ টি আইনখন অত্যন্ত সৰু আৰু নিষ্পত্তি আয়োগে সম্পন্ন কৰা গুৰুতৰ অংশৰ লগতে খুব সীমিত সংজ্ঞা ইয়াত আছে। আই জি এছ টি আইনৰ**

**ক্ষেত্ৰত চি জি এছ টি বা এছ জি এছ টি আইনৰ ব্যৱস্থাৱলী প্ৰযোজ্য হ'বনে?**

উত্তৰ ঃ হয়, আই জি এছ টি আইনৰ অনুচ্ছেদ ২৭ ত কোৱা হৈছে যে তাত উল্লিখিত বিভিন্ন ব্যৱস্থাৱলী আই জি এছ টি আইনৰ অধীনত প্ৰযোজ্য হ'ব যেনেদৰে চি জি এছ টি আইনৰ অধীনত কৰাৰোপণৰ ক্ষেত্ৰত সেইবিলাক প্ৰযোজ্য হয়।

**প্ৰশ্ন ৮ ঃ আই জি এছ টি কেনেকৈ পৰিশোধ কৰা হ'ব?**

উত্তৰ ঃ 'আই টি চি' প্ৰয়োগ কৰি বা নগদ আই জি এছ টি পৰিশোধ কৰিব পাৰি। অৱশ্যে আই জি এছ টি পৰিশোধ কৰিবৰ বাবে আই টি চিৰ ব্যৱহাৰ নিম্নোল্লিখিত পদ্ধতি প্ৰয়োগ কৰি কৰা হ'ব ঃ

- আই জি এছ টি পৰিশোধ কৰিবৰ বাবে আই জি এছ টিৰ উপলব্ধ আই টি চি ব্যৱহাৰ কৰা হ'ব;

- আই জি এছ টিৰ 'আই টি চি' ইতিমধ্যে ব্যৱহৃত হ'লে আই জি এছ টিৰ পৰিশোধ কৰিবৰ বাবে চি জি এছ টিৰ 'আই টি চি' ব্যৱহাৰ কৰা হ'ব;

- যদিহে আই জি এছ টিৰ 'আই টি চি' আৰু চি জি এছ টিৰ 'আই টি চি' দুয়োটাই ইতিমধ্যে ব্যৱহৃত হয়, তেতিয়াহে এছ জি এছ টিৰ 'আই টি চি' ব্যৱহাৰ কৰি আই জি এছ টিৰ পৰিশোধ কৰিবলৈ ব্যৱসায়ীক অনুমতি দিয়া হ'ব।

বাকী থকা যিকোনো আই জি এছ টিৰ দায়বদ্ধতা নগদ ধন পৰিশোধ কৰি পূৰণ কৰিব লাগিব। 'ক্ৰেডিট' ব্যৱহাৰ কৰি আই জি এছ টি পৰিশোধৰ উল্লিখিত ব্যৱস্থাপনা জি এছ টি প্ৰণালীয়ে সম্পন্ন কৰিব।

**প্ৰশ্ন ৯ ঃ কেন্দ্ৰ, ৰপ্তানিকাৰী ৰাজ্য আৰু আমদানিকাৰী ৰাজ্যৰ মাজৰ নিষ্পত্তি কি হ'ব?**

উত্তৰ ঃ কেন্দ্ৰ আৰু দুটা কাম সম্পন্ন কৰা ৰাজ্যসমূহৰ মাজত হিচাপ-নিকাচৰ নিষ্পত্তি তলত দিয়া ধৰণে হ'ব ঃ

- **কেন্দ্ৰ আৰু ৰপ্তানিকাৰী ৰাজ্য ঃ** ৰপ্তানিকাৰী ৰাজ্যত যোগনীয়াৰে ব্যৱহাৰ কৰা এছ জি এছ টিৰ 'আই টি চি'ৰ সম পৰিমাণৰ ধনৰাশি ৰপ্তানিকাৰী ৰাজ্যই কেন্দ্ৰক পৰিশোধ কৰিব।

- **কেন্দ্ৰ আৰু আমদানিকাৰী ৰাজ্য ঃ** ৰাজ্যৰ ভিতৰুৱা যোগানৰ ওপৰত এছ জি এছ টি পৰিশোধৰ বাবে একোজন ব্যৱসায়ীয়ে ব্যৱহাৰ কৰা আই জি এছ টিৰ 'আই টি চি'ৰ সম পৰিমাণৰ ধনৰাশি কেন্দ্ৰই পৰিশোধ কৰিব।

নিষ্পত্তিৰ সময়ছোৱাত সকলো ব্যৱসায়ীয়ে দাখিল কৰা সবিশেষ তথ্যৰ সমূহীয়া ভিত্তিত নিষ্পত্তি সম্পন্ন কৰা হ'ব। চি জি এছ টি আৰু আই জি এছ টিৰ হিচাপ-নিকাচৰ মাজত নিষ্পত্তি সম্পন্ন কৰিবৰ বাবেও একেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

***

# সামগ্ৰী আৰু সেৱাৰ যোগানৰ স্থান

(Place of Supply of Goods and Services)

২২। পণ্য-সামগ্ৰী আৰু সেৱাৰ যোগানৰ স্থান (place of supply of goods and services)

**প্ৰশ্ন ১ ঃ জি এছ টিৰ অধীনত পণ্য সামগ্ৰী আৰু সেৱাৰ যোগানৰ আৱশ্যকতা কি ?**

উত্তৰ ঃ জি এছ টিৰ প্ৰাথমিক নীতিয়েই হৈছে একোটা যোগান সম্পন্ন হোৱা ঠাইৰ উপভোগৰ ওপৰত বা উপভোগ সম্পন্ন হোৱা ঠাইত উদ্ভৱ হোৱা কৰ আৰোপ কৰা। সেয়ে আইনৰ ব্যৱস্থাৱলীৰ জৰিয়তে যোগানৰ স্থান নিৰ্ণয় কৰা হয় অৰ্থাৎ কৰ গৈ পাবলগীয়া ন্যায়িক স্থান নিৰূপণ কৰা হয়। একোটা লেনদেন ৰাজ্যৰ ভিতৰুৱা নে আন্তঃৰাজ্যিক সেই কথা যোগানৰ স্থানে নিৰ্ণয় কৰে। আন কথাত ক'বলৈ গ'লে, পণ্য সামগ্ৰীৰ যোগানৰ স্থান এইবাবেই আৱশ্যকীয় হয়, ইয়াৰ জৰিয়তে একোটা যোগান এছ জি এছ টি যোগ চি জি এছ টিৰ আঁওতাত পৰিব নে ই এটা আন্তঃৰাজ্যিক যোগান আৰু সেয়ে আই জি এছ টি আকৰ্ষণ কৰিব, সেই কথা নিৰূপণ কৰা হয়।

**প্ৰশ্ন ২ ঃ পণ্য-সামগ্ৰী আৰু সেৱাৰ ক্ষেত্ৰত যোগানৰ স্থানৰ ব্যৱস্থাৱলী কিয় বেলেগ বেলেগ ?**

উত্তৰ ঃ স্পৰ্শযোগ্য পণ্য-সামগ্ৰীৰ ক্ষেত্ৰত সিবিলাকৰ উপভোগৰ স্থান নিৰ্ণয় কৰাত কোনো লেখত ল'বলগীয়া সমস্যাৰ সৃষ্টি নহয়। স্পৰ্শৰ অযোগ্য পণ্য-সামগ্ৰীৰ ক্ষেত্ৰত তলত দিয়া কাৰকবিলাকৰ বাবে যোগানৰ স্থান নিৰ্ণয় কৰাটো সমস্যাজনক হৈ পৰে ঃ

(১) সেৱাৰ প্ৰদানৰ ধৰণ সহজে সলনি কৰিব পাৰি। উদাহৰণ স্বৰূপে টেলিকম সেৱাক 'পোষ্ট-পেইড'ৰ পৰা 'প্ৰি-পেইড'লৈ সলনি কৰিব পাৰি, বিলৰ ঠিকনা সলনি কৰিব পাৰি, 'বিলাৰ' (biller)ৰ ঠিকনা সলনি কৰিব পাৰি, ছফ্টৱেৰৰ মেৰামতি বা চোৰা-চিতা 'অনছাইট'ৰ পৰা 'অনলাইন'লৈ সলনি কৰিব পাৰি, আগতে বেংক সেৱাৰ বাবে গ্ৰাহক বেংকলৈ যাবলগীয়া হৈছিল কিন্তু বৰ্তমান গ্ৰাহকে যিকোনো

ঠাইৰ পৰা বেংকৰ সেৱা লাভ কৰিব পাৰে।

(২) যিহেতু কোনো ধৰণৰ স্পৰ্শযোগ্য গতিবিধি নাথাকে আৰু কাচিৎ একোটা আদান-প্ৰদানৰ পথ (trail) থাকে বাবে সেৱা প্ৰদানকাৰী, সেৱা গ্ৰহণকাৰী আৰু প্ৰদান কৰা সেৱা নিৰ্দিষ্ট কৰিব নোৱাৰি বা এইবিলাক সহজে লুকাই থাকিব পাৰে।

(৩) একোটা সেৱাৰ যোগান ধৰিবৰ বাবে সেৱা প্ৰদানকাৰীৰ এটা নিৰ্দিষ্ট স্থান থকাটো আৱশ্যকীয় নহয় আৰু সেৱা গ্ৰহণ কৰোতায়ো আনকি চলাচলৰ অৱস্থাতে সেৱা গ্ৰহণ কৰিব পাৰে। 'বিলিং'ৰ স্থান ৰাতাৰাতি সলনি কৰিব পাৰি।

(৪) কেতিয়াবা একেটা উপাদানে একাধিক স্থানলৈ গতি কৰিব পাৰে, উদাহৰণস্বৰূপে, ৰেলপথ নিৰ্মাণৰ ক্ষেত্ৰত নিৰ্মাণ বা অন্যান্য সেৱা, একোটা ৰাষ্ট্ৰীয় ঘাইপথ বা নদীৰ ওপৰত থকা একোখন দলং এখন ৰাজ্যত আৰম্ভ হৈ অন্য এখন ৰাজ্যত শেষ হ'ব পাৰে। একেদৰে চলচ্চিত্ৰ বিতৰণ আৰু প্ৰদৰ্শনৰ বাবে হোৱা একোটা 'কপি ৰাইট' একে সময়তে একাধিক ৰাজ্যত প্ৰযোজ্য হ'ব পাৰে বা সমগ্ৰ দেশতে সম্প্ৰচাৰিত একোটা কাৰ্যক্ৰম বা একোটা বিজ্ঞাপনৰ লেনদেনৰ ক্ষেত্ৰত এনে হ'ব পাৰে। একোটা বিমান সংস্থাই বতৰীয়া টিকট জাৰি কৰিব পাৰে, ধৰা হ'ল দহটা পাত থকা, এনে টিকট দেশৰ যিকোনো দুখন স্থানৰ মাজত ব্যৱহৃত হ'ব পাৰে। দিল্লী মেট্ৰ'ই দিয়া কাৰ্ড একোজন লোকে নয়দা, দিল্লী বা ফৰিদাবাদত থাকিও ব্যৱহাৰ কৰিব পাৰে আৰু এনে ক্ষেত্ৰত ধনাদায় গ্ৰহণ কৰাৰ সময়ত স্থান বা ভ্ৰমণ নিৰ্দিষ্ট কৰিব পৰা নাযায়।

(৫) সেৱাসমূহ ধাৰাবাহিকভাৱে সম্পন্ন হৈ থাকে আৰু এনেদৰে নতুন নতুন প্ৰত্যাহ্বানৰ সৃষ্টি হৈ থাকিব। উদাহৰণস্বৰূপে ১৫-২০ বছৰৰ আগতে কোনেও ডি টি এইচ, অনলাইন তথ্য-পাতি, অনলাইন বেকিং, টিকটৰ অনলাইন বুকিং, ইণ্টাৰনেট, মোবাইল দূৰ সংযোগ ইত্যাদিৰ বিষয়ে কোনেও ভবা নাছিল।

**প্ৰশ্ন ৩ ঃ যোগানৰ স্থান নিৰ্ণয় কৰিবৰ বাবে কি ধৰণৰ ধাৰণা ব্যৱহাৰ কৰিব পাৰি ?**

উত্তৰ ঃ যোগানৰ স্থান নিৰ্ণয় কৰিবৰ বাবে সেৱাৰ লেনদেনত জড়িত হৈ থকা বিভিন্ন উপাদান ব্যৱহাৰ কৰিব পাৰি। যোগানৰ স্থান নিৰ্ণয় কৰাৰ ক্ষেত্ৰত অন্য সকলোতকৈ যি ধাৰণাই অধিক সঠিক ফল দিয়ে, তেনে ধাৰণা যোগানৰ স্থান নিৰ্ণয়ৰ বাবে ব্যৱহাৰ কৰিব পাৰি। এইবিলাক এনে ধৰণৰ ঃ

(ক) সেৱা প্ৰদানকাৰীৰ স্থান;

(খ) সেৱা গ্ৰহণ কৰোতাৰ স্থান;

(গ) কাৰ্য সম্পন্ন হোৱা স্থান;

(ঘ) ইয়াক উপভোগ কৰাৰ স্থান; আৰু

(ঙ) প্ৰকৃত মুনাফা যি স্থান / লোকলৈ যায়।

**প্ৰশ্ন ৪ ঃ B2B (পঞ্জীভুক্ত লোকলৈ কৰা যোগান) আৰু B2C (পঞ্জীভুক্ত নোহোৱা লোকলৈ কৰা যোগান) লেনদেনৰ ক্ষেত্ৰত যোগানৰ স্থান নিৰূপণৰ বাবে পৃথক নিয়মাৱলী থকাৰ প্ৰয়োজন কি ?**

উত্তৰ ঃ B2B লেনদেনৰ ক্ষেত্ৰত, পৰিশোধ কৰা কৰ গ্ৰহণ কৰোতাৰ দ্বাৰা 'ক্ৰেডিট' হিচাপে লোৱা হয় আৰু সেয়ে এনে ধৰণৰ লেনদেনবিলাক ইজনৰ পৰা সিজনলৈ অতিক্ৰম হৈ যায়। B2B যোগানৰ ওপৰত সংগৃহীত জি এছ টিয়ে চৰকাৰৰ বাবে ফলদায়কভাৱে এক দায়বদ্ধতা সৃষ্টি কৰে আৰু গ্ৰহণ কৰোতাৰ বাবে ই এক সম্পত্তি হৈ পৰে। যিহেতু গ্ৰহণ কৰোতাই যিমানেই বেছি 'ইনপুট টেক্স ক্ৰেডিট' লাভ কৰিব ভৱিষ্যতৰ কৰ পৰিশোধৰ বাবে সিমানে তেওঁ সক্ষম হ'ব। B2B লেনদেনৰ ক্ষেত্ৰত গ্ৰহণ কৰোতাৰ স্থান সন্দৰ্ভত সকলো ক্ষেত্ৰতে সতৰ্কতা অৱলম্বন কৰা হয় যিহেতু গ্ৰহণ কৰোতাই পৰৱৰ্তী পৰ্যায়ত 'ক্ৰেডিট' আহৰণ কৰিব। সাধাৰণতে গ্ৰহণ কৰোতাই

অন্য এজন উপভোক্তাক পৰৱৰ্তী সময়ত যোগান ধৰে। পিছত একোটা B2B লেনদেন B2C লেনদেনলৈ পৰিৱৰ্তিত হোৱাৰ পিছতহে যোগান উপভোগ কৰা হয়। B2C লেনদেনৰ ক্ষেত্ৰত যোগানৰ অৱশেষত উপভোগ সম্পন্ন হয় আৰু পৰিশোধ কৰা কৰ প্ৰকৃতাৰ্থত চৰকাৰৰ ঘৰলৈ যায়।

**প্ৰশ্ন ৫ ঃ পণ্য-সামগ্ৰী স্থানান্তৰিত হ'লে যোগানৰ স্থান কি হ'ব?**

উত্তৰ ঃ গ্ৰহণ কৰোতাক প্ৰদান কৰোতে যি স্থানত পণ্য-সামগ্ৰীৰ চলাচল সমাপ্ত হয়, সেই স্থানেই হ'ব পণ্য-সামগ্ৰীৰ যোগানৰ স্থান। (আই জি এছ টি আইনৰ অনুচ্ছেদ ৫(২)

**প্ৰশ্ন ৬ ঃ এজন তৃতীয় ব্যক্তিৰ নিৰ্দেশনা অনুসৰি যোগনীয়াৰে অন্য এজন লোকক পণ্য-সামগ্ৰী প্ৰদান কৰিলে যোগানৰ স্থান কি হ'ব?**

উত্তৰ ঃ তেতিয়া তৃতীয় ব্যক্তিজনে উক্ত পণ্য-সামগ্ৰী গ্ৰহণ কৰা বুজাব আৰু এনে পণ্য-সামগ্ৰীৰ যোগানৰ স্থান হ'ব এনে লোকৰ ব্যৱসায়ৰ প্ৰধান ঠাইখিনি। (আই জি এছ টি আইনৰ অনুচ্ছেদ ৫(২এ)

**প্ৰশ্ন ৭ ঃ যদি কোনো বাহনত যেনে নাও, বিমান, ট্ৰেইন বা মটৰ গাড়ীত পণ্য সামগ্ৰী অথবা সেৱাৰ যোগান সম্পন্ন হ'লে যোগানৰ স্থান কি হ'ব?**

**উত্তৰ ঃ** এনে পণ্য সামগ্ৰীৰ ক্ষেত্ৰত যোগানৰ স্থান হ'ব যি স্থানত পণ্য-সামগ্ৰী বাহনত উঠোৱা হয়। (আই জি এছ টি আইনৰ অনুচ্ছেদ ৫(৫)

অৱশ্যে, সেৱাৰ ক্ষেত্ৰত, যোগানৰ স্থান হ'ব উক্ত বাহনৰ প্ৰস্থানৰ প্ৰথম নিৰ্ধাৰিত সময়। (আই জি এছ টি আইনৰ অনুচ্ছেদ ৬(১১)

**প্ৰশ্ন ৮ ঃ সেৱাৰ বি টু বি যোগানৰ ক্ষেত্ৰত স্থানৰ ধাৰণা কি হ'ব?**

**উত্তৰ ঃ** আই জি এছ টি আইনত উল্লেখ কৰা অনুসৰি পঞ্জীভুক্ত কৰদাতা আৰু অ-

পঞ্জীভুক্ত কৰদাতাৰ ক্ষেত্ৰত এই শব্দ ব্যৱহাৰ কৰা হৈছে। পঞ্জীভুক্ত লোকক কৰা যোগানৰ ক্ষেত্ৰত যোগানৰ স্থান হ'ব এনে লোকৰ স্থান। যদিহে গ্ৰহণ কৰোতাজন পঞ্জীভুক্ত হয়, তেনে ক্ষেত্ৰত গ্ৰহণ কৰোতাৰ ঠিকনা সদায় তাত থাকিব আৰু তাক যোগানৰ স্থান হিচাপে ধৰি ল'ব পাৰিব।

**প্ৰশ্ন ৯ ঃ অ-পঞ্জীভুক্ত গ্ৰহণকাৰীৰ ক্ষেত্ৰত যোগানৰ স্থানৰ ধাৰণা কি হ'ব?**

**উত্তৰ ঃ** অ -পঞ্জীভুক্ত গ্ৰহণকাৰীৰ ক্ষেত্ৰত সাধাৰণতে যোগানৰ স্থান হ'ব গ্ৰহণকাৰীৰ স্থান। অৱশ্যে বহু ক্ষেত্ৰত গ্ৰহণকাৰীৰ ঠিকনা পৰ্যাপ্ত নহয়, এনে ক্ষেত্ৰত সেৱাৰ যোগনীয়াৰৰ স্থানক যোগানৰ স্থান হিচাপে ধৰি লোৱা হ'ব।

**প্ৰশ্ন ১০ ঃ স্থাৱৰ সম্পত্তিৰ ক্ষেত্ৰত যোগানৰ স্থান স্থাৱৰ সম্পত্তি থকা ঠাইখন। ধৰা হ'ল এটা পথ দিল্লীৰ পৰা মুম্বাইলৈ কেইবাখনো ৰাজ্যক সামৰি নিৰ্মাণ কৰা হ'ল। ইয়াৰ যোগানৰ স্থান কি হ'ব?**

**উত্তৰ ঃ** যদি অস্থাৱৰ সম্পত্তি একাধিক ৰাজ্যত থাকে, তেতিয়া সেৱাৰ যোগানৰ স্থান হিচাপে প্ৰতিখন ৰাজ্যকে আংশিকভাৱে গণ্য কৰা হ'ব, এই অংশ এই ক্ষেত্ৰত সম্পাদিত হোৱা চুক্তি অনুসৰি পৃথকভাৱে সংগৃহীত বা নিৰ্ণীত সেৱাৰ মূল্য অনুসৰি হ'ব বা, এনে ব্যৱস্থাপনাৰ চুক্তি নাথাকিলে এই ক্ষেত্ৰত নিৰ্ধাৰণ কৰিব পৰা অন্য যুক্তিসংগত কাৰণৰ ওপৰত ভিত্তি কৰি হ'ব। (আই জি এছ টি আইনৰ অনুচ্ছেদ ৬ (৫)ৰ ব্যাখ্যা অনুসৰি)

**প্ৰশ্ন ১১ ঃ কেইবাখনো ৰাজ্যত হৈ থকা একোটা কাৰ্যক্ৰম, ধৰা হওক আই পি এল ক্ৰিকেট, ইয়াৰ ক্ষেত্ৰত যোগানৰ স্থান কি হ'ব?**

**উত্তৰ ঃ** এনে ধৰণৰ কাৰ্যক্ৰমৰ ক্ষেত্ৰত, যদি গ্ৰহণ কৰোতাজন পঞ্জীভুক্ত হয়, এনে কাৰ্যক্ৰম অনুষ্ঠিত কৰাৰ বাবে সেৱাৰ যোগানৰ স্থান হ'ব এনে লোকৰ থকা ঠাইখিনি।

অৱশ্যে, যদি গ্ৰহণ কৰোতাজন পঞ্জীভুক্ত নহয়, যোগানৰ স্থান হিচাপে সেই স্থানকে গণ্য কৰা হ'ব য'ত উক্ত কাৰ্যক্ৰম অনুষ্ঠিত হয়। যদিহে উক্ত কাৰ্যক্ৰম একাধিক ৰাজ্যত অনুষ্ঠিত হয় আৰু এক সৰ্বমুঠ পৰিমাণৰ মাচুল এনে সেৱাৰ বাবে আৰোপিত হয়, তেতিয়া যোগানৰ স্থান হ'ব প্ৰতিখন ৰাজ্যত প্ৰদান কৰা সেৱাৰ মূল্যৰ অংশ অনুসৰি। (আই জি এছ টি আইনৰ অনুচ্ছেদ ৬ (৮)ৰ ব্যাখ্যা অনুসৰি)

**প্ৰশ্ন ১২ ঃ কুৰিয়াৰৰ জৰিয়তে পণ্য সামগ্ৰী পৰিৱহণৰ ক্ষেত্ৰত যোগানৰ স্থান কি হ'ব?**

**উত্তৰ ঃ** গ্ৰহণ কৰোতাজন পঞ্জীভুক্ত হ'লে এনে লোকৰ থকা ঠাইখিনিয়েই হ'ব যোগানৰ স্থান।

অৱশ্যে, গ্ৰহণ কৰোতাজন যদি পঞ্জীভুক্ত নহয়, য়ততিয়া যোগানৰ স্থান হিচাপে য'ত পণ্য সামগ্ৰীখিনি পৰিবহণৰ বাবে হস্তান্তৰ কৰা হয়, সেই স্থানকে ধৰি লোৱা হ'ব।

**প্ৰশ্ন ১৩ ঃ যদি এজন লোক মুম্বাইৰ পৰা দিল্লীলৈ যায় আৰু মুম্বাইলৈ উভতি যায় তেতিয়া যোগানৰ স্থান কি হ'ব?**

**উত্তৰ ঃ** যদি লোকজন পঞ্জীভুক্ত হয়, তেতিয়া যোগানৰ স্থান হ'ব গ্ৰহণ কৰোতাজনৰ থকা ঠাইখিনি।

যদি লোকজন পঞ্জীভুক্ত নহয়, তেতিয়া মুম্বাইৰ পৰা দিল্লীলৈ কৰা আগৰটো ভ্ৰমণত য'ত গৈ তেওঁ নামে, অৰ্থাৎ মুম্বাই হ'ব যোগানৰ স্থান।

অৱশ্যে, ওভতনি যাত্ৰাৰ বাবে যোগানৰ স্থান হ'ব দিল্লী, যিহেতু ওভতনি যাত্ৰাক এটা পৃথক যাত্ৰা হিচাপে গণ্য কৰা হ'ব। (আই জি এছ টি আইনৰ অনুচ্ছেদ ৬ (১১)ৰ ব্যাখ্যা অনুসৰি)

**প্ৰশ্ন ১৪ ঃ ধৰা হ'ল ভাৰতৰ যিকোনো ঠাইত ভ্ৰমণ কৰিবৰ বাবে মেছাৰ্ছ এয়াৰ**

**ইণ্ডিয়াই এজন লোকক টিকট/পাছ দিলে। যোগানৰ স্থান কি হ'ব?**

**উত্তৰ ঃ** ওপৰৰ ঘটনাটোত, যিহেতু বিভিন্ন স্থানলৈ যোৱাৰ অধিকাৰ ভৱিষ্যতে সম্পন্ন কৰা হ'ব, সেয়ে চালান জাৰি কৰাৰ সময়ত গন্তব্য স্থানৰ কথা উল্লেখ নাথাকে। সেয়ে তেনে ক্ষেত্ৰত গন্তব্য স্থান যোগানৰ স্থান হ'ব নোৱাৰে। এনেকুৱা ঘটনাত এক তৰফা (default) নিয়ম প্ৰযোজ্য হ'ব। (আই জি এছ টি আইনৰ অনুচ্ছেদ ৬ (১০) (বি)ৰ ব্যৱস্থা অনুসৰি)

**প্ৰশ্ন ১৫ ঃ মোবাইল সংযোগৰ বাবে যোগানৰ স্থান কি হ'ব? ই যোগনীয়াৰৰ থকা ঠাইখন হ'ব পাৰেনে?**

**উত্তৰ ঃ** মোবাইল সেৱাৰ যোগনীয়াৰৰ থকা ঠাই যোগানৰ স্থান হ'ব নোৱাৰে, যিহেতু মোবাইল কোম্পানীবিলাকে একাধিক ৰাজ্যত সেৱা প্ৰদান কৰি আছে আৰু এইবিলাক সেৱাৰ বহুতেই আন্তঃৰাজ্যিক। যদি যোগনীয়াৰৰ থকা ঠাইকে যোগানৰ স্থান হিচাপে ধৰা হয় তেন্তে উপভোগৰ নীতি (consumption principle) ভংগ কৰা হ'ব আৰু যোগনীয়াৰসকল থকা কেইখনমান ৰাজ্যলৈ সকলো ৰাজহ যাব পাৰে।

মোবাইল সংযোগৰ বাবে যোগানৰ স্থান নিৰ্ভৰ কৰিব এই সংযোগ 'পোষ্টপেইড' নে 'প্ৰি-পেইড' তাৰ ওপৰত। 'পোষ্টপেইড' সংযোগৰ ক্ষেত্ৰত যোগানৰ স্থান হ'ব সেৱাৰ গ্ৰহণ কৰোতাৰ 'বিলিং এড্ৰেছ'।

'প্ৰি-পেইড' সংযোগৰ ক্ষেত্ৰত যোগানৰ স্থান হ'ব সেই ঠাই, য'ত এনে সংযোগৰ বাবে কৰা পৰিশোধ গ্ৰহণ কৰা হয় বা য'ত এনে 'প্ৰি-পেইড ভাউচাৰ' বিক্ৰী কৰা হয়। অৱশ্যে, যদি ইণ্টাৰনেট/ ই-পেমেণ্টৰ জৰিয়তে 'ৰিচাৰ্জ' কৰা হয় তেতিয়া তথ্য বা নথিত থকা সেৱা গ্ৰহণ কৰোতাৰ স্থানেই হ'ব সেৱাৰ স্থান।

**প্ৰশ্ন ১৬ ঃ গোৱাত থকা এজন লোকে দিল্লীত থকা এজন ফালেংগী/দালাল (bro-**

**ker)ৰ পৰা এন এছ ইত (মুম্বাইত) অংশ ক্ৰয় কৰিলে। যোগানৰ স্থান কি হ'ব**

**উত্তৰ ঃ** যোগানৰ স্থান হ'ব সেৱাৰ যোগনীয়াৰৰ নথি বা তথ্যত থকা গ্ৰহণকাৰীৰ থকা ঠাইখন। সেয়ে, গোৱা হ'ব যোগানৰ স্থান।

**প্ৰশ্ন ১৭ ঃ এজন লোক মুম্বাইৰ পৰা কুল্লু-মানালিলৈ গ'ল আৰু মানালিত আই চি আই চি আই বেংকৰ পৰা কিছু সেৱা গ্ৰহণ কৰিলে। যোগানৰ স্থান কি হ'ব?**

**উত্তৰ ঃ** যদি এই সেৱা লোকজনৰ হিচাপ-নিকাচ বা 'একাউণ্ট'ত সম্পৃক্ত নহয়, তেতিয়া যোগানৰ স্থান হ'ব কুল্লু অৰ্থাৎ উক্ত সেৱাৰ যোগনীয়াৰৰ স্থান। অৱৱশ্যে, যদি উক্ত সেৱা লোকজনৰ 'একাউণ্টে'ৰে সম্পৃক্ত হয়, তেতিয়া যোগানৰ স্থান হ'ব মুম্বাই, যোগনীয়াৰৰ তথ্য বা নথিত থকা গ্ৰহণ কৰোতাৰ ঠাইখন।

**প্ৰশ্ন ১৮ ঃ গুৰগাঁৰৰ পৰা এজন লোকে এয়াৰ ইণ্ডিয়াৰ বিমানেৰে মুম্বাইৰ পৰা দিল্লীলৈ যায় আৰু মুম্বাইত সম্পন্ন কৰা তেওঁৰ ভ্ৰমণ বীমা লাভ কৰে। যোগানৰ স্থান কি হ'ব?**

**উত্তৰ ঃ** বীমা সেৱাৰ যোগনীয়াৰৰ তথ্য-নথিত থকা সেৱা গ্ৰহণ কৰোতাৰ থকা ঠাইখন হ'ব যোগানৰ স্থান। সেয়ে এই ক্ষেত্ৰত গুৰগাঁও হ'ব যোগানৰ স্থান। (আই জি এছ টি আইনৰ অনুচ্ছেদ ৬ (১৪) ৰ ব্যৱস্থা অনুসৰি)

***

# জি এছ্ টি প'ৰ্টেলত সন্মুখৰ ব্যৱসায়

(Fronted Business Process on GST Portal)

## ২৩। জি এছ টি প'ৰ্টেলত সন্মুখৰ ব্যৱসায় (Fronted Business Process on GST Portal)

**প্ৰশ্ন ১ ঃ জি এছ টি এন কি ?**

**উত্তৰ ঃ** পণ্য-সামগ্ৰী আৰু সেৱা কৰ নেটৱৰ্ক (Goods and Services Tax Network) চমুকৈ জি এছ টি এন হৈছে একোটা অ-লাভজনক (non-profit) অচৰকাৰী (non-government) কোম্পানী, যি কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰসমূহ উভয়ৰ লগতে অন্যান্য অংশীদাৰক অংশীদাৰিত্বৰ 'আই টি' আন্তঃগাঁথনি আৰু সেৱা প্ৰদান কৰে। কৰদাতাৰ পঞ্জীয়ন, হিচাপ-নিকাচৰ বিৱৰণ আৰু সকলো পৰিশোধৰ সকলো সন্মুখৰ সেৱা জি এছ টি এনৰ দ্বাৰা প্ৰদান কৰা হ'ব। ই হ'ব চৰকাৰ আৰু কৰদাতাৰ মাজত সমন্বয় স্থাপন কৰা ব্যৱস্থা।

**প্ৰশ্ন ২ ঃ জি এছ টি এনৰ বিশেষত্ব কি ?**

**উত্তৰ ঃ** জি এছ টি পদ্ধতিৰ প্ৰকল্প হৈছে এক একক আৰু মিশ্ৰিত 'আই টি' তৎপৰতা। ই এই কাৰণেই একক, কিয়নো প্ৰথমবাৰৰ বাবে ইয়াৰ জৰিয়তে কৰদাতাসকলৰ বাবে একে ধৰণৰ এটা ব্যৱস্থা প্ৰৱৰ্তন কৰিব বিচৰা হৈছে আৰু কেন্দ্ৰ তথা ৰাজ্যসমূহৰ মাজত এটা উমৈহতীয়া আৰু অংশীদাৰিত্ব সম্পন্ন 'আই টি' আন্তঃগাঁথনি স্থাপন কৰা হৈছে। সম্প্ৰতি, কেন্দ্ৰীয় আৰু ৰাজ্যিক পৰোক্ষ কৰ প্ৰশাসনে বিভিন্ন আইন, বিধি-বিধান, পদ্ধতি আৰু আৰ্হিৰ অধীনত কাম কৰে আৰু ইয়াৰ পৰিণাম স্বৰূপে 'আই টি' প্ৰণালীয়ে স্বাধীন ক্ষেত্ৰ হিচাপে কাম কৰে। জি এছ টি প্ৰয়োগৰ বাবে এইবিলাকক সমন্বিত কৰাটো জটিল কাম হ'ব, যিহেতু ইয়াত সমগ্ৰ পৰোক্ষ কৰ ব্যৱস্থাপনাত সাঙুৰি ল'ব লাগিব, সেয়ে সকলো কৰ প্ৰশাসনক (কেন্দ্ৰ, ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহ) একেই আৰ্হিৰে 'আই টি'ৰ পৰিপক্কতালৈ আনিবৰ বাবে আৰু কৰদাতাসকল তথা অন্য বাহিৰা অংশীদাৰসকলক সমন্বিত কৰিবৰ বাবে এই ব্যৱস্থা

প্ৰৱৰ্তন কৰা হৈছে। তদুপৰি, জি এছ টি এক্ট স্থানভিত্তিক কৰ ব্যৱস্থাপনা হোৱা বাবে পণ্য-সামগ্ৰী আৰু সেৱাৰ আন্তঃৰাজ্যিক বাণিজ্য (আই জি এছ টি)ৰ ক্ষেত্ৰত বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰৰ মাজত নিষ্পত্তিৰ এক শক্তিশালী ব্যৱস্থা প্ৰয়োজনীয় হৈ পৰিছে। কেৱল তেতিয়াহে ই সম্ভৱ যেতিয়া এক শক্তিশালী 'আই টি' আন্তঃগাঁথনি থাকিব আৰু সেৱাৰ এক শক্তিশালী ৰাজহাড় থাকিব, যি অংশীদাৰসকলৰ মাজত (কৰদাতা, ৰাজ্যসমূহ আৰু কেন্দ্ৰীয় চৰকাৰ, বেংক আৰু আৰ বি আই) তথ্য আহৰণ, প্ৰক্ৰিয়াকৰণ আৰু বিনিময় সম্ভৱ কৰি তুলিব।

২১-০৭-২০১০ত অনুষ্ঠিত ৰাজ্যিক বিত্তমন্ত্ৰীসকলৰ ক্ষমতাসম্পন্ন সমিতি (ই চি)ৰ ২০১০ ৰ চতুৰ্থখন সভাত এই বিষয়ে আলোচনা কৰা হয়। ড° নন্দন নিলেকানিৰ অধ্যক্ষতাত অতিৰিক্ত সচিব (ৰাজহ), সদস্য (বি এণ্ড চি) চি বি ই চি, ডি জি (ছিষ্টেমছ), চি বি ই চি, এফ এ বিত্ত মন্ত্ৰালয়, সদস্য সচিব ই চি আৰু বাণিজ্য কৰৰ পাঁচজন ৰাজ্যিক আয়ুক্ত (মহাৰাষ্ট্ৰ, অসম, কৰ্ণাটক, পশ্চিমবংগ আৰু গুজৰাট)ৰ উপস্থিতিত উল্লিখিত সভাখনত ই চিয়ে 'Empowered Group on IT Infrastructure for GST' (যাক কোৱা হয় ই জি) গঠনৰ অনুমতি প্ৰদান কৰে। এই গোটে জি এছ টি নেটৱৰ্ক (জি এছ টি এন) নামেৰে এক উমৈহতীয়া পৰ্টেল বলৱৎ কৰিবৰ বাবে এক National Information Utility (NIU/SPV) গঠনৰ পৰামৰ্শ দিয়ে আৰু NIU/SPV গঠন তথা ব্যৱস্থাসমূহ সন্দৰ্ভত পৰামৰ্শ আগবঢ়ায়, আৰু প্ৰশিক্ষণ, প্ৰসাৰণ ইত্যাদিৰ লগতে অন্যান্য সবিশেষ দিশ সামৰি ইয়াক বলবৎ কৰাৰ নীতি আৰু কাৰ্যপন্থা সন্দৰ্ভত বিতং পৰামৰ্শ দিয়ে।

২০১০ ৰ মাৰ্চত বিত্ত মন্ত্ৰালয়ৰ দ্বাৰা গঠিত TAGUPয়ে পৰামৰ্শ আগবঢ়ায় যে জি এছ টিকে ধৰি বৃহৎ আৰু জটিল চৰকাৰী 'আই টি' প্ৰকল্পবিলাক কাৰ্যকৰী কৰাৰ উদ্দেশ্যে ৰাজহুৱা উদ্দেশ্যত 'নেছনেল ইনফৰমেচন ইউটিলিটিজ' বেচৰকাৰী কোম্পানী হিচাপে গঠন কৰিব লাগে। টি এ জি ইউ পি-এ বিভিন্ন আই টি প্ৰকল্পৰ সৈতে জড়িত

বিষয় যেনে জি এছ টি, টি আই এন, এন পি এছ ইত্যাদিৰ দৰে কাৰিকৰী আৰু প্ৰণালীবদ্ধ বিষয়বোৰ পৰীক্ষা কৰিব।

২০১০ৰ দুই আগষ্টৰ পৰা ২০১১ৰ আঠ আগষ্টলৈ এই আৰ্হি সন্দৰ্ভত আলোচনা কৰিবলৈ ই জিৰ সাতখন বৈঠক অনুষ্ঠিত হয়। চালি-জাৰি চোৱাৰ পিছত ই জিয়ে জি এছ টি পদ্ধতিৰ প্ৰকল্প বলৱত কৰিবৰ বাবে এক 'স্পেচিয়েল পাৰপ'জ ভেহিকল' সৃষ্টিৰ পৰামৰ্শ দিয়ে। প্ৰধান দিশবিলাক যেনে পৰিচালন বিভাগৰ স্বাধীনতা, চৰকাৰৰ নীতিগত নিয়ন্ত্ৰণ, সাংগঠনিক গাঁথনিত স্থিতিস্থাপকতা, সিদ্ধান্ত গ্ৰহণত নিশ্চয়তা আৰু কাৰ্যক্ষম মানৱ সম্পদ আহৰণ কৰা ভাৱা কৰাৰ সামৰ্থ্যৰ কথা বিবেচনা কৰাৰ পিছত পৰিস্থিতিৰ দাবীৰ প্ৰতি লক্ষ্য ৰাখি সেৱাৰ এক কাৰ্যক্ষম আৰু নিৰ্ভৰযোগ্য ব্যৱস্থা গঢ়ি তুলিবৰ বাবে ই জি এয়ে জিএছ টি এন এছ পি ভিৰ বাবে এটা বেচৰকাৰী গাঁথনি গঢ়ি তোলাৰ পৰামৰ্শ দিয়ে, য'ত চৰকাৰৰ অংশ থাকিব ৪৯ শতাংশ। (কেন্দ্ৰ- ২৪.৫% আৰু ৰাজ্য- ২৪.৫%)।

জি এছ টি এনৰ ভূমিকাৰ সংবেদনশীলতা আৰু এই সন্দৰ্ভত থকা বিভিন্ন তথ্যৰ পৰিপ্ৰেক্ষিতত, ই জিয়ে লগতে জি এছ টি এনৰ ওপৰত চৰকাৰৰ কৌশলগত নিয়ন্ত্ৰণৰ বিষয়টোও বিবেচনা কৰে। এছ পি ভিৰ ওপৰত চৰকাৰৰ কৌশলগত নিয়ন্ত্ৰণ নিশ্চিত কৰিবৰ বাবে ব'ৰ্ডৰ গঠন, বিশেষ প্ৰস্তাৱ আৰু অংশীদাৰৰ সৈতে হোৱা চুক্তিৰ ব্যৱস্থাপনা, ডেপুটেচনত থকা চৰকাৰী বিষয়াৰ নিয়ম আৰু জি এছ টি এন এছ পি ভি তথা বিভিন্ন চৰকাৰৰ মাজৰ চুক্তি সন্দৰ্ভতো গোটটোৱে পৰামৰ্শ আগবঢ়ায়। লগতে অংশীদাৰিত্বৰ প্ৰকাৰে এই কথা নিশ্চিত কৰিব যে কেন্দ্ৰ এককভাৱে আৰু ৰাজ্যসমূহ সমূহীয়াভাৱে প্ৰত্যেকেই ২৪.৫ শতাংশ হিচাপে সৰ্ববৃহৎ অংশীদাৰ হৈ থাকিব। সংযোজিত ৰূপত চৰকাৰী অংশৰ পৰিমাণ হ'ব ৪৯ শতাংশ, যিটো যিকোনো একক বেচৰকাৰী প্ৰতিষ্ঠানতকৈ বেছি হ'ব।

এই কোম্পানী চলাবৰ বাবে ই জিয়ে কাৰিকৰী কৌশলৰ বিশেষীকৰণৰ ওপৰতো গুৰুত্ব আৰোপ কৰে যাতে হিচাপৰ বিৰৰণৰ এশ শতাংশ সাদৃশ্য নিশ্চিত হয়। ভাৰত চৰকাৰ আৰু বিভিন্ন ৰাজ্যৰ স'তে ব্যাৰসায়িক জ্ঞান থকা লোক থকাটো নিশ্চিত কৰিছে। অৱশ্যে, এই কোম্পানী পৰিচালনা কৰিবৰ বাবে বিশেষ কাৰিকৰী জ্ঞান থকা বৃত্তিধাৰী লোকৰ আৱশ্যক হ'ব, যি এন এছ ডি এলৰ সৈতে একেদৰে বৃত্তিমূলকভাৱে আৰু স্বাধীনভাৱে কাম কৰিব। ই জিয়ে লগতে পৰামৰ্শ আগবঢ়ায় যে যিহেতু ই অচৰকাৰী কোম্পানী, গতিকে ইয়াৰ কাম কৰাৰ স্বাধীনতা থাকিব।

এই পৰামৰ্শাৱলী ৰাজ্যিক বিত্ত মন্ত্ৰালয়ৰ ক্ষমতা সম্পন্ন সমিতিৰ ওচৰত ২০১১ৰ ইয়াৰ তৃতীয়খন বৈঠকত ২০১১ৰ ১৯ আগষ্টত আৰু ই চিৰ ২০১১ৰ চতুৰ্থখন বৈঠকত ২০১১ ৰ ১৪ অক্টোবৰত উত্থাপন কৰা হয়। জি এছ টি এন সন্দৰ্ভত জি এছ টিৰ বাবে 'আই টি' আন্তঃগাঁথনি সন্দৰ্ভত ই জিৰ প্ৰস্তাৱ আৰু চৰকাৰৰ কৌশলগত নিয়ন্ত্ৰণেৰে অলাভজনক শাখাত ২৫ টা কোম্পানী গঠনৰ পৰামৰ্শ ই চিয়ে ১৪-১০-১১ত অনুষ্ঠিত ইয়াৰ বৈঠকত অনুমোদন জনায়।

জি এছ টি এনৰ বাবে ওপৰত উল্লেখ কৰি অহা 'স্পেচিয়েল পাৰপ'জ ভেহিকল' প্ৰতিষ্ঠাৰ বাবে ৰাজহ বিভাগৰ বিৰৰণ ২০১২ৰ ১২ এপ্ৰিলত কেন্দ্ৰীয় কেবিনেটে বিবেচনা কৰে আৰু অনুমোদন জনায়। কেন্দ্ৰীয় কেবিনেটে লগতে তলত দিয়া বিলাকো অনুমোদন জনায় ঃ

১। সুচল আৰু ইচ্ছাসম্পন্ন অচৰকাৰী প্ৰতিষ্ঠানক চিনাক্ত কৰা হ'ব আৰু ইয়াক সংযুক্ত কৰাৰ পূৰ্বে জি এছ টি এন-এছ পি ভিত বিনিয়োগ কৰিবলৈ বিত্ত মন্ত্ৰালয়ে নিশ্চিত কৰিব।

২। এছ পি ভিৰ ওপৰত চৰকাৰৰ কৌশলগত নিয়ন্ত্ৰণ ব'ৰ্ডৰ এনে এক গঠনৰ জৰিয়তে নিশ্চিত কৰা হ'ব, বিশেষ প্ৰস্তাৱ আৰু অংশীদাৰৰ চুক্তি, ডেপুটেচনত

থকা চৰকাৰী বিষয়াৰ নিয়োগ, জি এছ টি এন এছ পি ভি আৰু চৰকাৰসমূহৰ মাজৰ চুক্তিৰ ক্ষেত্ৰত ইয়াৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

৩। জি এছ টি এন এছ পি ভিৰ সঞ্চালক মণ্ডলীৰ সমিতিত থাকিব ১৪জন সঞ্চালক, ইয়াৰে তিনিজন কেন্দ্ৰৰ পৰা, তিনিজন ৰাজ্যসমূহৰ পৰা, কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ এক যুটীয়া অনুমোদন ব্যৱস্থাৰ ভিত্তিত সঞ্চালক মণ্ডলীৰ সমিতিৰ এজন অধ্যক্ষ নিযুক্ত হ'ব, বেচৰকাৰী অংশীদাৰৰ মাজৰ পৰা তিনিজন সঞ্চালক, তিনিজন স্বাধীন সঞ্চালক, যি এক মুক্ত বাছনি প্ৰক্ৰিয়াৰ জৰিয়তে জি এছ টি এন-এছ পি ভিৰ এজন চি ই অ' আৰু বিশিষ্ট লোক হ'ব।

৪। কৌশলগত নিয়ন্ত্ৰণ কাৰ্যকৰী কৰিবৰ বাবে আৰু আৱশ্যকীয় পদক্ষেপ গ্ৰহণ কৰিবৰ বাবে জি এছ টি এন এছ পিভিলৈ চৰকাৰী বিষয়াক ডেপুটেচনত নিবৰ বাবে চলিত চৰকাৰী নীতিৰ ক্ষেত্ৰত সৰলীকৰণ কৰা হ'ব।

৫। জি এছ টি এন- এছ পি ভিৰ এটা নিজস্ব দীৰ্ঘস্থায়ী ৰাজহ আৰ্হি থাকিব, য'ত কৰদাতাসকলৰ ওপৰত ব্যৱহাৰকাৰীৰ মাচুল ই আৰোপ কৰিব পাৰিব আৰু কৰ কৰ্তৃপক্ষসমূহে এই সেৱা লাভ কৰিব।

৬। বিভিন্ন কৰ কৰ্তৃপক্ষৰ সৈতে সম্পৰ্কযুক্ত হৈ থকা সমন্বিত পৰোক্ষ কৰ আদায় কৰিবৰ বাবে জি এছ টি এন -এছ পি ভি হ'ব ব্যতিক্ৰম ৰাষ্ট্ৰীয় সংস্থা। সেই অনুসৰি, একে ধৰণৰ সমন্বিত সেৱা প্ৰদান কৰিব বিচৰা আন যিকোনো সেৱা প্ৰদান কাৰী জি এছ টি এন এছ পি ভিত উক্ত সেৱাৰ বাবে এক আনুষ্ঠানিক ব্যৱস্থাপনাত অন্তৰ্ভুক্ত হ'ব লাগিব।

৭। কেন্দ্ৰীয় চৰকাৰৰ পৰা প্ৰাৰম্ভিক গঠন আৰু এছ পি ভিৰ কাম-কাজৰ বাবে কাম আৰম্ভ কৰাৰ পিছত তিনি বছৰলৈ ৩১৫ কোটি টকাৰ এক কালীন 'নন ৰেকাৰিং গ্ৰাণ্ট' দিয়া হ'ব।

কেবিনেটৰ সিদ্ধান্তৰ প্ৰতি সন্মতি জনাই জি এছ টি নেটৱৰ্কক এটা অ-লাভজনক, বেচৰকাৰী সীমিত কোম্পানী হিচাপে নিম্নোল্লিখিত অংশীদাৰিত্বৰ গঠনসহ কোম্পানী আইনৰ অনুচ্ছেদ ২৫ৰ অধীনত গঠন কৰা হয়।

| | |
|---|---|
| কেন্দ্ৰীয় চৰকাৰ— | ২৪.৫% |
| ৰাজ্যিক চৰকাৰ— | ২৪.৫% |
| এইচ ডি এফ চি বেংক— | ১০% |
| আই চি আই চি আই বেংক— | ১০% |
| এন এছ ই ষ্ট্ৰেটেজিক ইনভেষ্টমেণ্ট কোঃ — | ১০% |
| এল আই চি হাউছিং ফাইনেন্স লিঃ— | ১১% |

ৰাজ্যিক বিত্তমন্ত্ৰীসকলৰ ক্ষমতাসম্পন্ন সমিতি আৰু কেন্দ্ৰীয় চৰকাৰৰ অনুমোদনৰ সাপেক্ষে এক দীৰ্ঘ সময়ত সঠিকভাৱে বিবেচনা কৰাৰ পাছত জি এছ টি এন ইয়াৰ বৰ্তমানৰ ৰূপত প্ৰস্তুত কৰা হয়।

**প্ৰশ্ন ৩ ঃ জি এছ টি এনে কি সেৱা আগবঢ়াব ?**

**উত্তৰ ঃ** উমৈহতীয়া জি এছ টি প'ৰ্টেলৰ জৰিয়তে জি এছ টি এনে নিম্নোল্লিখিত সেৱাসমূহ আগবঢ়াব ঃ

(ক) পঞ্জীয়ন (চলিত কৰদাতাৰ 'মাষ্টাৰ মাইগ্ৰেচন'কে ধৰি পঞ্জীয়ন নম্বৰৰ ভিত্তিত PAN প্ৰদান);

(খ) পৰিশোধৰ পথ প্ৰশস্ত কৰাকে ধৰি বেংক সেৱাৰ সৈতে সমন্বয় সাধনৰ লগতে পৰিশোধ পৰিচালনা ;

(গ) 'ৰিটাৰ্ণ' ফাইল কৰা আৰু প্ৰক্ৰিয়া কৰা;

(ঘ) হিচাপ-নিকাচ পৰিচালনা, অধিসূচনা, তথ্য আৰু মৰ্যাদাৰ পথ নিশ্চিতকৰণ (status tracking)কে ধৰি কৰদাতাৰ পৰিচালনা;

(ঙ) কৰ কৰ্তৃপক্ষৰ হিচাপ-নিকাচ আৰু 'লেজাৰ মেনেজমেণ্ট' ;

(চ) কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰসমূহৰ মাজত নিষ্পত্তিৰ ব্যৱস্থা কৰা (আই জি এছ টিৰ নিষ্পত্তি কৰাকে ধৰি), আই জি এছ টিৰ পৰিষ্কৰণ প্ৰতিষ্ঠান;

(ছ) আমদানিৰ ওপৰত জি এছ টিৰ প্ৰক্ৰিয়াকৰণ আৰু বিৰোধ দূৰীকৰণ আৰু বহিঃ শুল্কৰ ই ডি আইৰ সৈতে সমন্বিত কৰণ;

(জ) প্ৰয়োজনভিত্তিক তথ্য আৰু ব্যাৱসায়িক বুদ্ধিমত্তাসহ এম আই এছ ;

(ঞ) উমৈহতীয়া জি এছ টি পৰ্টেল আৰু কৰ প্ৰশাসন ব্যৱস্থাৰ মাজত সমন্বয় সাধন;

(ট) অংশীদাৰসকলৰ বাবে প্ৰশিক্ষণৰ ব্যৱস্থা কৰা;

(ঠ) কৰ প্ৰশাসনক বিশ্লেষণ কৰিব পৰা আৰু ব্যাৱসায়িক বুদ্ধিমত্তা প্ৰদান কৰা; আৰু

(ণ) গৱেষণা, অধ্যয়নভিত্তিক অনুশীলন আৰু অংশীদাৰসকলক প্ৰশিক্ষণ প্ৰদান কৰা।

**প্ৰশ্ন ৪ ঃ জি এছ টি এন আৰু ৰাজ্যসমূহ/চি বি ই চিৰ মাজত সমন্বয় সাধন কি ?**

**উত্তৰ ঃ** জি এছ টিৰ আমোলত, কৰদাতাই যেতিয়া পঞ্জীয়নৰ বাবে আবেদন কৰা, চালান আপলোড কৰা, হিচাপৰ বিৱৰণ দাখিল কৰা, কৰ পৰিশোধ কৰা আদি প্ৰধান

সেৱাবিলাকৰ ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হয় তেতিয়া জি এছ টি পদ্ধতিত সকলো সতৰ্কতামূলক কাৰ্যৰ ক্ষেত্ৰত (যেনে পঞ্জীয়নৰ অনুমোদন, হিচাপ-নিকাচৰ বিৱৰণৰ গণনা, তদন্ত কৰা আৰু হিচাপ-নিকাচ কৰা ইত্যাদি) কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰসমূহৰ কৰ কৰ্তৃপক্ষসমূহে  সহায় কৰিব।

এনেদৰেই সন্মুখৰ বা প্ৰাৰম্ভিক কাম-কাজবিলাক জি এছ টি এনে আগবঢ়াব আৰু পৰৱৰ্তী কাম-কাজবিলাকৰ ক্ষেত্ৰত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰবিলাকে নিজেই তৎপৰতা গ্ৰহণ কৰিব। অৱশ্যে, ২৪ খন ৰাজ্যক (আৰ্হি-২ ৰাজ্য হিচাপে যাক কোৱা হয়) তেওঁলোকৰ পৰৱৰ্তী কামৰ আৰ্হি (backend modules)  আৰ্হি প্ৰস্তুত কৰিবলৈ কোৱা হৈছে। চি বি ই চি আৰু বাকীবিলাক ৰাজ্যই (আৰ্হি-১) তেওঁলোকৰ পৰৱৰ্তী কামৰ আৰ্হি নিজাববীয়াকৈ প্ৰস্তুত কৰাৰ আৰু কাৰ্যকৰী কৰাৰ সিদ্ধান্ত লৈছে।

**প্ৰশ্ন ৫। [illegible]**

[illegible] জি এছ টি পৰ্টেলত পঞ্জীয়নৰ বাবে অনলাইন আবেদন কৰিব লাগিব। কিছুমান প্ৰধান তথ্য যেনে- পেন কাৰ্ড, ব্যৱসায়ৰ গঠন, আধাৰ, চিআইএন-ডি আই এন ইত্যাদি (যেনেদৰে প্ৰযোজ্য) অনলাইনত সংশিষ্ট সংস্থাৰ বিৰুদ্ধে অৰ্থাৎ চি বি ডি টি, ইউ আই ডি, এম চি এ ইত্যাদিৰ বিৰুদ্ধে কাৰ্যক্ষম কৰি তোলা হ'ব আৰু ইয়াৰ জৰিয়তে ন্যূনতম নথিপত্ৰৰ প্ৰয়োজনীয়তা নিশ্চিত হ'ব।

আবেদনৰ তথ্য, আৱশ্যকীয় স্কেন কৰা নথিপত্ৰ জি এছ টি এনৰ দ্বাৰা ৰাজ্য-কেন্দ্ৰলৈ প্ৰেৰণ কৰা হ'ব যি ইয়াৰ প্ৰতিদান স্বৰূপে অনুমোদন বা নাকচ সম্পৰ্কীয় কিবা প্ৰশ্ন থাকিলে প্ৰেৰণ কৰিব আৰু কৰদাতাই ডাউনল'ড কৰিব পৰাকৈ ডিজিটেলী স্বাক্ষৰিত পঞ্জীয়ন জি এছ টি এনলৈ প্ৰেৰণ কৰিব।

**প্ৰশ্ন ৬। জি এছ টি এন[illegible]ইনফ'ছীছ[illegible]**

[illegible] সকলো আবেদনৰ ছফ্টৱেৰ, আহিলা-পাতি, আন্তঃগাঁথনিৰ ব্যৱস্থা কৰাৰ লগতে ইবিলাকক ৫ বছৰৰ বাবে 'গ'- লাইভৰ পৰা চোৱাচিতা কৰিবৰ বাবে আৰু জি

এছ টি ব্যৱস্থাৰ আৰ্হি প্ৰস্তুত কৰা, বিকাশ সাধন, প্ৰয়োগৰ বাবে মেছাৰ্ছ ইনফ'ছীছক এটা এককভাৱে পৰিচালিত সেৱা প্ৰদানকাৰী (Managed Service Provider) হিচাপে জি এছ টি এনে জড়িত কৰিছে।

**প্ৰশ্ন ৭। [illegible]**

[illegible] জি এছ টি পৰ্টেলত ইণ্টাৰনেটত প্ৰৱেশ কৰিব পাৰিব (কৰদাতাসকল আৰু তেওঁলোকৰ চাৰ্টাৰ্ড একাউণ্টসকল, কৰ অধিবক্তা ইত্যাদি) আৰু কৰ বিষয়াসকলে ব্যৱহাৰ কৰিব পাৰিব। জি এছ টি সম্পৰ্কীয় সকলো সেৱাৰ বাবে ই হ'ব এটাই উমৈহতীয়া পৰ্টেল, সেই সেৱাসমূহ হৈছে—

১। কৰদাতাৰ পঞ্জীয়ন (নতুন, আত্মসমৰ্পণ, বাতিল ইত্যাদি),

২। চালান আপলোড কৰা, ক্ৰেতাৰ ক্ৰয় পঞ্জীয়নৰ স্বয়ংক্ৰিয় নবীকৰণ আৰু নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে জিএছটি ৰিটাৰ্ণ ফাইল কৰা,

৩। সংস্থা, বেংকৰ সৈতে সমন্বয় সাধন কৰাকে ধৰি কৰ পৰিশোধ কৰা,

৪। আই টি চি আৰু কেছ লেজাৰ তথা দায়বদ্ধতা (liability) পঞ্জীয়ন,

৫। কৰদাতা, কৰ বিষয়া আৰু আন অংশীদাৰসকলৰ বাবে এম ই এছ-ৰ তথ্য প্ৰদান কৰা,

৬। কৰ বিষয়াসকলৰ বাবে বি আই/বিশ্লেষণ।

**প্ৰশ্ন ৮। জি এছ টি ইক'-ছীষ্টেমৰ ধাৰণাটো কি ?**

**উত্তৰ ঃ** এটা উমৈহতীয়া জি এছ টি পদ্ধতিয়ে সকলো ৰাজ্যিক/কেন্দ্ৰীয় শাসিত অঞ্চলৰ বাণিজ্যিক কৰ বিভাগ, কেন্দ্ৰীয় কৰ কৰ্তৃপক্ষ, কৰপতা, বেংক আৰু আন অংশীদাৰসকলক সংযোগ প্ৰদান কৰিব। এই ইক'-ছীষ্টেমত কৰদাতাৰ পৰা আৰম্ভ কৰি কৰ বৃত্তিধাৰী তথা জি এছ টি পৰ্টেলৰ বিষয়াবৰ্গলৈকে, বেংক তথা হিচাপ-নিকাচ কৰা কৰ্তৃপক্ষলৈকে সকলো অন্তৰ্ভুক্ত হ'ব। তলত দিয়া ছবিখনত গোটেই জি এছ টি ইক'-ছীষ্টেমটো দেখুওৱা হৈছে।

**প্ৰশ্ন ৯। জি এছ টি (জি এছ টি সুবিধা প্ৰভাইডাৰ) কি?**

**উত্তৰ ঃ** জি এছ টি পদ্ধতিটোৰ বিকাশ সাধন কৰি আছে 'মেনেজড ছাৰ্ভিচ প্ৰভাইডাৰ' ইনফ'ছীছে। এই কামৰ ভিতৰত আছে 'জি এছ টি ক'ৰ ছীষ্টেম'ৰ বিকাশ সাধন, জি এছ টি পদ্ধতি প্ৰয়োগ কৰিবৰ বাবে আৱশ্যকীয় আই টি আন্তঃগাঁথনিৰ ব্যৱস্থা কৰা আৰু পাঁচ বছৰৰ বাবে পদ্ধতিটো চলোৱা।

প্ৰস্তাৱিত জি এছ টিক কৰদাতাই সকলো দাখিল ইলেকট্ৰনিকভাৱে কৰিব লাগিব। ইয়াক আহৰণ কৰিবলৈ কৰদাতাক চালানৰ তথ্য আপলোড কৰিবলৈ, 'ইনপুট টেক্স ক্ৰেডিট' (আই টি চি)ৰ দাবীৰ সাদৃশ্য, পক্ষভিত্তিক লেজাৰ সৃষ্টি কৰিবলৈ, ৰিটাৰ্ণ আপলোড কৰিবলৈ, কৰ পৰিশোধ কৰিবলৈ, এনে নথি-পত্ৰত ডিজিটেল স্বাক্ষৰ কৰিবলৈ আহিলা-পাতিৰ আৱশ্যক হ'ব।

জি এছ টি পদ্ধতিত প্ৰৱেশ কৰিবলৈ এই পদ্ধতিত কৰদাতাসকলৰ বাবে G2B পৰ্টেল থাকিব, অৱশ্যে, কৰদাতাৰ বাবে জি এছ টি পদ্ধতিৰে যোগাযোগ কৰিবলৈ ইয়েই একমাত্ৰ পথ নহ'ব, কৰদাতাই তেওঁৰ তৃতীয় পক্ষৰ আবেদন বাছনি কৰি ডেস্কটপ, ম'বাইল, অন্য যোগাযোগৰ জৰিয়তে জি এছ টি পদ্ধতি সুচল কৰি ল'ব পাৰিব। তৃতীয় পক্ষৰ আবেদনে সুৰক্ষিত জি এছ টি পদ্ধতিৰ এ পি আইৰ সৈতে জি এছ টি পদ্ধতিক সংযোগ কৰিব। এনে সকলো আবেদনৰ তৃতীয় পক্ষ সেৱা প্ৰদানকাৰীয়ে বিকাশ ঘটাব বুলি আশা কৰা হৈছে, যাক এটা নাম দিয়া হৈছে— জি এছ টি সুবিধা প্ৰভাইডাৰ বা জি এছ পি আই।

জি এছ টি পদ্ধতিৰ পৰ্টেলৰ জৰিয়তে বা পঞ্জীয়ন, কৰ পৰিশোধ, ৰিটাৰ্ণ ফাইলিং আৰু জি এছ টি ক'ৰ ছিষ্টেমৰ সৈতে অন্য তথ্যৰ আদান-প্ৰদানৰ জৰিয়তে কৰদাতাসকলে জি এছ টিৰ বিভিন্ন সুবিধা লাভ কৰিব পাৰিব। জি এছ পিবিলাক হ'ব জি এছ টি পদ্ধতিৰ এ পি আইবিলাকৰ ব্যৱহাৰকাৰী সংস্থা আৰু কৰদাতাৰ বাবে সুবিধাজনকভাৱে প্ৰয়োগ ব্যৱস্থা আৰু ৱেব পৰ্টেল প্ৰস্তুত কৰিব।

**প্ৰশ্ন ১০। জি এছ টি সুবিধা প্ৰভাইডাৰ্ছৰ ভূমিকা কি হ'ব?**

**উত্তৰ ঃ** 'ছিকিঅ'ৰ জি এছ টি ছীষ্টেম এ পি আইবিলাকৰ জৰিয়তে জি এছ টিয়ে বিকশিত কৰা 'এপবিলাকে' জি এছ টি পদ্ধতিৰে সংযুক্ত কৰিব। জি এছ পিৰ কিছুমান কাৰ্য হৈছে ঃ

- জি এছ টি পদ্ধতিৰ কৰদাতা, টি আৰ পিৰ বাবে বিভিন্ন 'এপ'ৰ বিকাশ
- কৰদাতাক অন্য মূল্য সংযোজিত সেৱা প্ৰদান।

জি এছ টি সুবিধা প্ৰভাইডাৰ্ছে কৰদাতা আৰু অংশীদাৰক নতুনত্ব থকা আৰু সুবিধাজনক পদ্ধতি এই প্ৰণালীৰ জৰিয়তে প্ৰদান কৰিব বিচাৰিছে, যাৰ জৰিয়তে হিচাপৰ বিৰৰণ দাখিলত থকা প্ৰতিষ্ঠানৰ পঞ্জীয়নৰ পৰা চালান আপলোডিঙলৈকে এক সুচল ব্যৱস্থা হ'ব। এনেদৰে ইয়াত আদান-প্ৰদানৰ দুটা 'ছেট' থাকিব, প্ৰথমটো হৈছে 'এপ' ব্যৱহাৰকাৰী আৰু জি এছ পিৰ মাজত আৰু দ্বিতীয়টো হৈছে জি এছ পি আৰু জি এছ টি পদ্ধতিৰ মাজত।

**প্ৰশ্ন ১১। জি এছ পিবিলাক ব্যৱহাৰ কৰিলে কৰদাতাৰ কি লাভ হ'ব?**

**উত্তৰ ঃ** কৰ হিচাপ কৰা ছফ্‌টৱেৰ প্ৰদান কৰা একোটা জি এছ পিৰ ওচৰত ইতিমধ্যে কৰ পৰিশোধ কৰাৰ এক বিশাল কাৰ্যব্যৱস্থা থাকিব। ই কৰদাতাসকলক জি এছ পিয়ে আগবঢ়োৱা সমাধানবিলাকৰ লগতে চালান-হিচাপৰ বিৰৰণ আপলোড কৰাত সহজ প্ৰক্ৰিয়া প্ৰদান কৰিব। জি এছ টি পৰ্টেলৰ ক্ষেত্ৰত হাতে লিখা নথিৰ জৰিয়তে বা অন্যথা চালান বা 'ৰিটাৰ্ণ'ৰ তথ্য আপলোড কৰি কাম কৰিব পাৰিব। জি এছ টি পৰ্টেলৰ জৰিয়তে প্ৰকাশিত বিশেষত্বসমূহৰ জৰিয়তে সকলো কৰদাতাৰ বাবে একে ব্যৱস্থা হ'ব আৰু প্ৰ-পত্ৰ তথা আৰ্হি প্ৰাথমিক হ'ব। আনহাতে নিৰ্দিষ্ট গোটক আৱশ্যক হোৱা (সম্পূৰ্ণৰূপে স্বয়ংক্ৰিয় বিত্তীয় ব্যৱস্থাসম্বলিত বৃহৎ কৰদাতা, অৰ্ধ-স্বয়ংক্ৰিয় ব্যৱস্থাৰে এছ এম ই আৰু কোনো ব্যৱস্থা নথকা ক্ষুদ্ৰ আকাৰৰ) বিশেষ কৰদাতাৰ সুবিধাৰাজিও উপলব্ধ হ'ব।

বৰ্তমান থকা ছফ্‌টৱেৰৰ জৰিয়তে জি এছ পিয়ে জি এছ টি ফাইল দাখিলৰ সুবিধা প্ৰদান কৰিব পাৰে বা ইয়াৰ বাবে এছ এম ইৰ বাবে 'এণ্ড-টু-এণ্ড' সমাধানৰ বিকাশ ঘটাব পাৰে আৰু ক্ষুদ্ৰ কৰদাতাক তেওঁলোকৰ ক্ৰয়-বিক্ৰয় আৰু জি এছ টি ফাইল দাখিল কৰিবৰ বাবে 'স্প্ৰেডশ্বীট'ৰ দৰে এক অফলাইন সুবিধা আগবঢ়াব পাৰে, যাৰ জৰিয়তে কৰদাতাই তেওঁলোকৰ চালানৰ সবিশেষ দাখিল কৰিব পাৰে আৰু তাৰ পিছত প্ৰক্ৰিয়াকৰণৰ বাবে জি এছ টি পৰ্টেলত আপলোড কৰিব পাৰে। একেদৰে, টেক্স কনছালটেণ্টসকলৰ বাবে (টি চি), জি পি এছবিলাকে তেওঁৰ সকলো প্ৰতিনিধি বা গ্ৰাহকৰ তালিকা প্ৰকাশৰ বাবে ডেছব'ৰ্ড প্ৰদান কৰিব পাৰে আৰু একোটা নিৰ্দিষ্ট গ্ৰাহকত ক্লিক কৰি টি চিক গ্ৰাহকৰ কাৰ্য বা বাকী থকা কাৰ্যৰ বিষয়ে থাউকতে জনাৰ সুবিধা দিব পাৰে। জি এছ পিবিলাকে নতুনত্ব থকা বা মূল্য আৰোপিত বিশেষত্ব প্ৰদান কৰিব পাৰে, যি তেওঁলোকক বজাৰত অন্য জি এছ পিবিলাকৰ পৰা পৃথক কৰিব।

উৎস ঃ http://www.gstn.org/ecosystem/faq question.php

**প্ৰশ্ন ১২। জি এছ টি এনে বিকাশ ঘটাই থকা আৰু পৰিচালনা কৰা জি এছ টি উমৈহতীয়া পৰ্টেল অনুসৰি কৰদাতাৰ ভূমিকা কি হ'ব?**

**উত্তৰ ঃ** জি এছ টি এনৰ জৰিয়তে কৰদাতাই সম্পন্ন কৰিবলগীয়া কেতবোৰ কাৰ্য হৈছে ঃ

- কৰদাতা হিচাপে পঞ্জীয়নৰ বাবে আবেদন আৰু 'প্ৰফাইল মেনেজমেণ্ট';
- অৰ্থদণ্ড আৰু সুতসহ কৰ পৰিশোধ;
- চালানৰ তথ্য আপলোডিং আৰু হিচাপৰ বিৱৰণ-বাৰ্ষিক বিৱৰণ দাখিল;
- ৰিটাৰ্ণ-টেক্স লেজাৰ-কেছ লেজাৰৰ ষ্টেটাছ পৰীক্ষা।

**প্ৰশ্ন ১৩। জি এছ টি এনে প্ৰস্তুত কৰা জি এছ টি পদ্ধতিৰ ক্ষেত্ৰত ৰাজ্যিক আৰু কেন্দ্ৰীয় চৰকাৰৰ কৰ বিষয়াসকলৰ ভূমিকা কি হ'ব?**

**উত্তৰ ঃ** নিম্নোল্লিখিত কামবিলাকৰ পিছৰ পৰ্যায়ত বিষয়াসকলে জি এছ্ টি এনৰ তথ্য ব্যৱহাৰ কৰিব লাগিব ঃ

● কৰদাতাৰ অন্তৰ্ভুক্তি-পঞ্জীয়নৰ বাবে অনুমোদন-নাকচ;

● ৰাজ্যিক কৰৰ (নিৰ্ধাৰণ-হিচাপ-ওৰাপোচ-আবেদন-অনুসন্ধান) কৰ প্ৰশাসন;

● এম আই এছ্ আৰু অন্য কাৰ্যাৱলী।

**প্ৰশ্ন ১৪। জি এছ্ টি এন পদ্ধতিত চালানৰ গতিৰেখাৰ বাবে জি এছ্ টি এনে এটা একক পৰিচয় নম্বৰ সৃষ্টি কৰিবনে?**

**উত্তৰ ঃ** নকৰে, জি এছ্ টি এনে কোনো নতুন পৰিচয় সৃষ্টি নকৰে। যোগনীয়াৰৰ জি এছ্ টি আই এন, চালানৰ নম্বৰ আৰু এইচ এছ্ এন-এছ্ এ চি কোডৰ সৈতে বিত্তীয় বছৰৰ চালানাৰ সংযোগে প্ৰতিটো গতিপথকে একক কৰি ৰাখিব।

**প্ৰশ্ন ১৫। দৈনিক হিচাপত চালানৰ দাতা আপলোড কৰিব পাৰিনে?**

**উত্তৰ ঃ** হয়, যিকোনো সময়তে চালানৰ দাতা গ্ৰহণ কৰিবৰ বাবে জি এছ্ টি পৰ্টেলত কাৰ্যব্যৱস্থা থাকিব। আগতীয়াকৈ একোটা আপলোড কৰিলে ইয়াত গ্ৰহণ কৰোতাৰ প্ৰতি তেওঁ তেওঁৰ ক্ৰয় পঞ্জীয়ণত চাব পৰাকৈ ই প্ৰতিফলিত হ'ব।

**প্ৰশ্ন ১৬। জি এছ্ টি পৰ্টেলত চালানৰ তথ্য আপলোড কৰিবৰ বাবে জি এছ্ টি এনে আহিলা-পাতি প্ৰদান কৰিবনে?**

**উত্তৰ ঃ** হয়, চালানৰ তথ্য আপলোড কৰিবৰ বাবে কৰদাতাসকলক জি এছ্ টি এনে বিনামূলীয়াকৈ 'স্প্ৰেডশ্বীট' (মাইক্ৰছফ্‌ট এক্সেলৰ দৰে) প্ৰদান কৰিব। এইটো এবিধ অফলাইন আহিলা হ'ব যাক অনলাইন নোহোৱাকৈ চালানৰ তথ্য 'ইনপুট' কৰিবলৈ ব্যৱহাৰ কৰিব পাৰিব আৰু তাৰ পিছত সেই চালানৰ তথ্য কেইশমান চালানৰ বাবে এবাৰ গৈয়ে আপলোড কৰিব পাৰিব।

**প্ৰশ্ন ১৭। লেজাৰবিলাক আৰু অন্য হিচাপ চাবৰ বাবে জি এছ্ টি এনে মোবাইলৰ**

**'এপ' দিবনে?**

**উত্তৰ ঃ** হয়, জি এছ টি পৰ্টেলে এনে এক পদ্ধতিৰে আৰ্হি প্ৰস্তুত কৰি আছে যাক যিকোনো স্মাৰ্টফোনত চাব পাৰিব। এনেদৰে কেছ লেজাৰ, লায়েবিলিটি লেজাৰ, আই টি চি লেজাৰৰ দৰে লেজাৰবিলাক একোটা মোবাইল ফোনত চাব পাৰিব।

**প্ৰশ্ন ১৮। কৰ বৃত্তিধাৰীসকলক তেওঁলোকৰ গ্ৰাহকৰ (কৰদাতা) হৈ কৰদাতাৰ 'ইউজাৰ আইডি' নোহোৱাকৈ কাম কৰিবৰ বাবে বৰ্তমানৰ দৰে জি এছ টি এনে পৃথক ইউজাৰ আইডি আৰু পাছৱৰ্ড দিবনে?**

**উত্তৰ ঃ** হয়, কৰ বৃত্তিধাৰীসকলক তেওঁলোকৰ গ্ৰাহকৰ হৈ তেওঁলোকৰ পৰা ইউজাৰ আইডি আৰু পাছৱৰ্ড নিবিচৰাকৈ কাম কৰিবৰ বাবে পৃথক ইউজাৰ আইডি আৰু পাছৱৰ্ড দিব। চূড়ান্ত দাখিলৰ বাহিৰে আন সকলোতে জি এছ টি আইনৰ অধীনত কৰ বৃত্তিধাৰীসকল কৰদাতাসকলৰ হৈ কাম কৰিবলৈ সক্ষম হ'ব, চূড়ান্ত দাখিল ই-ছাইন (অ'পিটি) বা ডিজিটেল ছিগনেচাৰ চাৰ্টিফিকেট ব্যৱহাৰ কৰি কৰদাতাই সম্পন্ন কৰিব।

**প্ৰশ্ন ১৯। ওপৰত উল্লেখ কৰা সুবিধাত এবাৰ বাছনি কৰাৰ পিছত কৰ বৃত্তিধাৰী লোক কৰদাতাই সলাব পাৰিবনে?**

**উত্তৰ ঃ** হয়, জি এছ টি এন পৰ্টেলত সাধাৰণভাৱে 'আনছিলেক্ট' কৰি আৰু এজন নতুন কৰ বৃত্তিধাৰীক প্ৰতিনিধিত্ব দি কৰদাতাই বেলেগ কৰ বৃত্তিধাৰী বাছনি কৰিব পাৰে।

**প্ৰশ্ন ২০। কেন্দ্ৰীয় আবকাৰী বা সেৱাকৰ বা ৰাজ্যিক 'ভেট'ৰ অধীনত চলিত কৰদাতাসকলে জি এছ টিৰ অধীনত নতুন পঞ্জীয়ণৰ বাবে আবেদন কৰিব লাগিবনে?**

**উত্তৰ ঃ** নালাগে, চি বি ডি টি ডাটাবেছৰ পৰা 'পি এ এন' বৈধ হোৱা বৰ্তমানৰ কৰদাতাসকলে নতুনকৈ আবেদন কৰাৰ প্ৰয়োজন নহয়। তেওঁলোকক জি এছ টি পৰ্টেলে চৰ্তসাপেক্ষ জি এছ টি আই এন দিব, যি জি এছ টি পঞ্জীয়ণ প্ৰ-পত্ৰ অনুসৰি প্ৰাসংগিক তথ্য দিবৰ বাবে ছমাহৰ বাবে বৈধ হ'ব। তথ্য দাখিল সম্পূৰ্ণ হ'লে চৰ্তসাপেক্ষ

সাময়িক পঞ্জীয়ণ নিয়মীয়া পঞ্জীয়ণলৈ পৰিৱৰ্তিত হ'ব। পিছত, সময়সীমা উল্লেখ থকা জাননী সংশ্লিষ্ট কৰ কৰ্তৃপক্ষই জাৰি কৰিব।

**প্ৰশ্ন ২১। কৰদাতাসকলৰ সুবিধাৰ বাবে জি এছ টি পৰ্টেলত কাম কৰাৰ ক্ষেত্ৰত জি এছ টি এনে প্ৰশিক্ষণৰ ভিডিঅ' বা দৃশ্য প্ৰদান কৰিবনে?**

**উত্তৰ ঃ** হয়, জি এছ টি এনে কম্পিউটাৰভিত্তিক প্ৰশিক্ষণ সঁজুলি প্ৰস্তুত কৰি আছে য'ত জি এছ টি পৰ্টেলত সম্পন্ন কৰিবলগীয়া প্ৰতিটো প্ৰক্ৰিয়াৰ ভিডিঅ' সন্নিৱিষ্ট আছে। এইবিলাক সকলো কৰ কৰ্তৃপক্ষৰ ৱেবছাইটৰ লগতে জি এছ টি পৰ্টেলতো সন্নিৱিষ্ট হ'ব।

**প্ৰশ্ন ২২। জি এছ টি উমৈহতীয়া পৰ্টেলত কৰদাতাই দাখিল কৰা 'ৰিটাৰ্ণ' আৰু পঞ্জীয়ণৰ তথ্য বিশ্বাসযোগ্য হৈ থাকিবনে?**

**উত্তৰ ঃ** হয়, জি এছ টি উমৈহতীয়া পৰ্টেলত কৰদাতাই দাখিল কৰা ব্যক্তিগত আৰু ব্যাৱসায়িক তথ্যৰ ক্ষেত্ৰত বিশ্বাসযোগ্যতা বজাই ৰাখিবলৈ জি এছ টি এনে সকলো পদক্ষেপ গ্ৰহণ কৰিছে। আদান-প্ৰদান আৰু সংৰক্ষণ উভয় ক্ষেত্ৰতে এই কথা নিশ্চিত কৰিবৰ বাবে 'ৰোল বেছ্‌ড এক্সেছ কণ্টোল (আৰ বি এ চি)' আৰু কৰদাতাৰ জটিল তথ্যৰ বৈদ্যুতিন সংৰক্ষণৰ দিহা কৰা হৈছে। কেৱল কৰ্তৃত্বশীল কৰ কৰ্তৃপক্ষইহে এই তথ্য চাব আৰু পঢ়িব পাৰিব।

**প্ৰশ্ন ২৩। জি এছ টি পদ্ধতিৰ নিৰাপত্তা নিশ্চিত কৰিবৰ বাবে কি পদক্ষেপ গ্ৰহণ কৰা হৈছে?**

**উত্তৰ ঃ** তথ্য আৰু সেৱাৰ নিৰাপত্তাৰ বাবে জি এছ টি পদ্ধতিত এক বিশেষ ব্যৱস্থা অৱলম্বন কৰা হৈছে। ওখ আগ্নেয় দেৱালৰ উপৰি, অনধিকাৰ প্ৰৱেশ ধৰা পেলোৱা, গতিশীল বা স্থিতাৱস্থাত তথ্যৰ সুৰক্ষা, সম্পূৰ্ণ হিচাপৰ গতিপথ, বৈজ্ঞানিক পদ্ধতিৰে জালিয়াতি প্ৰতিৰোধ কৰা ইত্যাদি ব্যৱস্থা গ্ৰহণ কৰাৰ সমান্তৰালকৈ জি এছ টি এনে এটা প্ৰাথমিক আৰু দ্বিতীয় পৰ্যায়ৰ 'ছিকিউৰিটি অপাৰেছন্স কমাণ্ড কণ্ট্ৰোল' কেন্দ্ৰ

স্থাপন কৰিছে যি সক্ৰিয়ভাৱে সঠিক সময়ত ষড়যন্ত্ৰমূলক আক্ৰমণ প্ৰতিহত কৰিব। সাধাৰণভাৱে জ্ঞাত আৰু অজ্ঞাত সকলো ভাবুকি প্ৰতিহত কৰিবৰ বাবেও জি এছ টি এনে ধাৰাবাহিক পৰ্যবেক্ষণৰ জৰিয়তে যথোচিত পদক্ষেপ গ্ৰহণ কৰিছে।

***

# স্থানান্তৰণৰ বিধান
# (Transitional Provisions)

২৪। স্থানান্তৰণৰ বিধান (Transitional Provisions)

**প্ৰশ্ন ১। জি এছ টি প্ৰৱৰ্তন হোৱাৰ আগতে পূৰ্বৰ আইনৰ অধীনত সম্পন্ন কৰা অন্তিম 'ৰিটাৰ্ণ' CENVAT/ITC জি এছ টিৰ অধীনত 'আই টি চি' হিচাপে উপলব্ধ হ'বনে?**

**উত্তৰ ঃ** এজন পঞ্জীভুক্ত লোকে, সংযোগ আঁচনিৰ অধীনৰ কৰ পৰিশোধ কৰিবলৈ ইচ্ছা কৰা লোকৰ বাহিৰে, তেওঁৰ ইলেকট্ৰনিক ক্ৰেডিট লেজাৰৰ চি ই এন ভি এ টি (বা ভি এ টি ক্ৰেডিট) অনুসৰি চি জি এছ টি /এছ জি এছ টি আইনৰ অনুচ্ছেদ ১৪০(১) অনুসৰি, উল্লিখিত ব্যৱস্থাৱলীৰ মতে নিযুক্ত দিনৰ অন্তিম সময় সীমাৰ পূৰ্বে 'ক্ৰেডিট' পাবলৈ যোগ্য হ'ব।

**প্ৰশ্ন ২। সেই চৰ্তাৱলী কি কি?**

**উত্তৰ ঃ** চৰ্তাৱলীসমূহ হৈছেঃ

(১) এই আইনৰ অধীনত 'ক্ৰেডিট'ৰ উল্লিখিত পৰিমাণ 'ইনপুট টেক্স ক্ৰেডিট' হিচাপে পৰিগণিত হ'ব;

(২) সকলো বাৰ্ষিক হিচাপৰ প্ৰতিবেদন দাখিল কৰা পঞ্জীভুক্ত লোকজনে চলিত আইনৰ অধীনত আৱশ্যকীয় সকলো বাৰ্ষিক হিচাপ-নিকাচ (অৰ্থাৎ কেন্দ্ৰীয় উৎপাদন শুল্ক আৰু ভি এ টি) নিযুক্ত তাৰিখৰ ঠিক আগৰ ছটা মাহৰ বাবে দাখিল কৰিব লাগিব;

(৩) উল্লিখিত 'ক্ৰেডিট'ৰ পৰিমাণ আইনখনৰ অধিসূচনাৰ অধীনত বিক্ৰী কৰা সামগ্ৰীৰ সৈতে সম্পৰ্ক নাথাকে আৰু তাৰ ওপৰত 'ভেট'ৰ দাবী প্ৰযোজ্য নহয়।

এছ জি এছ টি আইনৰ অধীনত তলত দিয়াৰ দৰে এটা অধিক চৰ্ত থাকিবঃ

কেন্দ্ৰীয় বিক্ৰী কৰ আইন, ১৯৫৬ৰ অনুচ্ছেদ ৩, অনুচ্ছেদ ৫ৰ উপ-অনুচ্ছেদ (৩), অনুচ্ছেদ ৬, অনুচ্ছেদ ৬(এ) বা অনুচ্ছেদ ৮ৰ উপ-অনুচ্ছেদ (৮)ৰ সৈতে সম্পৰ্কযুক্ত যিকোনো দাবী পূৰণ কৰিবৰ বাবে উল্লিখিত 'ক্ৰেডিট' প্ৰযোজ্য হয়,

আৰু উক্ত সময়ছোৱাৰ ভিতৰত, কেন্দ্ৰীয় বিক্ৰী কৰ (পঞ্জীয়ন আৰু প্ৰতিদান) বিধি, ১৯৫৭ৰ অধিনিয়ম ১২ত উল্লেখ কৰা অনুসৰি ইলেকট্ৰনিক ক্ৰেডিট লেজাৰলৈ প্ৰেৰণ কৰিবৰ বাবে সমৰ্থ নহ'ব।

অৱশ্যে, ওপৰত নিৰ্দিষ্ট কৰি দিয়া নিৰিখৰ সমপৰিমাণৰ ধনৰাশি চলিত আইনৰ অধীনত ওভতাই দিয়া হয় যেতিয়া উল্লেখিত দাবীসমূহ কেন্দ্ৰীয় বিক্ৰী আইন (পঞ্জীয়ন আৰু প্ৰতিদান) বিধি, ১৯৫৭ৰ অধিনিয়ম ১২ত নিৰ্দেশিত ধৰণ অনুসৰি পৰিপূৰক হয়।

**প্ৰশ্ন ৩। ধৰা হ'ল, এজন পঞ্জীভুক্ত লোকে জুনত ২০১৭-১৮ৰ শেষৰ তিনি মাহত চলিত আইনৰ অধীনত (কেন্দ্ৰীয় উৎপাদন শুল্ক) মূলধনী সামগ্ৰী ক্ৰয় কৰিলে। যদিও চালানখন ৩০ জুনৰ ভিতৰত গ্ৰহণ কৰা হ'ল, কিন্তু মূলধনী সামগ্ৰীখিনি ২০১৭ৰ ৫ জুলাই (অৰ্থাৎ জি এছ টি আমোলত) গ্ৰহণ কৰিলে। এনে লোকে জি এছ টি আমোলত CENVATৰ সম্পূৰ্ণ ক্ৰেডিট (credit) পাবনে?**

**উত্তৰ ঃ** হয়, তেওঁ ২০১৭-১৮ত সম্পূৰ্ণ 'ক্ৰেডিট' পাবৰ যোগ্য হ'ব, যিহেতু এনে এক 'ক্ৰেডিট' CENVAT হিচাপে চলিত আইনত গ্ৰহণযোগ আৰু চি জি এছ টি— চি জি এছ টি আইনৰ অনুচ্ছেদ ১৪০(২)তো 'ক্ৰেডিট' হিচাপে গ্ৰহণ কৰা হৈছে।

**প্ৰশ্ন ৪। পূৰ্বৰ আইনত 'X' আৰু 'Y'ত মূলধনী সামগ্ৰী হিচাপে VAT 'ক্ৰেডিট' পোৱা নাছিল। যিহেতু সেইবিলাক জি এছ টিত অন্তৰ্ভুক্ত, পঞ্জীভুক্ত, কৰযোগ্য লোকজনে এতিয়া সেয়া দাবী কৰিব পাৰেনে?**

**উত্তৰ ঃ** কেৱল তেতিয়াহে তেওঁ 'ক্ৰেডিট' পাবৰ যোগ্য হ'ব যদিহে পূৰ্বৰ আইনৰ অধীনত এনে সামগ্ৰীৰ ওপৰত 'আই টি চি' গ্ৰহণযোগ্য আছিল আৰু জি এছ টিৰ অধীনতো গ্ৰহণযোগ্য হয়। পূৰ্বৰ আইনৰ অধীনত যদিহে দুয়োটা সামগ্ৰীতে 'ক্ৰেডিট' উপলব্ধ নাছিল, তেতিয়া উল্লিখিত লোকজনে ইয়াক জি এছ টি আমোলত দাবী কৰিব নোৱাৰে— এছ জি এছ টি আইনৰ অনুচ্ছেদ ১৪০(২)ৰ ব্যৱস্থা।

**প্ৰশ্ন ৫। ধৰা হ'ল পঞ্জীভুক্ত লোকজনে চলিত আইনৰ অধীনত ভুলবশতঃ 'ক্ৰেডিট' লাভ কৰিছিল (প্ৰশ্ন ৪ৰ প্ৰসংগ), জি এছ টি বা চলিত আইনৰ অধীনত পুনৰুদ্ধাৰ কৰা হ'বনে?**

**উত্তৰ ঃ** ভুলবশতঃ উপভোগ কৰা 'আই টি চি'ৰ পুনৰুদ্ধাৰ, চলিত আইনৰ অধীনত কৰা নহ'লে, জি এছ টিৰ অধীনত কৰৰ ৰৈ যোৱা পাওনা (arrears) হিচাপে পুনৰুদ্ধাৰ কৰা হ'ব।

**প্ৰশ্ন ৬। চলিত আইনৰ (কেন্দ্ৰীয় উৎপাদন শুল্ক/ ভেট) অধীনত পঞ্জীভুক্ত হ'বলৈ যোগ্য নোহোৱা অথচ জি এছ টিৰ অধীনত পঞ্জীভুক্ত হ'বৰ যোগ্য দুজন পঞ্জীভুক্ত কৰযোগ্য লোকৰ দুটা উদাহৰণ দিয়ক।**

**উত্তৰ ঃ** পূৰ্বতে, ৬০ লাখ টকা উপাৰ্জন থকা এজন প্ৰস্তুতকৰ্তাই এছ এছ আই কৰ্তন উপভোগ কৰি আছিল, কিন্তু জি এছ টি অনুচ্ছেদ ২২ অনুসৰি যিহেতু তেওঁ ২০ লাখ টকাৰ অন্তিম সীমা অতিক্ৰম কৰিব গতিকে এই আইনৰ অধীনত পঞ্জীভুক্ত হ'ব লাগিব।

ই-কমাৰ্চ অপাৰেটৰৰ জৰিয়তে বিক্ৰয় সম্পন্ন কৰি থকা একোজন ব্যৱসায়ীৰ যদি VATৰ অধীনত অন্তিম সীমাৰ তলত উপাৰ্জন হয়, তেওঁ জি এছ টিত পঞ্জীভুক্ত হ'ব লাগিব। এনে লোকৰ বাবে অন্তিম সীমা নাথাকিব— অনুচ্ছেদ ২৪।

**প্ৰশ্ন ৭। নিযুক্ত হোৱা দিনত VATৰ ওপৰত একোজন সেৱা প্ৰদানকাৰীয়ে আই টি চি লাভ কৰিবনে?**

**উত্তৰ ঃ** হয়, অনুচ্ছেদ ১৪০ (৩)ৰ ব্যৱস্থাৱলী অনুসৰি জমা থকা 'ইনপুট'ৰ ওপৰত তেওঁ 'ইনপুট টেক্স ক্ৰেডিট' পোৱাৰ যোগ্য হ'ব।

**প্ৰশ্ন ৮। এজন পঞ্জীভুক্ত কৰযোগ্য লোকৰ নিযুক্ত হোৱাৰ দিনৰ ঠিক পূৰ্বৱৰ্তী সময়ছোৱাৰ বাবে আই টি চি ১০,০০০/-টকা অতিক্ৰম হ'ল। জি এছ টিৰ অধীনত তেওঁ সংযোগ আঁচনি পাব বিচাৰে। তেওঁ পূৰ্বৰ অতিৰিক্ত আই টি চি জি এছ টিলৈ**

**আগবঢ়াই নিব পাৰেনে?**

**উত্তৰ ঃ** পঞ্জীভুক্ত লোকজনে ভেটৰ অতিৰিক্ত আই টি চি জি এছ টিলৈ আগুৰাই নিব নোৱাৰে যদিহে তেওঁ সংযোগ আঁচনি পাব বিচাৰে— অনুচ্ছেদ ১৪০ (১)।

**৯। চি এছ টি (অৰ্থাৎ কেন্দ্ৰীয় বিক্ৰী কৰ আইন)ৰ অধীনস্থ বিক্ৰয় 'ৰিটাৰ্ণ' ছমাহৰ ভিতৰত কৰা উপাৰ্জনৰ (turnover) পৰা কৰ্তন হিচাপে অনুমতিযোগ্যনে? যদি ধৰা হ'ল, বিক্ৰীৰ ছমাহৰ পিছত এজন ক্ৰেতাই জি এছ টিৰ আমোলত সামগ্ৰী ঘূৰাই দিলে, ই জি এছ টিত কৰযোগ্য হ'ব?**

**উত্তৰ ঃ** বিক্ৰীৰ সময়ত যিকোনো সামগ্ৰীৰ ওপৰত যদিহে চলিত আইনৰ অধীনত (এই ক্ষেত্ৰত চি এছ টি) কৰ পৰিশোধ কৰা হয়, নিযুক্ত হোৱা দিনৰ পৰা ছমাহতকৈ অধিক আগত যদি নহয়, আৰু নিযুক্ত হোৱা দিনৰ পিছত ক্ৰেতাজনে এনে সামগ্ৰী যদি ওভতাই দিয়ে, তেনে ক্ষেত্ৰত জি এছ টিত বিক্ৰয় প্ৰতিদান (sales return) উল্লিখিত ক্ৰেতাজনৰ এক যোগান হিচাপে গণ্য হ'ব আৰু এনে যোগানৰ ওপৰত কৰ পৰিশোধ কৰিব লাগিব, যদিহে—

(১) সামগ্ৰীখিনি জি এছ টি আইনৰ অধীনত কৰযোগ্য হয়, আৰু

(২) ক্ৰেতাজন জি এছ টি আইনৰ অধীনত পঞ্জীভুক্ত হয়। অৱশ্যে, বিক্ৰেতাজনে চলিত আইনৰ অধীনত পৰিশোধ কৰা এনে কৰ ওভতাই পোৱাৰ যোগ্য। যদিহে উল্লিখিত ক্ৰেতাজন এজন জি এছ টিৰ অধীনত পঞ্জীভুক্ত নোহোৱা লোক আৰু নিযুক্ত দিনৰ পৰা ছমাহৰ ভিতৰত (বা সৰ্বাধিক দুমাহৰ প্ৰসাৰিত সময়ৰ ভিতৰত) ওভতাই পাব আৰু সামগ্ৰীসমূহ চিনাক্তকৰণৰ যোগ্য— অনুচ্ছেদ ১৪২(১) (এই ক্ষেত্ৰত চি এছ টি)।

**১০। যদি পূৰ্বৰ আইনৰ অধীনত ঠিকা কামৰ (Job Work) বাবে প্ৰেৰণ কৰা 'ইনপুট' বা অৰ্ধ-সম্পূৰ্ণ সামগ্ৰী নিযুক্ত দিনৰ পিছত ঠিকা কাম সম্পূৰ্ণ হোৱাৰ পিছত ঘূৰাই দিলে এজন প্ৰস্তুতকৰ্তা বা ঠিকা কাম কৰোতা কৰ পৰিশোধ কৰিবলৈ দায়বদ্ধ হ'বনে?**

**উত্তৰ ঃ** নিম্নোল্লিখিত পৰিস্থিতিবিলাকত প্ৰস্তুতকৰ্তা বা ঠিকা কাম কৰোতাই কৰ দিব নালাগে ঃ

(১) নিযুক্ত দিনৰ আগতে পূৰ্বৰ আইনৰ বিধান অনুসৰি ঠিকা কাম কৰোতালৈ 'ইনপুট' বা অধ-সম্পূৰ্ণ সামগ্ৰী প্ৰেৰণ কৰিলে।

(২) নিযুক্ত দিনৰ পৰা ছমাহৰ ভিতৰত (বা দুমাহৰ প্ৰসাৰিত সময়) যদি ঠিকা কাম কৰোতাই সেইখিনি ঘূৰাই দিয়ে।

(৩) নিৰ্ধাৰিত প্ৰ-পত্ৰত নিযুক্ত দিনত জমা থকা 'ইনপুট'ৰ সবিশেষ প্ৰস্তুতকৰ্তা আৰু ঠিকা কাম কৰোতা উভয়ে ঘোষণা কৰিলে।

প্ৰাসংগিক অনুচ্ছেদ হৈছে ১৪১(১), ১৪১(২) আৰু ১৪১ (৪)

অৱশ্যে, উল্লিখিত ইনপুট/অৰ্ধ-সম্পূৰ্ণ সামগ্ৰী যদি ছমাহৰ ভিতৰত ওভতাই দিয়া নহয় (বা প্ৰসাৰিত সৰ্বাধিক দুমাহৰ সময়), প্ৰাপ্ত 'ইনপুট টেক্স ক্ৰেডিট' পুনৰুদ্ধাৰৰ যোগ্য হ'ব।

**১১। নিৰ্ধাৰিত সময়ত যদি ঠিকা কাম কৰোতাই সামগ্ৰীখিনি ঘূৰাই নিদিয়ে, তেতিয়া কি হ'ব?**

**উত্তৰ ঃ** উল্লিখিত সামগ্ৰীৰ ওপৰত ঠিকা কাম কৰোতাই কৰ পৰিশোধ কৰিব লাগিব, যদিহে সেইবিলাক নিযুক্ত দিনৰ পৰা ছমাহৰ ভিতৰত (বা সৰ্বাধিক দুমাহৰ প্ৰসাৰিত সময় সীমাৰ ভিতৰত) প্ৰস্তুতকৰ্তাৰ ব্যৱসায়ৰ স্থানলৈ ওভতাই পঠিওৱা নহয়— অনুচ্ছেদ ১৪১(১), ১৪১(২)।

**১২। আন যিকোনো কৰযোগ্য লোকৰ চৌহদলৈ চেকি চোৱা বা জুতি চোৱাৰ উদ্দেশ্যে প্ৰেৰণ কৰা সম্পূৰ্ণ বা সৰ্বশেষ পণ্য-সামগ্ৰী প্ৰস্তুতকৰ্তাই হস্তান্তৰ কৰিব পাৰেনে?**

**উত্তৰ ঃ** হয়, পূৰ্বৰ আইনৰ বিধান অনুসৰি নিযুক্ত দিনৰ পৰা ছমাহ বা প্ৰসাৰিত সময়ৰ ভিতৰত ৰপ্তানিৰ বাবে কৰ পৰিশোধ কৰি বা কৰ পৰিশোধ নকৰাকৈ যিকোনো

কৰযোগ্য লোকৰ চৌহদলৈ এজন প্ৰস্তুতকৰ্তাই উল্লিখিত সামগ্ৰী হস্তান্তৰ কৰিব পাৰে— অনুচ্ছেদ ১৪১(৩)।

**১৩। পূৰ্বৰ আইনৰ অধীনত কেতবোৰ প্ৰক্ৰিয়া সম্পন্ন কৰোতে একোটা কাৰখানাৰ পৰা আঁতৰোৱা সম্পূৰ্ণ সামগ্ৰী যদি নিযুক্ত দিনত বা তাৰ পাছত ঘূৰাই দিয়া হয়, তেতিয়া জি এছ টি পৰিশোধ কৰিব লাগেনে?**

**উত্তৰ ঃ** নিযুক্ত দিনৰ আগতে কোনো বিশেষ প্ৰক্ৰিয়া সম্পন্ন কৰিবৰ বাবে যদি ফেক্টৰীৰ পৰা অন্য কোনো চৌহদলৈ আঁতৰাই নিয়া সম্পূৰ্ণ সামগ্ৰী পৰীক্ষা কৰাৰ পিছত বা আন কোনো প্ৰক্ৰিয়াৰ পিছত ছমাহৰ ভিতৰত (বা সৰ্বাধিক দুমাহৰ প্ৰসাৰিত সময়ত) উল্লিখিত ফেক্টৰীলৈ ওভতাই দিয়া হয়, জি এছ টিৰ অধীনত কৰ পৰিশোধ কৰিব নালাগে— অনুচ্ছেদ ১৪১(৩)।

**প্ৰশ্ন ১৪। চলিত আইনৰ অধীনত প্ৰস্তুত হিচাপে পৰিগণিত নোহোৱা অথচ কোনো ঠিকা কৰ্মীলৈ পৰীক্ষা কৰিবৰ বাবে বা আন কোনো প্ৰক্ৰিয়াৰ বাবে প্ৰেৰণ কৰা প্ৰস্তুত সামগ্ৰীৰ ওপৰত কেতিয়া জি এছ টিত কৰ পৰিশোধ কৰিবলগীয়া হয়?**

**উত্তৰ ঃ** নিযুক্ত দিনৰ পূৰ্বে পৰীক্ষা কৰিবৰ বাবে বা আন কোনো প্ৰক্ৰিয়াৰ বাবে একোজন ঠিকা কৰ্মীলৈ প্ৰেৰণ কৰা প্ৰস্তুত সামগ্ৰী, চলিত আইনৰ অধীনত প্ৰস্তুত হিচাপে পৰিগণিত নহ'লেও , আৰু এনে সামগ্ৰী যদি নিযুক্ত দিনৰ পৰা ছমাহৰ ভিতৰত (সৰ্বাধিক দুমাহৰ প্ৰসাৰিত সময়ৰ ভিতৰত) প্ৰস্তুতকৰ্তালৈ ওভতাই পঠিওৱা নহয় তেন্তে সেয়া জি এছ টিত কৰযোগ্য হ'ব।— অনুচ্ছে ১৪১(৩)।

**প্ৰশ্ন ১৫। অনুচ্ছেদ ১৪১ত আলোচিত দুমাহৰ সম্প্ৰসাৰণ স্বয়ংক্ৰিয়নে?**

**উত্তৰ ঃ** নহয়, ই স্বয়ংক্ৰিয় নহয়, কেৱল প্ৰদৰ্শিত উপযুক্ত কাৰণৰ ভিত্তিত কৰ্তৃত্বশীল কৰ্তৃপক্ষইহে ইয়াক সম্প্ৰসাৰিত কৰিব।

**প্ৰশ্ন ১৬। দাম পুনৰীক্ষণৰ বাবে 'ডেবিট-ক্ৰেডিট নোট' জাৰি কৰাৰ সময়সীমা কি?**

**উত্তৰ ঃ** দাম পুনৰীক্ষণৰ ৩০ দিনৰ ভিতৰত কৰযোগ্য লোকজনে 'ডেবিট-ক্ৰেডিট

নোট’ বা পৰিপূৰক চালান জাৰি কৰিব পাৰে।

দাম নিম্নগামী হিচাপত পুনৰীক্ষিত হ’লে কৰযোগ্য লোকজনক তেতিয়াহে তেওঁৰ দিবলগীয়া কৰ হ্ৰাস কৰিবলৈ অনুমতি দিয়া হ’ব, যেতিয়া চালান বা ‘ক্ৰেডিট নোট’ গ্ৰহণ কৰোতাই এনে দিবলগীয়া হ্ৰাসকৰণ অনুসৰি তেওঁৰ ‘আই টি চি’ হ্ৰাস কৰে— অনুচ্ছেদ ১৪২ (২)

**প্ৰশ্ন ১৭। পূৰ্বৰ আইনৰ অধীনত পৰিশোধ নকৰাকৈ থকা কৰ-সুতৰ ‘ৰিফাণ্ড’ কেনেকৈ কৰা হ’ব?**

**উত্তৰ ঃ** পূৰ্বৰ আইনৰ বিধান অনুসৰিয়েই পৰিশোধ নকৰাকৈ থকা ‘ৰিফাণ্ড’ৰ দাবী নিষ্পত্তি কৰা হ’ব— অনুচ্ছেদ ১৪২(৩)।

**প্ৰশ্ন ১৮। পূৰ্বৰ আইনৰ অধীনত নিষ্পত্তি নোহোৱাকৈ থকা একোটা CENVAT/ ITC সংক্ৰান্তীয় আবেদন বা পুনৰীক্ষণৰ কি ব্যৱস্থা হ’ব?**

**উত্তৰ ঃ** নিযুক্ত দিনৰ পূৰ্বতে, সময়ত বা পিছত CENVAT/ITC বা যিকোনো বহিৰ্গমন কৰৰ বাবে কৰা দাবী সম্পৰ্কীয় যিকোনো ধৰণৰ আবেদন, পুনৰীক্ষণ, পৰ্যবেক্ষণ বা উল্লেখ আদি চলিত আইন অনুসৰি নিষ্পত্তি কৰা হ’ব আৰু CENVAT/ ITC বা বহিৰ্গমন কৰ ওভতাই দিবলগীয়া হ’লে চলিত আইন অনুসৰি ওভতাই দিয়া হ’ব। অৱশ্যে, পুনৰুদ্ধাৰ কৰিবলগীয়া যিকোনো ধনৰাশি জি এছ টি আইনৰ অধীনত কৰৰ বৈ যোৱা পাওনা (arrears) হিচাপে গণ্য হ’ব।— অনুচ্ছেদ ১৪৬ (৬)/১৪২ (৭)।

**প্ৰশ্ন ১৯। যদি আপীল সংক্ৰান্তীয় বা পুনৰীক্ষিত নিৰ্দেশনা কৰদাতাৰ পক্ষে হয়, জি এছ টিত ‘ৰিফাণ্ড’ কৰা হ’বনে? যদি সিদ্ধান্ত কৰদাতাৰ বিপক্ষে হয়, তেতিয়া কি হ’ব?**

**উত্তৰ ঃ** কেৱল পূৰ্বৰ আইনৰ বিধান অনুসৰিহে ‘ৰিফাণ্ড’ কৰা হ’ব। কোনো ধৰণৰ পুনৰুদ্ধাৰ কৰিবলগীয়া হ’লে, জি এছ টিৰ অধীনত কৰৰ বাকী থকা ধন হিচাপেহে

এই কাম কৰা হ'ব।— অনুচ্ছেদ ১৪২(৬) আৰু ১৪২(৭)।

**প্ৰশ্ন ২০। পূৰ্বৰ আইনৰ অধীনত দাখিল কৰা হিচাপৰ বিৰৰণৰ পুনৰীক্ষণৰ পৰা উদ্ভৱ হোৱা 'ৰিফাণ্ড'ৰ ক্ষেত্ৰত জি এছ টিত কি পদক্ষেপ গ্ৰহণ কৰা হ'ব?**

**উত্তৰ ঃ** নিযুক্ত দিনৰ পিছত চলিত আইনৰ অধীনত যিকোনো উপাৰ্জনৰ পুনৰীক্ষণৰ পৰিণতি হিচাপে পুনৰুদ্ধাৰ কৰাৰ যোগ্য হিচাপে পৰিগণিত যিকোনো পৰিমাণৰ ধনৰাশি চলিত আইনৰ ব্যৱস্থালী অনুসৰি নগদ পুনৰুদ্ধাৰ কৰা হ'ব।— অনুচ্ছেদ ১৪২(৯) (বি)।

**প্ৰশ্ন ২১। পূৰ্বৰ আইনৰ অধীনত হোৱা চুক্তি অনুসৰি যদি জি এছ টিত কোনো সামগ্ৰী বা সেৱাৰ যোগান ধৰা হয়, তেতিয়া কোনটো কৰ পৰিশোধ কৰিব লাগিব?**

**উত্তৰ ঃ** এনে যোগানৰ ক্ষেত্ৰত জি এছ টি পৰিশোধ কৰিব লাগিব— চি জি এছ টি আইনৰ অনুচ্ছেদ ১৪২(১০)।

**প্ৰশ্ন ২২। সামগ্ৰী/সেৱাৰ একোটা নিৰ্দিষ্ট যোগানৰ ওপৰত আৰোপিত কৰ চলিত আইনৰ অধীনত মাচুলযোগ্য। যদি জি এছ টি আমোলত প্ৰকৃত যোগান সম্পন্ন কৰা হয় তেতিয়া জি এছ টিও পৰিশোধ কৰিব লাগিবনে?**

**উত্তৰ ঃ** চলিত আইনৰ অধীনত মাচুল আৰোপিত হ'লে তেনে সামগ্ৰী/সেৱাৰ যোগানৰ ক্ষেত্ৰত জি এছ টিৰ অধীনত কৰ পৰিশোধ কৰিবলগীয়া নহয়— অনুচ্ছেদ ১৪২(১১)।

**প্ৰশ্ন ২৩। চলিত আইনৰ অধীনত নিযুক্ত দিনৰ পিছত যিকোনো ধৰণৰ আইনগত প্ৰক্ৰিয়া বা বিচাৰ চলি থকাত নিযুক্ত দিনৰ পিছত কৰৰ এটা পৰিমাণ, সুত, জৰিমনা বা অৰ্থদণ্ড যদি পৰিশোধ কৰিবলগীয়া হয়, তেতিয়া জি এছ টি আইনৰ অধীনত এনে ধনৰাশি পৰিশোধযোগ্যনে?**

**উত্তৰ ঃ** চলিত আইনৰ অধীনত এই ক্ষেত্ৰত এনে পৰিমাণৰ ধনৰাশি পৰিশোধ কৰিব নালাগে— চি জি এছ টি আইনৰ অনুচ্ছেদ ১৪২(৮)(বি)।

**প্ৰশ্ন ২৪। যদি পূৰ্বৰ আইনৰ অধীনত আই এছ ডি এ সেৱা গ্ৰহণ কৰে, জি এছ টি**

**আমোলত এই সংক্ৰান্তীয় আই টি চি বিতৰণ কৰিব পাৰিনে?**

**উত্তৰ ঃ** হয়, নিযুক্ত দিনত বা তাৰ পিছত এনে সেৱা সংক্ৰান্তীয় চালান গ্ৰহণ কৰক বা নকৰক—চি জি এছ টি আইনৰ অনুচ্ছেদ ১৪০(৭)(বি)।

**প্ৰশ্ন ২৫। যদি কোনো সামগ্ৰী বিক্ৰী কৰা হয় আৰু তাৰ ওপৰত ৰাজ্যিক ভেট আইনৰ অধীনত উৎসতে কৰ কৰ্তন কৰা হয় আৰু নিযুক্ত দিনৰ পূৰ্বে চালানো জাৰি কৰা হয়, তেতিয়া এই আইনৰ অধীনত উৎসতে কৰ কৰ্তন কৰা হ'বনে যদি নিযুক্ত দিনৰ পিছত ধনাদায় কৰা হয়?**

**উত্তৰ ঃ** নহয়, এনেক্ষেত্ৰত জি এছ টি আইনৰ অধীনত উৎসতে কৰ কৰ্তন কৰা নহয়।

**প্ৰশ্ন ২৬। নিযুক্ত দিনৰ পূৰ্বে সামগ্ৰী প্ৰেৰণ কৰা হ'ল; কিন্তু নিযুক্ত দিনৰ পৰা ছমাহৰ পিছত বিক্ৰেতাক ওভতাই দিয়া হ'ল, জি এছ টিত কৰ পৰিশোধ কৰিব লাগিবনে?**

**উত্তৰ ঃ** হয়, যদি এনে সামগ্ৰী জি এছ টিত কৰ দিবলৈ বাধ্য আৰু নিযুক্ত দিনৰ পৰা ছমাহৰ পিছত (দুমাহ প্ৰসাৰিত কৰিব পাৰি) উক্ত সামগ্ৰী নাকচ কৰা বা গ্ৰহণ নকৰা লোকজনে যদি ইয়াক ওভতাই দিয়ে সেই ক্ষেত্ৰত অনুমোদনৰ ভিত্তিত সামগ্ৰীখিনি প্ৰেৰণ কৰা লোকজনে কৰো পৰিশোধ কৰিব লাগিব। —অনুচ্ছেদ ১৪২(১২)।

***